জাতিৰ সেৱাত উৎসৰ্গিত ৬১ বছৰ

নিউজডেইলি২৪.ইন
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

https://dainikasam.in

‘দৈনিক অসম’ সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ২৪৫ সংখ্যা, ২৯ চ'ত, সোমবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 245। GUWAHATI, MONDAY, APRIL 13, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)



৯২ বছৰ বয়সত মুম্বাইৰ ব্ৰীচ কেণ্ডী হাস্পতালত শেষ নিশ্বাস ত্যাগ

## কিংবদন্তি কণ্ঠশিল্পী আশা ভোছলে আৰু নাই

অপূৰ্ণ হৈয়েই ৰ'ল গীত গাই থাকোঁতে মৃত্যুৰ কোলাত ঢলি পৰাৰ আশা ■ ২০টাতকৈও অধিক ভাষাত গাইছিল ১২ হেজাৰ গীত ■ আজি বিয়লি শিৱাজী পাৰ্কত হ'ব শেষকৃত্য

**মুম্বাই, ১২ এপ্ৰিল ঃ** গীত গাই থাকোঁতেই মৃত্যুৰ কোলাত ঢলি পৰাৰ জীৱনৰ অপূৰ্ণ আশা বুকুত লৈয়েই আজি বৰ্ণাঢ্য জীৱন নাট সামৰিলে ভাৰতৰ ছবিজগতৰ কোকিলকণ্ঠী গায়িকা লতা মংগেশকাৰৰ ভগ্নী সুৰ সম্ৰাজ্ঞী আশা ভোছলেই। ভোছলেৰ বিয়োগত ভাৰতীয় সংগীতৰ এটা স্বৰ্ণিল যুগৰ অৱসান ঘটিল। দেশৰ লগতে সমগ্ৰ বিশ্বৰ কোটি কোটি অনুৰাগীক শোক সাগৰত পেলাই মুম্বাইৰ *৬ পৃষ্ঠাত চাওক*



‘মন প্ৰজাপতি’ৰপৰা ‘চয়নিকা’ এলবামলৈ বহু অসমীয়া গীতত নিগৰাইছিল কণ্ঠ

## অসমৰ সৈতে নিবিড় সম্পৰ্ক আছিল সুৰ সম্ৰাজ্ঞীৰ




দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ অনেক ভাষাৰ গীতত কণ্ঠ নিগৰোৱা কিংবদন্তি শিল্পী আশা ভোছলেৰ সাংস্কৃতিক আৰু সংগীতিক দিশেৰে অসমৰ সৈতেও আছিল অভিন্ন সম্পৰ্ক। ভোছলেৰ অসমৰ সৈতে থকা সম্পৰ্কৰ *৬ পৃষ্ঠাত চাওক*



মই গভীৰভাৱে মৰ্মাহত ঃ প্ৰধানমন্ত্ৰী

## ‘মেলডী কুইন’ক হেৰুৱাই দেশজুৰি শোক

মিছ কৰিম ঃ শ্বাহৰুখ খান ■ ৰাষ্ট্ৰই হেৰুৱালে অমৰ কণ্ঠ ঃ ডঃ হিমন্ত বিশ্ব শৰ্মা ■ যুগ যুগ ধৰি প্ৰতিধ্বনিত হৈ থাকিব অমৰ সুৰ ঃ সৰ্বানন্দ সোণোৱাল

**মুম্বাই, ১২ এপ্ৰিল ঃ** কিংবদন্তি কণ্ঠশিল্পী আশা ভোচলেৰ মৃত্যুত দেশজুৰি শোকৰ ছাঁ পৰিছে। আজি ‘এক্স’ হেণ্ডেলত সুৰ সম্ৰাজ্ঞী ভোছলেৰ মৃত্যুত গভীৰ শোক প্ৰকাশ *৬ পৃষ্ঠাত চাওক*

সংখ্যালঘুপ্ৰধান ২৪ সমষ্টিৰ অধিকাংশতে ৯০ৰ পৰা ৯৭ শতাংশ পৰ্যন্ত ভোটদান

# সংখ্যালঘু নে খিলঞ্জীয়া ? ক'ত পৰিল বেছি ভোট

১৫ খিলঞ্জীয়া অধ্যুষিত সমষ্টিত তুলনামূলকভাৱে ভোটদানৰ হাৰ নিম্ন, নিউ গুৱাহাটীত মাত্ৰ ৭২ শতাংশ ঃ ‘দৈনিক অসম’ৰ বাতৰিৰ পাছতে ৰাজহুৱা সমষ্টিভিত্তিক চূড়ান্ত ভোটদানৰ হাৰ

দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ সামৰণি পৰাৰ প্ৰায় ৬৭ ঘণ্টা পাছত নিৰ্বাচন আয়োগে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ সমষ্টিভিত্তিক চূড়ান্ত ভোটদানৰ হাৰ ৰাজহুৱা কৰিছে। আজি দুপৰীয়া নিৰ্বাচন আয়োগে প্ৰতিটো বিধানসভা সমষ্টিত প্ৰদান হোৱা ভোটৰ চূড়ান্ত *৬ পৃষ্ঠাত চাওক*




## পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰত ব্যতিক্ৰমী ৰূপত প্ৰধানমন্ত্ৰী মোডী

এইবাৰ ব্ল'গাৰ অৱতাৰ, ৰীল বনাই এৰি দিলে ইনষ্টাগ্ৰামত ■ জনতাৰ বিপুল সঁহাৰি

**কলকাতা, ১২ এপ্ৰিল ঃ** পশ্চিমবংগৰ নিৰ্বাচনী প্ৰচাৰে তীব্ৰগতি লাভ কৰা সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক এক ব্যতিক্ৰমী ৰূপত দেখা গ'ল। এইবাৰ বিশ্ববাসীৰ আগত ব্ল'গাৰৰ ৰূপত ধৰা দিলে নৰেন্দ্ৰ মোডীয়ে। প্ৰধানমন্ত্ৰী মোডীয়ে ইনষ্টাগ্ৰামৰ *৬ পৃষ্ঠাত চাওক*

## লেখাপানীত আলফা স্বাধীনৰ সাত লিংকমেনক আটক



দৈনিক অসমৰ বিশেষ প্ৰতিনিধি/প্ৰতিনিধি
**তিনিচুকীয়া/মাৰ্ঘেৰিটা, ১২ এপ্ৰিল ঃ** উজনিত পুনৰ সক্ৰিয় হৈছে নিষিদ্ধ ঘোষিত *৬ পৃষ্ঠাত চাওক*

কাঁহুদী



—সংগঠনৰ নেতা হেৰাইছে। খবৰ পায় নেকি ? সেই যে বগা ছাৰ্ট, ক'লা পেণ্ট পিন্ধে!

## অনা-অসমীয়াৰ দপ্‌দপনি গুৱাহাটীত খিলঞ্জীয়াক প্ৰহাৰক লৈ উত্তাল পৰিস্থিতি

আটাছু-অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সকীয়নি

দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** উত্তৰ-পূবৰ বাণিজ্যিক চহৰ সদাব্যস্ত ফাঁচী বজাৰৰ মাজমজিয়াত *৬ পৃষ্ঠাত চাওক*



উলুবাৰীৰ পেট্ৰ'ল পাম্পত নিশা আক্ৰমণ ■ ফটাশিলতো অসমীয়া যুৱতীক অশালীন আচৰণৰ অভিযোগ

সেমেকা মন- দাম বৃদ্ধিৰ মাজতে চলিছে পৰম্পৰা ৰক্ষাৰ আয়োজন



## জুবিনবিহীন ব'হাগৰ নাই উছাহ

আজি উৰুকা
কাইলৈ মাহ-হালধিৰে নুৱাই-ধুৱাই পালন কৰা হ'ব গৰু বিহু

দৈনিক অসমৰ বাতৰি
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** হাবিত, বাৰীৰ ঢাপত নিজানে ফুলা কপৌ-ভাটৌ ফুল, ন-পানী পাই কুঁহিপাত মেলা বন-বিৰিখৰ হাবিয়নি মাতত অথবা কোনোবা গাঁৱৰ পাহোৱাল অসমীয়া ডেকাৰ ঢোলৰ চাপৰৰ শবদত, জীয়ৰী-বোৱাৰীৰ মাকোৰ *৬ পৃষ্ঠাত চাওক*



# দৰঙত সাহিত্যিক ফুলেন চন্দ্ৰ চহৰীয়াৰ জন্মদিনত দল-সংগঠনৰ শুভেচ্ছা

**দৈনিক অসমৰ প্ৰতিনিধি**
**দৰং, ১২ এপ্ৰিল ঃ** মঙলদৈৰ বিশিষ্ট সাহিত্যিক ফুলেন্দ্ৰনাথ চহৰীয়াৰ ৯৩ সংখ্যক জন্মদিন আজি মঙলদৈ সনাতন ধৰ্মসভাৰ উদ্যোগত আয়োজন কৰা হয়। সনাতন ধৰ্মসভাৰ মুখ্য উপদেষ্টা, বিশিষ্ট সাহিত্যিক, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ জন্মদিনত কুৰিবো অধিক সংগঠনে শুভেচ্ছা জ্ঞাপন কৰে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ লগতে তিনি শতাধিক জ্যেষ্ঠ নাগৰিকৰ উপস্থিতিত প্ৰবীণ সাহিত্যিকগৰাকীৰ ওপজা দিন উপলক্ষে ধৰ্মসভাৰ সভাকক্ষত মঙলদৈ সনাতন ধৰ্মসভাৰ সভাপতি পঞ্চানন শৰ্মাৰ সঞ্চালনাত এক অন্তৰংগ আলাপো অনুষ্ঠিত হয়। মঙলদৈ সনাতন ধৰ্মসভাৰ সাধাৰণ সম্পাদক ৰাজেন্দ্ৰনাথ হাজৰিকাই আঁত ধৰা এই অনুষ্ঠানত ধৰ্মসভাৰ তৰফৰ পৰা সম্বৰ্দ্ধনা পত্ৰ, ফুলাম গামোছা, জাপি আদিৰে শিক্ষাবিদগৰাকীক সম্বৰ্দ্ধনা জ্ঞাপন কৰে। জ্যেষ্ঠ সংস্কৃত পণ্ডিত তৰুণ চন্দ্ৰ শৰ্মাৰ মংগলাচৰণেৰে আৰম্ভ কৰা অনুষ্ঠানটোতে দৰং জিলা সাহিত্য সভাৰ হৈ সম্পাদক মৃণাল কুমাৰ ৰাজবংশী, দৰং জিলা কৰ্মচাৰী পৰিষদৰ হৈ সাধাৰণ সম্পাদক কুলেন চন্দ্ৰ ডেকা, খৰিকাজাই শতদল সাহিত্য সভাৰ হৈ সভাপতি হেমকান্ত নাথ, সম্পাদক মদন চন্দ্ৰ বৰুৱা, উপ-সভাপতি সুৰেন্দ্ৰ বৰুৱা, সাংগঠনিক সম্পাদক আনন্দ ডেকাই, এছ আৰ ডি গ্ৰুপ হৈ সঞ্চালক ৰাজীৱ কুমাৰ ডেকা, যুথ ক্লাবৰ হৈ সভাপতি গিৰীশ ডেকা, মঙলদৈ প্ৰেছ ক্লাবৰ হৈ সভাপতি হেমেন কাকতি, সম্পাদক লক্ষ্মীনন্দন কলিতা, দ্য মঙলদৈ ক্লাৱৰ হৈ সম্পাদক ডাঃ ভূপেন চহৰীয়া, মঙলদৈ ক্ৰিয়েটিভ ইউনিটৰ হৈ সভাপতি হৰেন কাকতি, চকবাৰী পেন্সনাৰ সন্থাৰ হৈ সভাপতি মদন চন্দ্ৰ দত্ত, মঙলদৈ পৌৰসভাৰ হৈ সভানেত্ৰী নিৰ্মালি দেৱী শৰ্মা, মঙলদৈ বণিক সন্থাৰ হৈ বিশিষ্ট ব্যৱসায়ী ৰমেশ ঘোষ আৰু নিতাই ঘোষ, মিলিজুলি মইনা পাৰিজাতৰ হৈ সভাপতি দীপেন্দ্ৰ শৰ্মা আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ উপৰি



অভিমন্যু ভৰেন বৰ্মন, অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া প্ৰমোদ চন্দ্ৰ ডেকা, বিশিষ্ট সমাজসেৱক মাণিক চন্দ্ৰ মেধি, অৱসৰপ্ৰাপ্ত শিক্ষক ৰাধাৰাম ভূঞা, সমাজসেৱক অৰুণ বৰুৱা আদিয়ে ধৰ্মসভাৰ মুখ্য উপদেষ্টা ফুলেন্দ্ৰনাথ চহৰীয়াক ৰাজহুৱাভাৱে জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। অন্তৰংগ আলাপ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি বিজেপিৰ ৰাজিক মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱী, বিশিষ্ট সাহিত্যিক-গীতিকাৰ ইস্ৰিছ আলী, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, দৰং জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, পেন্সনাৰ সন্থাৰ সভাপতি মদন দত্ত, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক চহিৰ ভূঞা, ধৰ্মসভাৰ উপ-সভাপতি উপেন্দ্ৰ চহৰীয়া, কোষাধ্যক্ষ মুকুল চন্দ্ৰ ডেকা আদিয়ে বৰ্ষীয়ান ব্যক্তিগৰাকীক ওপজা দিনৰ ওলগ জনায়। অনুষ্ঠানত ফুলেন্দ্ৰনাথ চহৰীয়াৰ নাতিনী হৰ্ষিতা চহৰীয়াই গীতেৰে ককাকক জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। অন্তৰংগ আলাপত জন্ম দিনৰ শুভেচ্ছা গ্ৰহণ কৰি ফুলেন্দ্ৰনাথ চহৰীয়াই কয়, মোৰ জীৱনকালতে সনাতন ধৰ্মসভাই মোৰ তিনি পুৰুষক সেৱা কৰাৰ সুযোগ পালোঁ। আজি সনাতন ধৰ্মসভাৰ উদ্যোগত যি মৰম যাচিলে ইয়াতকৈ আৰু মোক কি সুখ লাগে।

# কমলপুৰৰ বিদিত চন্দ্ৰ ডেকাৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**
**বাইহাটা চাৰিআলি, ১২ এপ্ৰিল ঃ** কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কৰৰা মৌজাৰ পানাৰা গাঁৱৰ বাসিন্দা তথা ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী বিদিত চন্দ্ৰ ডেকাৰ কালি আবেলি মৃত্যু হয়। দীৰ্ঘদিন ধৰি মধুমেহ আৰু বৃক্কৰ ৰোগত আক্ৰান্ত হৈ থকা বিদিত ডেকা কালি হঠাতে অসুস্থ হোৱাত পৰিয়ালৰ লোকে গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায় যদিও হৃদযন্ত্ৰ বিকল হৈ তেওঁ আবেলি ৪.৩০ বজাত মৃত্যুক সাৱটি লয়। এসময়ৰ বিশিষ্ট ফুটবল খেলুৱৈ ডেকাৰ মৃত্যুত সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰে। নিশা প্ৰায় ৯ বজাত চিকিৎসালয়ৰ পৰা তেওঁৰ মৃতদেহ পানাৰাৰ নিজ গৃহলৈ অনাত অসংখ্য গুণমুগ্ধই তেওঁৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। অঞ্চলটোৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ সৈতে জড়িত ডেকাৰ মৃত্যুত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, যাদৰ চন্দ্ৰ ডেকাৰ উপৰি যুথ এথলেটিক্‌ছ ক্লাব, কৰৰা; কৰৰা শতদল সাহিত্য সভা, ত্ৰিবেণী নাট্যগোষ্ঠী, দুৰ্গা পূজা সমিতি, উন্নয়ন সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। ৬৭ বছৰ বয়সত মৃত্যু হোৱা ডেকাই পত্নী, দুগৰাকীকৈ পুত্ৰ-( বোৱাৰী, ভাই-ভনী আদি অসংখ্য গুণমুগ্ধক এৰি যায়।

**LAND & PROPERTY**
মঙলদৈৰ Repose Factoryৰ ওচৰত **২ কঠা ম্যাদী মাটি** বিক্ৰী কৰা হ'ব। যোগাযোগ কৰক- **60033-21547**
DA/L&P/617/1

# উত্তৰ শালমাৰাত অগ্নিকাণ্ডত ক্ষতিগ্ৰস্তক সাহায্য



**দৈনিক অসমৰ প্ৰতিনিধি**
**উত্তৰ শালমাৰা, ১২ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষী চকীৰ অন্তৰ্গত ঘিলাগুৰি বজাৰত সংঘটিত ভয়ংকৰ অগ্নিকাণ্ডত ১২ খনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাত কালি অভয়াপুৰীৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী ৰুদ্ৰ কুমাৰ পাঠকে উপস্থিত হৈ খা-খবৰ লয়। পঞ্চায়ত সভাপতি, আঞ্চলিক পঞ্চায়ত সদস্য আদিৰ উপস্থিতিত সমাজকৰ্মী পাঠকে ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকললৈ নিজৰ আৰ্জিত ধনৰপৰা আৰ্থিক সহায় আগবঢ়ায়। দুৰ্দিনৰ সময়ত খা-খবৰ লৈ সহায় আগবঢ়োৱাৰ বাবে তেওঁলোকে পাঠকলৈ কৃতজ্ঞতা জ্ঞাপন কৰে। জানিব পৰা মতে, যোৱা ৭ এপ্ৰিলত নিশা বজাৰখনৰ মহাদেৱ মণ্ডলৰ ষ্টেচনাৰী দোকানত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটিছিল।

# সংবাদ মাধ্যমৰ ওপৰত সংঘটিত আক্ৰমণক গৰিহণা সংবাদকৰ্মী সন্থাৰ

**গুৱাহাটী ১২ এপ্ৰিল ঃ** ৰাজ্যত সংবাদ মাধ্যম আৰু সংবাদ কৰ্মীৰ ওপৰত চলি অহা আক্ৰমণক কঠোৰ ভাষাৰে গৰিহণা দিছে সদৌ অসম সংবাদ কৰ্মী সন্থাই। সন্থাই আজি এক বিবৃতিত কয় যে শেহতীয়াকৈ 'অসমীয়া প্ৰতিদিন'ৰ লখিমপুৰৰ কাৰ্যালয়ত কৰা আক্ৰমণ আৰু সাংবাদিকক কৰা তুচ্চ-তাচ্ছিল্যই গণতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত গুৰুতৰ আঘাত হানিছে। লগতে এই কাৰ্যই গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভক ভেঙুচালি কৰাৰ নিদৰ্শন দাঙি ধৰিছে। সন্থাই লগতে কয় যে বৰ্তমান সময়ছোৱা অসমৰ সংবাদ জগতৰ বাবে অতি সংকটজনক। সংবাদপত্ৰ আৰু সাংবাদিক-সংবাদ কৰ্মীৰ ওপৰত সংঘটিত এনে অমানৱীয় কাৰ্য কেতিয়াও গ্ৰহণযোগ্য নহয় আৰু ই সৰ্বদাই গৰিহণাযোগ্য। সংবাদপত্ৰ আৰু সাংবাদিক-অসাংবাদিক কৰ্মীৰ সুৰক্ষা এই সময়ত আটাইতকৈ চিন্তনীয় বিষয়। সদৌ অসম সংবাদ কৰ্মী সন্থাই 'সংবাদ কৰ্মী সুৰক্ষা আইন'ৰ প্ৰয়োজনীয়তাৰ কথা পুনৰ উল্লেখ কৰে। এই পৰিস্থিতিত সাংবাদিক আৰু সংবাদ কৰ্মীসকলক ঐক্যবদ্ধ হৈ নিজৰ অধিকাৰ আৰু বৃত্তিগত মৰ্যাদা ৰক্ষাৰ বাবে আগবাঢ়ি যাবলৈ সন্থাই আহ্বান জনায়।

# ৰঙিয়াত গোলোক চন্দ্ৰ ভূঞা স্মাৰক বক্তৃতানুষ্ঠান সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙিয়া, ১২ এপ্ৰিল ঃ** ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ তথা সমাজ সংগঠক প্ৰয়াত গোলোক চন্দ্ৰ ভূঞাৰ পৱিত্ৰ স্মৃতিত আজি ৰঙিয়াত স্মাৰক বক্তৃতানুষ্ঠানৰ লগতে স্মৃতিচাৰণ সভা অনুষ্ঠিত হৈ যায়। ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত স্মাৰক বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত গোলোক চন্দ্ৰ ভূঞাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে ৰঙিয়া ৰাইজমেল শ্বহীদ স্মৃতিৰক্ষা সমিতিৰ সম্পাদক তথা বিশিষ্ট শিক্ষাবিদ পবিন কলিতাই। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বিশিষ্ট সমাজ সংগঠক নৰেন্দ্ৰ শৰ্মা আৰু পৰমেশ্বৰ বুজৰবৰুৱাই। ইয়াৰ পাছতে তপস্যা ভূঞাই 'গণেশ স্তুতি' আৰু ময়ূৰী ভূঞাৰ 'সৰস্বতী বন্দনা'ৰে মূল অনুষ্ঠান আৰম্ভ হয়। সাংস্কৃতিক কৰ্মী মুস্তাফা কামাল আহমেদে আঁত ধৰা স্মাৰক বক্তৃতানুষ্ঠানত 'অসমীয়া ভাষাত কামৰূপী সমল' বিষয় সন্দৰ্ভত মূল বক্তৃতা প্ৰদান কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ উপেন ৰাভা হাকাচামে। বিশিষ্ট পণ্ডিতগৰাকীয়ে কয় যে অসমীয়া মানুহে ভাষাৰ স্থানীয় ৰূপত কথা ক'বলৈ পূৰ্বে লাজ অনুভৱ কৰিছিল। এতিয়া সেই লাজ আঁতৰি গৈছে। এতিয়া অসমীয়া মানুহে নিজৰ কথিত ভাষাত কথা কৈ গৰ্ববোধ কৰিবলৈ লৈছে। ই জাতিটোৰ বাবে শুভ লক্ষণ। প্ৰয়াত জুবিন গাৰ্গ, দীক্ষু আদিৰ দৰে স্বনামধন্য কণ্ঠশিল্পীয়ে কামৰূপী ভাষাত গীত গাই ভাষাৰ স্থানীয় ৰূপটোক মান্যতা প্ৰদান কৰিছে। উজনি অসমৰ মানুহে কোৱা ভাষাৰ মাজতো কামৰূপী লোকভাষাৰ বহুত শব্দ সোমাই আছে। নিজৰ আইৰ মুখৰ ভাষাত কথা ক'বলৈ লাজ কিহৰ বুলি মন্তব্য কৰি ডঃ হাকাচামে কয় যে



অসমীয়া মান্যভাষাটো শিৱসাগৰকেন্দ্ৰিক আছিল যদিও এতিয়া হেমকোষতো বহুত কামৰূপী লোকভাষাৰ শব্দ অন্তৰ্ভুক্ত কৰা হৈছে। অনুষ্ঠানত ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ পাৰ্থ ফুকন মহন্তই বিশিষ্ট শিক্ষাবিদ গোলোক চন্দ্ৰ ভূঞাৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বিশদ বিশ্লেষণ আগবঢ়ায়। তেওঁ কয় যে গোলোক চন্দ্ৰ ভূঞা আছিল ৰঙিয়াৰ শৈক্ষিক নৱজাগৰণৰ এগৰাকী অন্যতম কাণ্ডাৰী পুৰুষ। ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত ভূঞাৰ নেতৃত্বতে পৰৱৰ্তী সময়ত ৰঙিয়াৰ মানৱেন্দ্ৰ শৰ্মা ছোৱালী মহাবিদ্যালয়ে গজালি মেলিছিল। ৰঙিয়াৰ সমাজ জীৱনৰো এগৰাকী অন্যতম ৰূপকাৰ আছিল গোলোক চন্দ্ৰ ভূঞা। অনুষ্ঠানত বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুনীন্দ্ৰ নাৰায়ণ গোস্বামীয়ে প্ৰয়াত শিক্ষাবিদ ভূঞাৰ জীৱন কৃতি সামৰি প্ৰস্তুত কৰি উলিওৱা 'প্ৰাজ্ঞ' শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে। নুৰুল আমিন আৰু মুস্তাফা কামাল আহমেদে এই গ্ৰন্থখন সম্পাদনা কৰি উলিয়াইছে। গ্ৰন্থখনৰ মুখ্য সম্পাদক ডঃ পাৰ্থ ফুকন মহন্ত। অনুষ্ঠানত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ব্ৰজেন্দ্ৰ শইকীয়া, পবিন কলিতা, পৰমেশ্বৰ বুজৰবৰুৱা, নৰেন্দ্ৰ শৰ্মা, লেখক পৱিত্ৰ কলিতাকে ধৰি ভালেকেইগৰাকী বক্তাই প্ৰয়াত গোলোক চন্দ্ৰ ভূঞাৰ স্মৃতিচাৰণ কৰে। অনুষ্ঠানত কৃত্তিকা মহন্ত আৰু হৰ্ষিতা মহন্তই এটি বৰগীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে।

# আজিৰ ৰাশিফল

**২৯ চ'ত, সোমবাৰ, ১৩ এপ্ৰিল**

**মেষ**-অমংগলৰ আশংকা। স্বজন বিবাদ। শত্ৰু বৃদ্ধি। কৰ্মত শত্ৰুতা, ধন অপহৰণ হেতু ৰক্তচাপ বৃদ্ধি, হৃদপিণ্ডৰ দুৰ্বলতাৰ বাবে প্ৰাণৰ সংশয় যোগ। ভ্ৰমণ অধিক হ'ব আৰু ভ্ৰমণৰদ্বাৰা সফলতা লাভ কৰিব। চাকৰি পৰিৱৰ্তনৰ ক্ষেত্ৰত এই বছৰ অনুকূল সময়। কোনো আত্মীয়ৰ বাবে ধন খৰচ, শোকপ্ৰাপ্তি।

**বৃষ**-অৰ্থ লাভ। ৰক্তচাপত কষ্ট। সন্তান পীড়া। বিবাহ ভংগ। বিবাহত বাধ্য। প্ৰেমাস্পদৰ মাজত ভুল বুজাবুজিৰ বাবে বিবাহ ভংগৰ যোগ। প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতা লাভ হ'ব। স্বাস্থ্যৰ ক্ষেত্ৰত শুভ নহয়। গতিকে স্বাস্থ্যৰ ক্ষেত্ৰত নকাৰাত্মক প্ৰভাৱ পৰিব।

**মিথুন**-ভ্ৰমণ পীড়া। শিল্পকৰ্মত উন্নতি। ক্ৰয়-বিক্ৰয়ৰ মাধ্যমত আয়-উন্নতিত বহুলাংশে আশীৰ্বাদপুষ্ট কৰিব। যৌথ ব্যৱসায়ৰ যোগেদি ব্যৱসায় প্ৰতিষ্ঠানৰ উন্নতিৰ যোগ। পুৰণা ঋণ লাভ। ব্যৱসায় প্ৰতিষ্ঠানৰ সম্প্ৰসাৰণ, যান-বাহন লাভৰ লগতে আৰ্থিক উন্নতিৰ যোগ।

**কৰ্কট**-পুত্ৰ-কন্যাৰ পীড়া। শত্ৰু বৃদ্ধি। কৰ্মত শত্ৰুতা। ধন অপহৰণ হেতু ৰক্তচাপ বৃদ্ধি। হৃদপিণ্ডৰ দুৰ্বলতাৰ বাবে প্ৰাণৰ সংশয় যোগ। ভ্ৰমণ অধিক হ'ব আৰু ভ্ৰমণৰদ্বাৰা সফলতা লাভ কৰিব। চাকৰি পৰিৱৰ্তনৰ ক্ষেত্ৰত এই ভ্ৰমণ অনুকূল সময়। কোনো আত্মীয়ৰ বাবে ধন খৰচ, শোকপ্ৰাপ্তি।

**সিংহ**-অৰ্থ ক্ষতি। দুখ ভোগ। শাৰীৰিক দিশত অমংগল সূচনা তথা ভীষণ ক্ষতিৰ সম্ভাৱনা। প্ৰযুক্তিবিদ্যাত নানান অঘটন, সমস্যা আদিৰ লগতে পঢ়াত অমনোযোগিতা যোগ। ব্যৱসায় প্ৰতিষ্ঠানত অভাৱনীয়ভাৱে ক্ষতিসাধন। গৃহ কন্দলে বহু দিশত বাধাগ্ৰস্ত কৰিব পাৰে। সমাজত প্ৰতিষ্ঠা লাভ।

**কন্যা**-আশাৰ সঞ্চাৰ। নানা চিন্তা। দুৰ্ঘটনা আৰু অথন্তৰৰপৰা সদাসতৰ্ক থকা ভাল। পাৰিবাৰিৰক দিশত ক্ষতিসাধন কৰিব। শাৰীৰিক অসুস্থতা অথবা চাৰিত্ৰিক স্খলনে আপোনাক মনোকষ্ট দিব পাৰে। যৌথ ব্যৱসায়ত উন্নতিৰ যোগ। পাৰিবাৰিক দিশত নানান অথন্তৰ ঘটাৰ আশংকাৰ যোগ প্ৰবল।

**তুলা**-সম্পত্তি লাভ। গৃহ অশান্তি। মাতৃ পীড়া। বন্ধুদ্বেষ, আত্মীয় হানি, নীচ লোকৰ ষড়যন্ত্ৰ আদি অশুভ শক্তিৰ কৱলত পৰাৰ আশংকা আছে। ব্যৱসায়ৰ দিশত অনুকূল পৰিৱেশ পালেও সতৰ্কতা অৱলম্বন নকৰিলে ব্যৱসায়ত লোকচান দেখা যাব। বিবাহাদিত শুভফল লাভ কৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মধ্যম।

**বৃশ্চিক**- ৰোগাৰোগ্য। নানা দিশত হতাশা। সাংসাৰিক বিবাদ। স্থান পৰিৱৰ্তন। কৰ্মত উৎসাহ-উদ্দীপনা। আত্মীয়, পিতৃ-মাতৃ, ভ্ৰাতৃ তথা নিজৰ ৰোগৰ বাবে হঠাৎ ধননাশৰ যোগ। অদৰকাৰী কৰ্মত আপুনি আপোনাৰ উৰ্জা নষ্ট কৰিব। ধনহানি হ'ব। পাৰিবাৰিক সদস্যৰ বেমাৰৰ কাৰণে আপোনাৰ মানসিক শান্তি ভংগ হ'ব।

**ধনু**-নানা হতাশা। সাহায্য লাভ। দুশ্চিন্তা, কষ্ট। নিবনুৱাৰ কৰ্মপ্ৰাপ্তি। কৰ্মচাৰীৰ সুনাম। কৰ্মত সন্মান লাভৰ কাৰক। আৰ্থিক উন্নতি, সা-সম্পদ, ধন-ধান্যাদি লাভৰ কাৰক হৈছে। কৰ্মস্থলত মাটি বিবাদ, হঠাৎ মামলা-মোকৰ্দমাৰ যোগেদি ধন নাশৰ কাৰক হৈছে। আত্মীয় হানিৰপৰা শোকপ্ৰাপ্তি, ধন নাশৰ কাৰক ।

**মকৰ**-বন্ধু বিচ্ছেদৰ ভয়। ব্যৱসায়-বাণিজ্যত ক্ষতিসাধন, লোকচান, অপচয় আদিয়ে আপোনাক সততে মনোকষ্ট দি থাকিব। শাৰীৰিক পীড়াই আপোনাক বিকল কৰিব। প্ৰেম-প্ৰণয়ৰ দিশত শুভফল। দুঘটনা আৰু অথন্তৰৰপৰা সদাসতৰ্ক থকা ভাল। পাৰিবাৰিক দিশত ক্ষতিসাধন কৰিব।

**কুম্ভ**-শিল্পীৰ শুভ। শিক্ষাত সফলতা। কামনা-বাসনা পূৰ্ণ। প্ৰিয়জনৰ আগমন। ব্যৱসায়, বিবাহ আদি শুভকৰ্ম পৰিচালনা কৰা ব্যৱসায়ীসকলে আৰ্থিক দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হ'ব। শত্ৰুভয়। স্বাস্থ্যৰ প্ৰতি আৰু ভাবধাৰাৰ প্ৰতি সচেতন হোৱাটো অতি আৱশ্যক।

**মীন**-প্ৰেম-প্ৰণয়ত শুভ। সম্পদ লাভ। ভোগ সামগ্ৰী লাভ। মানসিক উন্নতি। আত্মীয়-স্বজন প্ৰীতিলাভ হ'ব। ন-পুৰণি ৰোগ উপশম হোৱাৰ লগতে গৃহভূমি লাভ। নিৰ্মাণ আদি কাৰ্যত সফল হ'ব পাৰিব। মানসিক উন্নতি, আত্মীয়-স্বজন প্ৰীতিলাভ হ'ব।

## বিহু সুৰক্ষা সমিতিৰ উদ্যোগ

# নৃত্যাচাৰ্য যতীন গোস্বামীক গণশিল্পী হেমাংগ বিশ্বাস বঁটা প্ৰদান

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটী প্ৰেছ ক্লাবত আজি বিহু সুৰক্ষা সমিতি, অসমে প্ৰতি বছৰে প্ৰদান কৰি অহা গণশিল্পী হেমাংগ বিশ্বাস বঁটা, ২০২৫ বৰ্ষৰ বাবে নৃত্যাচাৰ্য যতীন গোস্বামীক প্ৰদান কৰে। বঁটা প্ৰদান অনুষ্ঠানটিত সভাপতিত্ব কৰে বিহু সুৰক্ষা সমিতি, অসমৰ সভাপতি যতীন গগৈয়ে আৰু আঁত ধৰে সমিতিৰ সম্পাদক প্ৰধান ৰেৱ বৰাই। ঘুনুচা গগৈ বৰুৱাৰ দলে ঘোষা পৰিৱেশনেৰে আৰম্ভ কৰা অনুষ্ঠানটিত 'গণশিল্পী হেমাংগ বিশ্বাস বঁটা' গ্ৰহণ কৰি দিয়া ভাষণত নৃত্যাচাৰ্য যতীন গোস্বামীয়ে কয় যে বিহু নাচৰ বৈচিত্ৰ্যময় ৰূপসমূহ শুদ্ধ ৰূপত অনাগত প্ৰজন্মলৈ আগুৱাই নিয়াৰ বাবে বিকৃতকৰণৰ পৰা বিহুক বচাই ৰাখি চৰ্চা কৰাটো প্ৰয়োজনীয়। এইক্ষেত্ৰত বিহু সুৰক্ষা সমিতিয়ে গ্ৰহণ কৰি অহা পদক্ষেপসমূহ সময়োপযোগী বুলি তেওঁ কয়। বিশেষকৈ বিশ্ববিদ্যালয় পৰ্যায়ত পাঠ্যক্ৰমত আৰু উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰমত বিহু বিষয় অন্তৰ্ভুক্তি তথা এই প্ৰক্ৰিয়া সঠিকভাৱে আগুৱাই নিয়াৰ তেওঁ পোষকতা কৰে। বিহু সুৰক্ষা সমিতিয়ে বিহু নাচ- নামসমূহ, বিভিন্ন বিহু উৎসৱৰ সমাহাৰসমূহ শুদ্ধ ৰূপত আগুৱাই নিয়াৰ বাবে অহোপুৰুষাৰ্থ কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত গণশিল্পী হেমাংগ বিশ্বাসৰ জীৱন আৰু কৃতিৰ আলোকপাত কৰে সাংস্কৃতিক মহাসভাৰ সভাপতি পৱিত্ৰ কুমাৰ শৰ্মাই। বিহু সুৰক্ষা সমিতি ৰ উপদেষ্টা বিশ্বজনীন দত্তয়ো বক্তৃতা আগবঢ়োৱা অনুষ্ঠানটিত বিহু বিশেষজ্ঞ ভবেন দুৱৰীয়ে বক্তৃতা দিয়ে। বিহু সুৰক্ষা সমিতিৰ কামৰূপ মহানগৰ জিলাৰ সভাপতি কল্যাণ কুমাৰ দাসৰ তত্বাৱধানত বিহু নাচ পৰিৱেশন কৰা হয়। অনুষ্ঠানত নৃত্যাচাৰ্য যতীন গোস্বামীৰ সম্বৰ্দ্ধনা পত্ৰ পাঠ আৰু শলাগৰ শৰাই আগবঢ়ায় ডঃ দেৱাশিস বেজবৰুৱাই।

# সৰপাৰাত তিনি দিনীয়াকৈ দধিমন্থন সুঁৱৰি উৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**
**পলাশবাৰী, ১২ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ বিভিন্ন অঞ্চলত পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা হৈছে দধিমন্থন সুঁৱৰি উৎসৱ। ১৪ এপ্ৰিলৰপৰা সৰপাৰা হৰি মন্দিৰ প্ৰাংগনত সৰপাৰা ৰাইজ গয়ৰহৰ উদ্যোগত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দধিমন্থন সুঁৱৰি উৎসৱ অনুষ্ঠিত হ'ব। সৰপাৰা ৰাইজ গয়ৰহৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে অজিত চন্দ্ৰ দাস আৰু দীনেশ কুমাৰ ডেকাই জানিবলৈ দিয়া মতে, কাৰ্যসূচী অনুসৰি ১৩ এপ্ৰিলত সন্ধিয়া ৭ গোপীসকলৰদ্বাৰা পানী তুলি সুঁৱৰি উৎসৱৰ কাৰ্যসূচী মুকলি কৰা হ'ব। দ্বিতীয় দিনা তথা উৎসৱৰ মূল কাৰ্যসূচীৰ দিনা পুৱা ৯ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব সৰপাৰা ৰাইজ গয়ৰহৰ সভাপতি অজিত চন্দ্ৰ দাসে। পাছতে স্মৃতি তৰ্পণ কৰিব ৰাইজ গয়ৰহৰ সাধাৰণ সম্পাদক দীনেশ কুমাৰ ডেকাই। ১১ বজাত আৰম্ভ হ'বলগীয়া বিষ্ণুযজ্ঞত কৰ্তাৰূপে অংশগ্ৰহণ কৰিব হেমন্ত কুমাৰ দাসে। দিনৰ ১২ বজাত পুষ্পাঞ্জলি প্ৰদান আৰু ১-৩০ বজাত নন্দ, যশোদা, শ্ৰীকৃষ্ণ আৰু গোপীসকলক হৰি মন্দিৰলৈ লৈ গৈ দধিমন্থন নাট আৰম্ভ কৰা হ'ব। আনহাতে, সন্ধিয়া ৬ বজাত ওজাপালি পৰিৱেশন আৰু নিশা ১০ বজাত যাত্ৰাভিনয় প্ৰদৰ্শন কৰা হ'ব। ১৬ এপ্ৰিলত দিনৰ ১ বজাত প্ৰীতি সন্মিলন অনুষ্ঠিত হ'ব।

**বিজ্ঞাপন সেৱা**
'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন
(**Classified Advertisement**)
প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—
**97060 21101**
**98642 63627**
**0361-3244633** (কাৰ্যালয়)

# তৰুলতা নাথৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**
**মুকালমুৱা, ১২ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ৰামপুৰ গাঁৱৰ ধৰ্মপ্ৰাণ মহিলা, ৰামপুৰ গাঁৱৰ প্ৰাক্তন গাঁওপ্ৰধান প্ৰয়াত ৰামমোহন নাথৰ পত্নী তথা গাঁওপ্ৰধান মুনীন নাথৰ মাতৃ তৰুলতা নাথ (৮৮)ৰ কালি নিশা মৃত্যু হয়। কিছুদিন ধৰি শয্যাগত হৈ থকা মহিলাগৰাকীৰ কালি নিশা ৯-৫৬ বজাত নিজ বাসভৱনতে বাৰ্দ্ধক্যজনিত কাৰণত মৃত্যু হয়। তৰুলতা নাথে অঞ্চলটোৰ বিভিন্ন মঠ-মন্দিৰ তথা ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ-বোৱাৰী, পাঁচ কন্যা-জোঁৱাই, নাতি-নাতিনীসহ আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।



# বৰপেটাৰোড ৰঙালী বিহুৰ কাৰ্যসূচী মুকলি

**দৈনিক অসমৰ প্ৰতিনিধি**
**বৰপেটাৰোড, ১২ এপ্ৰিল ঃ** বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলনে এইবেলি ঊনপঞ্চাশ বছৰ গৰকি সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে। অহা ৩০ চ'তৰ পৰা (১৪ এপ্ৰিলৰ পৰা ২০ এপ্ৰিল) ৬ ব'হাগলৈ সাদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সোণালী জয়ন্তী বৰ্ষ পালনৰ প্ৰস্তুতি চলোৱা হৈছে। বুধবাৰে পুৱা সোণালী জয়ন্তীৰ সমূহ কাৰ্যকৰ্তা তথা ৰাইজৰ উপস্থিতিত বৰপেটাৰোড ষ্টেডিয়ামত মাংগলিক কাৰ্যসূচীৰে লাইখুঁটা স্থাপন কৰাৰ লগতে এক সংবাদমেলৰ জৰিয়তে বৰপেটাৰোড সাৰ্বজনীন ৰঙালী বিহু সন্মিলনৰ সোণালী জয়ন্তীৰ সাদিনীয়া ছপা কাৰ্যসূচী মুকলি কৰে। এই সাদিনীয়া কাৰ্যসূচীত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু অসমকণ্ঠ জুবিন গাৰ্গৰ সংগীত প্ৰতিযোগিতাৰ লগতে চিত্ৰাংকন, খেল-ধেমালি, পিঠা-পনা, কণীযুঁজ, বিহুৱান, বিহুনাচ, বিহুনাম, বোৱাৰী বিহুনাচ, জেং বিহু, ভেশছন, আন্তঃবিদ্যালয় কুইজ, আকস্মিক বক্তৃতা, কবি সন্মিলন, অসম ভিত্তিত মুকলি বিহু প্ৰতিযোগিতা আৰু বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। আনহাতে সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ 'বিহুৱান'খন এইবেলি বৃহৎ কলেবৰত প্ৰকাশ কৰি উলিয়াব বুলি স্মৃতিগ্ৰন্থ উপ-সমিতিয়ে জানিবলৈ দিয়ে। ১৫ এপ্ৰিলত বৃহত্তৰ বৰপেটাৰোড অঞ্চলৰ প্ৰায় ৫০০গৰাকী নাচনীয়ে বিহুনাচ আৰু ৫০০গৰাকী মহিলাই জেং বিহু প্ৰদৰ্শন কৰিব। ১৬ এপ্ৰিলৰ পুৱা ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে। ২০ এপ্ৰিলত মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানৰ লগতে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানেৰে সোণালী জয়ন্তীৰ সামৰণি পৰিব।

# কুৰুৱাবাহীৰ সাংস্কৃতিক কৰ্মী বিজয়কান্তি ধৰৰ বিয়োগ



**দৈনিক অসমৰ প্ৰতিনিধি**
**নুমলীগড়, ১২ এপ্ৰিল ঃ** বোকাখাত সমজিলাৰ কুৰুৱাবাহী অঞ্চলৰ এগৰাকী বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা জনপ্ৰিয় সাজ-সজ্জা শিল্পী বিজয়কান্তি ধৰৰ আজি বিয়োগ ঘটে। দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা শিল্পীগৰাকীয়ে অৱশেষত আজি শেষ নিশ্বাস ত্যাগ কৰে। কুৰুৱাবাহী অঞ্চলৰ কেইবাটাও সামাজিক তথা সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতপ্ৰোতভাৱে জড়িত বিজয়কান্তি ধৰ বিশেষকৈ এগৰাকী নিপুণ সাজ-সজ্জা শিল্পী হিচাপে সমগ্ৰ অঞ্চলটোতে সু-পৰিচিত আছিল। আজি তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ কুৰুৱাবাহীত গভীৰ শোকৰ ছাঁ পৰে। বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে শিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# ৰৌতাৰ ললিতা বড়োৰ মৃত্যুত বড়ো সাহিত্য সভাৰ প্ৰতিনিধিৰ শ্ৰদ্ধাঞ্জলি



**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰৌতা, ১২ এপ্ৰিল ঃ** বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰয়াত বিহুৰাম বড়োৰ সহধৰ্মিণী ললিতা বড়োৱে কালি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৯ বছৰ। ওদালগুৰি জিলাৰ ৰৌতাৰ ৮২ নং বালিসিহা প্ৰাথমিক বিদ্যালয়ত শিক্ষয়িত্ৰী হিচাপে নিজৰ কৰ্মজীৱন আৰম্ভ কৰিছিল ললিতা বড়োৱে। প্ৰয়াত বিহুৰাম বড়োৰ কৰ্মৰাজিৰ ক্ষেত্ৰত সহধৰ্মিণী ললিতা বড়োৰ যথেষ্ট ত্যাগ, সহযোগিতা আছিল। তেওঁৰ মৃত্যুত বৃহত্তৰ ৰৌতা অঞ্চলৰ লগতে সমগ্ৰ জিলাখনতে শোকৰ ছাঁ পৰিছে। আজি গুৱাহাটীৰপৰা মৃতদেহ ৰৌতাৰ নিজ বাসভৱনলৈ অনাৰ পাছতেই অজস্ৰ গুণমুগ্ধই ভিৰ কৰে বাসগৃহত। নিখিল বড়ো ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি দ্বীপেন বড়ো, বড়ো সাহিত্য সভাৰ প্ৰতিনিধিয়ে বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধাঞ্জলি জনায়।

# সৰ্থেবাৰীৰ বাপুজী মহাবিদ্যালয়ত আলোচনা চক্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**সৰ্থেবাৰী, ১২ এপ্ৰিল ঃ** নসত্ৰৰ কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগ আৰু বাপুজী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ যৌথ উদ্যোগত আৰু দুয়োখন শিক্ষা প্ৰতিষ্ঠানৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সহযোগত বাপুজী মহাবিদ্যালয়ত কালি এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰত শিক্ষানুষ্ঠান দুখনৰ ৰাজনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে গৱেষক ছাত্ৰ আৰু অধ্যাপকসকল উপস্থিত থাকে। কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ হিমাশ্ৰী পাটোৱাৰীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা আলোচনা চক্ৰত কৃষ্ণগুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ কুল সচিব ডঃ মুকুন্দ শৰ্মাই সন্মানীয় অতিথি হিচাপে মূল ভাষণ প্ৰদান কৰে। আলোচনা চক্ৰত বাপুজী মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ খগেন দাস, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ডঃ দীপাংকৰ বৰ্মন উপস্থিত থাকে। দুয়োখন শিক্ষানুষ্ঠানৰ মাজত বৌদ্ধিক বিনিময় সন্দৰ্ভত বুজাবুজি চুক্তি অনুসৰি আলোচনা চক্ৰখন অনুষ্ঠিত কৰা হয়।

অসম কোষ

লং প্লেয়িং ৰেকৰ্ড ওলোৱা প্ৰথমখন অসমীয়া চলচ্চিত্ৰ পৰিচালনা কৰিছিল ডঃ ভূপেন হাজৰিকাই। বিদ্যাৰাও, বিজয়শংকৰ অভিনীত ছবিখন আছিল ‘চিকমিক বিজুলী’

দৈনিক অসম

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭ | ১৮ |
| ডিব্ৰুগড় | ২৩ | ১৮ |
| যোৰহাট | ২৬ | ১৮ |
| শ্বিলং | ২১ | ১৪ |

দিনটোৰ তাপমান ডিগ্ৰী চেলছিয়াছ

৬১ বছৰ । ২৪৫ সংখ্যা, গুৱাহাটী, ২৯ চ'ত, সোমবাৰ, ১৯৪৮ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 245। GUWAHATI, MONDAY, APRIL 13, 2026


# অভিনেতা, নাট পৰিচালক পৱিত্ৰ ৰাভালৈ ‘বৰপেটা বঁটা’



দৈনিক অসমৰ প্ৰতিনিধি

**বৰপেটা, ১২ এপ্ৰিল ঃ** ৰাজ্যৰ এগৰাকী বিশিষ্ট অভিনেতা, নাট পৰিচালক, এন এছ ডিৰ স্নাতক পৱিত্ৰ ৰাভালৈ এইবৰ্ষৰ বাবে আগবঢ়োৱা হৈছে বৰপেটা বঁটা। বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই প্ৰতিবছৰে ৰাজ্যৰ বিশিষ্ট লোকলৈ আগবঢ়াই অহা বৰপেটা বঁটা এইবাৰ আগবঢ়াইছে পৱিত্ৰ ৰাভালৈ। আজি বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই বৰপেটা জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয় শ্বহীদ ভৱনত আয়োজিত এক সংবাদমেলত এই কথা সদৰি কৰে।পহিলা ব'হাগত বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজন কৰা ৰঙালী বিহু উৎসৱত এই বঁটা প্ৰদান কৰিব। *১১ পৃষ্ঠাত চাওক*

# পশ্চিম নলবাৰীত গেছ চিলিণ্ডাৰৰ ক'লা বজাৰ

## হাহাকাৰৰ সৃষ্টি প্ৰতিটো পৰিয়ালত



দৈনিক অসমৰ প্ৰতিনিধি

**জাগাৰা, ১২ এপ্ৰিল ঃ** বিগত এমাহ ধৰি এল পি জি চিলিণ্ডাৰৰ কৃত্ৰিম নাটনিৰ বাবে আন আন ঠাইসমূহৰ দৰে নলবাৰীৰো প্ৰতিটো পৰিয়ালেই জলাকলা খাইছে। আনহাতে, ইয়াৰ সুযোগ গ্ৰহণ কৰি পশ্চিম নলবাৰীৰ এচাম অসাধু ব্যৱসায়ীয়ে অধিক হাৰত অবাধে গেছ চিলিণ্ডাৰ ক'লা বজাৰত বিক্ৰী কৰি অহা কাৰ্যই নিম্নশ্ৰেণীৰ পৰিয়ালসমূহক বিপাঙত পেলাইছে। উল্লেখ্য যে বৰ্তমান নলবাৰীৰ এজেন্সীসমূহত একোটা ঘৰুৱা গেছ চিলিণ্ডাৰৰ মূল্য হৈছে ৯৬১.৫০ টকা । কিন্তু ইয়াৰ বিপৰীতে অসাধু ব্যৱসায়ীসকলে জধে-মধে গেছ চিলিণ্ডাৰৰ দাম তিনিগুণলৈকে বৃদ্ধি কৰি অহাৰ পাছতো *১১ পৃষ্ঠাত চাওক*

# দেৰগাঁৱত গৰু চুৰিক লৈ উত্তেজনা

## অবৈধ কচাইখানা উচ্ছেদৰ দাবী স্থানীয় ৰাইজৰ

দৈনিক অসমৰ প্ৰতিনিধি

**দেৰগাঁও, ১২ এপ্ৰিল ঃ** গৰু চুৰিক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যই বিৰাজ কৰিছে ৰাইজৰ মাজত। দেৰগাঁৱৰ নাহৰণি মাজগাঁৱত যোৱানিশা গৰু চুৰিৰ ঘটনাক লৈ এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাৰ বিৱৰণি মতে, যোৱানিশা নাহৰণিৰ আলাৰত আলী আৰু জানতো কলিতাৰ ঘৰৰ পৰা দুজনী গাইগৰু চুৰি হৈছিল। পুৱা গৃহস্থই বিচাৰ-খোঁচাৰ কৰি সন্দেহবশতঃ গাঁওখনৰ আতিক আলী আৰু আচিক আলীৰ ঘৰত তালাচী চলাই তেওঁলোকৰ চৌহদৰ এটা পৰিত্যক্ত ঘৰৰ পৰা ডিঙি কটা অৱস্থাত গাই দুজনী উদ্ধাৰ কৰে। ইয়াকে লৈ এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় লোকে অভিযোগ কৰা মতে, আচিক আলী আৰু আতিক আলী নামৰ ব্যক্তি দুজনৰ ঘৰত এটা মাংস কটা অবৈধ কচাইখানা বহুদিনৰ পৰাই চলি আছে। সেয়ে আতিক আলী আৰু আচিক আলীৰ ঘৰত চলি থকা *১১ পৃষ্ঠাত চাওক*

## ডুমডুমাত প্ৰসাধন সামগ্ৰী তৈয়াৰী পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীত শ্ৰমিকৰ হাহাকাৰ

# ১৪৮ শ্ৰমিকক অব্যাহতি হিন্দুস্তান ইউনিলিভাৰৰ



## শ্ৰমিক ছাটাইৰ ঘটনাত নীৰৱ ভূমিকা শ্ৰমমন্ত্ৰী ৰূপেশ গোৱালাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**ডুমডুমা, ১২ এপ্ৰিল ঃ** বিশ্বৰ প্ৰসাধন সামগ্ৰী বিক্ৰীৰ বজাৰত চমক সৃষ্টিৰে অসমত প্ৰসাধন সামগ্ৰী উৎপাদন কৰি পশ্চিমবংগৰ চৰকাৰক ব্যৱসায়িক ৰাজহ পৰিশোধ কৰি অহা হিন্দুস্তান ইউনিলিভাৰ লিমিটেডৰ কৰ্তৃপক্ষই অসমৰ থলুৱা স্থায়ী শ্ৰমিকক বাধ্যতামূলক অব্যাহতি দিয়াৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। অসমৰ মাটিত প্ৰসাধন সামগ্ৰী উৎপাদন কৰিবলৈ অসমৰ ভূ-গৰ্ভৰ পৰা লাখ লাখ কিউবিক পানী আহৰণৰ ঘটনাক কেন্দ্ৰ কৰি হিন্দুস্তান ইউনিলিভাৰ আৰু অসম চৰকাৰৰ মাজত আৰম্ভ হোৱা শীতল যুদ্ধৰ প্ৰতিশোধ হিচাপে ইউনিলিভাৰ কৰ্তৃপক্ষই অসমৰ থলুৱা স্থায়ী শ্ৰমিকক ছাটাই অভিযানৰ প্ৰক্ৰিয়া তুংগত তুলিছে। চৰকাৰৰ সৈতে চলি থকা ইউনিলিভাৰৰ ব্যৱসায়িক যুদ্ধই ডুমডুমাৰ পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীৰ শ্ৰমিকসকলক দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ সদৃশ *১১ পৃষ্ঠাত চাওক*

## বৰপেটা-সোণতলী-জাগীৰোড-ক্ষেত্ৰীৰ ভেৰাকুছি

# ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত ১, আহত ৩১



দৈনিক অসমৰ প্ৰতিনিধি

**বৰপেটা, ১২ এপ্ৰিল ঃ** বৰপেটা চহৰৰ নখান্দা দলঙৰ সমীপত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত তিনিজন লোক আহত হয়। আহতসকলক স্থানীয় ৰাইজে বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰে। জানিব পৰা মতে, এখন বাইকে এজন চাইকেল আৰোহীক মহটিয়াই নিয়াত এই দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত চাইকেল আৰোহী দক্ষ পাঠক, বাইক আৰোহী বছেৰ আলী আৰু মণিৰুল ইছলাম আহত হয়। স্থানীয় ৰাইজে তিনিওজনক ততাতৈয়াকৈ বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়।

**সোণতলীৰ টাঙোনমাৰী**

**সোণতলীৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ছমৰীয়া সমষ্টিৰ অন্তৰ্গত সোণতলীৰ টাঙোনমাৰীত আজি দুপৰীয়া *১১ পৃষ্ঠাত চাওক*

# অমানৱীয় ঃ হাওৰাঘাটত মাতৃয়েই হত্যা কৰিলে ৮ দিনীয়া কন্যা সন্তানক



## আৰক্ষীৰ জালত নিজ সন্তান হত্যাকাৰী দম্পতী

দৈনিক অসমৰ প্ৰতিনিধি

**বকলীয়াঘাট, ১২ এপ্ৰিল ঃ** কন্যা শিশুৰ সুৰক্ষাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ‘বেটী বচাও, বেটী পঢ়াও’ শ্ল'গানেৰে ব্যাপক সজাগতা অভিযান অব্যাহত ৰাখিছে যদিও বহু সময়ত আজিও নিজ পিতৃ-মাতৃৰ হাততো সুৰক্ষিত নহয় কন্যা শিশু। কাৰ্বি আংলং জিলাৰ হাওৰাঘাটত অলপতে কেৱল কন্যা সন্তান হৈ জন্ম হোৱাৰ বাবেই এগৰাকী পাষাণ মাতৃয়ে নিজ আঠদিনীয়া কন্যা সন্তানক অতি নৃশংসভাৱে হত্যা কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, হাওৰাঘাট থানাৰ অন্তৰ্গত চিতলমাৰী গাঁৱত বৃহস্পতিবাৰে নিশা এটি ৮ দিন পূৰ্বে জন্ম *১১ পৃষ্ঠাত চাওক*

## ■ ধুবুৰীৰ ফলিমাৰীত আৰক্ষীৰ অভিযান ■

# চোৰাং কাঠ জব্দ, গ্ৰেপ্তাৰ ৩



দৈনিক অসমৰ প্ৰতিনিধি

**ধুবুৰী, ১২ এপ্ৰিল ঃ** আজি ধুবুৰী সদৰ থানাৰ অন্তৰ্গত ফলিমাৰী অঞ্চলৰ ধুবীৰ চৰত আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং কাঠসহ তিনিজনকৈ ব্যক্তিক গ্ৰেপ্তাৰ কৰা *১১ পৃষ্ঠাত চাওক*

# বৰপেটাৰোডত ৰে'লৰ খুন্দাত বৃদ্ধাৰ মৃত্যু

দৈনিক অসমৰ প্ৰতিনিধি

**বৰপেটাৰোড, ১২ এপ্ৰিল ঃ** বৰপেটাৰোড ৰে'লৱে ষ্টেচনত আজি এক শোকাৱহ দুৰ্ঘটনা সংঘটিত হয়। আবেলি ষ্টেচনটোৰ ২নং প্লেটফৰ্মৰ ৰাজহুৱা *১১ পৃষ্ঠাত চাওক*

## মাতৃহাৰা হ'ল দৰং বিজেপিৰ উপ-সভাপতি প্ৰতাপ বৰদলৈ


# বকুলী দেৱীৰ মৃত্যুত শোক



দৈনিক অসমৰ প্ৰতিনিধি

**টংলা/দৰং, ১২ এপ্ৰিল ঃ** ভাতৃ বিয়োগৰ শোক মাৰ নৌযাওঁতেই আজি মাতৃহাৰা হ'ল দৰং বিজেপিৰ উপ-সভাপতি প্ৰতাপ বৰদলৈ। বৰদলৈৰ মাতৃ তথা দৰঙৰ সুখ্যাত চিকিৎসক প্ৰয়াত ডাঃ ৰেৱতী বৰদলৈৰ পত্নী বকুলী দেৱীয়ে আজি প্ৰায় ৯০ বছৰ বয়সত সংসাৰ ত্যাগ কৰে। উল্লেখ্যযোগ্য যে ১৯৩৬ চনৰ ৫ অক্টোবৰত জন্মগ্ৰহণ কৰা বকুলী দেৱীয়ে শিক্ষাৰ প্ৰতি থকা প্ৰবল ঢাউতিৰ বাবেই প্ৰাক স্বাধীনতা কালতেই নিজগৃহ এৰি মঙলদৈৰ ভেবাৰঘাটৰ *১১ পৃষ্ঠাত চাওক*

# সাংবাদিক সংগীতা বৰুৱা পিছাৰটিলৈ বীৰাংগনা মূলা গাভৰু বঁটা টাইপাৰ



দৈনিক অসমৰ প্ৰতিনিধি

**সোণাৰি, ১২ এপ্ৰিল ঃ** টাই আহোম যুৱ পৰিষদ, অসম চমুকৈ টাইপাই আজি ২৬ৰ বীৰাংগনা মূলাগাভৰু বঁটা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। তদুপলক্ষে সোণাৰিস্থিত চৰাইদেউ জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়ত টাইপাই এক সংবাদমেলৰ আয়োজন কৰে টাইপাৰ কেন্দ্ৰীয় সমিতিৰ কৰ্মকৰ্তাই। সংবাদমেলতে চলিত ২০২৬ বৰ্ষৰ বাবে টাইপাই প্ৰেছ ক্লাব ইণ্ডিয়াৰ সভানেত্ৰী সংগীতা বৰুৱা পিছাৰটিলৈ বীৰাংগনা মূলাগাভৰু বঁটা প্ৰদান কৰাৰ কথা ঘোষণা কৰে। ৩০ এপ্ৰিলত সোণাৰিত অনুষ্ঠিত হ'বলগীয়া বীৰাংগনা মূলাগাভৰু স্মৃতি দিৱস আৰু *১১ পৃষ্ঠাত চাওক*

# মস্কোৰ আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক কৰ্মশালাত প্ৰথম স্থান লাভ গোৱালপাৰাৰ আছাদুৰৰ





দৈনিক অসমৰ প্ৰতিনিধি

**গোৱালপাৰা, ১২ এপ্ৰিল ঃ** ৰুছিয়াৰ মস্কোত এ এন অ' নেচনেল প্ৰায়োৰিটিজৰ দ্বাৰা আৰু বিজ্ঞান আৰু উচ্চ শিক্ষা মন্ত্ৰণালয়ৰ সৌজন্যত ৮ এপ্ৰিলৰ পৰা ১১ এপ্ৰিললৈ চাৰিদিনীয়া কাৰ্যক্ৰমণিকাৰে এখন আন্তঃৰাষ্ট্ৰীয় শৈক্ষিক কৰ্মশালা অনুষ্ঠিত হয়। উক্ত কৰ্মশালাত ৰুছিয়াৰ ৫৮খন বিশ্ববিদ্যালয়ত অধ্যয়নৰত ৩২খন দেশৰ ৮৬গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰে ১৫ গৰাকী ভাৰতীয় ছাত্ৰৰ ভিতৰত একমাত্ৰ অসমীয়া হিচাপে অংশগ্ৰহণ কৰে গোৱালপাৰাৰ জ্যেষ্ঠ সাংবাদিক আব্দুছ ছোবাহান আৰু আয়শা আকতাৰৰ সু-সন্তান আছাদুৰ ৰহমানে। চাৰিদিনীয়া কৰ্মশালাৰ প্ৰথম দিনটোত বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিনাকি পৰ্ব আৰু এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত কুইজ প্ৰতিযোগিতাত আছাদুৰ ৰহমানৰ দলে প্ৰথম স্থান লাভ কৰে। দ্বিতীয় দিনাখনৰ কাৰ্যসূচী অনুসৰি পুৱা ৯.৩০ বজাৰ পৰা নিশা ১০ বজালৈকে ‘মেকিং ছায়েন্স এংগেজিং, ইনছাইটচ ফ্ৰম ব্লগাৰ্ছ এণ্ড টেলিভিছন, ইউজিং এ আই টুলছ ফৰ ছ'চিয়েল মিডিয়া কণ্টেণ্ট ক্ৰিয়েচন, বিল্ডিং এ পাৰ্ছনেল ব্ৰাণ্ড থ্ৰ' ষ্টৰীজ দ্যাট কালেক্ট কালচাৰছ, ট্ৰেকিং মিডিয়া' শীৰ্ষক *১১ পৃষ্ঠাত চাওক*

# কন্দলীত ড্ৰাগ্‌ছসহ এজনক আটক

দৈনিক অসমৰ প্ৰতিনিধি

**কামপুৰ, ১২ এপ্ৰিল ঃ** নগাঁৱৰ কন্দলীত কালিনিশা সংঘটিত এক পথ দুৰ্ঘটনাৰ পাছতে ওলাল জোলোঙাৰ মেকুৰী। কঠীয়াতলীৰ পৰা কন্দলী অভিমুখে স্কুটীৰে গৈ থকা অৱস্থাত খাজাল উদ্দিন নামৰ স্কুটী আৰোহীজন দুৰ্ঘটনাত পতিত হয়। খাজাল উদ্দিনৰ পৰা আৰক্ষীয়ে ড্ৰাগ্‌ছভৰ্তি পাঁচটা চাবোনৰ বাকচৰ লগতে নগদ ধন জব্দ কৰে। দুৰ্ঘটনাত পতিত স্কুটীখনৰ নম্বৰ এ এছ-০২ এ কিউ-২৭৯৪।



## গোলাঘাট-হাঠিনাপুৰ

# ভয়ংকৰ অগ্নিকাণ্ডত ভস্মীভূত বাংলো

দৈনিক অসমৰ বিশেষ প্ৰতিনিধি

**গোলাঘাট, ১২ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ শ্যামৰাইটিং চাহ বাগিচাত ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। জুইত বাগিচাখনৰ পৰিচালকৰ বঙলাত জুই লগাৰ লগতে আন দুটাকৈ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ ফলতেই এই অগ্নিকাণ্ডৰ ঘটনা সন্দৰ্ভত হোৱা বুলি সন্দেহ কৰা হয়। অগ্নিকাণ্ডত প্ৰবন্ধক *১১ পৃষ্ঠাত চাওক*

AXIS BANK

**এক্সিছ বেংক লিঃ**
এল বি প্লাজা, জি এছ ৰোড, ভঙাগড়, গুৱাহাটী-৭৮১০০৫

(সুৰক্ষিত সুত বলৱৎকৰণ বিধি, ২০০২ৰ পৰিশিষ্ট ৪ৰ নিয়ম ৮(১) অনুসৰি)

**দখলী জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু, নিম্নস্বাক্ষৰকাৰী এক্সিছ বেংক লিমিটেডৰ কৰ্তৃত্বশীল বিষয়া হিচাপে নিযুক্ত, সেয়েহে বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰগঠন তথা সুৰক্ষিত সুত বলবৎকৰণ আইন, ২০০২ৰ অধীনস্থ ধাৰা ১৩(১২)ৰ সৈতে সুৰক্ষিত সুত (বলৱৎকৰণ) বিধি, ২০০২ৰ বিধি ৩ অনুসৰি এখন দাবী জাননী জাৰি কৰি ঋণী/জামিনদাৰক জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত জাননীত উল্লেখ কৰা ধনৰ লগতে নিৰ্দ্ধাৰিত অতিৰিক্ত সুদ, আৰোপিত মূল্য; ব্যয় আদি পৰিশোধ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল।

কিন্তু ঋণী/জামিনদাৰে উক্ত ধন পৰিশোধ কৰাত বিফল হোৱাত, ইয়াৰ দ্বাৰা ঋণী/জামিনদাৰ আৰু সাধাৰণ ৰাইজক জনোৱা হয় যে উক্ত আইনৰ ধাৰা ১৩(৪)ৰ সৈতে বিধি ৮ৰ প্ৰদত্ত ক্ষমতা প্ৰয়োগ কৰি নিম্নস্বাক্ষৰকাৰীয়ে নিম্নোক্ত তাৰিখত তলত বৰ্ণিত সম্পত্তিখিনিৰ দখলীস্বত্ব গ্ৰহণ কৰিছে।

এতেকে, ঋণী/জামিনদাৰক বিশেষভাৱে আৰু জনসাধাৰণক সাধাৰণভাৱে ইয়াৰ দ্বাৰা সকীয়াই দিয়া হয় যে উক্ত সম্পত্তিৰ সৈতে আপোনালোকে কোনো ধৰণৰ লেনদেন সম্পন্ন নকৰিব, আৰু যদি লেনদেন কৰে তেনেহ'লে এক্সিছ বেংক লিঃয়ে উক্ত ব্যক্তিৰ পৰাই জাননীত উল্লেখ থকা ঋণৰ ধনৰ লগতে নিৰ্দ্ধাৰিত অতিৰিক্ত সুদ, আৰোপিত মূল্য; সমস্ত ব্যয় আদি আদায় কৰিব।

**উক্ত SARFAESI আইন, ২০০২ৰ ধাৰা ১৩ৰ উপধাৰা(৮)ৰ ব্যৱস্থা অনুসৰি, সময় থাকোতেই বন্ধকী সম্পত্তিসমূহ পুনৰুদ্ধাৰ কৰাৰ সুযোগ গ্ৰহণ কৰিবলৈ ঋণীৰ মনোযোগ আকৰ্ষণৰ বাবে এই জাননী জাৰি কৰা হ'ল।**

| ঋণী/জামিনদাৰৰ নাম আৰু ঠিকনা | (ক) নিৰ্ধাৰিত দিনটোলৈকে বকেয়া (খ) দাবী জাননীৰ দিন (গ) দখল গ্ৰহণৰ তাৰিখ (প্ৰতীকী) |
|---|---|
| **মঃ জাকিৰ হুছেইন @ ওৰফে মঃ জাকিৰ হুছেইন** পিতাঃ আব্দুল কুদ্দুছ @ ওৰফে মঃ আব্দুল কুদ্দুছ, গাঁও- মাহেৰিপাৰ, ডাক- কালিয়াধিঙা, থানা- জুৰিয়া, মাহেৰিপাৰ মুৰতাব স্কুলৰ কাষত, জিলা- নগাঁও, পিন- ৭৮২১২৪ অসম। | **(ক)** লোণ একাউণ্ট ****************৪৫৪১ৰ অধীনত ২২.০৬.২০২২ তাৰিখলৈ **১৬,৩৪,০৩৩.৯৯** (ষোল্ল লাখ চৌত্ৰিশ হাজাৰ তেত্ৰিশ টকা নিৰানব্বৈ পইচা মাত্ৰ) **টকা** (উক্ত ধনৰাশিৰ ভিতৰত ০১.১১.২০২১ তাৰিখলৈ সুত অন্তৰ্ভূক্ত আছে) আৰু একাউণ্ট **************৪৫৬৭ৰ অধীনত ২২.০৬.২০২২ তাৰিখলৈ **২৩,৩৬৪.৫১** (তেইশ হাজাৰ তিনিশ চৌষষ্ঠী টকা একাৱন্ন পইচা মাত্ৰ) **টকা** (উক্ত ধনৰাশিৰ ভিতৰত ০১.১১.২০২১ তাৰিখলৈ সুত অন্তৰ্ভূক্ত আছে)। চুক্তিৰ সমাপ্তিলৈকে এই ধনৰাশি মুঠ পৰিমান হয়গৈ **১৬,৫৭,৩৯৮.৫** (ষোল্ল লাখ সাতাৱন্ন হাজাৰ তিনিশ আঠানব্বৈ টকা পাঁচ পইচা মাত্ৰ) **টকা**। **(খ) ০৩-১১-২০২৩** **(গ) ০৭-০৪-২০২৬** |

**সুৰক্ষিত সম্পত্তিৰ বিৱৰণ**

উক্ত সম্পত্তি হৈছে মুঠ ৩ কঠা পৰিমাণৰ ভূমি, যি দাগ নং ৫৬৩ (নতুন), ১৯৮ (পুৰণি), কেপি পট্টা নং ২৫৩ (নতুন), ১৭২ (পুৰণি)ৰ অন্তৰ্গত তথা ৰাজহ গাঁও- মাহেৰিপাৰ, মৌজা- জুৰিয়া, ৰাজহ চক্ৰ- ৰূপহী, ডাক- কলিয়াডিঙা, থানা- জুৰিয়া, জিলা- নগাঁও, অসমত আছে। উক্ত ভূমিৰ সৈতে আছে আৰচিচি আৰ্হিৰ ভৱন। **চাৰিসীমাৰ সবিশেষ ঃ উত্তৰে**- হজৰত আলীৰ মাটি, **দক্ষিণে**- জাকিৰ হুছেইন আৰু আনোৱাৰ হুছেইনৰ মাটি, **পূবে**- চৰকাৰী পথ, **পশ্চিমে**- নুৰুল আমিনৰ মাটি।

| ঋণী/জামিনদাৰৰ নাম আৰু ঠিকনা | (ক) নিৰ্ধাৰিত দিনটোলৈকে বকেয়া (খ) দাবী জাননীৰ দিন (গ) দখল গ্ৰহণৰ তাৰিখ (প্ৰতীকী) |
|---|---|
| **মঃ ফখৰুল আলম** পিতাঃ মঃ দেৱান আলী, গাঁও- জেঙনি, ডাক- জেঙনি, থানা- জুৰিয়া, পশ্চিম জেঙনি এল পি স্কুলৰ কাষত, জিলা- নগাঁও, অসম, পিন- ৭৮২১২২ । | **(ক)** লোণ একাউণ্ট ****************৮৭১৮ৰ অধীনত ০৫.০৯.২০২৪ তাৰিখলৈ **১১,২৩,১৫৯.৯৯** (এঘাৰ লাখ তেইশ হাজাৰ এশ উনষাঠী টকা নিৰানব্বৈ পইচা মাত্ৰ) **টকা** (উক্ত ধনৰাশিৰ ভিতৰত ০১.০১.২০২৪ তাৰিখলৈ সুত অন্তৰ্ভূক্ত আছে) আৰু একাউণ্ট **************৮৭২১ৰ অধীনত ০৫.০৯.২০২৪ তাৰিখলৈ **৩৮,৬৭৮.২৩** (আঠত্ৰিশ হাজাৰ ছশ আঠসত্তৰ টকা তেইশ পইচা মাত্ৰ) **টকা** (উক্ত ধনৰাশিৰ ভিতৰত ০১.০১.২০২৪ তাৰিখলৈ সুত অন্তৰ্ভূক্ত আছে)। চুক্তিৰ সমাপ্তিলৈকে এই ধনৰাশি মুঠ পৰিমান হয়গৈ **১১,৬১,৮৩৮.২২** (এঘাৰ লাখ এষষ্ঠি হাজাৰ আঠশ আঠত্ৰিশ টকা বাইশ পইচা মাত্ৰ) **টকা**। **(খ) ০৮-১০-২০২৪** **(গ) ০৭-০৪-২০২৬** |

**সুৰক্ষিত সম্পত্তিৰ বিৱৰণ**

উক্ত সম্পত্তি হৈছে মুঠ ২ বিঘা ৪ কঠা ১১ লেচা পৰিমাণৰ ভূমি, যি দাগ নং ১৩৩/১৩৪, পৰ্যায়ক্ৰমিক পট্টা নং ৮৯ ৰ অন্তৰ্গত তথা কিছাম- জেঙনি, মৌজা- আলি টেঙনি, ৰাজহ চক্ৰ- ধিং, জিলা- নগাঁও, অসমত আছে। উক্ত ভূমিৰ সৈতে আছে আৰচিচি আৰ্হিৰ আৱাসিক ভৱন। **চাৰিসীমাৰ সবিশেষ ঃ উত্তৰে**- ফাজাৰ আলী আৰু ইক্ৰাম আলী, **দক্ষিণে**- গড়কাপ্তানী পথ, **পূবে**- ফাতেমা খাতুনৰ মাটি (দাগ নং ১৩৪), **পশ্চিমে**- গড়কাপ্তানী পথ।

দিনাংক ঃ ১৩.০৪.২০২৬ স্থান ঃ গুৱাহাটী — স্বা/- কৰ্তৃত্বশীল বিষয়া, এক্সিছ বেংক লিঃ

# আখলত পিঠা প্ৰস্তুত কৰাত ব্যস্ত লাকুৱাৰ মহিলা

## ৰঙালী বিহুক আদৰিবলৈ সাজু ৰাজ্যবাসী



দৈনিক অসমৰ প্ৰতিনিধি

**লাকুৱা, ১২ এপ্ৰিল ঃ** চাওঁতে চাওঁতে পদূলিমুখ পালেহি হেঁপাহৰ ৰঙালী বিহু। চৌদিশ এতিয়া ঢোল-পেঁপাৰ মাতে ৰজনজনাইছে। প্ৰাণৰো প্ৰাণৰ বিহুটিক আদৰিবলৈ সম্পূৰ্ণৰূপে সাজু ৰাজ্যবাসী। প্ৰান্তে প্ৰান্তে ব্যস্ত বিহুৱা-বিহুৱতীসকল। বিহু কৰ্মশালাৰ পৰা আৰম্ভ কৰি গাঁৱৰ জুইৰ আখলত জীয়াৰী-বোৱাৰীসকল ব্যস্ত হৈ পৰিছে। জুইৰ আখলত বিভিন্ন ধৰণৰ সুস্বাদু পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত গাঁৱৰ মহিলাসকল। শিৱসাগৰ জিলাৰ লাকুৱা লোণপুৰীয়া গাঁৱতো ব'হাগ বিহুত অতিথিক আপ্যায়ন কৰিবৰ বাবে তিল পিঠা, তেল পিঠা, সুতুলি, ঘিলা পিঠাকে ধৰি বিভিন্ন ধৰণৰ থলুৱা সুস্বাদু পিঠা-পনা প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে মহিলাসকল। এইবাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গবিহীন প্ৰথমটো ৰঙালী বিহু উদ্‌যাপনৰ বাবে সাজু হৈছে ৰাজ্যবাসী।



## মুকালমুৱাত পবিন্দ্ৰ ডেকাৰ ‘ঋছ সাহিত্যৰ ইতিহাস’ উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**মুকালমুৱা, ১২ এপ্ৰিল ঃ** জাতীয়তাবাদী চিন্তাধাৰাৰে উদ্বুদ্ধ প্ৰবীণ ৰাজনীতিবিদ তথা সাহিত্যিক পবিন্দ্ৰ ডেকাৰ ১৬ সংখ্যক গ্ৰন্থ ‘ঋছ সাহিত্যৰ ইতিহাস’ আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উন্মোচন কৰা হয়। নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ মুকালমুৱাস্থিত ৰঘুনাথ চৌধাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অস্থায়ী সভাকক্ষত মুকালমুৱা শাখা সাহিত্য সভাৰ উদ্যোগত এই সভা অনুষ্ঠিত হয়। ৩২০ পৃষ্ঠাৰ এই গ্ৰন্থখন উন্মোচন কৰে বালি বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ কুমাৰ হালৈয়ে। গ্ৰন্থখন উন্মোচন কৰি উন্মোচক হালৈয়ে পবিন্দ্ৰ ডেকাক এজন ‘সমাজযোদ্ধা’ হিচাপে অভিহিত কৰে আৰু বিশ্ব ১৩ পৃষ্ঠাত চাওক

### আমগুৰিত নতুন ছেলফি পইণ্ট

## ‘আই লাভ আমগুৰি’-‘জয় জুবিনদা’ প্ৰতীকী চিহ্ন উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**আমগুৰি, ১২ এপ্ৰিল ঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক আমগুৰি নগৰত আজি এক বিশেষ সৌন্দৰ্য বৰ্দ্ধন আৰু সাংস্কৃতিক পদক্ষেপ গ্ৰহণ কৰা হয়। অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিৰ উদ্যোগত নগৰখনৰ বৰপুখুৰী পাৰত থকা সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ কাষতে ‘আই লাভ আমগুৰি’ আৰু ‘জয় জুবিনদা’ শীৰ্ষক দুটা প্ৰতীকী চিহ্ন তথা এটা আকৰ্ষণীয় ‘ছেলফি পইণ্ট’ মুকলি কৰা হয়। শিৱসাগৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (ক্ৰাইম) মইদুল ইছলামে আনুষ্ঠানিকভাৱে ফিটা কাটি এই প্ৰতীকী চিহ্ন দুটা উদ্বোধন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে আমগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাই অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। একেদৰে আমগুৰি ১৩ পৃষ্ঠাত চাওক

### বিহুনৃত্যৰ লহৰেৰে জীপাল বিদ্যালয়ৰ চৌহদ

## বাপুজী বালিকাৰ বাকৰিত প্ৰাক্ ৰঙালী বিহু উদ্‌যাপন



**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম দৰং, ১২ এপ্ৰিল ঃ** দৰঙৰ পশ্চিম প্ৰান্তৰ বিষ্ণুপুৰত অৱস্থিত বাপুজী বালিকা উচ্চমাধ্যমিক বিদ্যালয়ত কালি উৎসৱমুখৰ পৰিৱেশত প্ৰাক্ ৰঙালী বিহু উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীসকলে একত্ৰিত হৈ বাপতি সাহোন ৰঙালী বিহুক আদৰিবলৈ এই বিশেষ অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ ১৩ পৃষ্ঠাত চাওক

## লাচিত বৰফুকন সোঁৱৰণী পুথিভঁৰালৰ সোণালী জয়ন্তীৰ শুভাৰম্ভ

### গোৰেশ্বৰত ২১ সংখ্যক ৰঙালী বিহুৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৰেশ্বৰ, ১২ এপ্ৰিল ঃ** তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ অন্তৰ্গত আউৰীয়াপাৰাত বাপতি সাহোন ৰঙালী বিহুক কেন্দ্ৰ কৰি উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। আউৰীয়াপাৰা ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত ১৪ এপ্ৰিলত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ২১ সংখ্যক ১৩ পৃষ্ঠাত চাওক

### পঁজা ভাগি পৰাৰ ভয়ত দিন গণিছে কমলপুৰৰ ৭০ বছৰীয়া লাহো ডেকাই

# বৰশিলত চৰকাৰী গৃহৰপৰা বঞ্চিত বিধৱা

### ভোটদানৰ প্ৰতিদানত মাথোঁ এটা পৰিচয় নম্বৰ
### আৱাস যোজনাৰ কাগজী অনুমোদন, বাস্তৱত নাই এটকাও

**দৈনিক অসমৰ প্ৰতিনিধি**

**কমলপুৰ, ১২ এপ্ৰিল ঃ** গণতন্ত্ৰৰ উৎসৱত প্ৰতিবাৰেই অংশ লয় তেওঁ। পঞ্চায়তৰপৰা লোকসভালৈ— প্ৰতিটো নিৰ্বাচনতে পাৰ্যমানে সহায় কৰি আহিছে প্ৰতিনিধিসকলক। কিন্তু বিনিময়ত লাভ কৰিলে কি? মাথোঁ এটা চৰকাৰী পৰিচয় নম্বৰ আৰু স্থবিৰ হৈ ৰোৱা প্ৰতিশ্ৰুতিবোৰ। এয়া কমলপুৰ বিধানসভা সমষ্টিৰ বৰগাঁৱৰ ৭০ বছৰীয়া বৃদ্ধা লাহো ডেকাৰ কৰুণ কাহিনী। প্ৰাপ্ত তথ্য অনুসৰি, ২০২৪-২৫ বৰ্ষৰ ‘প্ৰধানমন্ত্ৰী ১৩ পৃষ্ঠাত চাওক



### ■ জুবিন গাৰ্গৰ সোঁৱৰণত ‘নাহৰ পুলি’ ৰোপণ ■

## দেইথৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত ‘বসন্ত আদৰণি’

**প্ৰকৃতি-সংস্কৃতিৰ অপূৰ্ব মিলন, বিহু-ঝুমুৰ-কাৰ্বি নৃত্যৰে ব’হাগক আদৰণি**

**দৈনিক অসমৰ প্ৰতিনিধি**

**নুমলীগড়, ১২ এপ্ৰিল ঃ** পাহাৰ আৰু ভৈয়ামৰ মিলনভূমি হিচাপে পৰিচিত দেইথৰত কালি এক বৰ্ণিল কাৰ্যসূচীৰে বসন্তক আদৰণি জনোৱা হয়। চৰকাৰী আদৰ্শ মহাবিদ্যালয়, দেইথৰৰ উদ্যোগত মহাবিদ্যালয় চৌহদত আয়োজিত এই ‘বসন্ত আদৰণী’ অনুষ্ঠানে অঞ্চলটোত সাংস্কৃতিক সম্প্ৰীতিৰ অনন্য চানেকি দাঙি ধৰে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ দীপক কুমাৰ ১৩ পৃষ্ঠাত চাওক



## লখিমপুৰত কেন্দ্ৰীয় ৰঙালী বিহুৰ লাইখুঁটা স্থাপন

**ডঃ ভূপেন হাজৰিকা-জুবিন গাৰ্গৰ নামত উৎসৰ্গিত সংগীত সন্ধিয়া**

**দৈনিক অসমৰ প্ৰতিনিধি**

**লখিমপুৰ, ১২ এপ্ৰিল ঃ** উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ বিহু বাকৰিত আজি ৬৮ সংখ্যক ১৩ পৃষ্ঠাত চাওক

## চিমেন চাপৰিত ৰঙালী বিহু আদৰণিৰ ব্যাপক প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**চিমেন চাপৰি, ১২ এপ্ৰিল ঃ** জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চিমেন চাপৰি আঞ্চলিক সমিতিৰ সৌজন্যত আৰু ডিমৌ আঞ্চলিক সমিতিৰ উদ্যোগত ১৮ আৰু ১৯ এপ্ৰিলত কৃষ্ণপুৰ বালিখুঁটি আহোম গাঁৱত নৱম বাৰ্ষিক ৰঙালী বিহু আদৰণী অনুষ্ঠান অনুষ্ঠিত হ’ব। এই উপলক্ষে আয়োজিত বিহুনৃত্য কৰ্মশালাখনৰ আজি সফল সামৰণি পৰে। উদ্‌যাপন সমিতিৰ তথ্য অনুসৰি দুদিনীয়া কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ বিত্ত সম্পাদক জ্ঞান শৰ্মা, উপ-সভাপতি দেৱজিৎ দাসকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সাংস্কৃতিক মঞ্চখন জিলা সভাপতি ভাস্কৰ বুঢ়াগোহাঁয়ে আৰু মুকলি সভাখন ৰঞ্জন বৰাই উদ্বোধন কৰিব। বৰ্ণিল সাংস্কৃতিক সন্ধিয়াৰ সৈতে আয়োজিত এই অনুষ্ঠানৰ প্ৰস্তুতি বৰ্তমান তুংগত উঠিছে। নৱপ্ৰজন্মক লোক-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰাই এই আয়োজনৰ মূল লক্ষ্য বুলি উদ্যোক্তাসকলে জনাইছে।

### ■ নলবাৰীৰ তিনি সমষ্টিত ভোটদানৰ হাৰ ৮৯.৪৮ শতাংশ ■

## ই ভি এমত বন্দী ১৪গৰাকী প্ৰাৰ্থীৰ ভাগ্য

**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ১২ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ অংশ হিচাপে ৯ এপ্ৰিলত নলবাৰী জিলাৰ তিনিটা সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সম্পন্ন হয়। এইবেলি জিলাখনৰ ভোটাৰসকলে অভূতপূৰ্ব উৎসাহ প্ৰদৰ্শন কৰা দেখা গৈছে, যাৰ ফলত ভোটদানৰ হাৰে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিছে। জিলাখনত গড় ভোটদানৰ হাৰ ৮৯.৪৮ শতাংশলৈ বৃদ্ধি পাইছে। বহু ভোটকেন্দ্ৰত ভোটাৰৰ দীঘলীয়া শাৰীৰ বাবে সন্ধিয়ালৈকে ভোটদান প্ৰক্ৰিয়া অব্যাহত থাকে। ভোটগ্ৰহণ সমাপ্ত হোৱাৰ লগে লগে জিলাখনৰ তিনিটা সমষ্টিৰ মুঠ ১৪গৰাকী প্ৰাৰ্থীৰ ভাগ্য এতিয়া বৈদ্যুতিন ভোটদান যন্ত্ৰত বন্দী ১৩ পৃষ্ঠাত চাওক

### সামাজিক মাধ্যমত বিৰূপ মন্তব্যৰ প্ৰতিক্ৰিয়া

## মহিলা শিল্পীক কঠোৰ সকীয়নি বিশ্বনাথ জিলা বিহু সুৰক্ষা সমিতিৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**বিশ্বনাথ চাৰিআলি, ১২ এপ্ৰিল ঃ** বিহু সুৰক্ষা সমিতি, অসমৰ বিশ্বনাথ জিলা সমিতিক কেন্দ্ৰ কৰি সামাজিক মাধ্যমত এগৰাকী মহিলাই কৰা বিৰূপ মন্তব্যক লৈ জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। এই সন্দৰ্ভত বিশ্বনাথ জিলা বিহু সুৰক্ষা সমিতিয়ে এক জৰুৰী সংবাদমেল সম্বোধন কৰি মহিলাগৰাকীৰ এনে কাৰ্যক তীব্ৰ গৰিহণা দিয়ে। জিলা সমিতিৰ সাধাৰণ সম্পাদক প্ৰদীপ বৰুৱাই সংবাদ মেলত কয় যে বিশ্বনাথৰ দুজন ব্যক্তিৰ ১৩ পৃষ্ঠাত চাওক



### জুবিন গাৰ্গ সোঁৱৰণী সংগীতানুষ্ঠান

## হুঁচৰি-জেং বিহুৰে মুখৰ টিংখাঙৰ বাঘমৰা

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিংখাং, ১২ এপ্ৰিল ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ টিংখাং আঞ্চলিক সমিতিৰ উদ্যোগত আৰু পোৱালি বাঘমৰা তথা বাঘমৰা গাঁওবাসীৰ সহযোগত ১১ এপ্ৰিলত চতুৰ্থ বাৰ্ষিক ৰঙালী বিহু আদৰণী অনুষ্ঠান বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্পন্ন হয়। পোৱালি বাঘমৰা ১৩ পৃষ্ঠাত চাওক

### ১৪-১৫ এপ্ৰিলত পঞ্চদশ বাৰ্ষিক বিহু সন্মিলন

## হাজোৰ নকুছিত ৰঙালী বিহুক আদৰিবলৈ ব্যাপক প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাজো, ১২ এপ্ৰিল ঃ** বসন্তৰ মাদকতাই ৰাজ্যৰ চৌপাশ আমোলমোলাই তোলাৰ সময়তে হাজোৰ নকুছিত বাপতি সাহোন ৰঙালী বিহুক আদৰিবলৈ তুংগত উঠিছে ব্যাপক প্ৰস্তুতি। নকুছি গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আৰু নৱমিলন স্প’ৰ্টছ ক্লাবৰ সহযোগত আয়োজিত পঞ্চদশ বাৰ্ষিক ৰঙালী বিহু সন্মিলনক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত এতিয়া এক উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। নকুছি শ্ৰীশ্ৰীকালী আৰু দুৰ্গা মন্দিৰৰ সমীপৰ উদ্যোগপামত ১৪ আৰু ১৫ এপ্ৰিলত দুদিনীয়াকৈ এই বিহু সন্মিলন অনুষ্ঠিত হ’ব। ইতিমধ্যে লাইখুঁটা স্থাপন কৰি মণ্ডপৰ কাম তীব্ৰতৰ কৰি তোলা হৈছে। উদ্‌যাপন সমিতিৰ সভাপতি মুনীন্দ্ৰ শৰ্মা আৰু সম্পাদক বনমালী শৰ্মাই জনোৱা মতে এইবাৰ ১৩ পৃষ্ঠাত চাওক

### কেটৰীণা গগৈ-মনমৌ কলিতালৈ শ্ৰেষ্ঠত্বৰ সন্মান

## ভৱানীপুৰত তেজছ লাইভৰ বিহুৱতী প্ৰতিযোগিতাৰ সামৰণি



**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰুপেটা, ১২ এপ্ৰিল ঃ** ভৱানীপুৰৰ নৱগঠিত সামাজিক-সাংস্কৃতিক গোষ্ঠী ‘তেজছ লাইভ’ৰ উদ্যোগত আৰু ‘শিক্ষা দ্য গুৰুকুল’ৰ সহযোগত আয়োজিত সদৌ অসম ভিত্তিত সৰু আৰু বৰ বিহুৱতী প্ৰতিযোগিতাৰ কালি নিশা বৰ্ণাঢ্য সামৰণি ১৩ পৃষ্ঠাত চাওক

### শৈক্ষিক-সাংস্কৃতিক সাফল্যৰ অনন্য নিদৰ্শন

## ৰহালৈ গৌৰৱ কঢ়িয়ালে মেধাজ্যোতিয়ে



**দৈনিক অসমৰ প্ৰতিনিধি**

**বেবেজীয়া, ১২ এপ্ৰিল ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত নগাঁও জিলাৰ ৰহা-দীঘলদৰিৰ মেধাজ্যোতি নাথে সুখ্যাতিৰে উত্তীৰ্ণ হৈ ৰহা অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়ৰপৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা মেধাজ্যোতিয়ে ৯৬.৬৩ শতাংশ নম্বৰ লাভ কৰাৰ লগতে সাধাৰণ গণিতত ১০০ৰ ভিতৰত ১০০ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ উত্তীৰ্ণ হোৱা মেধাৰ এই সফলতাত এতিয়া আনন্দৰ বন্যা বৈছে। কেৱল শিক্ষাক্ৰমতেই নহয়, মেধাজ্যোতি এজন বহুমুখী প্ৰতিভাৰ অধিকাৰী। তেওঁ একেধাৰে গায়ক, উদীয়মান তাৰ্কিক, এংকৰ আৰু প্ৰায় একুৰি বাদ্যযন্ত্ৰ বজাব পৰা এজন নিপুণ বাদ্যযন্ত্ৰী। হাৰমোনিয়াম, কীব’ৰ্ড, গীটাৰ, ১৩ পৃষ্ঠাত চাওক

### বিহু নৃত্য প্ৰদৰ্শন শিক্ষয়িত্ৰী-শিক্ষাৰ্থীৰ

## হাউলীৰ ছাবলাইম একাডেমীত ৰঙালী বিহুৰ আদৰণী অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাউলী, ১২ এপ্ৰিল ঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুক আদৰিবলৈ ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে বৰপেটা জিলাৰ হাউলীতো ব্যাপক উছাহ-উদ্দীপনা দেখা গৈছে। আজি আবেলি ৩ বজাত হাউলীৰ ইটাৰভিটাস্থিত অগ্ৰণী শিক্ষানুষ্ঠান ছাবলাইম একাডেমীৰ উদ্যোগত আৰু একাডেমীৰ কাৰ্যবাহী বিষয়া দেৱান ছিৰাজ মণিৰৰ পৰিচালনাত এক গাম্ভীৰ্যপূৰ্ণ ‘স্বাগতম ৰঙালী বিহু’ আদৰণী অনুষ্ঠান সম্পন্ন হয়। শিক্ষানুষ্ঠানখনৰ চৌহদত অনুষ্ঠিত এই ব্যতিক্ৰমী অনুষ্ঠানত হাউলীৰ বিশিষ্ট সমাজকৰ্মী তথা অৱসৰী অধ্যাপক মহানন্দ কুমাৰ পাঠকে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। ছাবলাইম একাডেমীৰ এই প্ৰচেষ্টাত অভিভূত হৈ অধ্যাপক পাঠকে আশা প্ৰকাশ কৰে যে হাউলী অঞ্চলৰ অন্যান্য শিক্ষানুষ্ঠানসমূহেও যাতে ছাত্ৰ-ছাত্ৰীৰ মাজত সংস্কৃতিৰ চৰ্চা কৰিবলৈ এনে ১৩ পৃষ্ঠাত চাওক



### বিহুৰ আখৰাত ব্যস্ত ডেকা-গাভৰু

## ঢোল-পেঁপাৰ সুৰেৰে মুখৰ মৰাণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১২ এপ্ৰিল ঃ** অসমীয়াৰ প্ৰাণৰ স্পন্দন ৰঙালী বিহুলৈ মাজত মাত্ৰ এটা দিন বাকী। কাইলৈ চেনেহৰ ব’হাগ বিহুৰ উৰুকা। এই মাহেন্দ্ৰ ক্ষণৰ বাবে এতিয়া সমগ্ৰ ৰাজ্যৰ লগতে শিল্পী-সংস্কৃতিৰ নগৰ হিচাপে পৰিচিত মৰাণতো অভূতপূৰ্ব উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। শদিয়াৰপৰা ধুবুৰীলৈ এতিয়া কেৱল ঢোলৰ শব্দ আৰু পেঁপাৰ অমিয়া সুৰ। মৰাণৰ চহৰৰপৰা গাঁও অঞ্চললৈকে এতিয়া বিহুৰ ১৩ পৃষ্ঠাত চাওক



### মাজুলীৰ সত্ৰীয়া পৰম্পৰাই বিহুক দিছে অন্য এক মৰ্যাদা ঃ আধ্যাত্মিকতাৰ সুৱাসেৰে ৰঙীন নদীদ্বীপ

## বিহুৱে সামাজিক সংস্কাৰ, মূল্যবোধৰ লগতে সমন্বয়ৰ মাৰ্গ প্ৰদান কৰে ঃ ডঃ পীতাম্বৰ দেৱগোস্বামী

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ১২ এপ্ৰিল ঃ** অসমীয়াৰ স্বাভিমানৰ উৎসৱ ৰঙালী বিহুক আদৰিবলৈ সত্ৰীয়া সংস্কৃতিৰ বৰঘৰ মাজুলীত এতিয়া ব্যাপক ব্যস্ততা। যিটো নদীদ্বীপত মহাপুৰুষ শংকৰ-মাধৱৰ অমৰ সৃষ্টি বৰগীতৰ মূৰ্চ্ছনা আৰু খোল-তালৰ শব্দত পুৱতি নিশাৰ তন্দ্ৰা ভাগে, সেই মাজুলী আজি বাপতিসাহোন ব’হাগৰ ৰঙেৰে ৰাঙলী হৈ পৰিছে। প্ৰতিষ্ঠাৰ দিনধৰি মাজুলীৰ সত্ৰানুষ্ঠানসমূহত বিহু কেৱল এক উৎসৱ নহয়, বৰঞ্চ এক গভীৰ ধৰ্মীয় বিশ্বাস আৰু পৰম্পৰা হিচাপে পালন হৈ আহিছে। বিশিষ্ট পণ্ডিত তথা শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ



সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামীয়ে বিহুৰ গুৰুত্ব প্ৰকাশ কৰি কয় যে বিহু কেৱল আনন্দ-উল্লাসেই নহয়, ই মানৰ সমাজক সামাজিক সংস্কাৰ, মূল্যবোধ আৰু সমন্বয়ৰ মাৰ্গ প্ৰদান কৰে। তেওঁৰ মতে বিহুনাচ আৰু নামৰ সমান্তৰালকৈ ইয়াৰ লগত ওতপ্ৰোতভাৱে জড়িত ধৰ্মীয় বিশ্বাস তথা আধ্যাত্মিক চেতনায়ো বিহুক অধিক গতিশীল কৰি তুলিছে। বিশেষকৈ সত্ৰীয়া পৰম্পৰাত বিহুগীত আৰু নৃত্যৰ পৰিৱৰ্তে নাম-কীৰ্তন, গায়ন-বায়ন, নটুৱা আৰু ওজাপালি আদিৰ পৰিৱেশনে বিহুৰ মৰ্যাদা এক অনন্য মাত্ৰালৈ লৈ গৈছে। ব’হাগৰ আগমনত মাজুলীৰ প্ৰকৃতি এতিয়া অপৰূপ। বাৰীৰ ১৩ পৃষ্ঠাত চাওক

## অসমৰ সৈতে নিবিড় সম্পৰ্ক

মূল স্থপতি আছিল ডঃ ভূপেন হাজৰিকা। সুধাকণ্ঠৰ সংগীত নিৰ্দেশনাতেই তেওঁ কেইবাটাও কালজয়ী অসমীয়া গীতত কণ্ঠ নিগৰাইছিল। আশা ভোছলেৰ অসমীয়া শব্দৰ উচ্চাৰণ আছিল নিখুঁত। তেওঁ গীতৰ কথা আৰু উচ্চাৰণত বিশেষ গুৰুত্ব দিছিল, যিয়ে ভোছলেক অসমীয়া শ্ৰোতাৰ আপোন কৰি তুলিছিল। মাথোঁ চলচ্চিত্ৰ গীতেই নহয়, বিগত শতিকাৰ নৱম দশকত ‘মেঘালী’ৰ দৰে এলবামৰ জৰিয়তে তেওঁ জনপ্ৰিয় হৈ পৰিছিল। আশা ভোছলেৰ কণ্ঠ নিগৰোৱা জনপ্ৰিয় অসমীয়া গীতসমূহৰ ভিতৰত আছে ‘মন প্ৰজাপতি’ চলচ্চিত্ৰৰ ‘এই ধুনীয়া গধূলি লগন’, ‘অভিমানী বন্ধু’, ১৯৬৯ চনত মুক্তিপ্ৰাপ্ত ‘চিকমিক বিজুলী’ৰ ডঃ ভূপেন হাজৰিকা, কিশোৰ কুমাৰৰ সৈতে গোৱা পক্ষীৰাজ ঘোঁৰা, ডঃ ভূপেন হাজৰিকাৰ সৈতে গোৱা ‘চয়নিকা’ এলবামৰ ভালকে পুনৰ চোৱা এবাৰ আদি। তদুপৰি দূৰে দূৰে থাকি নকলা কথা, আজি ৰাতি যে প্ৰীতি ভৰা, অ’ শ্যাম গকুলৰে প্ৰাণ, অ’ জুলি কোৱা তুমি, নাযাবা আঁতৰি, ক’বা নে সঁচাকৈ, চয়নিকা চয়নিকা, কি যে হৈ গ’ল আদিকে ধৰি অন্য কেইবাটাও অসমীয়া গানতো কণ্ঠ নিগৰাইছিল আশা ভোছলেই।

## জুবিনবিহীন ব’হাগৰ নাই উছাহ

খিট্‌খিট্‌নিত আকৌ ব’হাগ আহিছে। চ’তে গৈয়ে গৈয়ে ব’হাগ পালেহি, ফুলিলে ভেবেলি লতা। ব’হাগ আমাৰ প্ৰাণৰ ব’হাগ। তাহানিতেই সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাই গীতৰ মাজেৰে কৈ গৈছে— ‘ব’হাগ মাথোঁ এটি ঋতু নহয়, নহয় ব’হাগ এটি মাহ, অসমীয়া জাতিৰ ই আয়ুসৰেখা, গণ জীৱনৰ ই সাহ’। যদিও এই দুঃসহ সময়ত ব’হাগ-বসন্ত পূৰ্বৰ দৰে প্ৰাণৱন্ত-প্ৰাণচঞ্চলা হৈ থকা নাই, গাঁৱে-ভূঞে সেই খদমদম নাই, তথাপি ব’হাগেই আমাৰ পণ লোৱাৰ সময়। শিপাৰ টানত চহৰত কৰ্মব্যস্ত প্ৰায় সকলো লোক গৃহাভিমুখী হৈছে। ৰে’লে-বাছে অসম্ভৱ ভিৰ। দূৰণিবটীয়া ৰে’লে-বাছে টিকট পাবলৈকে নাই। মাজতে মাথোঁ এদিন। পৰহিলৈ গৰু বিহু। বুধবাৰে মানুহ বিহু। পিছে এইবাৰৰ বিহুৰ বজাৰত পূৰ্বৰ দৰে আৰু বিহু নাই। সেয়া লাগিলে উত্তৰ-পূৱৰ ব্যৱসায়িক প্ৰাণকেন্দ্ৰ ফাঁচী বজাৰতেই হওক বা চহৰে-নগৰে গঢ়ি উঠা শ্বপিং মলতেই হওক। মানুহৰ হাতত ধন নাই। বজাৰত বিক্ৰীও নাই। সেয়ে বিহুৰ বজাৰো মন্দা। নিত্য ব্যৱহাৰ্য খাদ্য-সামগ্ৰীৰ দামৰ পৰা কাপোৰৰ বজাৰলৈ সকলোতে দাম বৃদ্ধিৰ প্ৰকোপ। সকলো যেন সাধাৰণ মানুহৰ ক্ৰয় ক্ষমতাৰ বাহিৰলৈ গুচি গৈছে। গাঁৱে-ভূঞে নিয়মমাফিক বিহুৰ আয়োজন চলিছে যদিও চহা গঞাৰ মনত সেই স্বতঃস্ফূৰ্ত উছাহৰ অভাৱ। তাতে এইবাৰ জুবিন গাৰ্গবিহীন প্ৰথম মঞ্চ বিহু উদ্‌যাপিত হ’ব। জুবিন গাৰ্গ নাই। সেয়ে বহু মঞ্চ বিহু সমিতিয়ে বিহুৰ অনুষ্ঠান বাতিল অথবা সীমিত কৰিছে। কোনোবাই প্ৰিয়জনলৈ বিহুৱান উলিওৱাৰ সময়তো কিন্তু কম দামৰ বহিৰাজ্যৰ পৰা অহা গামোচাৰ বজাৰ ভৰি পৰিছে। জি আই টেগ পোৱাৰ পাছতো তাঁতৰ সলনি পাৱাৰলুমৰ গামোচা নিৰ্বিয়ে অসমলৈ আহিয়েই আছে, বিক্ৰীও হৈ আছে। প্ৰশাসনৰ গাফিলতিৰ বাবেই আমাৰ হেঁপাহৰ বিহুৱানখনিৰ ওপৰত বহিৰাজ্যৰ আগ্ৰাসন বাঢ়ি আহিছে। তথাপিও এই ব’হাগতেই আমি পণ ল’ব লাগিব— একতাৰ, পৰিচয় দিব লাগিব প্ৰাণৱন্ত জাতিৰূপে, অনেক প্ৰত্যাহ্বানৰ মাজতো আমি পণ ল’ব লাগিব— সমাজৰ বিভেদ-অশান্তি নাইকিয়া কৰাৰ।

**নিষিদ্ধ পাৱাৰলুম গামোচাৰে ভৰিল বজাৰ**

**চাংসাৰিৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** অসমৰ শিপিনীৰ তাঁতশালত উৎপাদিত গামোচাক ২০২২ চনৰ ১৩ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প মন্ত্ৰালয়ে জি আই টেগ অৰ্থাৎ ভৌগোলিক সূচাংক প্ৰদান কৰাৰ সময়ত অসমৰ শিপিনী সমাজ তথা হস্ততাঁত বস্ত্ৰশিল্পৰ ব্যৱসায়ীসকল উৎফুল্লিত হৈ পৰিছিল। পিছে প্ৰশাসনৰ সোপাচিলা নীতিৰ বাবেই পাৱাৰলুমৰ গামোচাৰে বজাৰ ভৰি পৰিছে। এই গামোচাবোৰ তুলনামূলকভাৱে কম দামত বিক্ৰী হোৱা বাবে গ্ৰাহকে এনে গামোচাও ব্যাপকভাৱে আদৰি লোৱা দেখা গৈছে। ফলত তাঁতশালত উৎপাদিত অসমৰ শিপিনীৰ গামোচা উন্নত মানৰ হ’লেও বিক্ৰী অতি কম বুলি আজি সদৌ অসম বোৱনী সন্থাৰ কেইবাজনো বিষয়ববীয়াই চাংসাৰিত দৈনিক অসমৰ আগত আক্ষেপ প্ৰকাশ কৰে। তেওঁলোকে ক্ষোভ প্ৰকাশ কৰি কয় যে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে পাৱাৰলুমৰ গামোচা নিষিদ্ধ কৰি বজাৰত তালাচী চলাব লাগিছিল যদিও বিভাগটোৱে তেনে একো ব্যৱস্থা গ্ৰহণ কৰা নাই। আনহাতে বিভাগটোৰ শীৰ্ষ সূত্ৰৰ লগত যোগাযোগ কৰাত তেওঁলোকে এনে অভিযান ছেগা-চোৰোকাকৈ চলোৱা বুলি জনায়। নিৰ্বাচনৰ বাবে এনে অভিযান বাধাপ্ৰাপ্ত হোৱাৰ কথা সূত্ৰটোৱে স্বীকাৰ কৰে। সূত্ৰটোৱে আৰু জনায় যে শিপিনীসকল জিঅ’ টেগচিহ্নৰ ক্ষেত্ৰত সচেতন নহয়। অনেক শিপিনীয়ে এনে চিহ্ন লগোৱাই নাই। বিভাগীয়ভাৱে এনে চিহ্ন লগোৱাৰ ব্যৱস্থা কৰা হৈছে যদিও এতিয়াও সফল হ’ব পৰা নাই। আচলতে এনে চিহ্ন নলগোৱা গামোচা বজাৰত বিক্ৰী কৰাটোৱেই নিষিদ্ধ বুলি সূত্ৰটোৱে দোহাৰে। এইক্ষেত্ৰত সম্পূৰ্ণ সফল হ’বলৈ বিভাগে শিপিনীসকলকো সজাগ কৰাত গুৰুত্ব আৰোপ কৰে। তেনেদৰে কেইবাজনো শিপিনীয়ে চৰকাৰৰ পৰা বিশেষ একো ৰাজসাহায্য নোপোৱা বুলি দুখ প্ৰকাশ কৰে। আজিৰ শিপিনীসকল বজাৰ, পৰিবহণ, সূতাৰ মূল্য বৃদ্ধিকে ধৰি অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। পূৰ্বতে আৰ্টফেডে শিপিনীৰ গামোচা ক্ৰয় কৰিছিল বুলি কৈ এতিয়া আৰ্টফেড বন্ধ হৈ পৰাত শিপিনী সমাজৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হোৱা বুলি তেওঁলোকে দোহাৰে। শিপিনী সমাজক সকাহ দিবলৈ তথা হস্ততাঁত শিল্পৰ ভৱিষ্যতৰ বাবে এনে প্ৰতিষ্ঠান জৰুৰী বুলি শিপিনীসকলে আঙুলিয়াই দিয়ে।

## লেখাপানীত আলফা স্বাধীনৰ

বিদ্ৰোহী সংগঠন আলফা স্বাধীন। আলফা স্বাধীনৰ মেজৰ জেনেৰেল অৰুণোদয় দহোটীয়াৰ আত্মসমৰ্পণত আলফা স্বাধীনৰ সাংগঠনিক শক্তি হ্ৰাস হ’ব বুলি ভাবিছিল অসম আৰক্ষীয়ে। সেইবাবেই ভিন্ন কৌশল প্ৰয়োগ কৰি অসম আৰক্ষীয়ে আত্মসমৰ্পণ কৰোৱাইছিল অৰুণোদয় দহোটীয়াক। কিন্তু, অসম আৰক্ষীৰ এই ধাৰণা যে ভুল প্ৰতিপন্ন হৈছে, সেয়া শেহতীয়া কেইবাটাও ঘটনাই স্পষ্ট কৰিছে। নিৰ্বাচনৰ প্ৰাক্কণত যোৱা ২২ মাৰ্চত তিনিচুকীয়া জিলাৰ জাগুনৰ দহমাইলত অৱস্থিত অসম আৰক্ষীৰ কমাণ্ডো বেটেলিয়নৰ শিবিৰত নিশা দুই বজাত আলফা স্বাধীনৰ সাতগৰাকী সদস্যই আহি আক্ৰমণ চলাই চাৰিগৰাকীকৈ আৰক্ষী জোৱানক আঘাতপ্ৰাপ্ত কৰাৰ ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই পুনৰ উজনিত আলফা স্বাধীনে ব্যাপক হাৰত ধনদাবী কৰাৰ ঘটনা পোহৰলৈ আহিছে। ইপিনে, নিৰ্বাচনী ধামখুমীয়াৰ মাজতে তিনিচুকীয়া আৰক্ষীয়ে তিনিচুকীয়া জিলাৰ ভিন্ন প্ৰান্তৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ মিয়াওত অভিযান চলাই নিষিদ্ধ সংগঠনটোৰ সৈতে সঘনাই যোগাযোগ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰিছে সাতজনকৈ আলফা স্বাধীনৰ যোগসূত্ৰকাৰীক। তিনিচুকীয়া আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰতাপ সিং ৰাথোড়ৰ নেতৃত্বত চলা অভিযানত গ্ৰেপ্তাৰ হৈছে কাকপথাৰৰ বিকাশ ডেকা, পেঙেৰীৰ মিঠু গোহাঁই, লিলাম্বৰ মৰাণ, বৰডুমছাৰ বাৰ্লিন নেওগ, মাকুমৰ মানৱ দে আৰু অৰুণাচল প্ৰদেশৰ মিয়াওৰ পাৰিতোষ দেৱ আৰু শিৱা দেৱ। ইতিমধ্যে আৰক্ষীৰ জালত পৰা এই সাত আলফাৰ যোগসূত্ৰকাৰীক তিনিচুকীয়া আৰক্ষীয়ে আদালতত হাজিৰ কৰাই সাদিনৰ আৰক্ষীৰ জিম্মাত লৈ মাৰাথন জেৰা চলাই থকা বুলি সদৰি কৰিছে তিনিচুকীয়া আৰক্ষীয়ে। তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ং কুমাৰে সদৰি কৰা অনুসৰি, এই সাত যুৱকে সঘনাই আলফা স্বাধীনৰ কেডাৰৰ সৈতে যোগাযোগ ৰক্ষা কৰাৰ লগতে এগৰাকী আলফা সদস্যক ম’বাইল ফোনৰ ছিম কাৰ্ড যোগান ধৰা বুলি আৰক্ষীৰ জেৰাত এই তথ্য উন্মোচন হৈছে বুলি জনায়। দুই-এদিনতে আৰক্ষীৰ জিম্মাৰ ম্যাদ উকলিব বুলিও জনাইছে আৰক্ষী বিষয়াগৰাকীয়ে। ইপিনে, আলফা স্বাধীনৰ এটা দলে উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড় জিলাত ব্যাপক হাৰত বহু ধনৱান ব্যৱসায়ীলৈ ধনদাবী পত্ৰ প্ৰেৰণ কৰিছে। উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড় জিলাৰ লগতে অৰুণাচলৰো একাংশ ব্যৱসায়ীলৈ ধনদাবী পত্ৰ প্ৰেৰণ কৰাৰ খবৰো চোৰাংচোৱাৰ হাতত মজুত আছে। ডিব্ৰুগড় জিলাৰ নেতৃত্বত আছে আলফা নেতা নিৰ্ণয় অসম। নিষিদ্ধ সংগঠনটোৰপৰা লাভ কৰা ধনদাবী পত্ৰক লৈ এতিয়া শংকিত হৈছে বহু ব্যৱসায়ী। ব্যৱসায়ী মহলৰ মাজত ব্যাপক জোকাৰণিৰ সৃষ্টি হৈছে। তিনিচুকীয়া আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে এই ধনদাবীৰ ঘটনা কেনেকৈ প্ৰতিৰোধ কৰিব, সেয়া লক্ষণীয় হ’ব। উজনি অসমৰ এতিয়া এনে ঘটনা-প্ৰবাহৰপৰা নিষিদ্ধ সংগঠন আলফা স্বাধীনৰ যে কামিহাড় ভাগি যোৱা নাই, বৰঞ্চ সংগঠনটোৰ সাংগঠনিক কাম-কাজ, ধনদাবীৰ ঘটনাই পুনৰ যে সক্ৰিয় ৰূপ লৈছে— সেই কথাই প্ৰমাণ হৈছে।

## সংখ্যালঘু নে খিলঞ্জীয়া ? ক’ত পৰিল বেছি ভোট

শতাংশ ঘোষণা কৰাৰ পাছত স্পষ্ট হৈছে যে সমষ্টিসমূহত আচলতে কিমান শতাংশকৈ ভোটদান হৈছে। আজি ঘোষণা কৰা চূড়ান্ত ভোটৰ হাৰৰ ভিত্তিত ৪ মে’ত ১২৬টা সমষ্টিত ভোট গণনা হ’ব। উল্লেখ্য যে ৯ এপ্ৰিলৰ বিয়লি ৫ বজাত ১২৬টা সমষ্টিতেই আনুষ্ঠানিকভাৱে ভোটগ্ৰহণ সম্পূৰ্ণ হৈছিল। সেইদিনা বিয়লি ৫ বজাত আয়োগে সদৰি কৰিছিল যে সামগ্ৰিকভাৱে ৰাজ্যত ভোটদানৰ হাৰ হৈছে ৮৪.৪২ শতাংশ। সেইদিনা বিয়লি প্ৰতিটো বিধানসভা সমষ্টিত কিমান শতাংশ ভোটদান হৈছিল সেই তথ্যও আয়োগে ৰাজহুৱা কৰিছিল। কিন্তু ইয়াৰ পৰৱৰ্তী সময়ত প্ৰায় দুই-তিনি ঘণ্টাৰ অন্তৰে অন্তৰে ৰাজ্যৰ সামগ্ৰিক ভোটৰ শতাংশ নিৰ্বাচন আয়োগৰ ৱেবছাইটত ৰাজহুৱা কৰি থকা হৈছিল। এনেদৰে ১১ এপ্ৰিলৰ নিশা পৰ্যন্ত ৰাজ্যত সামগ্ৰিক ভোটৰ হাৰ ৮৫.৯৬ শতাংশ বুলি আয়োগে সদৰি কৰিছিল। যোৱা ৯ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ৮৪.৪২ শতাংশৰ পৰা ১১ এপ্ৰিলৰ নিশা পৰ্যন্ত ৰাজ্যত সামগ্ৰিকভাৱে ৮৫.৯৬ শতাংশ ভোটদান হোৱা বুলি আয়োগে ৰাজহুৱা ঘোষণা কৰিছিল। এনেদৰে ভোটৰ সামগ্ৰিক হাৰৰ তথ্য ৰাজহুৱা কৰি থকা হৈছিল যদিও ৯ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ১২ এপ্ৰিলৰ দুপৰীয়া পৰ্যন্ত ১২৬টা বিধানসভা সমষ্টিৰ সমষ্টিভিত্তিক ভোটৰ হাৰ ৰাজহুৱা কৰা হোৱা নাছিল। আয়োগৰ ৱেবছাইটত কেৱল ৯ এপ্ৰিলৰ তথ্যহে উপলব্ধ হৈ থকাত বিভিন্নজনৰ মনত প্ৰশ্নৰ উদ্ৰেক ঘটিছিল। সমষ্টিভিত্তিক চূড়ান্ত ভোটৰ হাৰ ঘোষণা নকৰাত প্ৰশ্ন উত্থাপন হৈছিল। এই সন্দৰ্ভত আজি ১২ এপ্ৰিলৰ সংখ্যা ‘দৈনিক অসম’ত প্ৰকাশ পায় ‘প্ৰতিদিনে বাঢ়িছে সামগ্ৰিক হাৰ, শনিবাৰলৈকে হৈছেগৈ ৮৫.৯৬ শতাংশ, সমষ্টিভিত্তিক চূড়ান্ত ভোটদানৰ হাৰ এতিয়াও ৰাজহুৱা কৰা নাই নিৰ্বাচন আয়োগে, ভোটদানৰ দুদিনৰ পাছতো নতুন তথ্য প্ৰকাশ নকৰাক লৈ সৃষ্টি হৈছে প্ৰশ্নৰ, ৱেবছাইটত কেৱল ৯ এপ্ৰিলৰহে তথ্য’ শীৰ্ষক বাতৰি প্ৰকাশ হোৱাত ৰাজ্যত হাহাকাৰ লাগে। নিৰ্বাচন আয়োগৰো এই বাতৰি দৃষ্টিগোচৰ হয়। ‘দৈনিক অসম’ কাকতৰ বাহিৰে ৰাজ্যৰ আন কোনো সংবাদ মাধ্যমত এই বাতৰি প্ৰকাশ হোৱা নাছিল। ‘দৈনিক অসম’ত এই বাতৰি প্ৰকাশ হোৱাৰ পাছত অৱশেষত আজি দুপৰীয়া নিৰ্বাচন আয়োগে বিধানসভাৰ সমষ্টিভিত্তিক চূড়ান্ত ভোটৰ হাৰৰ তথ্য ৰাজহুৱা

**ভোটদানৰ হাৰ**

| | |
|---|---|
| ২৪টা সমষ্টি | ঃ ৯০ৰপৰা ৯৬.৫৪ শতাংশ পৰ্যন্ত |
| ১৫টা সমষ্টি | ঃ ৭২ৰপৰা ৭৯.৬২ শতাংশ |
| ৮৭টা সমষ্টি | ঃ ৮০ৰপৰা ৮৯.৮০ শতাংশ |
| ১২৬টা সমষ্টি | ঃ সামগ্ৰিকভাৱে ৮৫.৯৬ শতাংশ ভোটদান |

কৰিছে। যোৱা ৯ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা প্ৰায় ৬৭ ঘণ্টা পাছত নিৰ্বাচন আয়োগে সমষ্টিভিত্তিক চূড়ান্ত ভোটদানৰ হাৰ প্ৰকাশ কৰিছে।

**২৪টা বিধানসভা সমষ্টিত ৯০ শতাংশৰো অধিক ভোটদান ঃ** নিৰ্বাচন আয়োগে আজি ৰাজহুৱা কৰা বিধানসভা সমষ্টিভিত্তিক ভোটদানৰ হাৰৰ তথ্য মতে ৰাজ্যৰ ১২৬টা বিধানসভা সমষ্টিৰ ভিতৰত ২৪টা সমষ্টিতেই ৯০ শতাংশৰ পৰা প্ৰায় ৯৭ শতাংশ পৰ্যন্ত ভোটদান হৈছে। অসমৰ বিধানসভা নিৰ্বাচনৰ ইতিহাসত এনেদৰে ২৪টা সমষ্টিত ৯০ শতাংশৰ পৰা ৯৭ শতাংশ পৰ্যন্ত ভোটদান হোৱাটো এক অভিলেখ। কিন্তু যি ২৪টা সমষ্টিত ৯০ শতাংশৰ অধিক ভোটদান হৈছে তাৰে অধিকাংশ সমষ্টিতে সংখ্যালঘু ভোটাৰ বেছি আছে। এই ২৪টা সমষ্টিৰ ভোটৰ হাৰ আৰু ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ ভিত্তিত নিৰ্বাচনৰ ফলাফল মন কৰিবলগীয়া হ’ব। সমষ্টিকেইটাৰ ভিতৰত বিৰসিং-জৰুৱা বিধানসভা সমষ্টিত সৰ্বাধিক ৯৬.৫৪ শতাংশ ভোটদান হৈছে। বাকী ২৩টা সমষ্টি হৈছে পৰ্বতঝোৰাত ৯৩.২৯ শতাংশ, গোলোকগঞ্জত ৯৪.৫২ শতাংশ, গৌৰীপুৰত ৯৬.০৭ শতাংশ, ধুবুৰীত ৯৪.৬১ শতাংশ, বিলাসীপাৰাত ৯৩.২৬ শতাংশ, মানকাচৰত ৯৫.৬১ শতাংশ, জলেশ্বৰত ৯৬.২৮ শতাংশ, পশ্চিম গোৱালপাৰাত ৯০.৮৯ শতাংশ, পূব গোৱালপাৰাত ৯৪.৭৯ শতাংশ, অভয়াপুৰীত ৯০.৮০ শতাংশ, সৃজনগ্ৰামত ৯৫.৮২ শতাংশ, বঙাইগাঁৱত ৯০.৭২ শতাংশ, মন্দিয়াত ৯৩.৮৭ শতাংশ, চেঙাত ৯৫.৩৩ শতাংশ, পাকা বেতবাৰীত ৯৪.৭৬ শতাংশ, ছমৰীয়াত ৯৪.৫৩ শতাংশ, বৰক্ষেত্ৰীত ৯১ শতাংশ, নলবাৰীত ৯০.৪৬ শতাংশ, দলগাঁৱত ৯৫.৫৬ শতাংশ, লাহৰীঘাটত ৯৪.৭২ শতাংশ, ধিঙত ৯২.৫৫ শতাংশ, ৰূপহীহাটত ৯৪.২৮ শতাংশ, চামগুৰিত ৯৩.৪৭ শতাংশ ভোটদান হৈছে। ভোটৰ হাৰৰ ভিত্তিত সমষ্টিয়ে সমষ্টিয়ে জয়-পৰাজয়ৰ পৰ্যালোচনা অব্যাহত আছে।

**খিলঞ্জীয়া অধ্যুষিত ১৫ সমষ্টিত ভোটৰ হাৰ কম ঃ** ৰাজ্যত সামগ্ৰিকভাৱে ৮৫.৯৬ শতাংশ ভোটদানৰ হাৰেৰে সৰ্বকালৰ অভিলেখ সৃষ্টি হৈছে। কিন্তু ১৫টা সমষ্টিত তুলনামূলকভাৱে সৰ্বনিম্ন ভোটদান হৈছে। সমষ্টিকেইটাত মাত্ৰ ৭২ শতাংশৰ পৰা ৭৯ শতাংশহে ভোটদান হৈছে। ইয়াৰ ভিতৰত আটাইতকৈ কম নিউ গুৱাহাটীত মাত্ৰ ৭২.৩৭ শতাংশ ভোটদান হৈছে। বাকী ১৪টা সমষ্টি ক্ৰমে দিছপুৰ ৭৫.০৪ শতাংশ, মধ্য গুৱাহাটীত ৭৬.০৭ শতাংশ, চিচিবৰগাঁৱত ৭৯.৪০ শতাংশ, ধেমাজিত ৭৯.৩২ শতাংশ, শদিয়াত ৭৮.৪৫ শতাংশ, মাৰ্ঘেৰিটাত ৭৮.৭৮ শতাংশ, ডিগবৈত ৭৮.৭৬ শতাংশ, তিনিচুকীয়াত ৭৮.১২ শতাংশ, ডিব্ৰুগড়ত ৭৯.০৭ শতাংশ, নাহৰকটীয়াত ৭৯.৩৩ শতাংশ, যোৰহাটত ৭৮.৬৪ শতাংশ, সৰুপথাৰত ৭৯.৬২ শতাংশ, ডিফুত ৭৮.১৮ শতাংশ, আমৰিত ৭৮.৯৭ শতাংশহে ভোটদান হৈছে। খিলঞ্জীয়া অধ্যুষিত ১৫টা সমষ্টিত সংখ্যালঘু অধ্যুষিত সমষ্টিৰ তুলনাত ভোটৰ হাৰ কাৰ্যতঃ কম হৈছে।

**৮৭ সমষ্টিত ৮০ৰ পৰা ৮৯ শতাংশ ঃ** আনহাতে ৰাজ্যৰ ১২৬টা সমষ্টিৰ ভিতৰত ৮৭টা বিধানসভা সমষ্টিত ভোটদানৰ হাৰ হৈছে ৮০ শতাংশৰ পৰা ৮৯ শতাংশ। তুলনামূলকভাৱে এই সমষ্টিকেইটাত ভোটৰ হাৰ বেছি। কিন্তু সংখ্যালঘু অধ্যুষিত সমষ্টিসমূহৰ তুলনাত এই সমষ্টিকেইটাত ভোটৰ হাৰ কম। সমষ্টিসমূহৰ ভোটৰ হাৰৰ ভিত্তিত নিৰ্বাচনৰ ফলাফল বহুখিনি নিৰ্ভৰ কৰিব। কিয়নো একাংশ সমষ্টিত তীব্ৰ প্ৰতিদ্বন্দ্বিতা হৈছে। তদুপৰি একাংশ নিৰ্দলীয় প্ৰাৰ্থীয়েও ভোট বিভাজন কৰা পৰিলক্ষিত হৈছে। সেয়ে কম ভোটৰ ব্যৱধানতে প্ৰাৰ্থীৰ জয়-পৰাজয় নিৰ্ণয় হ’ব পাৰে বুলি ধাৰণা কৰা হৈছে।

## ‘মেলডী কুইন’ক হেৰুৱাই দেশজুৰি শোক

কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। এটা শোক বাৰ্তাত প্ৰধানমন্ত্ৰী মোডীয়ে কয়— ভাৰতৰ অন্যতম বিখ্যাত আৰু বহুমুখী প্ৰতিভাৰ শিল্পী আশা ভোছলেজীৰ মৃত্যুত মই গভীৰভাৱে মৰ্মাহত হৈছোঁ। তেওঁৰ এই অনন্য সংগীত যাত্ৰাই দশক দশক ধৰি আমাৰ সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধ কৰি বিশ্বৰ অগণন লোকৰ হৃদয় স্পৰ্শ কৰিছিল। হৃদয়স্পৰ্শী গীতৰ পৰা আৰম্ভ কৰি আৱেগিক সংগীতলৈকে, তেওঁৰ কণ্ঠ সদায়েই বিশেষ আছিল। তেওঁৰ সৈতে হোৱা কথা-বতৰাৰ স্মৃতিবোৰ মই সদায় সোঁৱৰণ কৰিম।

**আশাজীক গভীৰভাৱে মিছ কৰিম ঃ শ্বাহৰুখ খান ঃ** এক শোক বাৰ্তাত বলীউডৰ ছুপাৰ ষ্টাৰ শ্বাহৰুখ খানে আৱেগিকভাৱে কয়— মই তেওঁক গভীৰভাৱে মিছ কৰিম। আশাজী লাখ লাখ লোকক স্পৰ্শ কৰা এটা কণ্ঠ, এতিয়া চিৰদিনৰ বাবে জীয়াই আছে।

**ৰাষ্ট্ৰই হেৰুৱালে এটি অমৰ কণ্ঠস্বৰ ঃ ডঃ হিমন্ত বিশ্ব শৰ্মা ঃ** ভাৰতবৰ্ষৰ গৌৰৱ, প্ৰখ্যাত কণ্ঠশিল্পী আশা ভোছলে বাইদেউৰ মহাপ্ৰয়াণৰ খবৰ শুনি অত্যন্ত শোক অনুভৱ কৰিছোঁ। কেইবাটাও দশকজুৰি ভাৰতীয় সংগীতপ্ৰেমীক একক আৰু স্বকীয় কণ্ঠৰ যাদুৰে মোহাচ্ছন্ন কৰি ৰখা আশা ভোছলেৰ সুৰৰ মায়াজালে প্ৰজন্মৰ পাছত প্ৰজন্মক মুগ্ধ কৰি ৰাখিব। ভাৰতীয় চিনেমা জগতৰ সংগীত সম্ৰাজ্ঞীগৰাকীৰ মহাপ্ৰয়াণ দেশৰ বাবে অপূৰণীয় ক্ষতি। তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি ঈশ্বৰৰ শ্ৰীচৰণত প্ৰাৰ্থনা জনালোঁ। এই শোকৰ মুহূৰ্তত তেওঁৰ পৰিয়াল, গুণমুগ্ধ আটাইলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

**যুগ যুগ ধৰি প্ৰতিধ্বনিত হৈ থাকিব অমৰ কণ্ঠ ঃ সৰ্বানন্দ সোণোৱাল ঃ** কিংবদন্তি কণ্ঠশিল্পী আশা ভোছলেজীৰ বিয়োগত গভীৰভাৱে ব্যথিত হৈছোঁ। তেওঁৰ অতুলনীয় কণ্ঠই মানৱীয় আৱেগৰ সমগ্ৰ বৰ্ণালীক ধৰি ৰাখিছিল আৰু প্ৰজন্মৰ পাছত প্ৰজন্ম ভাৰতীয়ৰ মাজত অনুৰণন ঘটাইছিল। আমাৰ জাতিৰ সাংস্কৃতিক ঐতিহ্যৰ এক সজীৱ আত্মা আছিল ভোছলে। লাখ লাখ অনুৰাগীৰ দৰেই তেওঁৰ সুৰবোৰ মোৰ জীৱনৰ এক অবিৰত অংশ হৈ আহিছে। আশাজীৰ কীৰ্তিচিহ্নস্বৰূপ সুৰ সাম্ৰাজ্য যুগ যুগ ধৰি প্ৰতিধ্বনিত হৈ থাকিব। তেওঁৰ অমৰ কণ্ঠ আমাৰ হৃদয়ত চিৰদিনৰ বাবে জীয়াই থাকিব। দেশবাসীৰ সৈতে মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

**মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিচৰ শোক ঃ** আশা ভোছলেৰ মৃত্যুত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিচে কয়— এয়া সমগ্ৰ ভাৰত আৰু বিশ্বৰ সংগীতপ্ৰেমীসকলৰ বাবে এক শোকৰ মুহূৰ্ত। তেওঁ আটাইতকৈ বহুমুখী শিল্পী হিচাপে পৰিচিত আছিল। আমি সকলোৱে দুখ পাইছোঁ। এয়া আমাৰ সকলোৰে বাবে এক বৃহৎ ক্ষতি। আমি শোকসন্তপ্ত পৰিয়ালটোৰ সৈতে আছোঁ।

**আশা ভোছলেৰ মৃত্যুত মই গভীৰভাৱে দুখী ঃ মমতা বেনাৰ্জী ঃ** আশাৰ মৃত্যুত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। এক্স হেণ্ডেলযোগে দিয়া এক শোকবাৰ্তাত কয়— মহান সংগীত শিল্পী আশা ভোছলেৰ মৃত্যুত মই গভীৰভাৱে দুখী। এগৰাকী গায়িকা হিচাপে তেওঁ আছিল এক প্ৰেৰণা, যিয়ে আমাৰ হৃদয়ত প্ৰজন্মৰ পাছত প্ৰজন্ম ধৰি শাসন কৰিছিল। মুখ্যমন্ত্ৰী মমতাই শিল্পীগৰাকীৰ সংগীত জীৱনৰ বিষয়েও কয়— তেওঁ বহু বাংলা গীতো গাইছিল আৰু বাংলা ভাষাতো অতি জনপ্ৰিয় আছিল। ২০১৮ চনত আমি তেওঁক বংগ বিভূষণেৰে সন্মানিত কৰিবলৈ সক্ষম হৈছিলোঁ। তেওঁৰ পৰিয়াল, সহকৰ্মী আৰু বিশ্বৰ লাখ লাখ অনুৰাগীলৈ মোৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

**এটি সুললিত অধ্যায়ৰ সমাপ্তি ঃ জয়ন্ত মল্ল বৰুৱা ঃ** কিংবদন্তি গায়িকা আশা ভোছলেৰ মহাপ্ৰয়াণৰ বাতৰি পাই মৰ্মাহত হৈছোঁ। বিগত শতিকাৰ পঞ্চাশৰ দশকৰ পৰাই নেপথ্য কণ্ঠশিল্পী হিচাপে বিশেষকৈ হিন্দী চলচ্চিত্ৰ জগতত জড়িত হৈ অহা আশা ভোছলেৰ দেহাৱসানত দেশে এগৰাকী অতুলনীয় শিল্পী হেৰুৱালে। এই বিৰল প্ৰতিভাধৰ শিল্পীগৰাকীৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে তেওঁৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ।

## অনা-অসমীয়াৰ দপ্‌দপনি, গুৱাহাটীত খিলঞ্জীয়াক প্ৰহাৰক লৈ উত্তাল পৰিস্থিতি

এগৰাকী অসমীয়া যুৱতীক এহাল হিন্দীভাষী যুৱক যুৱতীয়ে প্ৰহাৰ কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওঁতেই এইবাৰ উলুবাৰীত এদল হিন্দীভাষীয়ে এজন অসমীয়া যুৱকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰাক লৈ উত্তেজনা অব্যাহত আছে। জানিব পৰা মতে, পেট্ৰ’ল পাম্পলৈ অহা এজন অসমীয়া যুৱকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে পাম্পত কৰ্মৰত এদল হিন্দীভাষী যুৱকে। পেট্ৰ’ল পাম্পৰ কৰ্মচাৰীয়ে অভিযোগ কৰা মতে ৩ যুৱকে নিশা অত্যধিক সুৰাপান কৰি আহি কৰ্মচাৰীক মাৰপিট কৰিছে। ঘটনাৰ পাছতে নিশাই পেট্ৰ’ল পাম্পৰ কৰ্মচাৰীয়ে খবৰ দিছিল আৰক্ষীক। কিন্তু আৰক্ষী অহাৰ পূৰ্বে পাম্পৰ পৰা পলায়ন কৰে বুলি অভিযোগ কৰিছে যদিও প্ৰকৃততে কৰ্মচাৰীয়ে এজন যুৱকক বেয়াকৈ মাৰধৰ কৰা বুলি জানিব পৰা গৈছে। ইফালে শনিবাৰে নিশা উলুবাৰী পেট্ৰ’ল পাম্পত সংঘটিত ঘটনাৰ তদন্ত আৰম্ভ কৰিছে মহানগৰ আৰক্ষীয়ে। সমগ্ৰ ঘটনাৰ উচিত তদন্ত বিচাৰি পেট্ৰ’ল পাম্পটোৰ কৰ্তৃপক্ষই পল্টন বজাৰ থানাত দাখিল কৰে এজাহাৰ। আনহাতে, ঘটনাৰ পাছতে পল্টন বজাৰ আৰক্ষীৰ এটা দল উপস্থিত হয় পেট্ৰ’ল পাম্পটোত। ঘটনাৰ তদন্ত আৰম্ভ কৰি চিচি টিভিৰ ফুটেজ সংগ্ৰহ কৰিছে আৰক্ষীয়ে। বৰ্তমানলৈ কোনো এজন অভিযুক্তক আটক কৰিবলৈ সক্ষম হোৱা নাই। ইফালে, পেট্ৰ’ল পাম্পটোক উপস্থিত হৈ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে অসমীয়া যুৱকক প্ৰহাৰ কৰাক লৈ সৰৱ হৈ পৰে। পৰিষদে কয়— এইখন অসম হয়, বিহাৰ নহয়, ইয়াত গুণ্ডাগিৰি নচলিব। আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ইফালে ফটাশিল আমবাৰীত দুই যুৱতীক অশালীন আচৰণৰ ঘটনাক লৈ উত্তপ্ত হৈ পৰে। জানিব পৰা মতে ভৰলু দিশৰ পৰা স্কুটীৰে গৈ থকা দুই যুৱতীক প্ৰায় এক কিলোমিটাৰ অনুসৰণ কৰি দুই যুৱকে অশালীন আচৰণ কৰে। যুৱতী দুগৰাকীয়ে দুই যুৱকক আগভেটি ধৰি হাহাকাৰ কৰে যদিও একাংশই কৌশলেৰে দুই দুৰ্বৃত্তক আঁতৰাই পঠিয়ায়। ইয়াকে লৈ বহু সময় ৰাজপথত তীব্ৰ উত্তেজনাই বিৰাজ কৰে।

**আটাছু-অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সকীয়নি**

**শিৱসাগৰ/জয়সাগৰৰ দৈনিক অসমৰ প্ৰতিনিধি ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত খিলঞ্জীয়া ভূমিপুত্ৰৰ ওপৰত অনা- অসমীয়াৰ আক্ৰমণ নতুন কথা নহয়। কিছুমাহ পূৰ্বে শিৱসাগৰ চহৰত একাংশ অনা- অসমীয়া ব্যক্তিয়ে এগৰাকী খিলঞ্জীয়া যুৱতীক আক্ৰমণ কৰা ঘটনাৰ পাছতেই ৰাজ্যজুৰি সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়া। তামোল-পাণৰ শৰাই লৈ অনা-অসমীয়া ব্যক্তিয়ে অসমীয়াৰ ওচৰত ক্ষমা বিচৰাৰ লগতে জাতীয় দল-সংগঠনে বান্ধি দিয়া চৰ্ত মানি ল’ম বুলি কোৱাৰ পাছতহে উক্ত ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ গৈছিল। কিন্তু ইমানৰ পাছতো যেন গাত কথা নালাগিল একাংশ অনা-অসমীয়াৰ। শেহতীয়াকৈ গুৱাহাটীৰ ফাঁচী বজাৰ, আমবাৰী ফটাশিলত যুৱতীক আক্ৰমণ, পল্টন বজাৰৰ পেট্ৰ’ল পাম্পত অনা-অসমীয়াই এগৰাকী খিলঞ্জীয়া যুৱকৰ ওপৰত আক্ৰমণ কৰাৰ পাছতেই ৰাজ্যত পুনৰ সৃষ্টি হৈছে প্ৰতিক্ৰিয়া। ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈয়ে কয়— এই সকলো ঘটনা দেখি আমি অসমীয়াই যদি নীৰৱে থাকোঁ, তেনেহ’লে এইখন অসমত থলগিৰিৰ দপদপনি কেতিয়াও নাথাকিব। গগৈয়ে গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তক অনতিবিলম্বে আক্ৰমণকাৰীসকলক কঠোৰ শাস্তি বিহাৰ দাবী জনাই লগতে কয় যে যদিহে প্ৰশাসনে এই কাম নকৰে অনাগত সময়ত অসমত হ’বলগীয়া যিকোনো পৰিস্থিতিৰ বাবে ৰাইজ জগৰীয়া নহ’ব। ঘটনাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশজ্যোতি গগৈয়ে এইখন চৰকাৰে অসমত অনা-অসমীয়া ব্যক্তিক ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক ক্ষমতা প্ৰদান কৰি খিলঞ্জীয়াৰ ওপৰত অত্যাচাৰ কৰিবলৈ শক্তি প্ৰদান কৰা বুলি মন্তব্য কৰে। এই অসমত কেৱল অসমীয়া জাতিৰ প্ৰভুত্ব থাকিব, ইয়াত অসমীয়াৰ অধিকাৰ থাকিব বুলি উল্লেখ কৰি নেতাগৰাকীয়ে এয়া সহ্য কৰা নহ’ব বুলি কয়।

## কিংবদন্তি কণ্ঠশিল্পী আশা ভোছলে আৰু নাই

ব্ৰীচ কেণ্ডী হাস্পতালত আজি ৯২ বছৰ বয়সত সংগীতৰ সুৰীয়া যাত্ৰাৰ সামৰণি পেলালে। শনিবাৰে সন্ধিয়া তেওঁক অত্যধিক ভাগৰ আৰু বুকুৰ সংক্ৰমণৰ বাবে হাস্পতালখনৰ জৰুৰীকালীন চিকিৎসা সেৱা ইউনিটত ভৰ্তি কৰোৱা হৈছিল বিশ্বপ্ৰসিদ্ধ শিল্পীগৰাকীক। চিকিৎসাধীন অৱস্থাত তেওঁ হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাৰ লগতে উশাহ-নিশাহৰ সমস্যাতো ভুগিছিল। চিকিৎসালয় সূত্ৰই জনোৱা মতে, বাৰ্দ্ধক্যজনিত অসুস্থতা আৰু অংগ বিকল হোৱাৰ বাবেই তেওঁৰ মৃত্যু হয়। কোটি কোটি গুণমুগ্ধৰ হাজাৰ প্ৰাৰ্থনা আৰু চিকিৎসকৰ সকলো চেষ্টা বিফল কৰি আজি দুপৰীয়া ১২ বজাত মুম্বাইৰ ব্ৰীচ কেণ্ডী হাস্পতালত চিৰনিদ্ৰাত পৰে শিল্পীগৰাকী। বিশিষ্ট অভিনেতা অনুপম খেৰ, সঞ্জয় কাপুৰ, অশোক পণ্ডিতকে ধৰি ছবিজগতৰ বহু বিশিষ্ট লোকে প্ৰাৰ্থনা কৰিছিল। ডাঃ প্ৰতীক সামদানীয়ে জনোৱা মতে আশা ভোছলেই বহু অংগ বিকল হোৱাৰ বাবে শেষ নিশ্বাস ত্যাগ কৰে। আশা ভোছলেৰ পুত্ৰ আনন্দ ভোছলেই মাতৃৰ মৃত্যুৰ বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰি কাইলৈ বিয়লি ৪ বজাত শিৱাজী পাৰ্কত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ’ব বুলি সংবাদ মাধ্যমৰ আগত সদৰি কৰে। ১৯৩৩ চনৰ ৮ ছেপ্টেম্বৰত মহাৰাষ্ট্ৰৰ চাংলিত জন্মগ্ৰহণ কৰিছিল আশা ভোছলেই। পিতৃ পণ্ডিত দীননাথ মংগেশকাৰৰ মৃত্যুৰ পাছত মাত্ৰ ১০ বছৰ বয়সতে তেওঁ আৰু তেওঁৰ জ্যেষ্ঠ ভগ্নী লতা মংগেশকাৰে পৰিয়ালৰ আৰ্থিক দায়িত্ব মূৰ পাতি ল’বলৈ বাধ্য হৈছিল।

**আশা ভোছলেৰ সাংগীতিক যাত্ৰা**

১৯৪৩ চনত মাৰাঠী ছবি ‘মাঝে বাল’ৰ প্ৰথম প্লেবেক গীতৰ জৰিয়তে আশা ভোছলেৰ বৰ্ণাঢ্য সাংগীতিক যাত্ৰা আৰম্ভ হৈছিল। তাৰ পাছত ১৯৪৮ চনত মুক্তি পোৱা হিন্দী ছবি ‘চুনৰিয়া’ৰ ‘সাৱন আয়া’ গীতেৰে বলীউড প্লেবেকত আত্মপ্ৰকাশ কৰে শিল্পীগৰাকীয়ে। তেওঁ অতি কম বয়সতে নিজৰ কেৰিয়াৰ আৰম্ভ কৰিছিল। সুদীৰ্ঘ সাংগীতিক জীৱন পৰিক্ৰমাত তেওঁ হিন্দী, অসমীয়া, মাৰাঠী, বাংলা, গুজৰাটীকে ধৰি বিভিন্ন ভাষাৰ হাজাৰ হাজাৰ গীতত কণ্ঠ নিগৰাইছিল। কোকিলকণ্ঠী লতা মংগেশকাৰৰ ভগ্নী আশা ভোছলেই তেওঁৰ সুৰীয়া কণ্ঠেৰে কেইবাটাও প্ৰজন্মক মোহিত কৰি ৰাখিছে। আশা ভোছলে গিনীজ বুক অব ৱৰ্ল্ড ৰেকৰ্ডতো তালিকাভুক্ত হৈছে। চলচ্চিত্ৰ গীতৰ পৰা আৰম্ভ কৰি পপ, গজল, ভজন, আনকি শাস্ত্ৰীয় সংগীতলৈকে ১৪টা ভাষাত ১২ হাজাৰৰো অধিক গীত গাইছে শিল্পীগৰাকীয়ে। আশা ভোছলেই আছিল গ্ৰেমী বঁটা লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় গায়িকা। দাদা চাহেব ফাল্কে বঁটা আৰু পদ্ম বিভূষণেৰেও সন্মানিত হৈছে বৰেণ্য শিল্পীগৰাকী। আশা ভোছলেৰ কালজয়ী হিট গীতৰ তালিকাত আছে ‘পিয়া তু আব তো আজা’, ‘দম মাৰো দম’, ‘চুৰা লিয়া হায় তুমনে জো দিল কো’, ‘ঝুমকা গিৰা ৰে’, ‘য়েহ মেৰা দিল’, ‘দিল চেজ ক্যা হ্যেই’, ‘অ’ মেৰে সোনা ৰে’, ‘ইন আঁখো কি মস্তি কে মস্তানে হাজাৰো হায়’ আদি ক্লাছিক গীত।

**সফলতাৰ আন নাম আশা**

জ্যেষ্ঠ ভগ্নী লতা মংগেশকাৰৰ দৰেই সফলতাৰ যাত্ৰাত কাহানিও উভতি চাবলগীয়া হোৱা নাছিল। আশা ভোছলেই জীৱনত অপৰিসীম সফলতা লাভ কৰাৰ বিপৰীতে ব্যক্তিগত জীৱনত বহু উত্থান-পতন, ঘাত-প্ৰতিঘাত, দুখ-বেদনাৰ সাক্ষী হ’বলগীয়া হৈছিল। ভোছলেৰ ‘ৰাত বাকী, বাত বাকী’ৰ পৰা আৰম্ভ কৰি ‘একতা দেশলাই কাঠি জালাও’, ‘চুৰা লিয়া হায় তুমনে জিস দিল কো’, ‘য়েহ মেৰা দিল প্যাৰ কা দীৱানা’ৰ পৰা ‘মণিকা, অ’ মাই ডাৰ্লিং’লৈকে প্ৰতিটো গীতেই আছিল ছুপাৰ হিট। ১৯৭১ চনৰ ‘কাৰাভান’ ছবিৰ ‘পিয়া তু অব তো আজা’ই সৰ্বকালৰ অভিলেখ ভংগ কৰিছিল। বিশ্বৰ সৰ্বাধিক একক গীত ৰেকৰ্ডিং কৰা শিল্পী হিচাপে ২০১১ চনত গীনিজ বুকত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল আশা ভোছলেই। শিল্পীগৰাকীয়ে ২০টাতকৈও অধিক ভাষাত ১২,০০০তকৈও অধিক গীতত কণ্ঠদান কৰিছে। শিল্পীগৰাকীক ২০০০ চনত ‘দাদা চাহেব ফাল্কে বঁটা’ আৰু ২০০৮ চনত ‘পদ্ম বিভূষণ’ সন্মানেৰে বিভূষিত কৰা হৈছিল। তদুপৰি কণ্ঠশিল্পীগৰাকীয়ে ৭ বাৰকৈ ফিল্মফেয়াৰৰ শ্ৰেষ্ঠ গায়িকাৰ বঁটা লাভ কৰিছে।

**জীৱনৰ দুঃসময়তো যি স্থিতপ্ৰজ্ঞ**

আশা ভোছলেৰ সাফল্যময় জীৱন পৰিক্ৰমাৰ আঁৰতো আছিল বহু বেদনাৰে ভৰা ঘটনা। নিজ পুত্ৰ-কন্যাৰ কৰুণ মৃত্যুৰ সাক্ষী হ’বলগীয়া হৈছিল কণ্ঠশিল্পীগৰাকী। ২০১২ চনত হেৰুৱাবলগীয়া হৈছিল কন্যা বৰ্ষা ভোছলেক। ভাতৃৰ অনুজ্ঞা পত্ৰ থকা পিষ্টলেৰে গুলীয়াই আত্মহত্যা কৰিছিল বৰ্ষাই। মানসিক অশান্তিৰ বাবেই কন্যাই এই ভয়ংকৰ সিদ্ধান্ত লৈছিল বুলি পাছত জানিব পৰা গৈছিল। এই শোকৰ পৰা মুক্ত হ’বলৈ নৌপাওঁতেই আন এক মৰ্মান্তিক শোকে বাট চাই আছিল শিল্পীগৰাকীক। ২০১৫ চনত স্কটলেণ্ডত নৰিয়াপাটীত মৃত্যু হৈছিল পুত্ৰ হেমন্ত ভোছলেৰ। দীৰ্ঘদিনে কৰ্কট ৰোগৰ সৈতে যুঁজি অৱশেষত কৰুণ মৃত্যুক আঁকোৱালি লৈছিল হেমন্তই। সুৰকাৰ হিচাপে মাৰাঠী ছবি উদ্যোগত সুখ্যাতি আছিল হেমন্তৰ। আশা ভোছলেৰ ব্যক্তিগত জীৱনৰ আটাইতকৈ চৰ্চিত আৰু বিতৰ্কিত অধ্যায়টো হ’ল তেওঁৰ প্ৰথম বিবাহ। মাত্ৰ ১৬ বছৰ বয়সতে পৰিয়ালৰ ইচ্ছাৰ বিৰুদ্ধে গৈ লতা মংগেশকাৰৰ মেনেজাৰ ৩১ বছৰীয়া গণপতৰাও ভোছলেৰ সৈতে বিবাহপাশত আবদ্ধ হৈছিল। এই সিদ্ধান্তই আশা আৰু পৰিয়ালৰ মাজতো সাময়িক দূৰত্বৰ সৃষ্টি কৰিছিল। অৱশ্যে সেই বিবাহ সুখৰ নাছিল। দুটা সন্তানৰ গৰ্ভৱতী অৱস্থাত চৰম অপমান সহ্য কৰি স্বামীৰ ঘৰৰ পৰা ওলাই যাব লগা হৈছিল। সেই কঠিন সময়ত সংগীত আছিল তেওঁৰ একমাত্ৰ আশ্ৰয় আৰু তিনিটা সন্তানক ডাঙৰ-দীঘল কৰাৰ প্ৰধান ভৰসা। বহু বিৰতিৰ পাছত আশাৰ জীৱনলৈ বসন্ত হৈ আহিল সংগীতৰ যাদুকৰ ৰাহুল দেৱ বৰ্মন। আশাতকৈ ৬ বছৰ সৰু ৰাহুলে তেওঁৰ গীতৰ সৌন্দৰ্যত মুগ্ধ হৈ পৰিছিল। ১৯৮০ চনত তেওঁলোকৰ বিবাহ হয়। এই সংগীত যুটিটোৱে ভাৰতীয় সংগীতক আধুনিকতাৰ এক নতুন দিশ দেখুৱাইছিল। কিন্তু ১৯৯৪ চনত আৰ ডি বৰ্মনৰ অকাল মৃত্যুৱে আশাক পুনৰ অকলশৰীয়া কৰি পেলালে। আৱেগৰ অভিধানত প্ৰতিটো আৱেগক সন্নিৱিষ্ট কৰা এক কণ্ঠ আছিল আশা ভোছলে। হিন্দী প্লেবেকত কিংবদন্তি কণ্ঠশিল্পী আছিল আশা। ৭০ বছৰ বয়সতো কণ্ঠত নিগৰাইছিল কলেজীয়া চঞ্চলা গাভৰুৰ ৰোমাণ্টিক আৱেগ। আশা ভোছলে আছিল হিন্দী সংগীতৰ সেই বিৰল কণ্ঠ, যিয়ে যিকোনো ধাৰাৰ যিকোনো গীতৰ আত্মা হ’ব পাৰে। সংগীত জগতত আশাৰ বাবে আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান আছিল জ্যেষ্ঠ ভনীয়েক লতা মংগেশকৰ। তেওঁলোকৰ কণ্ঠ প্ৰায়ে একেধৰণৰ সুৰদিসুৰীয়া। কিন্তু আশাৰ কণ্ঠই স্বীকৃতি লাভ কৰাৰ পাছত নিজেই সাক্ষাৎকাৰত প্ৰায়ে উল্লেখ কৰিছিল যে প্ৰথম অৱস্থাত তেওঁক এনে গীতৰ প্ৰস্তাৱ দিয়া হৈছিল যিবোৰ আন প্ৰধান মহিলা প্লেবেক গায়িকাসকলে গোৱা নাছিল। ঐশ্বৰিক নহয়, দুষ্টামি আৰু কৃপাৰে ভৰা এটা কণ্ঠ আছিল আশা ভোছলে। দিলীপ কুমাৰৰ ছবি চাংদিল (১৯৫২), অশোক কুমাৰৰ পৰিণীতা (১৯৫৩) আৰু দেৱ আনন্দৰ চি আই ডি (১৯৫৬), য’ত আশাক গায়িকাৰ উপাধি দিয়া হৈছিল। কিন্তু তাতো আশাৰ লগত আছিল আইকনিক ছিংগাৰ শ্বামছাদ বেগম। গীতটি আছিল লেকে পেহলা পেহলা প্যাৰ। এই গীতটিয়ে আশাৰ কেৰিয়াৰৰ গতিপথ সলনি কৰি পেলাইছিল। চি আই ডিয়ে আশা আৰু নায়াৰৰ ছুপাৰ হিট যুটিৰ আৰম্ভণি কৰিছিল, যিয়ে পৰৱৰ্তী দুটা দশকত বহুতো হিট গীত আগবঢ়াইছিল। ১৯৫০ চনৰ শেষৰ ফালে এই যুটিয়ে কেইবাখনো ছবিত অসংখ্য হিট গীত নিৰ্মাণ কৰিছিল। অ’ পি নায়াৰে আশাক এনে গীত গাবলৈ দিছিল যিয়ে নাৰী চৰিত্ৰৰ ৰোমাণ্টিক ইচ্ছা-আৱেগ-আবেদনক অনুৰণিত কৰিছিল। সেই সময়ত এনে অভিব্যক্তিটোক ‘সীমা অতিক্ৰম কৰা’ বুলি গণ্য কৰা হৈছিল। তেওঁৰ ছবিসমূহত প্ৰায়ে পশ্চিমীয়া সাজ-পোছাক পৰিধান কৰা অভিনেত্ৰীসকলে লিপছ মিলাইছিল। কেবাৰে নৃত্য পৰিৱেশন কৰা হৈছিল। সেই সময়ত অভিনেত্ৰী হেলেন ইয়াৰ আইকন আছিল। নায়াৰৰ সৈতে আশাৰ সহযোগিতা কাইদী (১৯৫৭) ছবিৰ ‘ছায়া হায় সমন’ৰ পৰাই আৰম্ভ হৈছিল। শংকৰ-জয় কিষণ যুটিয়ে ঝুমকা গিৰা ৰে, ও মেৰে সোণা ৰে সোণা আৰু পৰ্দে মেইন ৰাহেনত আশাৰ এই শৈলী বন্দী কৰিছিল। অ’ পি নায়াৰে কেইবাটাও সাক্ষাৎকাৰত কৈছে যে তেওঁৰ গীতত হাঁহিমুখীয়া ‘দুষ্টামি’ৰ প্ৰয়োজন আছিল, যিটো তেওঁ আশাৰ কণ্ঠত বিচাৰি পাইছিল। এই গীতবোৰেৰে আশাই মানুহক স্তম্ভিত কৰাই নহয়, এই বাৰ্তাও প্ৰেৰণ কৰিছিল যে তেওঁৰ গায়ক প্ৰতিভাই নহয়, পৰীক্ষা-নিৰীক্ষাৰ ক্ষমতাও আছে। ইয়াৰ ফলত আশা আৰ ডি বৰ্মনৰ প্ৰিয় হৈ পৰিছিল, যাৰ সংগীত ’৭০ৰ দশকত বলীউডৰ চিনাকি হৈ পৰিছিল। পাছলৈ আৰ ডি (ৰাহুল দেৱ বৰ্মন)ক জীৱনসংগী কৰি লৈছিল আশাই। এই দশকটোক হিন্দী চিনেমাৰ অন্যতম পৰীক্ষামূলক সময় বুলি গণ্য কৰা হয়। আৰ ডি বৰ্মনে আশাৰ কণ্ঠৰ সৈতে বেছিকৈ পৰীক্ষা-নিৰীক্ষা কৰিছিল।

## পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰত

বাবে ৰীল বনাই কেপচন দিলে— ‘এতিয়া প্ৰায় দুপৰীয়া সময়, উৎকট গৰম, কিন্তু ইয়াৰ পাছতো পশ্চিমবংগৰ জনসাধাৰণৰ উৎসাহ আৰু উত্তেজনা তুংগত আছে। সমগ্ৰ ৰাজ্যতে পদুম আমাৰ লগত আছে। মোৰ পিছফালে দেখিবলৈ পোৱা জনতাৰ ভিৰে বংগৰ মেজাজকেই প্ৰতিফলিত কৰিছে। এতিয়া পুৰা ১১-১১:৩০ বাজিছে। এয়া মোৰ দিনটোৰ প্ৰথমটো ৰেলী আৰু হেলিপেডত হাজাৰ হাজাৰ মানুহ, মাতৃ, ভগ্নী আৰু যুৱক-যুৱতী সমৱেত হৈছে। দৃশ্যটো আচৰিত। চাওঁ আহকচোন, ৰেলীত মানুহে কেনেদৰে মোৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি আছে।’ ভিডিঅ’টোত প্ৰধানমন্ত্ৰীৰ পিছফালে অগণন মানুহৰ ভিৰ আৰু কোলাহল শুনা যায়। মোডীৰ এই ভিডিঅ’টো ছ’চিয়েল মিডিয়াত দ্ৰুতগতিত ভাইৰেল হৈ আছে। প্ৰধানমন্ত্ৰী মোডীৰ এই অনানুষ্ঠানিক শৈলী ৰাইজে ভাল পাইছে।

## আম্বেদকাৰ মিছনৰ 'নাহৰ উৎসৱ' আজি

**দৈনিক অসমৰ প্ৰতিনিধি**

**চাংসাৰি, ১২ এপ্ৰিল ঃ** প্ৰতি বছৰে ১৩ এপ্ৰিলৰ দিনটো চাংসাৰিত অৱস্থিত ডঃ আম্বেদকাৰ মিছন নামৰ বে-চৰকাৰী অনুষ্ঠানটিয়ে ব'হাগী আদৰণী উৎসৱ হিচাপে পালন কৰি আহিছে। এইবেলি এই দিনটো 'নাহৰ উৎসৱ' হিচাপে পালন কৰিবলৈ আগবাঢ়িছে। এই উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, নাহৰ পুলি ৰোপণ, বিনামূলীয়া চিকিৎসা শিবিৰ, বক্তৃতা অনুষ্ঠান আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে বুলি মিছনৰ অধ্যক্ষ দুলাল চন্দ্ৰ মেধিয়ে জনাইছে। উল্লেখ্য যে মুম্বাইত প্ৰতিষ্ঠিত, চাংসাৰিৰ স্থানীয় কৰিঅ'গ্ৰাফাৰ কমল নাথে যোৱা এসপ্তাহ ধৰি কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক কৰ্মশালাৰ যোগেদি নৃত্যৰ প্ৰশিক্ষণ দি আছে।

### গুৱাহাটী চৌহদত সংশ্লিষ্ট বিভাগৰে মুখ্য সচিবৰ পৰ্যালোচনা বৈঠক

# ছেপ্টেম্বৰ-অক্টোবৰত আৰম্ভ হ'ব আই আই এমৰ কাম

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটীত স্থাপন কৰিব লগা ইণ্ডিয়ান ইনষ্টিটিউট অব মেনেজমেণ্ট, চমুকৈ (আই আই এম)খনৰ বিতং প্ৰকল্প প্ৰতিবেদনৰ লগতে ৰাষ্ট্ৰীয় শিক্ষানুষ্ঠানখনৰ স্থায়ী চৌহদৰ নিৰ্মাণৰ প্ৰাৰম্ভিক প্ৰস্তুতি সম্পৰ্কে ৰাজ্যৰ মুখ্য সচিব ডঃ ৰবি কোটাই সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহৰ প্ৰতিনিধিবৰ্গৰে পৰ্যালোচনা কৰে। যোৱানিশা মুখ্য সচিবৰ কাৰ্যালয়ত অনুষ্ঠিত এই পৰ্যালোচনা বৈঠক মুখ্য সচিবে সংশ্লিষ্ট পক্ষসমূহক সময়মতে প্ৰাৰম্ভিক কাম-কাজ সম্পূৰ্ণ কৰাৰ লগতে আগন্তুক বাৰিষাৰ সময়তে নিবিদা আদি প্ৰকাশৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ সমান্তৰালকৈ অহা ছেপ্টেম্বৰ-অক্টোবৰ মাহৰ ভিতৰতে যাতে আই আই এমৰ স্থায়ী চৌহদৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰিব পৰা যায় তাকো নিশ্চিত কৰিবলৈ মুখ্য সচিবে সংশ্লিষ্ট বিভাগ আৰু সংস্থাসমূহক নিৰ্দেশ দিয়ে। উল্লেখ্য যে কেন্দ্ৰীয় লোকনিৰ্মাণ বিভাগৰ অধীনত নিৰ্মাণ কৰিব লগা আই আই এম গুৱাহাটীৰ স্থায়ী চৌহদৰ বিতং প্ৰকল্প প্ৰতিবেদন এডুকেচনেল কনছালটেণ্টছ ইণ্ডিয়া লিমিটেডে (এড বিল) প্ৰস্তুত কৰি আছে। পৰ্যালোচনা বৈঠকত মুখ্য সচিবে ৰাষ্ট্ৰীয় শিক্ষানুষ্ঠানখন স্থাপনৰ প্ৰক্ৰিয়া সুচল আৰু খৰতকীয়া কৰাৰ বাবে বাহ্যিক আন্তঃগাঁথনি যেনে— পানী যোগান, বিদ্যুৎ যোগান, পথ নিৰ্মাণৰ লগতে পৰিৱেশজনিত অনুমতি আদি আইনগত প্ৰক্ৰিয়াসমূহ সময়মতে সম্পূৰ্ণ কৰাৰ বাবে আন্তঃবিভাগীয় তথা আন্তঃসংস্থা সহযোগিতা আৰু দায়িত্ব ভগাই দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। গুৱাহাটীৰ পাৰ্শ্বৱৰ্তী পলাশবাৰীত ৭৬.৮৩ হেক্টৰ (১৯০ একৰ) মাটিত প্ৰায় ৪৩১.২৫ কোটি টকা ব্যয়সাপেক্ষে গুৱাহাটী আই আই এম নিৰ্মাণ কৰা হ'ব। বৰ্তমান আজাৰাৰ 'টেক পাৰ্ক' অস্থায়ী চৌহদৰ পৰা আই আই এমখনৰ প্ৰাৰম্ভিক কাম-কাজ চলি আছে।



## ভ্ৰমণ কাহিনীৰে সমৃদ্ধ গ্ৰন্থ 'ডাষ্টবিন কালচাৰ' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটাৰোড, ১২ এপ্ৰিল ঃ** বৰপেটাৰোড প্ৰেছ ক্লাবত আজি এক অনুষ্ঠানত আনুষ্ঠানিকভাৱে 'ডাষ্টবিন কালচাৰ' নামৰ ভ্ৰমণভিত্তিক এখন গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট কবি সমীৰণ মজুমদাৰে। বৰপেটাৰোডৰ শিমলাগুৰি নিৱাসী, বিশিষ্ট সমাজসেৱক মথুৰা দাসে লিখি উলিওৱা এই গ্ৰন্থখনত ইউৰোপ আৰু ইংলেণ্ড আদি বিভিন্ন দেশ ভ্ৰমণৰ বিচিত্ৰ অভিজ্ঞতা তথা ডাষ্টবিন ব্যৱহাৰৰ এক অন্যতম অভিজ্ঞতা সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। ১৯৮ পৃষ্ঠাৰ গ্ৰন্থখনত ১৪টা লেখা সন্নিৱিষ্ট আছে। লেখক মথুৰা দাসে প্ৰৱাসৰ ভ্ৰমণ অভিজ্ঞতাৰ এক অনন্য দাপোণ হিচাপে গ্ৰন্থখনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা ব্যক্ত কৰে। অনুষ্ঠানত লেখক মথুৰা দাস, বৰপেটাৰোড সাহিত্য সভাৰ সভাপতি অৰূপ বায়ন, উপ-সভাপতি অৰূপ কুমাৰ বায়ন, প্ৰেছ ক্লাবৰ সম্পাদক অলকেশ বায়নৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## গিৰীশ চন্দ্ৰ চৌধুৰী স্মাৰক গ্ৰন্থ

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৱালপাৰা, ১২ এপ্ৰিল ঃ** গোৱালপাৰাৰ সমাজ জীৱনৰ পুৰোধা ব্যক্তি, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, ক্ৰীড়াবিদ, শ্ৰীমন্ত শংকৰ সংঘৰ একনিষ্ঠ সেৱক প্ৰয়াত গিৰীশ চন্দ্ৰ চৌধুৰীৰ আজি প্ৰথম পুণ্য মৃত্যুতিথিত উন্মোচন কৰা হয় পুণ্যাত্মাগৰাকীৰ সোঁৱৰণত এখন স্মাৰক গ্ৰন্থ। প্ৰয়াত চৌধুৰীৰ বাসভৱনত ডালিমী চৌধুৰীয়ে প্ৰকাশ কৰি উলিওৱা 'প্ৰজ্ঞাৰ প্ৰতিভূ গিৰীশ চন্দ্ৰ চৌধুৰী' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি গুৱাহাটীৰ খানাপাৰাৰ পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ পৰজীৱী বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ডাঃ ছাইদুল ইছলামে তেওঁৰ গুৰু চৌধুৰী ছাৰৰ বিদ্যায়তনিক বুৎপত্তি সম্পৰ্কে আলোকপাত কৰি শিক্ষকগৰাকীৰ পাণ্ডিত্য, ব্যক্তিত্বৰ লগতে সামাজিক দায়বদ্ধতাৰ উদাহৰণ দাঙি ধৰি তেওঁ যে সঁচা অৰ্থত 'গুৰু' আছিল আৰু তেনে গুৰুৰ সোঁৱৰণত প্ৰকাশিত গ্ৰন্থখন উন্মোচন কৰিবলৈ পাই ধন্য হোৱা বুলি ভাষণত কয়। সাংস্কৃতিক কৰ্মী দিলীপ কুমাৰ শৰ্মাই আঁত ধৰা সভাত প্ৰয়াত চৌধুৰীৰ পুত্ৰ ডাঃ দেৱজ্যোতি চৌধুৰীয়ে আদৰণী ভাষণ দিয়াৰ পাছতে পুণ্যাত্মাগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে সহধৰ্মিণী ডালিমী চৌধুৰীয়ে। লিপিকা দাসে সংস্কৃত স্তোত্ৰ আৰু কমল কৃষ্ণ দাসে বৰগীত পৰিৱেশন কৰে। মুখ্য অতিথি ডাঃ ছাইদুল ইছলাম, বিশিষ্ট অতিথি শিক্ষাবিদ আশুবোধ কলিতা, বিহু সন্মিলনৰ সভাপতি শৰৎ দাস প্ৰমুখ্যে গ্ৰন্থখনৰ লেখকসকলক পৰিয়ালৰ তৰফৰপৰা ফুলাম গামোচাৰে সন্মান জনোৱা হয়। অনুষ্ঠানত স্মৃতিচাৰণ কৰে ছজিমুদ্দিন আহমেদ, ডঃ ব্ৰজেন দাস, দীপকানন্দ চৌধুৰী, আলী মুনীব বিন মেহদী, পাৰ্থপ্ৰতিম দাস, মাণিক কলিতা, ৰঞ্জনা চৌধুৰী, কেশৱ শৰ্মা, জিতেন চৌধুৰী আৰু আশুবোধ কলিতাই।

## বাঁহজানীত 'গজালি' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাঁহজানী, ১২ এপ্ৰিল ঃ** 'অসমীয়া সাহিত্যত বিশেষকৈ কবিতাৰ পথাৰখনত বিভিন্ন সময়ত নতুন নতুন কাব্যালোচনী প্ৰকাশ হৈ আহিছে। সেই আলোচনীসমূহে পুৰণিৰ লগতে নতুন নতুন কবিসকলকো কবিতা ৰচনা আৰু প্ৰকাশৰ এখন মঞ্চ প্ৰদান কৰি আহিছে। ঠিক তেনেকুৱা এখন মঞ্চৰ জন্ম দিব পৰিছে 'গজালি' নামৰ কাব্যালোচনীখনে। এই ব্যৱস্থাই অঞ্চলটোত কাব্য সাহিত্য চৰ্চা জীৱন্ত কৰি ৰাখিবলৈ সক্ষম হৈছে। এখন আলোচনী নিৰৱচ্ছিন্নভাৱে বিগত ১৪ বছৰ ধৰি প্ৰকাশ পাই থকা কথাটো অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনৰ বাবে এক আশাপ্ৰদ খবৰ। বিশেষকৈ কবিতাৰ আলোচনী এখন ইমান দীঘলীয়া সময়ৰ বাবে প্ৰকাশ হৈ থকাটো উলাই কৰিব পৰা কথা নহয়।' —এই মন্তব্য দক্ষিণ নলবাৰী প্ৰেছ ক্লাবৰ সভাপতি তথা সাংবাদিক কামিনীকান্ত মিশ্ৰৰ। আজি নলবাৰী জিলাৰ বাঁহজানীৰ বগলচ্ ৰোড চ'কৰ জেপ কাব্যালোচনী 'গজালি'ৰ কাৰ্যালয়ত বসন্ত বিশেষ সংখ্যা 'গজালি' আনুষ্ঠানিকভাৱে উন্মোচন কৰি সাংবাদিক মিশ্ৰই এনেদৰে কয়। গজালিৰ সম্পাদক তথা সাংবাদিক শংকৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানটোত কবি-লেখক ডাঃ প্ৰণৱ কুমাৰ চক্ৰৱৰ্তী, কবি তথা শিক্ষক সঞ্জীৱ মহাজন, 'গজালি'ৰ কাৰ্যবাহী সম্পাদক তথা সাংবাদিক কমল কলিতাকে ধৰি কেইবাগৰাকীও কবি-সাহিত্যিক উপস্থিত থাকে। উল্লেখ্য যে একুৰি তেৰগৰাকী নবীন-প্ৰবীণ কবিৰ ভিন্ন ৰুচিৰ কবিতাৰ মেটমৰা সম্ভাৰেৰে এইবাৰৰ 'গজালি'ৰ বিশেষ বসন্ত সংখ্যাটো সজোৱা হৈছে বুলি গজালি প্ৰকাশন গোষ্ঠীয়ে জানিবলৈ দিছে।

# টিহুত অৱসৰপ্ৰাপ্ত শিক্ষক-অনুবাদক ৰমেশ চন্দ্ৰ কলিতাক সম্বৰ্দ্ধনা জ্ঞাপন




### অভিনন্দন গ্ৰন্থ 'অতন্দ্ৰ অতিৰথী' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিহু, ১২ এপ্ৰিল ঃ** টিহুৰ নখৰা নিৱাসী, অৱসৰপ্ৰাপ্ত জনপ্ৰিয় শিক্ষক, বিশিষ্ট নাট্য অনুবাদক ৰমেশ চন্দ্ৰ কলিতাক আজি ৰাজহুৱাভাৱে সম্বৰ্দ্ধনা জ্ঞাপনৰ লগতে তেওঁৰ গুণগ্ৰাহী, শুভাকাংক্ষী, সহকৰ্মী আদিৰ বিভিন্ন লেখাৰে যুগুতোৱা অভিনন্দন গ্ৰন্থ এখন উন্মোচন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি আয়োজিত অনুষ্ঠান মুকলি কৰা হয় গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ উপমা বৰ্মন ডেকাই গোৱা এটি স্তুতি বন্দনাৰে। অনুষ্ঠানৰ আঁত ধৰে অভিনন্দন গ্ৰন্থৰ সম্পাদক অবিনাশ কলিতাই। নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক পংকজ বেজবৰুৱাই সঞ্চালনা কৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে সৰ্থেবাৰীৰ বাপুজী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ অনন্ত ডেকাই। অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অৱসৰপ্ৰাপ্ত মহাপ্ৰবন্ধক উপেন ডেকাই সভাখন উদ্বোধন কৰে। ইয়াৰ পাছতে 'অতন্দ্ৰ অতিৰথী' নামৰ অভিনন্দন গ্ৰন্থখন উন্মোচন কৰি অসম চৰকাৰৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক নৱ তালুকদাৰে কয়, 'একোখন গ্ৰন্থই সামাজিক চেতনাক সমৃদ্ধ কৰে। গ্ৰন্থৰ বহুল প্ৰচাৰ হ'ব লাগে।' ভাষণত তেওঁ কয় যে প্ৰাথমিক বিদ্যালয়ৰ এগৰাকী শিক্ষক হৈও সমাজ একোখনলৈ শিক্ষা, সংস্কৃতি, সাহিত্যৰে বিশেষ অৱদান আগবঢ়োৱা বিষয়টো বৰ গুৰুত্বপূৰ্ণ। এনে অৱদানৰ বাবে সমাজে তেওঁক ৰাজহুৱাভাৱে সন্মান জ্ঞাপন কৰি এখন উন্নত সভ্য সমাজৰ চানেকি দাঙি ধৰিছে। অনুষ্ঠানত অসম ৰাজ্যিক বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ অৱসৰপ্ৰাপ্ত বিজ্ঞানী ডঃ ৰণজিৎ কুমাৰ বৰ্মন, মাখিবাহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ চন্দ্ৰ কলিতা, সমাজকৰ্মী হৰেন দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক অনিল কুমাৰ গোস্বামী, গড়ৰ্ট্টাৰী চৰকাৰী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অণিমা বৰ্মন, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰভাকৰ দাস, বেলশৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জয়ন্ত বৰ্মন, সোণাপুৰৰ নৱতাপ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ডালিম দত্ত, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ডঃ উপমা বৰ্মন, সমাজকৰ্মী বংশীধৰ কলিতা, ডাঃ অশ্বিনী কুমাৰ কলিতা, টিহু সাহিত্য সভাৰ সম্পাদক নিতু শৰ্মা, কুলেন কলিতা, অশ্বিনী কুমাৰ ডেকা আৰু যোগেশ কলিতাই অভিনন্দিত ৰমেশ চন্দ্ৰ কলিতাৰ জীৱন কৰ্মৰ বন্দনাৰে শুভেচ্ছা জ্ঞাপন কৰে। মাখিবাহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী নীলিমা দেৱী ভাগৱতীয়ে গীত আৰু কিশোৰ শিক্ষাৰ্থী সৌম্যদ্বীপ কলিতাই কবিতা আবৃত্তি পৰিৱেশন কৰি অনুষ্ঠানটোক অধিক প্ৰাণৱন্ত কৰি তোলে। অনুষ্ঠানত ভাগ লোৱা লোকসকলৰ সাদৰ অভিনন্দন গ্ৰহণ কৰি জনপ্ৰিয় শিক্ষক, লেখক, অনুবাদক ৰমেশ চন্দ্ৰ কলিতাই ভাষণ প্ৰদান কৰি স্মৃতিকাতৰ হয়।

## নৰ্থ বইটামাৰীত কৃতী শিক্ষাৰ্থীৰ সৈতে মত-বিনিময় সাংসদ ফণীভূষণ চৌধুৰীৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বইটামাৰী, ১২ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ নৰ্থ বইটামাৰী অঞ্চলৰ ডেকলিমাৰীত আজি অগপৰ আঞ্চলিক সমিতিৰ উদ্যোগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ কৃতী শিক্ষাৰ্থীৰ এক সম্বৰ্দ্ধনা কাৰ্যসূচী অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰীয়ে উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। সাংসদগৰাকীয়ে শিক্ষাৰ্থীসকলে ভৱিষ্যৎ জীৱনত যাতে অধিক সফলতা লাভ কৰিব পাৰে, তাৰ বাবে শুভকামনা জনোৱাৰ লগতে দিহা-পৰামৰ্শ আগবঢ়ায়। অনুষ্ঠানত অঞ্চলটোৰপৰা সুখ্যাতিৰে উত্তীৰ্ণ নিকিতা দেৱী, ধনজিতা বৰ্মন, পম্পী বৰ্মন, পল্লৱ চন্দ্ৰ নাথ, ৰাতুল বৰুৱা, কবিতা নাথ, কল্লোল নাথ, মনমিতা নাথ, দিক্ষু নাথ, মৃণ্ময় চৌধুৰী, নন্দিতা নাথ, পৰীক্ষিত নাথ আৰু পূৰৱী পাঠকক সম্বৰ্দ্ধনা জনোৱা হয়। নৰ্থ বইটামাৰী আঞ্চলিক সমিতিৰ সভাপতি মহেশ নাথ আৰু সম্পাদক কৃপাৰাম বৰ্মনে পৰিচালনা কৰা উক্ত অনুষ্ঠানত বঙাইগাঁও জিলা অগপৰ সম্পাদকদ্বয় শশীভূষণ মেধি আৰু কিৰণ বৰ্মনৰ লগতে অগপৰ আঞ্চলিক সমিতিৰ বহু নেতা-কৰ্মী তথা কৃতী শিক্ষাৰ্থীৰ অভিভাৱক-ৰাইজ উপস্থিত থাকে।



## মৰাণত আটছাৰ উদ্যোগত কৃতী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১২ এপ্ৰিল ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মৰাণৰ বামুণবাৰী চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ বামুণবাৰী উপ-শাখাৰ উদ্যোগত সম্বৰ্দ্ধনা জনোৱা হয়। এই উপলক্ষে বামুণবাৰী চাহ বাগিচাৰ অন্তৰ্গত দহটা লাইনৰ সকলো জাতি-জনগোষ্ঠীৰ কৃতী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হয়। আটছাৰ বিষয়ববীয়াসকলে কৃতী ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে গৈ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে তেওঁলোকৰ সৈতে মত-বিনিময় কৰে আৰু শৈক্ষিক জীৱনৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। এই কাৰ্যসূচীত উপস্থিত থাকে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ মৰাণ শাখাৰ উপ-সভাপতি দীপক চাহু, সহঃসম্পাদক চৰণ এক্কা, বামুণবাৰী উপ-শাখাৰ সদস্যসকলৰ উপৰি বামুণবাৰী নৱ জাগৰণ কীৰ্ত্তন মণ্ডলী পৰিচালনা সমিতিৰ সভাপতি নিলেশ এক্কা, সম্পাদক অমিত কুৰ্মীসহ আন আন বিষয়ববীয়া কৰ্মকৰ্তা। এই ধৰণৰ প্ৰচেষ্টাই অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়িবলৈ উৎসাহিত কৰাৰ লগতে শৈক্ষিক পৰিৱেশ শক্তিশালী কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

## বৰমুৰিকোণাত গো-মাতা পূজাৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**নলবাৰী, ১২ এপ্ৰিল ঃ** শতবৰ্ষৰ পথত অগ্ৰসৰ হোৱা নলবাৰী জিলাৰ বৰমুৰিকোণাৰ ঐতিহ্যমণ্ডিত গো- পূজা চ'কৰ ৯১ সংখ্যক পূব নলবাৰী সাৰ্বজনীন শ্ৰীশ্ৰীগো-মাতা পূজা কাইলৈৰপৰা তিনিদিনীয়াকৈ আয়োজন কৰা হৈছে। ইতিমধ্যে মুকুল শৰ্মাক সভাপতি, যদুৰাম তালুকদাৰক কাৰ্যকৰী সভাপতি, গণেশ্বৰ শৰ্মা, নৱ কুমাৰ ডেকাক সাধাৰণ সম্পাদক হিচাপে লৈ থান উন্নয়ন সমিতিখন গঠন কৰা হৈছে। গো-পূজা থান প্ৰাংগনত অনুষ্ঠিত হ'ব লগা পূজাত কাইলৈ পুৱা ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, সন্ধিয়া মন্দিৰত প্ৰতিমা স্থাপন, মন্দিৰৰ বেদীত বন্তি প্ৰজ্বলন, মন্দিৰৰ দ্বাৰ উন্মোচন, সন্ধিয়া ৯১ গৰাকী বিশিষ্ট ব্যক্তিৰদ্বাৰা মন্দিৰ চৌহদত ৯১ গছি বন্তি প্ৰজ্বলন, 'শ্ৰীশ্ৰীগো-মাতা পূজাৰ সোণোৱালী ৰোমন্থন' শীৰ্ষক এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হ'ব। ১৪ এপ্ৰিলত পুৱা গো-মাতা পূজা আৰম্ভ, দুপৰীয়া ১২ বজাত অনুষ্ঠিত হ'বলগা সম্বৰ্দ্ধনা অনুষ্ঠানত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মন, নেমকেয়াৰ হাস্পতালৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া ডাঃ হিতেশ বৰুৱা, অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ যুটীয়া সচিব সব্যসাচী কাশ্যপ, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ বিশিষ্ট চিকিৎসক ডাঃ উৎপলজ্যোতি ডেকাৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ১৫ এপ্ৰিলত পুৱা প্ৰয়াত দীপক শৰ্মা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা, বিষ্ণু হোম, আবেলি ভঠেলি উৎসৱ, সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ অন্তত অনুষ্ঠিত হ'বলগীয়া বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী উদ্বোধন কৰিব অসমৰ স্বনামধন্য কণ্ঠশিল্পী পুলক বেনাৰ্জীয়ে। সাংস্কৃতিক সন্ধিয়াত অতিথি হিচাপে জনপ্ৰিয় অভিনেতা উপকূল বৰদলৈ, প্ৰতিবিম্ব পাব্লিকেচন এণ্ড এণ্টাৰটেইনমেণ্ট প্ৰাঃ লিঃৰ সঞ্চালক তফিকউদ্দিন আহমেদ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা আৰু বিশিষ্ট সমাজকৰ্মী দুলদত্ত লহকৰ, কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত অধীক্ষক বশিষ্ঠ বড়া, অইল ইণ্ডিয়া লিমিটেডৰ অৱসৰপ্ৰাপ্ত মহাপ্ৰবন্ধক দ্বিজেন্দ্ৰ তালুকদাৰ, বিশিষ্ট ব্যৱসায়ী আৰু সমাজকৰ্মী ৰূপেন তালুকদাৰ, সমাজৰত্ন ৰামধেনু বঁটাপ্ৰাপক বিপিন তালুকদাৰ আদিয়ে অংশগ্ৰহণ কৰিব। সাংস্কৃতিক সন্ধিয়াত জনপ্ৰিয় কণ্ঠশিল্পী দিগন্ত ভাৰতী, ভাস্বতী ভাৰতী, জনপ্ৰিয় অভিনেতা মন্মথ বৰুৱা, যুৱ প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী শৰৎ ৰাগ, মনোজ দাস, ঝৰ্ণা ডেকা আদিয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব।

### ভূটান সীমা দাওধাৰাত পুৰুষ-মহিলাৰ মাৰাথন দৌৰ প্ৰতিযোগিতা

# মানাহত প্ৰাক্ ৰঙালী বিহু দৌৰ-২০২৬




**দৈনিক অসমৰ প্ৰতিনিধি**

**জালাহ, ১২ এপ্ৰিল ঃ** অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহুৰ সৈতে সংগতি ৰাখি মানাহ ব্যাঘ্ৰ প্ৰকল্প কৰ্তৃপক্ষৰ উদ্যোগত আৰু এছ এছ বিৰ ২৭ নং বেটেলিয়ন আৰু আৰক্ষীৰ যুটীয়া সহযোগত আজি ভাৰত-ভূটান সীমান্ত এলেকাৰ বাক্সা জিলাৰ দাওধাৰাৰপৰা ভূটানৰ নাংলামৰ প্ৰৱেশদ্বাৰলৈ পুৰুষ-মহিলাৰ ৬ কিঃ মিঃজোৰা এক মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। বিশ্ব স্বাস্থ্য দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা মাৰাথন দৌৰ প্ৰতিযোগিতাত ডেৰ শতাধিক পুৰুষ-মহিলাই অংশগ্ৰহণ কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ক্ষেত্ৰ সঞ্চালক ডঃ চি ৰমেশে পতাকা জোকাৰি উদ্বোধন কৰে। উদ্বোধনী ভাষণত তেওঁ সংবাদ মাধ্যমক সম্বোধন কৰি কয়— এই কাৰ্যসূচীৰ জৰিয়তে মানাহ ব্যাঘ্ৰ প্ৰকল্পক সুৰক্ষা আৰু সংৰক্ষণ কৰিব লাগে বুলি এক সজাগতা অনাৰ প্ৰয়াস কৰা হৈছে। লগতে আমাৰ প্ৰধানমন্ত্ৰীৰ আহ্বান অনুসৰি নিজৰ শৰীৰটো শক্তিশালী ৰূপত আছে নে নাই সেইটোও জনাৰ বাবেও এই মাৰাথন দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত ২০গৰাকীৰ অধিক মহিলাই অংশগ্ৰহণ কৰিছে। ১৬০গৰাকী পুৰুষ-মহিলাই অংশগ্ৰহণ কৰা এই প্ৰাক্ ৰঙালী বিহু দৌৰ-২০২৬ কাৰ্যসূচীৰ মহিলা শাখাত ডুমুনীৰ মেলানি কুজুৰে প্ৰথম, লক্ষ্মী লাক্ৰাই দ্বিতীয় আৰু জুটি তিৰ্কীয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। একেদৰে পুৰুষ শাখাত ৰফিকু আলীয়ে প্ৰথম, ছাইফুল খানে দ্বিতীয় আৰু সমীৰ বাক্লাই তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। খেলৰ শেষত বঁটা বিতৰণী অনুষ্ঠানৰ জৰিয়তে স্থানপ্ৰাপক খেলুৱৈসকলক ট্ৰফী আৰু এখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰাৰ লগতে মহিলা শাখাত প্ৰথম দহটা স্থান পোৱা খেলুৱৈ আৰু পুৰুষ শাখাত প্ৰথম বিশটা স্থানপ্ৰাপক খেলুৱৈসকলক এখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। মানাহ মাউজিগেন্দ্ৰি ইক'ট্যুৰিজিম ছ'চাইটীৰ সভাপতি মহেন্দ্ৰ বড়োৱে অংশগ্ৰহণ কৰা অনুষ্ঠানত বন বিভাগ,এছ এছ বি আৰু আৰক্ষীৰ কেইবাগৰাকী শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰে।

## 'স্মৃতিয়ে উত্তৰ পুৰুষক অগ্ৰজসকলৰ কৰ্মৰ অনুপ্ৰেৰণাৰে প্ৰভাৱিত কৰে'

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাঁহজানী, ১২ এপ্ৰিল ঃ** অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা সাহিত্য সভা, বাঁহজানীৰ যজ্ঞভূমিত থকা সেউজী সাহিত্য কাননৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। সেউজী সাহিত্য কাননৰ কাৰ্যালয়ত পুৱা ৮ বজাত সেউজী সাহিত্য কাননৰ সভাপতি ভগৱান ডেকাই অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি পাতনি মেলা অনুষ্ঠানটোত শ্বহীদ তৰ্পণ কৰে সেউজীৰ উপ-সভাপতি যতীন্দ্ৰ নাথ শৰ্মাই। সেউজী সাহিত্য কাননৰ প্ৰয়াত প্ৰতিষ্ঠাপকসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে সেউজী সাহিত্য কাননৰ প্ৰাক্তন সভাপতি ৰবীন্দ্ৰ নাথ তালুকদাৰে। সেউজী সাহিত্য কাননৰ প্ৰাক্তন সম্পাদক বসন্ত মজুমদাৰে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত স্মৃতিচাৰণ কৰি সাহিত্যিক অশ্বিনী কুমাৰ শৰ্মাই স্মৃতিৰ প্ৰয়োজনীয়তা সম্পৰ্কে বিশদ ব্যাখ্যা কৰে। তেওঁ কয় যে স্মৃতিয়ে কৃতজ্ঞতাৰ স্বীকৃতি আৰু উত্তৰ পুৰুষক অগ্ৰজসকলৰ কৰ্মৰ অনুপ্ৰেৰণাৰে প্ৰভাৱিত কৰে। দিনৰ ১০-৩০ বজাৰপৰা 'সেউজী'ৰ সভাপতি ভগৱান ডেকাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত সেউজীৰ প্ৰাক্তন সভাপতি তথা লেখক হিতেশ বৈশ্য আৰু শিক্ষক তথা সাংবাদিক অচ্যুৎ কলিতা দুয়োগৰাকী অতিথিয়ে অংশগ্ৰহণ কৰি নিজ নিজ ভাষণত সেউজী সাহিত্য কাননৰ জন্ম আৰু বৰ্তমানলৈ শাখা সাহিত্য সভাখনৰ কৰ্মৰাজিৰ ওপৰত এক সুন্দৰ আলোকপাত কৰে। ইফালে, প্ৰতিষ্ঠা দিৱস উপলক্ষে ষষ্ঠ শ্ৰেণীৰপৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত ঠাইতে লিখা ৰচনা প্ৰতিযোগিতাৰ বঁটাসমূহো এই মুকলি সভাতে প্ৰদান কৰা হয়।

### কলা-সংস্কৃতি, নৃত্য-গীতেৰে জীপাল বড়োভূমি

# হৰিণাগুৰিত বাওখুংগ্ৰী মহোৎসৱৰ শুভাৰম্ভ

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ১২ এপ্ৰিল ঃ** নৈসৰ্গিক পৰিৱেশত আজিৰেপৰা তিনিদিনীয়া বৰ্ণিল কাৰ্যসূচীৰে কোকৰাঝাৰ চহৰৰ হৰিণাগুৰিৰ বাওখুংগ্ৰী পাহাৰৰ দাঁতিত আৰম্ভ হৈছে বাওখুংগ্ৰী মহোৎসৱ-২০২৬। এই উপলক্ষে আজি প্ৰথম দিনা ১৩ সংখ্যক বাওখুংগ্ৰী মহোৎসৱৰ মূল প্ৰৱেশদ্বাৰ উদ্‌ঘাটনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বি টি চিৰ প্ৰাক্তন উপ-মুখ্য কাৰ্যবাহী তথা পাৰিষদ খাম্পা বৰগয়াৰীয়ে। ইয়াৰ পাছতে বাওখুংগ্ৰী উৎসৱৰ পতাকা উত্তোলন কৰে সমষ্টিৰ স্থানীয় পাৰিষদ ধনেশ্বৰ গয়াৰীয়ে আৰু বড়োলেণ্ড থলুৱা খেল সন্থা চমুকৈ 'বিগাৰ'ৰ পতাকা উত্তোলন কৰে বি টি চিৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য লৌমশ্ৰাও দৈমাৰীয়ে। উল্লেখ্য যে এক উদুলি-মুদুলি পৰিৱেশত আজি আৰম্ভ হোৱা বড়োভূমিৰ ঐতিহ্যমণ্ডিত বাওখুংগ্ৰী মহোৎসৱত থলুৱা মল্লযুঁজ, ঘিলা, ৰছীটনাকে ধৰি বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ উপৰি পৰম্পৰাগত বৈশাগু নৃত্য প্ৰতিযোগিতাৰ লগতে বিভিন্ন জনগোষ্ঠীৰ থলুৱা খাদ্য-সম্ভাৰ আৰু সাংস্কৃতিক নৃত্য-গীত প্ৰদৰ্শন কৰা হয়। কাইলৈ বাওখুংগ্ৰী মহোৎসৱত ৰাজ্যৰ ভিন্ন প্ৰান্তৰপৰা অহা প্ৰতিযোগীৰ মাজত পাহাৰ বগোৱা প্ৰতিযোগিতাৰ উপৰি বৈশাগু দলীয় নৃত্য আৰু প্ৰথমবাৰৰ বাবে মিছ বাওখুংগ্ৰী প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। উল্লেখ্য যে বড়ো জনগোষ্ঠীৰ প্ৰচলিত লোকবিশ্বাস মতে প্ৰাচীনকালৰপৰা পহিলা ব'হাগৰ আগদিনা অৰ্থাৎ সংক্ৰান্তিৰ দিনা বাওখুংগ্ৰী পাহাৰ বগাই ভগৱান শিৱৰ আশিস লোৱাই বাওখুংগ্ৰী উৎসৱৰ মূল মহত্ত্ব। সেয়েহে উক্ত দিনটোত বি টি চিৰ পৰ্যটন বিভাগে বিগত ২০১৩ চনৰপৰা বাওখুংগ্ৰী মহোৎসৱ প্ৰতি বছৰে উদ্‌যাপন কৰি আহিছে। বাওখুংগ্ৰী মহোৎসৱৰ আজি উদ্বোধনী অনুষ্ঠানত বি টি চিৰ কাৰ্যবাহী সদস্য ফ্ৰেছ মুছাহাৰী, ধীৰাজ বৰগয়াৰী, পাৰিষদ যুৱিৰাজ বসুমতাৰী আৰু বিধান পৰিষদৰ উপাধ্যক্ষ বিজিত গৌৰা নাৰ্জাৰীকে ধৰি বি টি চিৰ বহু নেতা আৰু বিষয়া উপস্থিত থাকে।





## ৰূপহীহাটলৈ গৌৰৱ কঢ়িয়াই আনিলে বিশেষভাৱে সক্ষম আতিফে

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰূপহীহাট, ১২ এপ্ৰিল ঃ** শাৰীৰিক প্ৰতিবন্ধকতা কেতিয়াও শিক্ষাৰ বাবে হেঙাৰ হ'ব নোৱাৰে তাৰ প্ৰমাণ দিছে ৰূপহীহাটৰ আব্দুল আওৱাল মে'মৰিয়েল হাইস্কুলৰ ছাত্ৰ আতিফ আহমেদে। আতিফ আহমেদে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৬৪ শতাংশ নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিশেষভাৱে সক্ষম ছাত্ৰ আতিফ আহমেদে হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে এই কথা প্ৰমাণ কৰিছে যে শাৰীৰিক বাধাগ্ৰস্ততাই কেতিয়াও শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে। উল্লেখ্য যে শাৰীৰিক বাধাগ্ৰস্ততাৰ বাবে আতিফ আহমেদে স্কুললৈ যাব পৰা নাছিল। আতিফে নিজৰ ঘৰত ম'বাইল চাই চাই অধ্যয়ন কৰিছিল। সঠিক পৰিৱেশ পালে স্বাভাৱিক জীৱন যাপনৰ লগতে শিক্ষাৰ ক্ষেত্ৰত সমাজলৈ যে গৌৰৱ কঢ়িয়াই আনিব পাৰে তাৰে প্ৰমাণ দিছে ৰূপহীহাটৰ আতিফ আহমেদে।

### হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰঙাপৰাৰ কেইবাখনো শিক্ষানুষ্ঠানৰ প্ৰদৰ্শনক লৈ চিন্তিত বৌদ্ধিক সমাজ-অভিভাৱক-ৰাইজ

# বাগিচা অঞ্চলৰ আদৰ্শ বিদ্যালয়ৰ হতাশজনক ফলাফল

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙাপৰা, ১২ এপ্ৰিল ঃ** ৰাজ্যৰ প্ৰতিখন চাহ বাগিচা অঞ্চলৰ চাহ শ্ৰমিকৰ সন্তান তথা ছাত্ৰ-ছাত্ৰীসকলক উন্নত গুণগত শিক্ষাৰে আগবঢ়াই নিয়াৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে আদৰ্শ বিদ্যালয় স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু সেই অনুসৰি প্ৰায় ১১৮খন আদৰ্শ বিদ্যালয় নিৰ্মাণ কৰিছে। শোণিতপুৰ, চৰাইদেউ, ডিব্ৰুগড়, হাইলাকান্দি, বিশ্বনাথ, কাছাৰ, চৰাইদেউ, দৰং, গোলাঘাট, কাৰ্বি আংলং, লখিমপুৰ, শিৱসাগৰ আৰু তিনিচুকীয়া আদি বিভিন্ন জিলাৰ চাহ বাগিচাসমূহত আদৰ্শ বিদ্যালয়সমূহ স্থাপন কৰা হৈছিল। ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে থকা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহত আধুনিক আন্তঃগাঁথনি, স্মাৰ্ট ক্লাছ ৰূম আৰু উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণকে ধৰি সকলো সুবিধা আছে। এতিয়া প্ৰশ্ন উত্থাপন হৈছে যে চাহ বাগিচা অঞ্চলত সুন্দৰকৈ নিৰ্মাণ কৰা আদৰ্শ বিদ্যালয়সমূহত বৌদ্ধিক মহল আৰু অভিভাৱক ৰাইজে আশা কৰাৰ ধৰণেৰে শৈক্ষিক ব্যৱস্থা উন্নত হৈছেনে? সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৰঙাপৰা, মিছামাৰী, বালিপৰা আৰু চাৰিদুৱাৰ অঞ্চলৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উজলি উঠাৰ বিপৰীতে ৰঙাপৰা বিধানসভা সমষ্টিত থকা একাংশ আদৰ্শ বিদ্যালয়ৰ হতাশজনক ফলাফলক লৈ উদ্বিগ্ন হৈ পৰিছে সচেতন ৰাইজ আৰু অভিভাৱকসকল। ৰঙাপৰা বিধানসভা সমষ্টিত থকা একাংশ প্ৰাথমিক বিদ্যালয় আৰু একাংশ আদৰ্শ বিদ্যালয়ত পৰ্যাপ্ত শিক্ষক নিযুক্তি প্ৰদান নকৰা আৰু ছাত্ৰ-ছাত্ৰীসকলে নিয়মীয়াকৈ বিদ্যালয়লৈ নোযোৱাৰ ফলত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইয়াৰ বিৰূপ প্ৰভাৱ পৰা বুলি বৌদ্ধিক মহলে মতপোষণ কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ঠাকুৰবাৰী চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ৮গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত ৩গৰাকী আৰু তৃতীয় স্থানত ২গৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৬গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষকতা কৰি আছে যদিও দুটা বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে। তদুপৰি সোণাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ৩৭গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত ৯গৰাকী আৰু তৃতীয় স্থানত ৪গৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৫গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষকতা কৰি আছে যদিও আজিও দুটা বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে। নাহৰণি চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ১৫গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত ১গৰাকী আৰু তৃতীয় স্থানত ২গৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৬গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষকতা কৰি আছে যদিও আজিও দুটা বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে। আদাবাৰী চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ৭গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত এগৰাকী আৰু তৃতীয় স্থানত ৩গৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৬গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষকতা কৰি আছে যদিও আজিও দুটা বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে। ফুলবাৰী চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ১৮গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত ২গৰাকী আৰু তৃতীয় স্থানত ৫গৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৫গৰাকী শিক্ষক-শিক্ষয়ত্ৰীয়ে শিক্ষকতা কৰি আছে যদিও আজিও দুটা বিষয়ৰ শিক্ষকৰ পদ খালী হৈ আছে। তেজপুৰ এণ্ড ঘগৰা চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ১৩গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত ১৩গৰাকী আৰু তৃতীয় স্থানত ৯ গৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৭গৰাকী শিক্ষক-শিক্ষয়ত্ৰীয়ে শিক্ষকতা কৰি আছে। সোণাবিল চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ পৰা ২১গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত দ্বিতীয় স্থানত ১ গৰাকী উত্তীৰ্ণ হয়। মন কৰিবলগীয়া কথা যে উক্ত ৭খন চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ৰ পৰা এজনো পৰীক্ষাৰ্থী প্ৰথম স্থানত উত্তীৰ্ণ নহ'ল। কিন্তু ৰঙাপৰা সমষ্টিত থকা ৰূপাজুলি চাহ বাগিচা আদৰ্শ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হয়। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উক্ত বিদ্যালয়খনৰ পৰা ৩৯গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত প্ৰথম স্থানত ৪গৰাকী, দ্বিতীয় স্থানত ৩৩গৰাকী আৰু তৃতীয় স্থানত এগৰাকী উত্তীৰ্ণ হয়। উক্ত বিদ্যালয়খনত ৭গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষকতা কৰি আছে। জানিব পৰা অনুসৰি, চাহ বাগিচাসমূহত থকা আদৰ্শ বিদ্যালয়সমূহত চৰকাৰী শিক্ষকসকলৰ লগতে হাজ ফাউণ্ডেচনে নিযুক্তি দিয়া শিক্ষিত যুৱকসকলে শিক্ষকতা কৰি আহিছে। তাৰ পিছতো ফলাফল উন্নত নোহোৱাৰ বিষয়টোৱে ৰাইজৰ মাজত চৰ্চিত হৈছে। ইফালে, ৰঙাপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ১৬১গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল আৰু তাৰে ভিতৰত প্ৰথম স্থানত ৬গৰাকী, দ্বিতীয় স্থানত ৪৭গৰাকী আৰু তৃতীয় স্থানত ২৭গৰাকী উত্তীৰ্ণ হয়। ঠিক একেদৰে ৰঙাপৰা শংকৰদেৱ শিশু নিকেতনৰ মুঠ ৪১গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত, দ্বিতীয় স্থানত ৭গৰাকী আৰু তৃতীয় স্থানত ৫গৰাকী; ৰাজেন্দ্ৰ জ্যোতি বিদ্যামন্দিৰ হিন্দী বিদ্যালয়ৰ মুঠ ৫৬গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত দ্বিতীয় স্থানত এগৰাকী আৰু তৃতীয় স্থানত ৬গৰাকী; ৰঙাপৰা ছেণ্ট পল্ছ ইংৰাজী বিদ্যালয়ৰ মুঠ ৮৩গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ৩৬গৰাকী, দ্বিতীয় স্থানত ৪৩গৰাকী আৰু তৃতীয় স্থানত ২গৰাকী; ৰঙাপৰা বালিকা বিদ্যালয়ৰ মুঠ ৩৮গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত তৃতীয় স্থানত ৪গৰাকী; পিএমশ্ৰী কদমতল হাইস্কুলৰ মুঠ ৭২গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ৩ গৰাকী, দ্বিতীয় স্থানত ৩৭গৰাকী আৰু তৃতীয় স্থানত ৮গৰাকী আৰু শ্ৰীমতী চন্দ্ৰপ্ৰভা স্মৃতি হিন্দী বিদ্যালয়ৰ মুঠ ১০৮গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত এগৰাকী, দ্বিতীয় স্থানত ৪গৰাকী আৰু তৃতীয় স্থানত ১৩গৰাকী, অংকুৰ বিকাশ জাতীয় বিদ্যালয়ৰ মুঠ ১৭গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ৪গৰাকী, দ্বিতীয় স্থানত ৫গৰাকী আৰু তৃতীয় স্থানত ৪গৰাকী; বৰজুলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ৯৮গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত দ্বিতীয় স্থানত ১১গৰাকী আৰু তৃতীয় স্থানত ১৬গৰাকী; ৰঙাপৰা বেংগলী হাইস্কুলৰ মুঠ ৭৪গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ৫গৰাকী, দ্বিতীয় স্থানত ৩৪গৰাকী আৰু তৃতীয় স্থানত ১৮গৰাকী উত্তীৰ্ণ হয়। আনহাতে, বালিপৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ১২৪গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ৫গৰাকী, দ্বিতীয় স্থানত ৫২গৰাকী আৰু তৃতীয় স্থানত ৩গৰাকী; চাৰিদুৱাৰ নেভিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ২২১গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ৩গৰাকী, দ্বিতীয় স্থানত ৩২গৰাকী আৰু তৃতীয় স্থানত ১৩গৰাকী; মিছামাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ৩৩৮গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত ২৮গৰাকী, দ্বিতীয় স্থানত ১১২গৰাকী আৰু তৃতীয় স্থানত ৬৬গৰাকী; ঘোঁৰামাৰী হেম বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ২০৪গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত প্ৰথম স্থানত দুগৰাকী, দ্বিতীয় স্থানত ১৬গৰাকী আৰু তৃতীয় স্থানত ৯গৰাকী উত্তীৰ্ণ হয়। লক্ষণীয় যে শোণিতপুৰ জিলাত থকা অনিতা মেম'ৰিয়েল হাইস্কুলৰ পৰা ৯গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও এগৰাকী পৰীক্ষাৰ্থীও উত্তীৰ্ণ হ'বলৈ সক্ষম নহ'ল। ৰঙাপৰা বালিকা বিদ্যালয় আৰু শংকৰদেৱ শিশু নিকেতনৰ হতাশজনক ফলাফলে অভিভাৱক ৰাইজক চিন্তিত কৰি তুলিছে। ৰঙাপৰা অঞ্চলৰ শৈক্ষিক অৱস্থা যদি এনেদৰে চলি থাকে তেতিয়াহ'লে সমাজখন কেনেদৰে আগুৱাই যাব বুলি ৰাইজে মতপোষণ কৰিছে।

## তামুলপুৰ মহাবিদ্যালয়ত প্ৰাক্‌বিহু, বৈশাগু উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ১২ এপ্ৰিল ঃ** তামুলপুৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত আৰু তামুলপুৰ কলেজৰ ছাত্ৰ একতা সভাৰ সহযোগত কালি দিনজোৱা কাৰ্যসূচীৰে তামুলপুৰ মহাবিদ্যালয়ৰ চৌহদত প্ৰাক্ বিহু আৰু বৈশাগু উৎসৱ উদ্‌যাপন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন কৰে তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ যোগেন বড়োৱে। তামুলপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি ধৰমছাৰ দৈমাৰীয়ে আঁত ধৰা প্ৰাক্ বিহু উদ্‌যাপন কাৰ্যসূচীত বিটিচিৰ পাঁচখন মহাবিদ্যালয় ক্ৰমে ককলাবাৰী-চাপাগুৰি কলেজ, মুছলপুৰ কলেজ, দক্ষিণ বিজনী কলেজ, তামুলপুৰ স্নাতক মহাবিদ্যালয় আৰু তামুলপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰাক্ বিহু বৈশাগু অনুষ্ঠানত অংশগ্ৰহণ কৰে। বিটিআৰ তথা সমগ্ৰ অসমৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত 'নৃতাত্ত্বিক সাংস্কৃতিক বিনিময়' শীৰ্ষক মূল বিষয়ক ভিত্তি কৰি আয়োজিত এই অনুষ্ঠানত মহাবিদ্যালয়ৰ বিটিআৰ এলেকাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি এক সম্প্ৰীতিৰ চানেকি দাঙি ধৰে। তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেন বড়োৱে কয়— এইবাৰ আমি ষষ্ঠ বাৰ্ষিক প্ৰাক্ বিহু আৰু বৈশাগু উদ্‌যাপন কৰিছোঁ। আমাৰ কলেজৰ সাংস্কৃতিক বিভাগৰ উদ্যোগত এই অনুষ্ঠান অনুষ্ঠিত কৰা হৈছে। তামুলপুৰ মহাবিদ্যালয়ৰ অনুষ্ঠানত প্ৰাক্ বিহু আৰু বৈশাগু উৎসৱত তামুলপুৰ সমষ্টিৰ বিধায়ক জলেন দৈমাৰী, মহাবিদ্যালয়খনৰ অধ্যক্ষ যোগেন বড়ো, মহাবিদ্যালয়খনৰ প্ৰবক্তাসকলৰ উপৰি পাঁচখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰি সমগ্ৰ অনুষ্ঠানটো সফল কৰি তোলে।



## ধোপগুৰিৰপৰা মহিলা নিৰুদ্দেশ

**দৈনিক অসমৰ প্ৰতিনিধি**

**পলাশবাৰী, ১২ এপ্ৰিল ঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত বৰিহাট অঞ্চলৰ ধোপগুৰি নিৰাসী দিগন্ত হীৰাৰ পত্নী ভনিতা হীৰা (৪০) ১০ এপ্ৰিলৰ পুৱা ১০ বজাৰ পৰা নিৰুদ্দেশ হৈ আছে। কোনো সদাশয় লোকে তেওঁৰ কিবা অনুসন্ধান পালে ৯১০১৬৮৯১৮৬ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালবৰ্গই আহ্বান জনাইছে। তেওঁৰ বৰণ বগা, উচ্চতা ৪.৫ ফুট, পিন্ধনত ডাঠ নীলা ৰঙৰ কাপোৰ। তেওঁৰ নিৰুদ্দেশ সন্দৰ্ভত ইতিমধ্যে পৰিয়ালবৰ্গই পলাশবাৰী আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে। দুই সন্তান আৰু স্বামী তেওঁৰ নিৰুদ্দেশত ভাগি পৰিছে।

## প্ৰাক্তন অধ্যাপক গুণ শইকীয়াৰ গ্ৰন্থ উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**নগাঁও, ১২ এপ্ৰিল ঃ** নগাঁও মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক গুণ শইকীয়াৰ নৱতম গ্ৰন্থ 'কথ্য অকথ্য' ১১ এপ্ৰিলত নগাঁও ছোৱালী মহাবিদ্যালয়ৰ চিন্তা জুৰণি কক্ষত মহাবিদ্যালয়খনৰ অধ্যক্ষ, লেখক ডঃ কুলেন চন্দ্ৰ দাসে উন্মোচন কৰে। উন্মোচনী ভাষণত অধ্যক্ষ ডঃ দাসে গ্ৰন্থখনৰ বিষয়বস্তু সন্দৰ্ভত আলোকপাত কৰি কয় যে মানুহে সততে ক'বলৈ সংকোচ বা দ্বিধাবোধ কৰা নিজৰ নেতিবাচক দিশবোৰো লেখকে কোনো লুক-ঢাক নকৰাকৈ অত্যন্ত বাস্তৱিক ৰূপত প্ৰাঞ্জল বৰ্ণনা শৈলীৰে দাঙি ধৰিছে। মৈত্ৰেয়ী ডেকাৰ সৰস্বতী বন্দনাৰে আৰম্ভ হোৱা অনুষ্ঠানত লেখক-প্ৰকাশক প্ৰাঞ্জল কুমাৰ মহন্তই গ্ৰন্থখনৰ বিষয়ে আলোচনা আগবঢ়ায়। উল্লেখ্য যে ইতিপূৰ্বে 'প্ৰাচ্য সাহিত্য সংস্কৃতি দৰ্শন', 'শঙ্কৰদেৱৰ নাটৰ শ্লোক ঃ অৰ্থ আৰু ছন্দ বিচাৰ', 'বৈষ্ণৱ বিচাৰণা বিচিত্ৰা', 'বিষয় বিচাৰ বিচিত্ৰা', 'বিষয় আৰু সন্দৰ্ভ সংস্কৃত বাঙ্ময়', 'বিমৃশা', 'মাধৱদেৱৰ নাটৰ শ্লোক ঃ অৰ্থ আৰু ছন্দ বিচাৰ' আদি গ্ৰন্থ ৰচনাৰে চিন্তাশীল পাঠকৰ সমাদৰ লাভ কৰা লেখক গুণ শইকীয়াৰ এইখন আত্মজীৱনীমূলক গ্ৰন্থ। অনুষ্ঠানত শিল্পী ৰঞ্জন বেজবৰুৱাই গুণ শইকীয়া ৰচিত আৰু পল্লৱী শৰ্মা আৰু নিপু ভূঞাই কণ্ঠদান কৰা দুটি গীত উন্মোচন কৰে। গীত দুটিৰ সুৰকাৰ শিল্পী দীপক কুমাৰ শৰ্মা আৰু লোকশিল্পী গোলাপ বৰা। ৰহা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক ডঃ দ্বিজেন শৰ্মাই আঁত ধৰা অনুষ্ঠানত নগাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰঞ্জিত মজিন্দাৰ, অধ্যাপক ডঃ বিপুল মালাকাৰ, নগাঁও জিলা সংস্কৃত ভাষা বিকাশ মঞ্চৰ সম্পাদক ডঃ ধৰ্মেশ্বৰ গোস্বামী, শিল্পী দীপক কুমাৰ শৰ্মা, লোকশিল্পী গোলাপ বৰা, নাট্যকৰ্মী জয়ন্ত কুমাৰ বৰা, বিদ্যালয়খনৰ চৌহদত লেখিকা আভা বৰা, ডঃ স্বপ্না নেওগ, লেখক উজ্জ্বল জ্যোতি দাসকে প্ৰমুখ্যে কৰি শতাধিক লোক উপস্থিত থাকে।




## পাঠশালাৰ হোটেলত চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ১২ এপ্ৰিল ঃ** বজালী জিলাৰ সদৰ পাঠশালাৰ মাজমজিয়াত অৱস্থিত এখন হোটেলত ১০ এপ্ৰিলৰ নিশা চুৰিকাৰ্য সংঘটিত হয়। উল্লেখ্য যে পাঠশালাৰ মাজমজিয়াৰ কলেজ ৰোডত অৱস্থিত 'আমাৰ জুতি' হোটেল এণ্ড ৰেষ্টুৰেণ্টখনৰ পাছফালৰ কাঠৰ তক্তা ভাঙি ভিতৰত প্ৰৱেশ কৰি নিশা কোনো দুৰ্বৃত্তই ৪২খনকৈ কাঁহৰ কাঁহী চুৰি কৰি লৈ যায়। কালি পুৱা হোটেলখনৰ কৰ্মচাৰী উপস্থিত হৈ ঘটনাটো প্ৰত্যক্ষ কৰে। ইপিনে, আমাৰ জুতিৰ স্বত্বাধিকাৰী তথা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক মৃদুল তালুকদাৰে ঘটনা সন্দৰ্ভত পাঠশালা আৰক্ষী থানাত এজাহাৰ দাখিল কৰি দুৰ্বৃত্তক কৰায়ত্ত কৰাৰ বাবে দাবী জনায়।

## ১৫ এপ্ৰিলৰপৰা টংলাত তিনিদিনীয়াকৈ ৰঙালী উৎসৱ

**দৈনিক অসমৰ প্ৰতিনিধি**

**টংলা, ১২ এপ্ৰিল ঃ** বৃহত্তৰ টংলা অঞ্চলৰ সকলো জাতি-জনগোষ্ঠীয়ে একত্ৰিত হৈ ১৫, ১৬ আৰু ১৭ এপ্ৰিলত টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰঙালী বিহু উৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। সদৌ টংলা ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি দুলাল কুমাৰ বৰুৱা, কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বড়া জিন্না আৰু সাধাৰণ সম্পাদক ধৰ্মকান্ত ৰামচিয়াৰীয়ে জনোৱা অনুসৰি, ১৫ এপ্ৰিলৰ পুৱা ৮.৩০ বজাত সদৌ টংলা ৰঙালী বিহু সন্মিলনী, স্থায়ী সমিতি আৰু ৰঙালী বিহু উদ্‌যাপন সমিতিৰ পতাকা উত্তোলনৰ পাছতে শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পাছতে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনাই জ্যেষ্ঠজনলৈ সেৱা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। ক্ৰীড়া প্ৰতিযোগিতা, চেমনীয়াৰ বিহু ঢোল, পেঁপাবাদন আৰু বিহুগীত প্ৰতিযোগিতা, শিশুৰ বিহু নাচ প্ৰতিযোগিতা, চেমনীয়াৰ বিহু নাচ প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব। ১৬ এপ্ৰিলৰ পুৱা অসম ভিত্তিত মাৰাথন প্ৰতিযোগিতা, ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, আবেলি ৪ বজাত হুঁচৰি প্ৰতিযোগিতা, ৫ বজাত আঞ্চলিক ভিত্তিত জেংবিহু প্ৰতিযোগিতা আৰু সন্ধিয়া ৬ বজাত মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নিশা ১০ স্থানীয় শিল্পীৰ গীতৰ অনুষ্ঠানেৰে দ্বিতীয় দিনাৰ কাৰ্যসূচীৰ সামৰণি পৰিব। ১৭ এপ্ৰিলৰ সন্ধিয়া ৭ বজাত সাংস্কৃতিক সন্ধিয়াত কণ্ঠশিল্পী বিদিশা দেৱী, বিহু সম্ৰাট খগেন গগৈ আৰু টেটোন তামুলীৰ কৌতুক গোষ্ঠী ধিচুমে সাংস্কৃতিক সন্ধিয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰিব।



## বাসুগাঁৱৰ কৃষি পৰিদৰ্শকৰ আকস্মিক বিয়োগত শোক

**দৈনিক অসমৰ প্ৰতিনিধি**

**চিৰাং, ১২ এপ্ৰিল ঃ** চিৰাং জিলাৰ বাসুগাঁও চহৰ নিৱাসী কৃষি বিভাগৰ পৰিদৰ্শক সুবীৰ চেটাৰ্জীৰ কালি নিশা চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। সুস্থ-সবল কৃষি পৰিদৰ্শকগৰাকীক দহদিন আগতে আকস্মিকভাৱে স্নায়ুৰ সমস্যাই দেখা দিয়াত লগে লগে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। তাতে চিকিৎসাধীন অৱস্থাতে মাজনিশা শেষ নিশ্বাস ত্যাগ কৰে। সৰবৰহী লোকজনৰ মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী কন্যাৰ উপৰি তিনিজন ভাতৃ আৰু তিনিজনী ভগ্নী এৰি থৈ যায়। লোকজনৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৫৮ বছৰ। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে আত্মীয়-কুটুম্ব, গুণমুগ্ধই ঘৰত ভিৰ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে।

## এশ শতাংশ উত্তীৰ্ণৰে উজলিল শংকৰদেৱ শিশু বিদ্যা নিকেতন, পলাশবাৰী

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰামপুৰ, ১২ এপ্ৰিল ঃ** বিদ্যা ভাৰতীৰ অন্তৰ্গত আৰু শিশু শিক্ষা সমিতিৰদ্বাৰা পৰিচালিত, মাতৃভাষা শিক্ষাৰ অগ্ৰণী অনুষ্ঠান, পলাশবাৰীৰ শংকৰদেৱ শিশু বিদ্যা নিকেতন, পলাশবাৰীয়ে কালি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণৰে উজলি উঠে। পৰীক্ষাত অৱতীৰ্ণ মুঠ ১৫ গৰাকী বিদ্যাৰ্থীৰ ভিতৰত তিনিগৰাকীয়ে ষ্টাৰ নম্বৰ, সাতগৰাকীয়ে প্ৰথম বিভাগ আৰু পাঁচগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সমৰ্থ হৈছে। ষ্টাৰ নম্বৰপ্ৰাপ্ত বিদ্যাৰ্থীকেইগৰাকী হৈছে ক্ৰমে বিদিশা কলিতা (৮৪.১৭ শতাংশ), নিৰূপম দাস (৭৬.৬ শতাংশ) আৰু গৌৰৱ কুমাৰ (৭৫ শতাংশ)। নিকেতনখনৰ বিদ্যাৰ্থীয়ে পূৰ্ণ শতাংশ সাফল্যৰে উত্তীৰ্ণ হোৱাত প্ৰধান আচাৰ্য মণ্টু গোস্বামীসহ আচাৰ্য/আচাৰ্যাসকল, নিকেতন পৰিচালনা সমিতিৰ সভাপতি পদ্মেশ্বৰ কলিতাসহ বিষয়ববীয়াসকল আৰু প্ৰতিষ্ঠাপক সদস্য বিচিত্ৰ কুমাৰসহ শুভাকাংক্ষীসকলে কীৰ্তিমানসকলক শুভেচ্ছা জনাইছে।

### কোকৰাঝাৰত এবছুৰ সংবাদমেল

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত বড়ো মাধ্যমৰ শীৰ্ষ দহ শিক্ষাৰ্থীলৈ কমল কুমাৰ ব্ৰহ্ম বঁটা

**দৈনিক অসমৰ প্ৰতিনিধি**

**কোকৰাঝাৰ, ১২ এপ্ৰিল ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত বড়ো মাধ্যমত শীৰ্ষ দহটা স্থানপ্ৰাপ্ত চৈধ্যগৰাকী কৃতী শিক্ষাৰ্থীক নিখিল বড়ো ছাত্ৰ সন্থা (এবছু)ই এইবেলিও কমল কুমাৰ ব্ৰহ্ম বঁটাৰে সম্বৰ্দ্ধনা জনাব। কোকৰাঝাৰ চহৰৰ বাগানশালীস্থিত এবছুৰ বডোফা হাউছত আজি এক সংবাদমেলত এবছুৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক দিনেশ ব্ৰহ্মই আগন্তুক ২০সংখ্যক কমল কুমাৰ ব্ৰহ্ম বঁটা বাক্‌সা জিলাৰ শালবাৰীত আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। এইবেলি উক্ত বঁটা লাভ কৰিব ক্ৰমে— চিৰাং জিলাৰ সৌমচাৰ বসুমতাৰী (৮৯ শতাংশ); দ্বিতীয় স্থানত বাক্‌সাৰ সংগীতা বসুমতাৰী (৮৮.৮৩ শতাংশ); তৃতীয় স্থানত কোকৰাঝাৰৰ দাওগাছাৰ নাৰ্জাৰী (৮৮.৬৭ শতাংশ); চতুৰ্থ স্থানত ৮৮.৩৩ শতাংশ নম্বৰ লাভ কৰা চিৰাং জিলাৰ দিপাৰাণী বসুমতাৰী আৰু সৌৰাংগছা বসুমতাৰী, পঞ্চম স্থানত (৮৮.১৭ শতাংশ) ওদালগুৰিৰ সুজমা মুছাহাৰী আৰু বিশ্বনাথৰ উৎপল বসুমতাৰী, ষষ্ঠ স্থানত কোকৰাঝাৰৰ কেনি ব্ৰহ্ম (৮৮ শতাংশ); সপ্তম স্থানত (৮৭.৮৩ শতাংশ) ওদালগুৰিৰ দিপান্বিতা বসুমতাৰী আৰু চিৰাঙৰ স্বৰ্ণলতা নাৰ্জাৰী, অষ্টম স্থানত বাক্‌সাৰ অমিছা বসুমতাৰী (৮৭.৬৭শতাংশ); নৱম স্থানত বাক্‌সাৰ বিনিতা ৰাণী ব্ৰহ্ম (৮৭.৫ শতাংশ) আৰু দশম স্থানত আছে বাক্‌সাৰ ওমপ্ৰকাশ মুছাহাৰী আৰু সৌৰজি বড়ো। উল্লেখ্য যে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এইবেলি বড়ো মাধ্যমত ৰাজ্যখনত ১৫,৯৮৪গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে উত্তীৰ্ণ হয় ১২,৩১০গৰাকী। ইয়াৰে প্ৰথম বিভাগত ২,৮২৮গৰাকী, দ্বিতীয় বিভাগত ৬,৯৫৭ আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হয় ২,৫২৫গৰাকী।

## ১৬ এপ্ৰিলত বুদ্ৰুকুছিত ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাঁহজানী,১২ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ অন্তৰ্গত খাদী চ'ক সাৰ্বজনীন ৰঙালী বিহু সমিতিৰ উদ্যোগত অইন বেলিৰ দৰে এইবেলিও অহা ১৬ এপ্ৰিল আৰু ৩০ এপ্ৰিলত ৩৬ সংখ্যক সাৰ্বজনীন ৰঙালী বিহু উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। ইতিমধ্যে অনিল কুমাৰ ডেকাক সভাপতি আৰু হেমন্ত বৈশ্য, উৎপল বৈশ্যক যুটীয়া সম্পাদক হিচাপে লৈ এখন ৰঙালী বিহু উদ্‌যাপন সমিতি গঠন কৰা হৈছে। ১৬ এপ্ৰিলৰ পুৱা ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি অনিল কুমাৰ ডেকাই বিহুৰ পতাকা উত্তোলন কৰি শুভাৰম্ভ কৰিব লগা অনুষ্ঠানত ক্ৰমে শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰিব বাঁহজানী জিলা পৰিষদৰ সদস্য হিতেশ তালুকদাৰে আৰু মাল্যাৰ্পণ কৰিব দহ নং মধ্য বাঁহজানী গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰিমা কলিতাই। গছপুলি ৰোপণ কৰিব সমাজসেৱক ৰবীন শৰ্মা, অজিত ডেকা আৰু কাবিল আলীয়ে। হিয়াৰ আমঠু জুবিন গাৰ্গৰ সোঁৱৰণত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰিব সমাজসেৱক মঃ মুকুতৰ ৰহমানে আৰু তাৰ লগে লগে বিহুৰ বাকৰিত সমৱেত হোৱা সকলো ৰাইজে একেলগে জুবিন গাৰ্গৰ 'মায়াৱিনী ৰাতিৰ বুকুত' গীতটো পৰিৱেশন কৰিব। ইয়াৰ পিছতে ৰঙালী বিহুৰ লগত সংগতি ৰাখি ৯.২০ বজাত অনুষ্ঠিত হ'ব লগা বঁটা প্ৰদান অনুষ্ঠানত মানৱদৰদী চিকিৎসক প্ৰয়াত ডাঃ গৌৰীকান্ত শৰ্মা স্মৃতি বঁটা প্ৰদান কৰিব গুৱাহাটী প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ বসন্ত কুমাৰ বৈশ্যক আৰু শিক্ষাবিদ প্ৰয়াত ভুৱনেশ্বৰ শৰ্মা স্মৃতি বঁটা প্ৰদান কৰা হ'ব বৰভাগ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা সু-লেখক, নিবন্ধকাৰ ডঃ ধনেশ্বৰ বৈশ্যক। ইফালে এই অনুষ্ঠানটোতে অঞ্চলটোৰ কেইবাগৰাকীও বিশেষ ব্যক্তিক সম্বৰ্দ্ধনা জনোৱাৰ লগতে ৭০ বছৰ উৰ্দ্ধৰ জ্যেষ্ঠজনলৈ বিহুৱান আৰু আশীৰ্বাদ গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। উল্লেখ্য যে বিহু আৰু সাংস্কৃতিক অনুষ্ঠানেৰে অহা ৩০ এপ্ৰিলত সামৰণি পৰিব লগা ৰঙালী বিহুৰ লাইখুঁটা স্থাপন কৰিব বয়োজ্যেষ্ঠ মহিলা তথা সমাজসেৱিকা সাবিত্ৰী বালা দাসে।

## 'গামোচা'ৰ উদ্যোগত টিহুত থলুৱা বস্ত্ৰমেলা

**দৈনিক অসমৰ প্ৰতিনিধি**

**টিহু, ১২ এপ্ৰিল ঃ** টিহুৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান 'গামোচা'ৰ উদ্যোগত টিহু থানাৰ সন্মুখত কালি থলুৱা বস্ত্ৰমেলা এখন মুকলি কৰা হয়। এই মেলাখনৰ দুৱাৰ মুকলি কৰে টিহু মহকুমা সাংবাদিক সন্থাৰ সম্পাদক ভাস্কৰজ্যোতি কলিতাই। উদ্বোধনী ভাষণত তেওঁ 'গামোচা'ৰ উদ্যোগত হোৱা এই থলুৱা বস্ত্ৰমেলাই গাঁৱৰ শিপিনীসকলক স্বাৱলম্বী হোৱাত বাৰুকৈয়ে সহায় কৰিব বুলি মন্তব্য কৰে। এই উপলক্ষে অনুষ্ঠানটোৰ সভানেত্ৰী সৰলা দেৱীয়ে পৌৰোহিত্য কৰি দিয়া ভাষণত অঞ্চলটোৰ শিপিনীসকলক হাতে-কামে উৎসাহ যোগোৱাৰ উদ্দেশ্যে আয়োজিত এই বস্ত্ৰমেলালৈ অঞ্চলবাসীৰ সঁহাৰিত সাহস পোৱা বুলি কয়। সম্পাদিকা ববিতা দাসে উদ্বোধনী অনুষ্ঠানৰ আঁত ধৰি 'গামোচা' অনুষ্ঠান গঠনৰে পৰা মহিলাসকলক আত্মনিৰ্ভৰশীল কৰোৱাৰ বাবে বিভিন্ন প্ৰকাৰৰ কাৰ্যসূচী ৰূপায়ণ কৰা বুলি প্ৰকাশ কৰে। স্বেচ্ছাসেৱী অনুষ্ঠান 'গামোচা'ৰ সঞ্চালক চন্দ্ৰমোহন দাসেও শুভেচ্ছামূলক ভাষণ দি তেওঁ অসম চৰকাৰৰ হস্ততাঁত আইন ১৯৮৫-ৰ বিষয়ে বিতংভাৱে বৰ্ণনা কৰে। জনপ্ৰিয় উদ্যোগী অনুপ কলিতাই সংগীত পৰিৱেশন কৰি অনুষ্ঠানটোক অনন্য মাত্ৰা প্ৰদান কৰে।



# বিৰোধী ঐক্যই পাব ৭০ৰ পৰা ৮০ খন আসন ঃ অখিল



**দৈনিক অসমৰ প্ৰতিনিধি**
**কাজিৰঙা, ১২ এপ্ৰিল ঃ** 'যদিহে মেচিনত গণ্ডগোল কৰা নাই বা মেচিনত গণ্ডগোল এতিয়া কৰিব নোৱাৰে, তেতিয়াহ'লে নিশ্চিতভাৱে এইবাৰ বিৰোধী দলৰ চৰকাৰ হ'ব।' —ৰাজ্যৰ সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত কালি কাজিৰঙাত সংবাদ মাধ্যমৰ আগত এইদৰে কয় ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। কাজিৰঙাৰ দুৰ্গাপুৰস্থিত জাতীয় অৰ্কিড উদ্যানত সংবাদ মাধ্যমৰ আগত গগৈয়ে কয়— 'কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, বামপন্থী দল আৰু এপিএইচএলচি আটাইখিন মিলি ৭০ৰ পৰা ৮০খন আসন লাভ কৰিম বুলি নিশ্চিত আছোঁ। আপোনালোক সকলোৱে ষ্ট্ৰং ৰূমবিলাক প্ৰটেকচন দিয়ক। ষ্ট্ৰং ৰূমবিলাক আমি সকলোৱে সাৱধানেৰে সুৰক্ষিত কৰা দৰকাৰ।' গুজৰাট, হাৰিয়ানা, মধ্য প্ৰদেশ, দিল্লী আদি ঠাইৰ পৰা কিছু 'এক্সপাৰ্ট' আনি ষ্ট্ৰং ৰূমত থকা ইভিএম মেচিন হেক কৰাৰ চেষ্টা কৰিছে বুলি শুনাৰ কথা উল্লেখ কৰি গগৈয়ে কয়— ইয়াৰ জৰিয়তে ৰাইজে দিয়া অভিমত, ৰাইজে দিয়া 'ভাৰ্ডিক্ট' বদলাবলৈ চেষ্টা কৰিছে। ইপিনে সংবাদ মাধ্যমৰ প্ৰতি আক্ৰমণ, বিভিন্ন বিৰোধী দলৰ প্ৰতি আক্ৰমণাত্মক হৈ পৰাটোৱে যে বিজেপি অস্থিৰ হৈ পৰিছে সেয়া প্ৰমাণ হৈছে বুলি মন্তব্য কৰে গগৈয়ে। গগৈয়ে কয়— বিজেপিৰ সাংগঠনিক ভেটি সবল যদিও জনতাৰ চেতনা, সহযোগিতাৰ কাৰণে বিৰোধী দলৰ ঐক্যমঞ্চ জিকাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। যদি বিতাড়িত হ'বলৈ হয় তেনেহ'লে অসমত আটাইতকৈ বেছি বিপদ হ'ব লগা মানুহজন হ'ল হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীৰ অস্থিৰতাই প্ৰমাণ কৰিছে যে অসমত বিজেপি বিতাড়িত হ'ব, বিৰোধী ঐক্যমঞ্চই চৰকাৰ গঠন কৰিব। আনহাতে সেইবাবে ষ্ট্ৰং ৰূমবিলাক সকলোকে সুৰক্ষা দিবলৈ আহ্বান জনাই গগৈয়ে কয়— 'যাতে ৪ মে'ৰ দিনা সঠিক ফলাফল পাব পাৰোঁ, নতুন চৰকাৰ গঠন কৰিব পাৰোঁ আৰু নতুন চৰকাৰ গঠনৰ জৰিয়তে প্ৰগতিশীল এখন নতুন অসমৰ আৰম্ভণি কৰিব পাৰোঁ।' আনহাতে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুত অভিযুক্ত শ্যামকানু মহন্তই জামিনৰ আবেদন কৰা প্ৰসংগত গগৈয়ে এয়া পূৰ্বেই অনুমান কৰা হৈছিল বুলি উল্লেখ কৰি গোচৰৰ চাৰ্জশ্বীট দুৰ্বলকৈ প্ৰস্তুত হৈছে বুলি মন্তব্য কৰে। যদি আমাৰ চৰকাৰ হয় আমি প্ৰতিশ্ৰুতি দিছোঁ, তেতিয়া চাৰ্জশ্বীট নতুনকৈ দিয়া হ'ব, চাৰ্জশ্বীট দ্বিতীয় খণ্ড দি প্ৰকৃত তদন্ত আৰম্ভ কৰা হ'ব, তিনি মাহৰ ভিতৰত চাৰ্জশ্বীট দিয়া হ'ব, কোনেও যাতে 'বেইল' পাব নোৱাৰে তাৰ যথোপযুক্ত ব্যৱস্থা কৰা হ'ব আৰু চাৰ্জশ্বীট দিয়াৰ ছমাহৰ ভিতৰত 'ডে টু ডে' হিয়েৰিং কৰি, ডেডিকেটেড হিয়েৰিং কৰি আমি জুবিন গাৰ্গৰ মৃত্যুৰ বাবে জগৰীয়াসকল যাতে যাৱজ্জীৱন কাৰাদণ্ডৰে দণ্ডিত হয় তাৰ ব্যৱস্থা কৰিম। জুবিন গাৰ্গৰ ন্যায়ৰ প্ৰসংগ ওলমি আছে বুলি প্ৰকাশ কৰি গগৈয়ে কয়— যদি নতুন চৰকাৰ হয় জুবিন গাৰ্গে ন্যায় পাব। ইপিনে খোৱাঙত লুৰীণজ্যোতি গগৈৰ বাসভৱনত যিধৰণে অসম আৰক্ষীয়ে তালাচী চলাইছে এয়া গণতন্ত্ৰৰ ওপৰত আক্ৰমণ বুলি প্ৰকাশ কৰি অখিল গগৈয়ে কয়— মই ভাবোঁ এয়া বিজেপিৰ প্ৰতিশোধ-পৰায়ণমূলক ৰাজনীতি। এয়া দুৰ্ভাগ্যজনক আখ্যা দি গগৈয়ে কয় যে বিজেপিয়ে এনেধৰণৰ সন্দেহজনক মানুহ আনি আটাইবিলাক সমষ্টিতে তেওঁলোকে ষ্ট্ৰং ৰূমবিলাক আৰু ইলেকচন হৈ থাকোঁতে ইভিএম মেচিনবিলাক টেম্পাৰিং কৰিবৰ কাৰণে যি ব্যৱস্থা ল'ব খুজিছে, যি কাম কৰিছে সেয়াও দুৰ্ভাগ্যজনক।

## শাৰীৰিক অসুস্থতাকো নেওচি উজলি উঠিল হীৰকজ্যোতি হাজৰিকা

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**গোলাঘাট, ১২ এপ্ৰিল ঃ** এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ হীৰকজ্যোতি হাজৰিকাই সুখ্যাতিৰে উত্তীৰ্ণ হৈ সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। একেবাৰে কম বয়সতে হৃদৰোগত আক্ৰান্ত হৈ দুবাৰকৈ জটিল অস্ত্ৰোপচাৰ কৰা হীৰকজ্যোতি হাজৰিকাই এই ফল লাভ কৰাৰ পাছতে পিতৃ-মাতৃৰ চকুত কেৱল আনন্দৰ বন্যা। ঢেকিয়াল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা হীৰকজ্যোতিয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰি ডিষ্টিংচনসহ উত্তীৰ্ণ হয়। পিতৃ জিতু হাজৰিকাই ই-ৰিক্সা চলাই পৰিয়াল পোহপাল দিয়াৰ লগতে হীৰকক ৰাজ্যৰ বাহিৰলৈ দুবাৰকৈ উন্নত চিকিৎসাৰ বাবে নি সুস্থ কৰি তুলিবলৈ সক্ষম হোৱা বুলি কে সন্তানৰ পৰীক্ষাৰ ফল লাভ কৰাৰ পাছতে আনন্দতে কেৱল কান্দিছে। উল্লেখ্য যে হীৰকে অধ্যয়নৰ সমান্তৰালকৈ সুন্দৰকৈ গীত গাব পাৰে, সংগীতৰ প্ৰতি আগ্ৰহ থকা হীৰকে ইতিমধ্যে অডিঅ' কেছেটো গীত পৰিবেশন কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। শাৰীৰিক অসুস্থতাকো নেওচি, আৰ্থিক দীনতাৰ প্ৰাচীৰ ভাঙি হাইস্কুল শিক্ষান্ত পৰীক্ষাত হীৰাৰ দৰে জিলিকি উঠিবলৈ সক্ষম হোৱা ছাত্ৰ হীৰকজ্যোতি হাজৰিকাৰ সাফল্য ঘোষণাৰ পাছতে তেওঁৰ বাসগৃহত কালিৰ পৰা বহু লোকৰ সমাগম হয়।

# সুখ্যাতিৰে উত্তীৰ্ণ ডেৰকুৰি শিক্ষাৰ্থীক সম্বৰ্দ্ধনা

## বিহপুৰীয়া শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ আচাৰ্য দিগন্ত ফুকনৰ ব্যতিক্ৰমী পদক্ষেপ

**দৈনিক অসমৰ প্ৰতিনিধি**
**নাৰায়ণপুৰ, ১২ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ বিহপুৰীয়া শংকৰদেৱ শিশু-বিদ্যা নিকেতনৰ পৰা কালি ঘোষণা কৰা উচ্চ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক কালি নিকেতনখনৰ আচাৰ্য দিগন্ত ফুকনৰ ব্যক্তিগত প্ৰচেষ্টাত সম্বৰ্দ্ধনা জনোৱা হয়। এই উদ্দেশ্যে দিগন্ত ফুকনৰ হমৰা কাছিকতাস্থিত বাসগৃহত অনুষ্ঠিত সম্বৰ্দ্ধনা সভাখনত সভাপতিত্ব কৰে নিকেতনখনৰ প্ৰাক্তন ছাত্ৰ সমাৰোহৰ সভাপতি যদুনন্দন হাজৰিকাই। দিগন্ত ফুকনে আঁত ধৰা সভাখনত ডিষ্টিংচনপ্ৰাপ্ত শুভাশীষ গগৈ, অভীপ্সা ভড়ালী, উজ্জ্বল শৰ্মা বৰুৱা আৰু সম্প্ৰীতি ফুকন, ষ্টাৰ নম্বৰপ্ৰাপ্ত অভিলাষা ভূএগ, অংশুমিতা শৰ্মা, কৰবী সোণোৱাল, শ্ৰেয়া ৰাণী নেওগ, উপাসনা হাজৰিকা আৰু প্ৰীতিৰেখা নেওগৰ লগতে ১৬গৰাকী প্ৰথম বিভাগপ্ৰাপ্ত আৰু ৩গৰাকী দ্বিতীয় বিভাগপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়। এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হোৱা নিকেতনখনৰ এই সফলতাই সকলোকে উৎফুল্লিত কৰি তুলিছে। সভাত নিকেতনৰ প্ৰধান আচাৰ্য ননী মাধৱ পূজাৰী, পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি লোচন ভূএগ, সম্পাদক অৰুণ ফুকন, অৱসৰপ্ৰাপ্ত শিক্ষক বগীৰাম বৰা আৰু লখিমপুৰ জিলা সাংবাদিক সংস্থাৰ সাধাৰণ সম্পাদক জগত বৰাই নিকেতনখনৰ আচাৰ্য দিগন্ত ফুকনে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰিবৰ বাবে গ্ৰহণ কৰা ব্যতিক্ৰমী প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি গঠনমূলক পৰামৰ্শ আগবঢ়ায়। সভাত নিকেতনৰ আচাৰ্য-আচাৰ্যাসকলৰ লগতে স্থানীয় বিশিষ্ট ব্যক্তি আৰু প্ৰাক্তন ছাত্ৰ সমাৰোহৰ সম্পাদক দীপাংকৰ শইকীয়া, সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক হীৰকজ্যোতি বৰুৱা, বিহপুৰীয়া গাঁও পঞ্চায়তৰ সভাপতি বিমল বৰা, আঞ্চলিক সদস্যা লক্ষীমা বৰা বৰুৱা, শিক্ষক জীৱন ফুকন, গাঁওপ্ৰধান প্ৰবীণ শইকীয়া, সমাজকৰ্মী দয়াৰাম শইকীয়া, ৰবীন বৰা, নাৰায়ণপুৰ প্ৰেছ ক্লাবৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক দীপান্ত কাকতি, সঞ্জীৱ দত্ত আৰু বিতোপন ফুকনৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## অৰ্পিতা লইঙলৈ বিনীতা বড়ি সোঁৱৰণী শৈক্ষিক বঁটা

### মহুৰামুখ কেন্দ্ৰৰ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ৫৫.০১ শতাংশ



**দৈনিক অসমৰ প্ৰতিনিধি**
**মহুৰামুখ, ১২ এপ্ৰিল ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ ফলাফল মিশ্ৰিত পৰিলক্ষিত হৈছে। এই কেন্দ্ৰটোৰ অধীনত থকা পাঁচখন বিদ্যালয়ৰ সামগ্ৰিক উত্তীৰ্ণৰ হাৰ হৈছে ৫৫.০১ শতাংশ। কেন্দ্ৰটোৰ পৰা মুঠ ৩৬৯গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ২০৩গৰাকী উত্তীৰ্ণ হয়। কেন্দ্ৰটোৰ পৰা উত্তীৰ্ণ হোৱা মুঠ ২০৩ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ২০ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰে ৩গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিছে। আনহাতে ৯১গৰাকী দ্বিতীয় বিভাগত আৰু ১২গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। কেন্দ্ৰটোৰ অন্তৰ্ভুক্ত পাঁচখন বিদ্যালয়ৰ ফলাফলৰ মাজত যথেষ্ট তাৰতম্য পৰিলক্ষিত হৈছে। মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে ৮৫.২২ শতাংশ উত্তীৰ্ণৰ হাৰেৰে কেন্দ্ৰটোৰ ভিতৰতে শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰিছে। ইয়াৰ পাছতে বংকুৱাল উচ্চ মাধ্যমিক বিদ্যালয়ে ৭৮.৪৩ শতাংশ উত্তীৰ্ণৰ হাৰেৰে সন্তোষজনক ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। আনহাতে বাকী তিনিখন বিদ্যালয়ৰ ফলাফল তুলনামূলকভাৱে যথেষ্ট নিম্নগামী হোৱা দেখা গৈছে। আনহাতে, নামটেমেৰা গাঁৱৰ সন্তান অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়িয়ে তেওঁৰ মাতৃৰ স্মৃতিত প্ৰদান কৰা বিনীতা বড়ি সোঁৱৰণী শৈক্ষিক বঁটা এইবেলি মহুৰামুখ জাতীয় বিদ্যালয়ৰ ছাত্ৰী অৰ্পিতা লইঙে পাঁচটা বিষয়ত লেটাৰ মাৰ্কসহ কেন্দ্ৰৰ ভিতৰতে শ্ৰেষ্ঠতম প্ৰদৰ্শন কৰা বাবে উক্ত বঁটাৰ বাবে তেওঁক নিৰ্বাচিত কৰা হয়। তেওঁ নামটেমেৰা গাঁৱৰ সমাজকৰ্মী ইভান লইং আৰু নমিতা লইঙৰ জ্যেষ্ঠ কন্যা।

# জুয়ে পোৰা সোণ হৈ জিলিকিল পূজা বৰুৱা, পূজা গগৈ

## টেঙাপুখুৰীৰ দুগৰাকী ছাত্ৰীৰ সাফল্য

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাকুৱা, ১২ এপ্ৰিল ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ চৰাইদেউ জিলাৰ টেঙাপুখুৰীৰ দুগৰাকী মেধাৱী ছাত্ৰীয়ে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ঘোষিত ফলাফলত টেঙাপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুগৰাকী ছাত্ৰী পূজা বৰুৱা আৰু পূজা গগৈয়ে ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ টেঙাপুখুৰীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৯১.৬ শতাংশ নম্বৰেৰে ডিষ্টিংচনসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনে টেঙাপুখুৰী মৰাণ গাঁৱৰ পূজা বৰুৱা নামৰ মেধাৱী ছাত্ৰীগৰাকীয়ে। পিতৃয়ে দিন-হাজিৰা কৰি পৰিয়াল পোহপাল দি আহিছে। গাঁৱৰ পৰিয়ালটোৰ মুখত হাঁহি বিৰিঙাবলৈ সক্ষম হয় ছাত্ৰীগৰাকী। মৰাণ গাঁৱৰ ৰঞ্জিত বৰুৱা আৰু ভৱানী বৰুৱাৰ কন্যা পূজা বৰুৱাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমীয়াত ৯৭, ইংৰাজীত ৮৮, গণিতত ৯৩, সাধাৰণ বিজ্ঞানত ৮৮, সমাজ বিজ্ঞানত ৯২, ভূগোল বিষয়ত ৯১



নম্বৰ লাভ কৰি মেধাৰ পৰিচয় দিয়ে। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পূজা বৰুৱাই বিজ্ঞান শাখাত অধ্যয়ন কৰি ভৱিষ্যতে এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ সপোন পুহি ৰখা বুলি 'দৈনিক অসম'ক জানিবলৈ দিয়ে। ইফালে একেখন বিদ্যালয়ৰে ছাত্ৰী পূজা গগৈয়ে এইবাৰ ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮১.১৬ শতাংশৰ নম্বৰেৰে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয় অঞ্চলটোলৈ। টেঙাপুখুৰী ধামধূলি গাঁৱৰ বাসিন্দা কৃষক পৰিয়ালৰ থানুৰাম গগৈ আৰু বিজু গগৈৰ কন্যা পূজা গগৈয়ে অসমীয়াত ৮৬, ইংৰাজীত ৮০, গণিতত ৭৩, সমাজ বিজ্ঞানত ৮৬, সাধাৰণ বিজ্ঞানত ৮০, ভূগোল বিষয়ত ৮২ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। দুয়োগৰাকী মেধাৱী ছাত্ৰী পূজা বৰুৱা আৰু পূজা গগৈৰ সাফল্যত বিদ্যালয় তথা অঞ্চলবাসীয়ে গৌৰৱ অনুভৱ কৰিছে।



# ভগামুখ আদৰ্শ বিদ্যা মন্দিৰত 'ৰঙালী- চ'ৰা' সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**
**জাঁজী, ১২ এপ্ৰিল ঃ** অসম জাতীয় বিদ্যালয় সংসদ, অসমৰ দিনপঞ্জী অনুসৰি 'ভগামুখ আদৰ্শ বিদ্যা মন্দিৰ (যোৰহাট)ৰ পৰিয়ালবৰ্গও কালি পুৱা ৯ বজাৰ পৰা আৰম্ভ হোৱা 'ৰঙালী-চ'ৰা' অনুষ্ঠান দুপৰীয়া ১২ বজাৰ পৰ্যন্ত পালন কৰা হয়। উক্ত সময়ছোৱাত ছাত্ৰীসকলে জেংবিহু প্ৰদৰ্শন কৰাৰ উপৰি ছাত্ৰ সমাজে বিভিন্ন বিহুগীত, বিহুনৃত্য প্ৰদৰ্শন কৰে আৰু শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী সমন্বিতে হুঁচৰি প্ৰদৰ্শন কৰি সমৱেত অভিভাৱক তথা ৰাইজৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। সমান্তৰালভাৱে কাৰ্যসূচীৰ সফল পৰিসমাপ্তিৰ বাবে বিদ্যালয়ৰ কৰ্তৃপক্ষই সন্তোষ প্ৰকাশ কৰাৰ উপৰি সকলোকে ভূয়সী প্ৰশংসা কৰে।

# বনগাঁৱৰ শংকৰদেৱ শিশু নিকেতনৰ বিহু সন্মিলন, বঁটা বিতৰণী সভা



**দৈনিক অসমৰ প্ৰতিনিধি**
**জেংৰাইমুখ, ১২ এপ্ৰিল ঃ** বিদ্যাভাৰতীৰ অন্তৰ্গত মাজুলী জিলাৰ বনগাঁও শঙ্কৰদেৱ শিশু নিকেতনত কালি কাৰ্যসূচীৰে তিনিটা ভিন্নধৰ্মী অনুষ্ঠান অনুষ্ঠিত হয়। অঞ্চলটোৰ দহগৰাকী ককা-আইতাক নিমন্ত্ৰণ জনাই ব'হাগ বিহুত জ্যেষ্ঠজনক সেৱা কৰি আশীৰ্বাদ গ্ৰহণৰ পৰম্পৰা ৰক্ষা কৰি একোখন বিহুৱানেৰে শ্ৰদ্ধা জনাই বিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰী, আচাৰ্যই আশীৰ্বাদ লয়। ইয়াৰ পাছতে আচাৰ্য বাসুদেৱ কলিতা, মনালিছা ডেকা আৰু জুলী শইকীয়াৰ পৰিচালনাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, আচাৰ্য, অভিভাৱক, মাতৃ মিলি বিহু আদৰণী অনুষ্ঠান সম্পন্ন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ হুঁচৰিৰে আৰম্ভ হোৱা অনুষ্ঠানত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে দলীয় আৰু একক বিহুনৃত্য প্ৰদৰ্শন কৰে। বিহুনাম, যোজনা, হুঁচৰি নামেৰে মুখৰ হৈ পৰে বিদ্যালয়খনৰ প্ৰাংগণ। বিহু আদৰণী অনুষ্ঠানত বিশেষভাৱে মাৰ্গদৰ্শন কৰে লোকশিল্পী নিপো শইকীয়াই। ইয়াৰ পাছতে বিদ্যালয়খনৰ বিগত শিক্ষাবৰ্ষত প্ৰতিটো শ্ৰেণীতে, প্ৰতিটো পৰীক্ষাত বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি ষ্টাৰ নম্বৰ লাভ কৰি বছৰটোত সৰ্বাধিক ষ্টাৰ লাভ কৰা একসত্তৰগৰাকী ছাত্ৰ-ছাত্ৰীক গ'ল্ড ষ্টাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰে। বিদ্যালয়খনত প্ৰতিটো পৰীক্ষাতে ছাত্ৰ-ছাত্ৰীক ষ্টাৰ নম্বৰ দিয়াৰ ব্যৱস্থাৰে ষ্টাৰ নম্বৰৰ প্ৰতি আকৰ্ষণ আৰু বছৰৰ শেষত গ'ল্ড ষ্টাৰ প্ৰমাণ-পত্ৰ দিয়াৰ ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক অধ্যয়নৰ ক্ষেত্ৰত বিশেষ সফলতা প্ৰাপ্তিত সহায় কৰি আহিছে। এই কাৰ্যসূচীতে বিদ্যালয়ৰ ভিতৰত সৰ্বাধিক নম্বৰ লাভ কৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ আয়ুস প্ৰাচুৰ্য দাসক বিশেষভাৱে সম্বৰ্ধনা জনায়। পঞ্চম শ্ৰেণীৰ গণিত বিষয়টোত সম্পূৰ্ণ নম্বৰ লাভ কৰা ডিম্পী শইকীয়াক আচাৰ্য উত্তম শইকীয়াই বিশেষ পুৰস্কাৰ প্ৰদান কৰে। মাতৃ ভাৰতীৰ প্ৰাক্তন সভানেত্ৰী বৰ্ণালী কলিতা বৰাই বন্তি প্ৰজ্বলন কৰা বঁটা বিতৰণী সভাখনত সভাপতিত্ব কৰে পৰিচালনা সমিতিৰ সভাপতি উপেন ভূএগই। অধ্যক্ষ সূৰ্যকুমাৰ ভূএগ আৰু উপ-প্ৰধান আচাৰ্য বাসুদেৱ কলিতাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে পৰিচালনা সমিতিৰ সম্পাদক ভোগেশ্বৰ শইকীয়া, মাতৃ ভাৰতীৰ সভানেত্ৰী বীণা মেধি ভৰালী, প্ৰাক্তন সভানেত্ৰী স্বপ্না বৰা, ভূমিদাতা শিৱ দাস, পৰিচালনা সমিতিৰ উপ-সভাপতি প্ৰদীপ শৰ্মা, বন বিষয়া অতুল দাস, প্ৰতিষ্ঠাপক সম্পাদক কমল তামুলী, কৃতী শিক্ষয়িত্ৰী কৌশল্যা বায়ন হাজৰিকা, পূব মাজুলী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক উত্তম শইকীয়া, দ্বিজেন কুমাৰ শইকীয়া, সহ-গ্ৰন্থাগাৰিক গৌতম শইকীয়া, অৱসৰপ্ৰাপ্ত বেংক বিষয়া নাৰায়ণ ভৰালী, শিল্পী বুলবুল বৰুৱা। এই সভাতে ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাৰ্ষিক খেল, সাহিত্য আৰু সংগীত সমাৰোহত ভিন্ন বিষয়ত স্থানপ্ৰাপ্তসকলক প্ৰশংসা-পত্ৰ প্ৰদান কৰে। শতাধিক ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰশংসা-পত্ৰ লাভ কৰিবলৈ সক্ষম হয়। মুঠ ১৩টা বিষয়ত স্থান লাভ কৰি বিদ্যালয়ৰ ভিতৰতে শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে স্থান লাভ কৰে নৱম শ্ৰেণীৰ ছাত্ৰী কুকি ভঁৰালীয়ে।

## তদন্ত ঘোষণা বিদ্যালয় অধ্যক্ষৰ

# ব্যৱহাৰিক নম্বৰৰপৰা বঞ্চিত মেধাৱী ছাত্ৰ , মাৰ্ঘেৰিটাত শিক্ষকৰ পক্ষপাতদুষ্ট আচৰণৰ অভিযোগ

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**মাৰ্ঘেৰিটা, ১২ এপ্ৰিল ঃ** মাৰ্ঘেৰিটাৰ ছেইন্ট মেৰীজ স্কুলত ব্যৱহাৰিক নম্বৰ প্ৰদানক লৈ উত্থাপিত এক অভিযোগে শিক্ষাব্যৱস্থাৰ স্বচ্ছতা আৰু ন্যায়সংগত পদ্ধতিক লৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্কুলখনৰ কৌস্তভ ডেকা নামৰ এজন ছাত্ৰই ৯১.১৬ শতাংশ নম্বৰ লাভ কৰি শীৰ্ষস্থান অৰ্জন কৰে। মাৰ্ঘেৰিটাস্থ ছেইন্ট মেৰীজ স্কুলৰ পৰা অৱতীৰ্ণ হোৱা ছাত্ৰজনৰ ক্ষেত্ৰত অভিযোগ উঠিছে যে ব'ৰ্ড পৰীক্ষাত প্ৰায় সম্পূৰ্ণ নম্বৰ লাভ কৰাৰ পাছতো তেওঁ ১০০ নম্বৰৰ পৰা বঞ্চিত হৈছে। বিশেষকৈ উচ্চ গণিত বিষয়ত সম্পূৰ্ণ নম্বৰ পোৱাৰ আশা কৰা ছাত্ৰজনে ফলাফলত লাভ কৰে ৯৭ নম্বৰ। একেধৰণৰ নম্বৰ হ্ৰাস সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয়তো লক্ষ্য কৰা গৈছে। উল্লেখযোগ্য যে ছাত্ৰজন এটা দৰিদ্ৰ পৰিয়ালৰ। তেওঁৰ দেউতাকে ই-ৰিক্সা চলাই পৰিয়াল চলায়। এই পৰিস্থিতিত নম্বৰ হ্ৰাসে পৰিয়ালটোক গভীৰভাৱে আঘাত কৰিছে। অভিযোগ অনুসৰি, স্কুলৰ পৰা প্ৰদান কৰা ব্যৱহাৰিকৰ ১০ নম্বৰৰ ভিতৰত ৩-৪ নম্বৰকৈ কমাই দিয়া হৈছে তিনিটা বিষয়ত। এই ব্যৱহাৰিক নম্বৰ প্ৰদানৰ ক্ষেত্ৰত কোনো আনুষ্ঠানিক পৰীক্ষা অনুষ্ঠিত কৰা নহয় বুলিও অভিযোগ উত্থাপন কৰা হৈছে। পৰিয়ালৰ লোকে এজন শিক্ষকক এই বিষয়ে সোধাত তেওঁ এই নম্বৰসমূহ 'নিজৰ মতে' দিয়া হয় বুলি জনোৱা বুলি অভিভাৱক পক্ষই দাবী কৰিছে। ইয়াৰ পাছতে বিদ্যালয়খনৰ অধ্যক্ষই বিষয়টো গুৰুত্ব সহকাৰে লৈ সমগ্ৰ ঘটনাটোৰ তদন্ত কৰাৰ কথা ঘোষণা কৰিছে আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি জনাইছে। অভিযোগত আৰু কোৱা হৈছে যে একে বিষয়ত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সম্পূৰ্ণ নম্বৰ লাভ কৰাৰ বিপৰীতে আন কিছুমানৰ ক্ষেত্ৰত নম্বৰ কমোৱা হৈছে। বিশেষকৈ সংশ্লিষ্ট বিষয়ৰ শিক্ষকৰ সৈতে টিউচনৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰীয়ে সুবিধা লাভ কৰা বুলি সন্দেহ প্ৰকাশ কৰা হৈছে। ইয়াৰ বিপৰীতে অভিযোগৰ সন্মুখীন হোৱা শিক্ষক দম্পতী মিৰাজ ছাৰৱাৰ আৰু আছফিয়া চুলতানাই এই অভিযোগ সম্পূৰ্ণভাৱে অস্বীকাৰ কৰিছে।

MARKS DETAILS

| Subject | | Full Marks | Pass Marks | Marks Obtd. | Remark |
|---|---|---|---|---|---|
| 01 - FIRST LANGUAGE : ASSAMESE | Theory | 100 | 030 | 089 | L |
| | Total | 100 | 030 | 089 | |
| C1 - SECOND LANGUAGE : ENGLISH | IA / Pract. | 010 | 003 | 010 | L |
| | Objective | 045 | 013 | 036 | |
| | Descriptive | 045 | 014 | 041 | |
| | Total | 100 | 030 | 087 | |
| C2 - GENERAL MATHEMATICS | IA / Pract. | 010 | 003 | 006 | L |
| | Objective | 045 | 013 | 041 | |
| | Descriptive | 045 | 014 | 045 | |
| | Total | 100 | 030 | 092 | |
| C3 - GENERAL SCIENCE | IA / Pract. | 010 | 003 | 007 | L |
| | Objective | 045 | 013 | 040 | |
| | Descriptive | 045 | 014 | 041 | |
| | Total | 100 | 030 | 088 | |
| C4 - SOCIAL SCIENCE | IA / Pract. | 010 | 003 | 010 | L |
| | Objective | 045 | 013 | 039 | |
| | Descriptive | 045 | 014 | 045 | |
| | Total | 100 | 030 | 094 | |
| 19 - ELECTIVE : ADVANCED MATHEMATICS (E) | IA / Pract. | 010 | 003 | 007 | L |
| | Theory | 090 | 027 | 090 | |
| | Total | 100 | 030 | 097 | |
| GRAND TOTAL | | 600 | 180 | 547 | D |

FINAL RESULT

# গোলাঘাটত পহিলা ব'হাগৰ প্ৰস্তুতি

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**
**গোলাঘাট, ১২ এপ্ৰিল ঃ** অহা পহিলা ব'হাগ (১৫ এপ্ৰিল)ত গোলাঘাটত বৰ্ণাঢ্য কাৰ্যসূচীৰে পহিলা ব'হাগ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি অব্যাহত আছে। গোলাঘাটৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'অলকানন্দা'ৰ উদ্যোগত তৃতীয় বাৰ্ষিক পহিলা ব'হাগ গোলাঘাটৰ সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা সামাজিক-সাংস্কৃতিক অনুষ্ঠান গোলাঘাট ফ'ৰ এইচ ক্লাবৰ খেলপথাৰত উদ্‌যাপন কৰা হ'ব। সেই অনুসৰি ১ ব'হাগৰ পুৱা বিহুৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি অমিয় কুমাৰ বৰাই আৰু অলকানন্দাৰ পতাকা উত্তোলন কৰিব সভাপতি মনময়ূৰী দাসে। স্মৃতি তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ সম্পাদক পংকজ পূজাৰী, কাৰ্যকৰী সভাপতি ৰেকিব শ্বাহ, অলকানন্দাৰ সম্পাদক দশমী বৰা, পৰীক্ষিত শইকীয়া আৰু ভাস্কৰ গোহাঁয়ে। অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈয়ে। ইয়াৰ পাছতে উপস্থিত সকলোৱে শ্ৰদ্ধাঞ্জলি কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে গছপুলি ৰোপণ কৰিব ফ'ৰ এইচ ক্লাবৰ সভাপতি ৰাজীৱ শৰ্মা আৰু বিশিষ্ট সমাজকৰ্মী অতুল গগৈয়ে, জ্যেষ্ঠ নাগৰিক আৰু ভকত-বৈষ্ণৱক বিহুৰ সেৱা অনুষ্ঠানৰ আঁত ধৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি দ্বিজেন বৰাই। বিহুৰ জলপান গ্ৰহণ অনুষ্ঠান মুকলি কৰিব গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰবক্তা ডঃ যতীন নাথে। ইয়াৰ পাছতে অনুষ্ঠিত হ'বলগীয়া কণীযুঁজ, টেকেলি ভঙা, সংগীত চকী প্ৰতিযোগিতা মুকলি কৰিব গোলাঘাট পৌৰসভাৰ উপ-পৌৰপতি সীমান্ত বৰাই। বিয়লি ২ বজাৰ পৰা হ'বলগীয়া সাংস্কৃতিক কাৰ্যসূচী উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপ-সভাপতি জিতুল ৰাজখোৱাই, বিয়লি ৪ বজাত আমন্ত্ৰিত হুঁচৰি দলৰ হুঁচৰি প্ৰদৰ্শন কৰিব লগা হুঁচৰি দলক আদৰণি জনাব গোলাঘাট জিলা উন্নয়ন প্ৰাধিকৰণৰ সভাপতি সঞ্জীৱ দাসে আৰু সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'বলগীয়া স্থানীয় জনপ্ৰিয় কণ্ঠশিল্পীৰ সংগীতানুষ্ঠান উদ্বোধন কৰিব নুমলীগড় তেল শোধনাগাৰৰ আইন বিভাগৰ মুখ্য প্ৰবন্ধক শান্তনু গগৈয়ে।

# পিতৃৰ স্মৃতিত গ্ৰন্থ ক্ৰয়ৰ বাবে অনুদান মুহিবুদ্দিন আহমেদৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**মাজুলী, ১২ এপ্ৰিল ঃ** লখিমপুৰৰ এগৰাকী স্বনামধন্য শিক্ষাবিদ, তেলাহী বাণ্টৌ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰয়াত জামালুদ্দিন আহমেদৰ স্মৃতিত মাজুলী মহাবিদ্যালয়লৈ গ্ৰন্থ ক্ৰয়ৰ বাবে তেওঁৰ পুত্ৰ, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লখিমপুৰ সংমণ্ডলৰ অৱসৰপ্ৰাপ্ত মুখ্য সহায়ক মুহিবুদ্দিন আহমেদে ১১ এপ্ৰিলত নগদ এক লাখ টকা আগবঢ়ায়। এই উপলক্ষে মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্ত দেৱগোস্বামী সভাকক্ষ'ত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত মুহিবুদ্দিন আহমেদ আৰু তেওঁৰ পৰিয়ালে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াৰ হাতত সেই ধন অৰ্পণ কৰে। উল্লেখ্য, ১৯৬২ চনতে প্ৰতিষ্ঠিত মাজুলীৰ প্ৰাচীনতম উচ্চশিক্ষাৰ অনুষ্ঠানটোৱে যোৱা ২০১৬ চনৰ ৮ অক্টোবৰৰ পৰা ৰূপায়ণ কৰি অহা 'গ্ৰন্থ দান মহান দান' শীৰ্ষক কাৰ্যসূচীত ভাগ লৈ বিভিন্নজন মহানুভৱ ব্যক্তিয়ে আগবঢ়োৱা গ্ৰন্থই ইতিমধ্যে ত্ৰিশ হাজাৰৰ সীমা অতিক্ৰম কৰিছে। বিভিন্নজনে দানসূত্ৰে আগবঢ়াইছে শতাধিক কিতাপ থোৱা আলমিৰা, চেল্‌ফ ইত্যাদি।



আজি দাতা মুহিবুদ্দিন আহমেদ আৰু তেওঁৰ পৰিয়ালবৰ্গক কৃতজ্ঞতা জ্ঞাপন কৰিবৰ উদ্দেশ্যে আয়োজিত সভাখনত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই দাতা মুহিবুদ্দিন আহমেদ আৰু বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ডঃ হামিদুৰ ৰহমানক অংগবস্ত্ৰ, কিতাপৰ টোপোলা আৰু মহাবিদ্যালয়ৰ স্মাৰকেৰে সম্ভাষণ জনায়। নিজৰ পেন্সনৰ ধনৰ পৰা মুহিবুদ্দিন আহমেদে তেওঁৰ পিতৃৰ স্মৃতিত মাজুলী মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ উপকাৰত অহাকৈ আগবঢ়োৱা এই দান তেওঁৰ বদান্যতাৰ চিন বুলি মন্তব্য কৰে। মাজুলী মহাবিদ্যালয় পৰিয়ালে মুহিবুদ্দিন আহমেদৰ এই মহানুভৱতাৰ কথা সদায় মনত ৰাখিব বুলি উল্লেখ কৰি অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়াই কয়— 'গ্ৰন্থ-ধন অক্ষয় আৰু অব্যয় সম্পত্তি। দানক পৰিত্ৰাতিপৰিত্ৰ কৰ্ম বুলি অভিহিত কৰা হয়। সেই দান যেতিয়া জ্ঞানৰ ভাণ্ডাৰস্বৰূপ গ্ৰন্থ হয়, তেতিয়া বিষয়টো হৈ পৰে অধিক তাৎপৰ্যপূৰ্ণ।' মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকাই আঁত ধৰা সভাখনত মহাবিদ্যালয় কৰ্মচাৰী গোটৰ তৰফৰ পৰা বিশিষ্ট ব্যক্তিসকলক একোখনকৈ বিহুৱানেৰে বিহুৰ ওলগ যচা হয়। সভাত নিজৰ অনুভৱ প্ৰকাশ কৰি মুহিবুদ্দিন আহমেদ আৱেগিক হৈ পৰে আৰু পিতৃৰ নামত সমাজলৈ সাধ্যানুসাৰে কিবা এটা আগবঢ়াবলৈ পাই কৃতাৰ্থ হোৱা বুলি কয়। আজিৰ সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা লখিমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, শিক্ষাবিদ ডঃ হামিদুৰ ৰহমানেও মহাবিদ্যালয়লৈ বিশখন গ্ৰন্থ দান কৰে। মুহিবুদ্দিন আহমেদৰ এই বদান্যতাত মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱ গোস্বামী, মহাবিদ্যালয় প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া আদিয়ে কৃতজ্ঞতা জ্ঞাপন কৰিছে।

**গ্ৰন্থ-ধন অক্ষয় আৰু অব্যয় সম্পত্তি ঃ ডঃ দেৱজিৎ শইকীয়া**



*কৃষ্ণচূড়াৰ ডালত এটি বুলবুলি চৰাইৰ খন্তেক জিৰণি, নতুন দিল্লীত।*

### যুদ্ধৰ বজাৰত বৃহৎ সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰৰ

# প্ৰতি লিটাৰত ৩৪ টকা বৃদ্ধি ডিজেলৰ ৰপ্তানি শুল্ক



**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** মধ্য এছিয়াৰ যুদ্ধৰ প্ৰভাৱে প্ৰভাৱান্বিত কৰিছে ইন্ধনৰ বজাৰো। এনে পৰিস্থিতিত এক বৃহৎ সিদ্ধান্ত গ্ৰহণ কৰিলে কেন্দ্ৰীয় চৰকাৰে। শনিবাৰে ডিজেলৰ ৰপ্তানি শুল্ক প্ৰতি লিটাৰত ৫৫.৫০ টকা বৃদ্ধি কৰিলে বিত্ত মন্ত্ৰণালয়ে। ইয়াৰ লগতে বৃদ্ধি কৰা হৈছে বিমানৰ ইন্ধন তথা এভিয়েচন টাৰ্বাইন ফুৱেলৰ ৰপ্তানি শুল্কও। ইয়াৰ পূৰ্বে ডিজেলৰ ৰপ্তানি শুল্ক আছিল প্ৰতি লিটাৰত ২১.৫০ টকা। এইবাৰ ৩৪ টকা বৃদ্ধি হোৱাত সেই পৰিমাণ হ'লগৈ ৫৫.৫০ টকা। আনহাতে বিমানৰ ইন্ধনৰ ৰপ্তানি শুল্ক আছিল ২৯.৫০ টকা। কিন্তু প্ৰায় ১৩ টকা বৃদ্ধি পোৱাত এতিয়া হয়গৈ ৪২ টকা। শনিবাৰৰ পৰাই এই নতুন হাৰ কাৰ্যকৰী হোৱা বুলি জনাইছে কেন্দ্ৰীয় চৰকাৰৰ বিত্ত মন্ত্ৰণালয়ে। অৱশ্যে পেট্ৰ'লৰ ৰপ্তানি শুল্কৰ ক্ষেত্ৰত কোনো সালসলনি হোৱা নাই। মধ্যপ্ৰাচ্যৰ যুদ্ধৰ ফলত যাতে দেশত তেল সংকটৰ সৃষ্টি নহয়, সেইকাৰণে এই সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰীয় চৰকাৰে। ইয়াৰ ফলত দেশত ডিজেলৰ সৰবৰাহ বৃদ্ধি পাব আৰু দামো নিয়ন্ত্ৰণত থাকিব। আনহাতে যুদ্ধৰ কাৰণে বিশ্বব্যাপী ইন্ধনৰ সংকটৰ কোপত পৰিছে বিমান ভ্ৰমণো। বৃদ্ধি পাইছে বিমানৰ ভাৰা। ফলত পৰিস্থিতি যাতে কিছু নিয়ন্ত্ৰণত থাকে, তাৰেই চেষ্টা চলাইছে কেন্দ্ৰীয় চৰকাৰে।

# ভোটদান মৌলিক অধিকাৰ নহয়

### অৱস্থান স্পষ্ট কৰিলে উচ্চতম ন্যায়ালয়ে

**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** ভোটাধিকাৰ কোনো মৌলিক অধিকাৰ নহয়। —এই কথা স্পষ্ট কৰি দিলে উচ্চতম ন্যায়ালয়ে। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে যে ভোট দিয়াৰ অধিকাৰ অথবা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ অধিকাৰ কেতিয়াও নিৰংকুশ কোনো অধিকাৰ



নহয়। বৰং এইবোৰ এক বিধিবদ্ধ অধিকাৰ, যি সংশ্লিষ্ট আইনৰ জৰিয়তে নিৰ্দ্ধাৰিত চৰ্ত অনুযায়ী প্ৰযোজ্য। উল্লেখ্য যে ৰাজস্থানৰ এখন সমবায়ৰ নিৰ্বাচন সম্পৰ্কীয় গোচৰ চলিছিল উচ্চতম ন্যায়ালয়ত। ন্যায়াধীশ বি ভি নাগৰত্ন আৰু বিচাৰক আৰ মহাদেৱনৰ বেঞ্চত গোচৰটোৰ শুনানি হয়। তাতেই দুই ন্যায়াধীশৰ বেঞ্চে জনায় যে ভোট দিয়াৰ অধিকাৰ আৰু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ অধিকাৰ দুয়োটাই স্বতন্ত্ৰ অধিকাৰ। সাংবিধানিকভাৱে নহয়, বৰং বিধিবদ্ধ কিছু বিধানৰ দ্বাৰা এই অধিকাৰসমূহ নিশ্চিত কৰা হয়। উচ্চতম ন্যায়ালয়ে এই কথাও জনাইছে যে এই অধিকাৰসমূহ নিৰংকুশ নহয়, আইনৰ নিৰ্দ্ধাৰিত চৰ্তাৱলীৰ আওতাত ৰৈছে এই অধিকাৰসমূহ।

# নতুন নক্সাৰে নিৰ্মাণ হ'ব ভূপালৰ বিতৰ্কিত সেতু

### পুনৰ্নিৰ্মাণৰ পাছতে জনগণৰ বাবে মুকলি কৰাৰ সম্ভৱনা



**ভূপাল, ১২ এপ্ৰিল ঃ** মধ্যপ্ৰদেশৰ ভূপালৰ ৯০ ডিগ্ৰীৰ ৰে'ল দলংখনে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। তাক লৈ বিতৰ্কও হৈছিল যথেষ্ট। এনে বিতৰ্কৰ বাবেই দলংখন নিৰ্মাণ হ'লেও মুকলি কৰিব পৰা হোৱা নাছিল। অৱশেষত এই দলংখন মুকলি কৰাৰ সম্ভাৱনা সৃষ্টি হৈছে। অৱশ্যে তাৰ পূৰ্বেই দলংখনৰ নক্সা নতুনকৈ কৰা হ'ব। সেই নক্সা অনুসৰি পুনৰ্নিৰ্মাণো হ'ব। তাৰ পাছতেই জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হ'ব দলংখন। প্ৰায় দহ মাহ ধৰি দলংখন এনেদৰেই পৰি আছে। অৱশ্যে সম্প্ৰতি এই সম্পৰ্কে এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। জানিব পৰা মতে এই বৈঠকত সংশ্লিষ্ট দুয়োটা বিভাগ সহমতত উপনীত হৈছে। এইবাৰ অপেক্ষা কেৱল কাম আৰম্ভ কৰাৰ। উল্লেখ্য যে মহাময় কা বাগ আৰু পুষ্পনগৰৰ মাজত যোগাযোগ মসৃণ কৰিবলৈ নিউ ভূপালৰ ষ্টেচন সংলগ্ন অঞ্চলত এই ৰে'ল দলংখন নিৰ্মাণ কৰা হয়। ১৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা ৰে'ল দলংখন নিৰ্মাণৰ পাছতে বিতৰ্কৰ কেন্দ্ৰবিন্দু হৈ পৰে। উদ্বোধনৰ পূৰ্বে কিছুসংখ্যক গাড়ী এই দলঙৰ ৯০ ডিগ্ৰীৰ ভাঁজ অতিক্ৰম কৰিবলৈ গৈ দুৰ্ঘটনাৰ কবলত পৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী মোহন যাদৱে বিষয়টোত হস্তক্ষেপ কৰি নিৰ্মাণকাৰ্যৰ সৈতে জড়িত আঠজন অভিযন্তাক নিলম্বন কৰে।

### সুদীৰ্ঘ ২১ ঘণ্টাজোৰা বৈঠকতো নোলাল সমাধানসূত্ৰ

# ইৰান-আমেৰিকাৰ শান্তি আলোচনা ব্যৰ্থ



**ইছলামাবাদ, ১২ এপ্ৰিল ঃ** আমেৰিকা আৰু ইৰানৰ শান্তি আলোচনাৰ বৈঠক সম্পৰ্কে কোনো বিস্তাৰিত তথ্য পোহৰলৈ আনিব বিচৰা নাই মাৰ্কিন উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে। অৱশ্যে মূলতঃ ইৰানৰ পাৰমাণৱিক কাৰ্যসূচীক লৈ দুয়োপক্ষৰ অসন্মতিৰ বাবেই এই আলোচনা ব্যৰ্থ হোৱা বুলি জানিব পৰা গৈছে। ইছলামাবাদত সাংবাদিক বৈঠকত ভেন্সে কয়— 'ইৰানৰ পাৰমাণৱিক কৰ্মসূচী আৰু সমৃদ্ধকৰণ কেন্দ্ৰসমূহ পূৰ্বেই ধ্বংস কৰিছে আমেৰিকাই। কিন্তু ইৰানে যে পাৰমাণৱিক অস্ত্ৰ ভৱিষ্যতে তৈয়াৰ নকৰে, সেই আশ্বাস তেওঁলোকে দিয়া নাই।' ইপিনে মাৰ্কিন উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ বিবৃতিত উল্লেখ কৰিছে— 'আমেৰিকাই কি বিচাৰে আৰু কি নিবিচাৰে, সেয়া বৈঠকত পৰিষ্কাৰভাৱে আমি জনাইছোঁ। কিন্তু তাৰ পাছতো কোনো বুজাবুজিলৈ নহাত আমি উভতি আহিবলগীয়া হৈছে।' উল্লেখ্য যে বৈঠক চলি থকাৰ সময়তে মাৰ্কিন প্ৰতিনিধি দলটোৰ সৈতে যোগাযোগ ৰাখিছিল খোদ মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। ভেন্সৰ কথাৰে— 'প্ৰায় ৬ৰ পৰা ১২বাৰ তেওঁ ফোন কৰিছিল। ইৰানৰ বক্তব্য আমি তেওঁক জনাইছিলোঁ।' বৈঠক ব্যৰ্থ হোৱা সম্পৰ্কত ভেন্সে আৰু কয়— 'পাৰমাণৱিক বোমা তৈয়াৰ নকৰা সম্পৰ্কত আমি ইৰানৰ পৰা আশ্বাস বিচাৰিছিলোঁ। তেওঁলোকে ক'ব লাগিব যে বোমা তৈয়াৰ নকৰে আৰু পৰমাণু বোমা তৈয়াৰ কৰাৰ বাবে প্ৰয়োজনীয় যন্ত্ৰ-পাতি বা উপাদানো হাতত নাৰাখে। মাৰ্কিন ৰাষ্ট্ৰপতিয়েও সেয়া বিচাৰিছিল। কিন্তু এই সম্পৰ্কত আমি বুজাবুজিলৈ আহিব নোৱাৰিলোঁ।' অৱশ্যে বিস্তাৰিত তথ্য প্ৰকাশৰ পৰা তেওঁ বিৰত থাকে। ইপিনে আলোচনা ব্যৰ্থ হোৱাৰ পাছতেই তেহৰানে স্পষ্ট কৰি দিয়ে যে আমেৰিকাৰ অযুক্তিকৰ দাবীৰ বাবেই কোনো সমাধানসূত্ৰ নোলাল। ইৰানৰ চৰকাৰী সংবাদ মাধ্যমে জনাইছে যে ইৰানৰ নাগৰিকসকলৰ স্বাৰ্থ ৰক্ষা কৰাই আছিল আমাৰ প্ৰতিনিধি দলৰ মূল লক্ষ্য। সেইবাবেই একেৰাহে ২১ ঘণ্টা আলোচনা চলিছিল। কিন্তু তেহৰানৰ একাধিক উদ্যোগ সত্ত্বেও মাৰ্কিন প্ৰতিনিধিৰ অযুক্তিকৰ দাবীৰ বাবে আলোচনা ব্যৰ্থ হয়। আলোচনা ব্যৰ্থ হোৱাৰ পাছতেই আজি পুৱা এক সংবাদমেল সম্বোধন কৰি এই বিষয়ে জানিবলৈ দিয়ে মাৰ্কিন উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে। অৱশ্যে পৰৱৰ্তী সময়ত ইৰানৰ সৈতে পুনৰ আলোচনা অনুষ্ঠিত হোৱা বিষয়ত তেওঁ কোনো কথা স্পষ্টভাৱে জনোৱা নাই। আনহাতে, ইৰানৰ তৰফৰপৰা জনোৱা হয় যে দুয়োপক্ষৰ প্ৰতিনিধিয়ে নথি-পত্ৰ আদান-প্ৰদান কৰিব। আগন্তুক সময়ত দুয়োপক্ষ পুনৰ আলোচনাত বহিব বুলি দাবী কৰে ইৰানে। অৱশ্যে আলোচনা ব্যৰ্থ হোৱাৰ ফলত পুনৰ যুদ্ধৰ আশংকাই দেখা দিছে।

# ইৰানলৈ অস্ত্ৰ পঠিয়ালে পৰিণাম ভাল নহ'ব

### আমেৰিকা-ইৰানৰ যুদ্ধৰ মাজতে চীনক সতৰ্ক ট্ৰাম্পৰ

**নিউয়ৰ্ক, ১২ এপ্ৰিল ঃ** দুসপ্তাহৰ বাবে আমেৰিকা আৰু ইৰানৰ মাজত যুদ্ধবিৰতিৰ বুজাবুজি সম্পন্ন হৈছে। এক চূড়ান্ত সমাধানসূত্ৰ উলিয়াবৰ বাবে শনিবাৰে ইছলামাবাদত শান্তি আলোচনাত মিলিত হয় যদিও সেয়া ব্যৰ্থ হৈছে। কিন্তু এই আলোচনাৰ মাজতে ইৰানক লৈ চীনক সতৰ্কবাণী শুনায় মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি হোৱাইট হাউছৰ পৰা মিয়ামিলৈ যোৱাৰ পথত সাংবাদিকৰ আগত তেওঁ কয়— 'ইৰানক কোনোধৰণে যাতে চীনে সহযোগিতা নকৰে। যদি অস্ত্ৰ-শস্ত্ৰৰে সহায় কৰে তেনেহ'লে তাৰ পৰিণাম খুব ভাল নহ'ব।' ঘটনাক্ৰমে ট্ৰাম্পৰ এই হুমকিৰ কেইঘণ্টামান পূৰ্বেই সংবাদ মাধ্যম চি এন এনে চোৰাংচোৰাৰ এক সূত্ৰৰ উদ্ধৃতি দি দাবী কৰিছিল যে ইৰানক অস্ত্ৰসহ সহযোগিতা কৰিছে বেইজিঙে। বিশেষকৈ সামৰিক সংঘাতৰ এই পৰিস্থিতিত ইৰানৰ আকাশী প্ৰতিৰক্ষা ব্যৱস্থাক অধিক মজবুত কৰিবলৈ কিছুদিনৰ ভিতৰতে অস্ত্ৰ পঠিওৱাৰ বাবে সাজু হৈছে চীনৰ ৰাষ্ট্ৰপতি চি জিনপিঙে। অৱশ্যে আমেৰিকাৰ চীনা দূতাবাসে এক বিবৃতিযোগে জনাইছে যে বেইজিঙে কোনো দেশক কোনোধৰণৰ অস্ত্ৰৰে সহযোগিতা নকৰে। যিধৰণৰ খবৰ ওলাইছে সেয়া সম্পূৰ্ণ ভিত্তিহীন বুলি উল্লেখ কৰি এনেধৰণৰ খবৰত বিশ্বাস নকৰিবলৈ আহ্বান জনাইছে চীনে।

## ব্যৰ্থ বৈঠক প্ৰসংগত ইৰানৰ দাবী



# আলোচনা ব্যৰ্থ কৰিবলৈ অজুহাত বিচাৰিছিল আমেৰিকাই

**তেহৰান, ১২ এপ্ৰিল ঃ** পশ্চিম এছিয়াত শান্তিৰ লক্ষ্যৰে পাকিস্তানৰ মাটিত ২১ ঘণ্টা ধৰি চলা বৈঠক ব্যৰ্থ হৈছে, যাৰ দোষ ইৰানৰ ওপৰত জাপি দিব বিচাৰিছে মাৰ্কিন উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্সে। এইবাৰ বৈঠক ব্যৰ্থ হোৱা সম্পৰ্কত মুখ খুলিছে ইৰানে। দেওবাৰে ইৰানৰ তৰফৰ পৰা জনোৱা হৈছে— আলোচনা ব্যৰ্থ কৰিবলৈ অজুহাত বিচাৰি আছিল আমেৰিকাই। বিভিন্ন ধৰণৰ অমূলক দাবী ৰখা হৈছিল, যিবোৰ দাবী কোনোমতেই মানি লোৱা সম্ভৱ নহয়। উল্লেখ্য যে ইৰানৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰি ধনৰ শ্ৰাদ্ধ কৰাৰ বাহিৰে বিশেষ লাভ হোৱা নাই আমেৰিকাৰ। বৰং বন্ধ হৈ পৰিছে হৰমুজ প্ৰণালী। এনে অৱস্থাত শান্তি চুক্তিৰ লক্ষ্যৰে ইছলামাবাদত ইৰানৰ প্ৰতিনিধিসকলৰ সৈতে আলোচনাত মিলিত হৈছিল মাৰ্কিন উপ-ৰাষ্ট্ৰপতি জে ডি ভেন্স। আলোচনা ব্যৰ্থ হোৱাৰ পাছত ইৰানৰ চৰকাৰী সংবাদ মাধ্যমৰ তৰফৰ পৰা জনোৱা হৈছে যে বিশ্বৰ সন্মুখত নিজৰ ভাবমূৰ্তি উজ্জ্বল কৰিবলৈ এই আলোচনাত বহিছিল আমেৰিকা। তেহৰানে আৰু প্ৰকাশ কৰা মতে, আমেৰিকাই নিজৰ দাবীৰ পৰা অলপো পিছ হুঁহকি আহিব বিচৰা নাই। আলোচনাৰ মেজত চৰ্ত আৰোপ কৰাৰ বাবে আৰু কোনো কথাই হোৱা নাই। উল্লেখ্য যে বৈঠক ব্যৰ্থ হোৱাৰ পাছত মাৰ্কিন উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে সদৰি কৰিছিল যে আমেৰিকাই কি বিচাৰে আৰু কি নিবিচাৰে তাক বৈঠকত স্পষ্টভাৱে জনোৱা হৈছিল। কিন্তু তাৰ পাছতো কোনো বুজাবুজিলৈ আহিব পৰা নহ'ল। কোনো সমাধানসূত্ৰ অবিহনেই আমেৰিকাৰ প্ৰতিনিধি দলটো উভতি যাবলগীয়া হোৱা বুলিও তেওঁ কৈছিল।

### তেহৰান আক্ৰমণত ব্যৱহাৰ কৰিব ৰিয়াধে

# ছৌদিলৈ যুদ্ধবিমান পঠিয়ালে পাকিস্তানে



**লাহোৰ, ১২ এপ্ৰিল ঃ** ইছলামাবাদত আমেৰিকা আৰু ইৰানৰ মাজত শান্তি বৈঠক চলি থকাৰ সময়তে ছৌদি আৰবলৈ যুদ্ধবিমান পঠিয়ালে পাকিস্তানে। সংবাদ মাধ্যম 'আল জাজীৰা'ৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ছৌদিৰ সৈতে পাৰস্পৰিক প্ৰতিৰক্ষা চুক্তি সম্পাদিত হৈছে পাকিস্তানৰ। সেই চুক্তিৰ প্ৰথম পদক্ষেপ হিচাপেই ছৌদিলৈ যুদ্ধবিমান পঠিয়াইছে আমেৰিকাই। ছৌদি আৰবৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ এক বিবৃতিত উল্লেখ কৰা হৈছে যে শনিবাৰে দেশখনৰ পূৰ্ব প্ৰদেশৰ ৰাজা আব্দুলাজিজ বিমানঘাটিত অৱতৰণ কৰিছে সেই যুদ্ধবিমানে। আমেৰিকা আৰু ইৰানৰ বৈঠক ব্যৰ্থ হোৱাৰ পাছতে প্ৰশ্ন উত্থাপিত হৈছে যে পাকিস্তানৰ এই যুদ্ধবিমান এইবাৰ তেহৰানত আক্ৰমণৰ বাবে ব্যৱহাৰ কৰিব ছৌদিয়ে। উল্লেখ্য যে ২০২৫ চনৰ ছেপ্টেম্বৰত এই প্ৰতিৰক্ষা চুক্তি সম্পাদিত হৈছিল পাকিস্তান আৰু ছৌদি আৰবৰ মাজত। ছৌদিলৈ গৈ যুৱৰাজ মহম্মদ বিন ছালমনৰ সৈতে সাক্ষাৎ কৰিছিল পাক প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে। এই চুক্তিৰ চৰ্ত আছিল যে এখন দেশত আক্ৰমণ হ'লে দ্বিতীয়খন দেশে সেয়া নিজৰ ওপৰত আক্ৰমণ হোৱা বুলি গণ্য কৰিব। ইৰানত ইজৰাইল আৰু আমেৰিকাৰ যুটীয়া আক্ৰমণৰ পাছত তেহৰানে প্ৰত্যাঘাত আৰম্ভ কৰে। তেওঁলোকে জনাই দিয়ে যে পশ্চিম এছিয়াৰ যিবোৰ ঠাইত আমেৰিকাৰ ঘাটি আছে, সেইবোৰত আক্ৰমণ চলোৱা হ'ব। ইৰানে এই আক্ৰমণ আৰম্ভ কৰাৰ পাছৰ পৰাই পাকিস্তানে উভয় পক্ষৰ সৈতে ভাৰসাম্য বৰ্তাই ৰাখি আগবাঢ়িছে।

# মহিলাৰ সংৰক্ষণ বিলক লৈ বিশেষ অধিৱেশন

### হুইপ জাৰি বিজেপিৰ

**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** মহিলাৰ সংৰক্ষণ বিল পাছ কৰাবলৈ ১৬, ১৭ আৰু ১৮ এপ্ৰিলত অনুষ্ঠিত হ'ব সংসদৰ বিশেষ অধিৱেশন। এই অধিৱেশনত দলীয় সাংসদসকলৰ উপস্থিতি নিশ্চিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে বিজেপিয়ে। সংসদৰ উভয় সদনৰ সাংসদসকলক এই সম্পৰ্কত হুইপ জাৰি কৰিছে দলটোৱে। হুইপ জাৰি কৰি কোৱা হৈছে যে অধিৱেশনৰ সময়ত দলীয় সাংসদসকল উপস্থিত থাকিব লাগিব। আনহাতে মহিলাৰ আসন সংৰক্ষণ বিলৰ সংশোধনীত সমৰ্থনৰ বাবে আবেদন জনাই শনিবাৰে সকলো ৰাজনৈতিক দলক পত্ৰ দিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। উল্লেখ্য যে ২০২৩ চনত 'নাৰী শক্তি বন্দন অধিনিয়ম' বিল পাছ হৈছিল সংসদত। সেই বিলত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষিত থাকিব বুলি উল্লেখ কৰা হৈছিল। অৱশ্যে বিল পাছ হোৱাৰ সময়ত কোৱা হৈছিল যে প্ৰথমে লোকগণনা হ'ব। তাৰ পাছত এই লোকপিয়লৰ ভিত্তিত জনবিন্যাস কিমান হৈছে, তাৰ ভিত্তিতে আসন পুনৰ্বিন্যাস কৰা হ'ব। কিন্তু এতিয়া এই বিলৰে সংশোধনী আনিব বিচাৰিছে কেন্দ্ৰই। যি লোকপিয়লৰ কথা বিলখনত উল্লেখ কৰা হৈছে, সেয়া বাদ দিয়া হৈছে। ২০১১ চনৰ লোকপিয়লৰ ভিত্তিতে আসন পুনৰ্বিন্যাস কৰা হ'ব। মহিলা সংৰক্ষণ বিল পাছ কৰাবলৈ অহা সপ্তাহৰ তিনিটা দিনত বিশেষ অধিৱেশন আহ্বান কৰা হৈছে। দলীয় সাংসদসকলৰ এশ শতাংশ উপস্থিতি নিশ্চিত কৰিবলৈ বিজেপিয়ে হুইপ জাৰি কৰিছে।

# দক্ষিণ লেবাননৰ একাধিক গাঁৱত বোমাৰে আক্ৰমণ ইজৰাইলৰ

### গাজা মডেল প্ৰয়োগ নেতান্যাহুৰ



**জেৰুজালেম, ১২ এপ্ৰিল ঃ** দক্ষিণ লেবাননৰ একাধিক গাঁও বিস্ফোৰণেৰে উৰুৱাই দিলে ইজৰাইলে। দূৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ জৰিয়তে ইজৰাইলৰ সীমান্তৱৰ্তী লেবাননৰ তিনিখন গাঁও ক্ৰমে টাইবেহ, নকোৰা আৰু ডেৰচেৰিয়াম গাঁৱত বিস্ফোৰণ ঘটোৱা হয়। তিনিওখন গাঁৱেই মানচিত্ৰৰ পৰা নিশ্চিহ্ন হৈ পৰিছে। এই ধ্বংসলীলাৰ ছবি ইজৰাইলৰ সামৰিক বাহিনীয়ে সামাজিক মাধ্যমত পোষ্ট কৰিছে। উল্লেখ্য যে গাজাৰ সীমান্তৱৰ্তী গাঁওসমূহ এনেধৰণেই নিশ্চিহ্ন কৰিছিল ইজৰাইলে। তাৰ পাছৰ পৰাই গাজা ভূখণ্ডৰ এই স্থানসমূহত নতুনকৈ বসতি হৈ উঠা নাই। সেইবাবে বহুতে ধাৰণা কৰিছে যে লেবাননতো এইবাৰ একেই পন্থা গ্ৰহণ কৰিছে বেঞ্জামিন নেতান্যাহুৱে। লেবাননৰ স্থানীয় সংবাদ মাধ্যমসমূহৰ প্ৰতিবেদন অনুসৰি কেৱল তিনিখনেই নহয়, সীমান্তৱৰ্তী অন্য গাঁৱতো অনুৰূপ ধৰণে সামৰিক অভিযান চলাইছে ইজৰাইলে। অৱশ্যে এই বিষয়ে এতিয়াও নিশ্চিতভাৱে কিছু জানিব পৰা হোৱা নাই। আমেৰিকা আৰু ইৰানৰ মাজত চৈধ্য দিনৰ যুদ্ধবিৰতি ঘোষিত হোৱাত পশ্চিম এছিয়াত সাময়িকভাৱে শান্তি আৰু স্থিতাৱস্থা উভতি আহিছে। কিন্তু লেবাননৰ ক্ষেত্ৰত যুদ্ধবিৰতিৰ চৰ্ত মানিবলৈ অসন্মত ইজৰাইল। লেবানন চৰকাৰৰ ওপৰত ক্ষোভ নাথাকিলেও নেতান্যাহু চৰকাৰে সেই দেশৰ ইৰান সমৰ্থিত সশস্ত্ৰ গোষ্ঠী হিজবুল্লাৰ বিৰুদ্ধে সামৰিক অভিযান অব্যাহত ৰাখিছে।

# হায়দৰাবাদত দুৰ্ঘটনাত অধিবক্তাৰ মৃত্যু

### গাড়ীৰ ওপৰত বাগৰি পৰিল টেংকাৰ

**হায়দৰাবাদ, ১২ এপ্ৰিল ঃ** মৃত্যু কেতিয়া আহে, সেয়া কোনেও ক'ব নোৱাৰে। ঠিক যেন সেয়াই হ'ল তেলেংগানাৰ হায়দৰাবাদত সংঘটিত এক দুৰ্ঘটনাত। হায়দৰাবাদ-বিজয়ৱাড়া ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক দুৰ্ঘটনাত মৃত্যু হ'ল এজন আইনজীৱীৰ। ওচৰেৰে গৈ আছিল এখন টেংকাৰ। হঠাতে সেই টেংকাৰখন আইনজীৱীৰ গাড়ীৰ ওপৰত বাগৰি পৰে। টেংকাৰৰ তলত পিষ্ট হৈ পৰে গাড়ীখন। ভিতৰত থকা আইনজীৱীজনৰ মৃত্যু হয়। বুধবাৰে সংঘটিত এই ঘটনাটোৰ দৃশ্য আজি পোহৰলৈ আহিছে। প্ৰকাশিত ফটোখন দেখিলেই গাৰ নোম শিয়ৰি উঠে। হায়দৰাবাদৰ ফালে গৈ আছিল আইনজীৱী বি শ্ৰনিৱাস ৰাও। গাড়ীখনত তেওঁ অকলে আছিল। অমৰাৱতীত বাৰ কাউন্সিলৰ ভোটগ্ৰহণৰ পাছত তেওঁ হায়দৰাবাদলৈ উভতিছিল। কিন্তু কিসাৰা টোল প্লাজাৰ ওচৰত এখন টেংকাৰে হঠাতে নিয়ন্ত্ৰণ হেৰুৱাই তেওঁৰ গাড়ীৰ ওপৰত বাগৰি পৰে। আৰক্ষীয়ে জনোৱা মতে, টেংকাৰৰ তলত গাড়ীখন এনেদৰে চেপেটা হৈ গৈছিল যে সেইখন আঁতৰাই গাড়ীখন উলিয়াবলৈ দীৰ্ঘ সময়ৰ প্ৰয়োজন হৈছিল। পাছত টেংকাৰখন আঁতৰাই অধিবক্তাজনৰ মৃতদেহ জেচিবিৰ সহায়ত উদ্ধাৰ কৰা হয়।

# ডিজিটেল এৰেষ্ট কৰি বৃদ্ধাৰ পৰা লুটিলে ৭২ লাখ

**মুম্বাই, ১২ এপ্ৰিল ঃ** ৮২ বছৰীয়া এগৰাকী বৃদ্ধাক ডিজিটেল এৰেষ্টৰ জৰিয়তে ৭২ লাখ টকা লুটি নিলে অপৰাধীয়ে। এই চাঞ্চল্যকৰ ঘটনাটো ঘটিছে মহাৰাষ্ট্ৰৰ থানেত। আৰক্ষী সূত্ৰই জনোৱা মতে, এই বৃদ্ধাগৰাকী মহাৰাষ্ট্ৰৰ কল্যাণৰ বাসিন্দা। যোৱা ৬ৰ পৰা ১০ এপ্ৰিলৰ ভিতৰত তেওঁৰ হোৱাট্‌ছএপলৈ অপৰিচিত এটা নম্বৰৰ পৰা ফোন আহে। ফোন কৰা ব্যক্তিজনে নিজকে আৰক্ষী বিষয়া বুলি জানিবলৈ দিয়ে। তেওঁ ভয় দেখুৱাই কয়— 'আমাৰ হাতত প্ৰমাণ আছে, আপুনি পেহেলগাম আক্ৰমণৰ সৈতে জড়িত। আপোনাৰ নম্বৰৰ পৰা পাকিস্তানে সহায় কৰা সন্ত্ৰাসবাদীসকলৰ সৈতে যোগাযোগ কৰা হৈছে।' ইয়াৰ পাছতে আতংকিত হৈ পৰা বৃদ্ধাগৰাকীক দুদিনৰ বাবে ডিজিটেল এৰেষ্ট কৰি ৰখা হয়। কেৱল এয়াই নহয়, এই সময়ছোৱাৰ ভিতৰত বৃদ্ধাৰ পৰা প্ৰায় ৭৩ লাখ টকা অপৰাধীয়ে প্ৰৱঞ্চনা কৰি নিয়ে।

# বিহাৰত দুৰ্ঘটনাত ১৩জনৰ মৃত্যু

### প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, নীতীশ কুমাৰৰ শোক প্ৰকাশ

**পাটনা, ১২ এপ্ৰিল ঃ** বিহাৰত এক ভয়ংকৰ পথ দুৰ্ঘটনাত কমেও ১৩জন লোকে প্ৰাণ হেৰুৱাইছে। এই দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈছে প্ৰায় ৩০জন লোক। শনিবাৰে সন্ধিয়া বিহাৰৰ কাটিহাৰত এই দুৰ্ঘটনা সংঘটিত হয়। তাত ৩১ নং ৰাষ্ট্ৰীয় পথত বাছ, ট্ৰাক আৰু পিক্‌আপ ভানৰ সংঘৰ্ষ হয়। দুৰ্ঘটনাত শোক প্ৰকাশ কৰিছে বিহাৰৰ বিদায়ী মুখ্যমন্ত্ৰী নীতীশ কুমাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কাৰ্যালয়ৰ পৰাও শোক প্ৰকাশ কৰা হৈছে। জানিব পৰা মতে, ঘটনাস্থলীতে সাতজন লোকৰ মৃত্যু হয়। অন্যসকলক উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। চিকিৎসাধীন অৱস্থাত আৰু ছজন লোকৰ মৃত্যুৰ খবৰ পোৱা গৈছে। আৰক্ষী সূত্ৰই জনোৱা মতে পিক্‌আপ ভানৰ যাত্ৰীসকল কাটিহাৰৰ পাৰ্শ্বৱৰ্তী পূৰ্ণিয়া জিলাৰ পৰা আহিছিল। অৱশ্যে দুৰ্ঘটনাটোৰ কাৰণ এতিয়াও স্পষ্ট হোৱা নাই। প্ৰাথমিক অনুসন্ধানৰ পাছত আৰক্ষীয়ে ধাৰণা কৰা মতে বাছখনে নিয়ন্ত্ৰণ হেৰুৱাই পিক্‌আপ ভানত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।



মৃতকৰ পৰিয়াললৈ দুই লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিছে নীতীশ কুমাৰে। আনহাতে আহতসকলক চিকিৎসাৰ বাবেও পঞ্চাশ হাজাৰ টকা দিয়াৰ কথা তেওঁ ঘোষণা কৰিছে।






**যৌৱনৰ সময়ছোৱাই জীৱনৰ পথক আগুৱাই লৈ যায় সম্ভাৱনাৰে সমৃদ্ধ পৃথিৱীখনলৈ। অনেক সপোন আৰু আশাই যৌৱনকালতেই সিঁচে আৱেগৰ গজালি। কিন্তু বাস্তৱ সময়ৰ সত্যই প্ৰত্যাহ্বানৰ ৰূপ লৈ সপোনৰ পথত মেলি দিয়ে সংশয়ৰ দুৰ্ভাৱনা। এনে সময়ত কিদৰে আগুৱাই নিব যৌৱনৰ সম্ভাৱনাময় সপোনক? 'স্বপ্ন আৰু সংশয়'— এই বিষয়ত আপুনিও জনাব পাৰে মতামত।**

যুৱ মন

মত-অমত

# স্বপ্ন আৰু সংশয়



## সপোন অনিশ্চয়তাৰ বিপৰীতে



▼ বিদিশা শইকীয়া

যৌৱন মানেই সম্ভাৱনা। অলেখ সপোন আৰু আকাশ চোৱাৰ দুৰন্ত সাহস। যৌৱন হ'ল মানুহৰ জীৱনৰ আটাইতকৈ শক্তিশালী আৰু সৃজনীমূলক সময়। এই সময়ছোৱা যেনেকৈ অফুৰন্ত সম্ভাৱনাৰ সপোনৰে ৰঙীন, ঠিক তেনেকৈয়ে বিভিন্ন অনিশ্চয়তা আৰু সংশয়ৰ ডাৱৰেও ইয়াক আৱৰি ৰাখে। এই সময়ত যুৱক-যুৱতীসকলৰ চকুৰ সন্মুখত ভাহি থাকে এখন বিশাল পৃথিৱী। কেৰিয়াৰ গঢ়াৰ হাবিয়াস, সমাজৰ বাবে কিবা এটা কৰাৰ ইচ্ছা, নিজৰ প্ৰতিভা বিকাশৰ সপোন। এইবোৰে যৌৱনক কৰি ৰাখে



গতিশীল। নতুনত্বক আদৰি লোৱাৰ আগ্ৰহ আৰু পৰিৱৰ্তনৰ জোৱাৰ অনাৰ মানসিকতা কেৱল এই সময়ছোৱাতে সবল হৈ থাকে।

সপোনবোৰেই যৌৱনক এক লক্ষ্য আৰু উদ্দেশ্য প্ৰদান কৰে। কিন্তু এই সপোনবোৰৰ সমান্তৰালভাৱে গঢ়ি উঠা সংশয়ৰ দোমোজাই যৌৱনক কৰি তোলে জটিল।

স্বপ্নবোৰ যিমান উজ্জ্বল, সংশয়বোৰো কেতিয়াবা সিমানেই গাঢ়। বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগটোত নিজৰ স্থান সুনিশ্চিত কৰিব পৰাকৈ নিজকে উপযুক্ত কৰিব পাৰিব নে নাই, সেইটোৱেই হ'ল আজিৰ প্ৰজন্মৰ আটাইতকৈ ডাঙৰ সংশয়। জীৱিকাৰ অনিশ্চয়তা, সামাজিক হেঁচা আৰু কেতিয়াবা লক্ষ্যভ্ৰষ্ট হোৱাৰ ভয়ে মনত দোলা দি থাকে। সপোন আৰু বাস্তৱৰ মাজত থকা ব্যৱধানে বহু সময়ত যুৱ-প্ৰজন্মৰ মনত হতাশা আৰু অনিশ্চয়তাৰ সৃষ্টি কৰে।

সপোন আৰু সংশয় দুয়োটাই স্বাভাৱিক, সংশয়ে মানুহক সতৰ্ক কৰি ৰাখে। কিন্তু সংশয়ে যদি সপোনক গিলি পেলায়, তেন্তে জীৱন স্থবিৰ হৈ পৰে। যৌৱনৰ প্ৰকৃত সাৰ্থকতা লুকাই থাকে সংশয়ক জয় কৰি সপোনৰ দিশে আগুৱাই যোৱাত। সঠিক পৰিকল্পনা, ধৈৰ্য আৰু আত্মবিশ্বাসে সংশয় আঁতৰাই জীৱন গঢ়াত সহায় কৰে।

যৌৱনৰ এই সন্ধিক্ষণত সপোন দেখাটো যিমান প্ৰয়োজনীয়, সেই সপোনক বাস্তৱ ৰূপ দিবলৈ সংশয়ৰ মোকাবিলা কৰাটোও সিমানেই জৰুৰী। সংশয় আত্মবিশ্লেষণৰ এক সুযোগ। সংশয়ক শক্তি হিচাপে লৈহে এজন ব্যক্তিয়ে প্ৰকৃত জীৱন-যুদ্ধত জয়ী হ'ব পাৰে। সপোন আৰু সংশয় দুয়োটাই যৌৱনৰ চালিকাশক্তি।

ফোন ঃ ৯১০১২ ৫৬৫৩০



'নৱ প্ৰজন্ম' পৃষ্ঠাৰ বাবে উপযোগী ভিন্নধৰ্মী লেখা আমালৈ প্ৰেৰণ কৰিব পাৰে। লেখাসমূহ ২০০-২৫০ শব্দৰ ভিতৰত হোৱাটো বাঞ্ছনীয়। লেখা প্ৰেৰণৰ বাবে হোৱাট্ছএপ কৰক ৮৮৭৬২-৬৮৫৯১ নম্বৰত।

## সপোনৰ সপক্ষে যুঁজ



▼ পাঞ্চালী তালুকদাৰ

মানুহৰ জীৱনৰ পাঁচটা কাল ক্ৰমে শৈশৱ, কৈশোৰ, যৌৱন, প্ৰাপ্তবয়স্ক আৰু বৃদ্ধাৱস্থা। এই কাল পাঁচটাৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ কাল হ'ল যৌৱন কাল। এই সময়ছোৱা হ'ল এগৰাকী ব্যক্তিৰ ভাল-বেয়াৰ পথ নিৰ্ণয়ৰ সময়। আৱেগ-বিবেক এই দুই শক্তি সমানে প্ৰদৰ্শিত হোৱা যৌৱন কাল যিমানেই সৰল, তাতোকৈ বেছি কঠিনতাৰ জৰিয়তে পাৰ কৰিবলগীয়া হয়। মানুহ এজনে সেই কঠিনতা অনুভৱ নকৰে যদিও তেওঁ যৌৱন কালৰ চিন্তা-কৰ্মই আগন্তুক সময়ত বাৰুকৈয়ে প্ৰভাৱ পেলায়। আপুনি জুইত হাত দিব নে জ্বলা জুইকুৰা নুমুৱাব, সেইটো আপোনাৰ ওপৰত নিৰ্ভৰশীল। ঠিক তেনেকুৱা কিছুমান পৰিস্থিতিৰে সন্মুখীন হয় যৌৱন কালত ভৰি দিয়া ব্যক্তিসকল। এই সময়ছোৱাত ব্যক্তি এগৰাকীৰ দৈহিক-মানসিক পৰিৱৰ্তন ঘটে। সেয়েহে সেই ব্যক্তিগৰাকীয়ে যৌৱন কালত কি কৰিব, কি নকৰিব, সময়ে সময়ে বিমোৰত পৰে। যৌৱনৰ দলিচাত মানুহ প্ৰেমত পৰে, মানুহৰ আচৰণত পৰিৱৰ্তন দেখা যায়। কিন্তু কি কৰিলে ভাল, কি কৰিলে বেয়া, সেইটো বাছনি কৰাত ব্যক্তি এগৰাকী বিমোৰত পৰে। সেয়েহে এই সময়ছোৱাত আমাৰ অভিভাৱকসকল সক্ষম হোৱা উচিত। নিজৰ সন্তানটোৰ মৰমৰ মায়াত কিছুমান সম্পদ হাতত তুলি দিয়াটো অনুচিত। যেনে— বহু অভিভাৱকে ১৫-১৬ বছৰীয়া সন্তানক আজিকালি খুজিলেই নিজৰ গাড়ীখন চলাবলৈ দিয়ে বা কিছুমানে নিজাববীয়াকৈ কিনি দিয়ে। যাৰ ফলত অতি কম বয়সতে দুৰ্ঘটনাগ্ৰস্ত হৈ নিজ সন্তানক অকালতে হেৰুওৱাৰ উদাহৰণ আমাৰ সমাজত বহুত আছে। এইটো আচলতে একপ্ৰকাৰ অপৰাধ। ১৮ বছৰ নোহোৱাকৈ গাড়ী চলোৱাটো আইনগতভাৱে দণ্ডনীয়। সেয়েহে এইবোৰ ক্ষেত্ৰত অলপ গভীৰভাৱে অভিভাৱকসকলে চিন্তা কৰা উচিত।

## প্ৰত্যাহ্বান গ্ৰহণ কৰক নৱ প্ৰজন্মই

জীৱনৰ লক্ষ্য স্থিৰ কৰা এটা সময় হ'ল যৌৱন কাল। এগৰাকী ব্যক্তিয়ে যেতিয়া শৈশৱৰ পৰা যৌৱন কালত ভৰি দিয়ে, তেতিয়া সেই ব্যক্তিগৰাকীৰ চিন্তাৰ খোৰাক বৃদ্ধি পায়, আচাৰ-ব্যৱহাৰৰ পৰিৱৰ্তন ঘটে। যৌৱন মানে হৈছে মানুহৰ জীৱনৰ সেই পৰ্যায়, যেতিয়া মানুহ এগৰাকী শাৰীৰিক, মানসিক আৰু আৱেগিক বিকাশ পূৰ্ণতাত উপনীত হয়। এই সময়ত সাধাৰণতে শক্তি, উদ্যম, সপোন আৰু চিন্তাধাৰাৰ বিকাশ অধিক দেখা যায়। এই সময়ছোৱাত মানুহৰ মনত ন-সপোনে পোখা মেলে, ভাল-বেয়াৰ মাজৰ পাৰ্থক্যখিনি বুজিব পৰা হয় যদিও জীৱনৰ পথ বাছনিৰ ক্ষেত্ৰত অনিশ্চয়তা, বিফলতাৰ ভয় আদিয়ে বহু সময়ত মনটো দোলাই তোলে। সেয়েহে এই সময়খিনি বহু কঠিন। এই সময়ছোৱাতেই মানুহ বেলেগ বেলেগ দিশে গতি কৰে। এটা দিশ হ'ল নিজকে সংযম কৰি ৰখা আৰু আনটো দিশ হ'ল আৱেগৰ বশৱৰ্তী হৈ কিছুমান অনৈতিক কাম কৰা। আমি সম্প্ৰতি দেখা পাইছোঁ যে যৌৱন কালত ভৰি দিয়া ল'ৰা-ছোৱালীবোৰে নানা সৃষ্টিশীল কৰ্মক বাছি লৈছে আৰু সৃষ্টিশীল কামৰ জৰিয়তে নিজকে সমাজত উজলাই তুলিছে। ইয়াৰ বিপৰীতে কিন্তু বেছিভাগেই বেয়া নিচাত আসক্ত হৈ পৰিছে। ড্ৰাগছ্, মদ, চিগাৰেট আদি সেৱন কৰি নিজকে ধ্বংসৰ পথলৈ নমাই আনিছে আৰু এই নিচাবোৰত আসক্ত হৈ সমাজত উচ্ছৃংখলতাৰ সৃষ্টি কৰিছে। বহু সময়ত মাক-দেউতাকৰ মৰমত



▼ সঞ্জীৱ সাগৰ দাস

ডাঙৰ হোৱা বাবে নিজ সন্তানে কৰা ভুলবোৰ আঙুলিয়াই দিয়াৰ বিপৰীতে অভিভাৱকে তেওঁলোকক যেন কোনোবাখিনিত ভুলবোৰ ঢাকি উৎসাহিত কৰাহে দেখা যায়। ফলত সেই ঘৰৰ ল'ৰা এদিন অপৰাধী হৈ পৰে, অপৰাধৰ জগতত ভৰি দিয়ে। প্ৰেমৰ কথাই যদি কওঁ, আজিৰ প্ৰজন্মই, বিশেষকৈ যৌৱন কালত ভৰি দিয়া যুৱক-যুৱতীৰ বেছিভাগেই প্ৰেম মানে হোটেল-ধাবাৰ বন্ধ কোঠাত সোমাই যৌন সম্পৰ্ক কৰাটোৱে মুখ্য কাম বুলি ভাবি লয়। আৰু যেতিয়া যৌন সম্পৰ্ক স্থাপিত হৈ সম্পৰ্ক এটিৰ ছেদ হয়, তেতিয়া কিছু লোকে চৰম পন্থা বাছি লয়। সেয়েহে আমাৰ অভিভাৱক-অভিভাৱিকাসকলে কিছু দায়িত্ব পালন কৰাটো খুবেই জৰুৰী হৈ পৰিছে। আমি আমাৰ সন্তানক, বিশেষকৈ যৌৱন কালত ভৰি দিয়া সন্তানসকলক ভালদৰে বুজাই দিয়া



উচিত কোনটো কাম কৰিলে ভাল আৰু কোনটো কাম কৰিলে বেয়া। আচলতে কিছুমান কথা আগতে মাক-দেউতাকে লজ্জাৰ খাতিৰত প্ৰকাশ নকৰিছিল যদিও নিজ সন্তানৰ ভালৰ কাৰণে আমি কিছুমান কথা মুকলিকৈ আলোচনা কৰাৰ সময় সমাগত।

ফোন ঃ ৮৭২১৯৫৭৫১৭



## ভাৰতীয় সেনাত কেনেকৈ যোগদান কৰিব?



▼ ডঃ বুলজিৎ বুঢ়াগোহাঁই

ভাৰতীয় সেনাত যোগদান কৰিবৰ বাবে বিভিন্ন ব্যৱস্থা আছে। এটা ব্যৱস্থা হ'ল কেন্দ্ৰীয় লোকসেৱা আয়োগে পৰিচালনা কৰা পৰীক্ষা 'সংযুক্ত প্ৰতিৰক্ষা সেৱাৰ পৰীক্ষা'। এই পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে প্ৰাৰ্থীজন স্বীকৃতিপ্ৰাপ্ত বিশ্ববিদ্যালয়ৰ পৰা যিকোনো শাখাৰ স্নাতক ডিগ্ৰীধাৰী হ'ব লাগে। স্নাতক চূড়ান্ত পৰীক্ষা দিয়াসকলেও আবেদন কৰিব পাৰে। লিখিত পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলে সেৱা নিৰ্বাচন ব'ৰ্ড (SSB)ত সাক্ষাৎকাৰ দিব লাগে। শাৰীৰিকভাৱে সক্ষম আৰু সংযুক্ত প্ৰতিৰক্ষা সেৱাৰ পৰীক্ষাৰ মেধাৰ তালিকাত নাম থকাসকলে ভাৰতীয় সামৰিক একাডেমীত ১৮ মাহৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগে স্থায়ী আয়োগৰ বিষয়াৰ বাবে আৰু বিষয়া প্ৰশিক্ষণ একাডেমীত ১১ মাহৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগে চুটি সেৱা আয়োগৰ বিষয়াৰ বাবে। অবিবাহিত মহিলা প্ৰাৰ্থী কেৱল চুটি সেৱা আয়োগৰ বিষয়া হ'ব পাৰে। ইয়াৰ সময় ১০ বছৰ আৰু চৰ্তসাপেক্ষে ১৪ বছৰৰ বাবে হ'ব পাৰে।

আন এটা পৰীক্ষা হ'ল 'ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা আৰু নৌ একাডেমী পৰীক্ষা'। এই পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে শিক্ষাগত অৰ্হতা হ'ল— প্ৰাৰ্থী যিকোনো শাখাত দ্বাদশ শ্ৰেণীত উত্তীৰ্ণ হ'ব লাগে বা দ্বাদশ শ্ৰেণীৰ পৰীক্ষা দিয়াসকলেও আবেদন কৰিব পাৰে। লিখিত পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলে সেৱা নিৰ্বাচন ব'ৰ্ড (SSB)ত সাক্ষাৎকাৰ দিব লাগে। শাৰীৰিকভাৱে সক্ষম আৰু লিখিত পৰীক্ষাৰ মেধা তালিকাত নাম থকাসকলক প্ৰশিক্ষণৰ বাবে প্ৰেৰণ কৰে আৰু প্ৰশিক্ষণৰ পাছত চাকৰিত যোগদান কৰিব পাৰে। ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীত ৩ বছৰৰ আৰু ভাৰতীয় সামৰিক একাডেমীত ১ বছৰৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগে।

ভাৰতীয় সামৰিক বাহিনীত যোগদান কৰিব পৰা আৰু বিভিন্ন পথ আছে। ইঞ্জিনিয়াৰিং চূড়ান্ত বৰ্ষৰ শিক্ষাৰ্থীসকলৰ বাবে University Entry Scheme (UES) এক গুৰুত্বপূৰ্ণ সুযোগ, য'ত কেম্পাছৰ সাক্ষাৎকাৰ, সেৱা নিৰ্বাচন ব'ৰ্ডৰ সাক্ষাৎকাৰ আৰু শাৰীৰিকভাৱে সক্ষম হ'লে বাছনি কৰে। Technical Graduate Course (TGC)ৰ জৰিয়তে ইঞ্জিনিয়াৰিং স্নাতকসকলে স্থায়ী আয়োগ লাভ কৰিব পাৰে। আনহাতে চুটি সেৱা আয়োগ (কাৰিকৰী)ৰ অধীনত পুৰুষ আৰু মহিলা উভয়ে সীমিত সময়ৰ বাবে সেৱা আগবঢ়াব পাৰে। 10+2 Technical Entry Scheme (TES) হৈছে বিজ্ঞান শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে এক উত্তম সুযোগ, য'ত প্ৰশিক্ষণৰ লগতে ৩ বছৰীয়া ইঞ্জিনিয়াৰিং ডিপ্লমা পাঠ্যক্ৰম অধ্যয়ন কৰাৰ সুবিধা থাকে। NCC Special Entry Schemeৰ জৰিয়তে NCC 'C' Certificate থকা স্নাতকসকলে চুটি সেৱা আয়োগৰ বাবে আবেদন কৰিব পাৰে। আইন শাখাৰ শিক্ষাৰ্থীসকলৰ বাবে Judge Advocate General (JAG) Entryৰ জৰিয়তে আবেদন কৰিব পাৰে। ইয়াৰ উপৰি ভাৰতীয় সেনাত Junior Commissioned Officers, Soldier (General Duty), Soldier (Technical), Soldier (Clerk/Store Keeper), Soldier Tradesman, Soldier Nursing Assistant, Soldier Nursing Assistant (Veterinary), Havildar, Catering JCO (Junior Commissioned Officer) আদি পদত নিযুক্তি দিয়া হয়। এইক্ষেত্ৰত শাৰীৰিক সক্ষমতা, লিখিত পৰীক্ষা আৰু স্বাস্থ্য পৰীক্ষা অত্যন্ত গুৰুত্বপূৰ্ণ।

অগ্নিবীৰ (Agniveer) হৈছে Indian Armed Forcesত যোগদানৰ বাবে এক নতুন ব্যৱস্থা, যাক Agnipath Scheme বুলিও জনা যায়। এই আঁচনিৰ



জৰিয়তে যুৱ-প্ৰজন্মক স্বল্পকালীন সময়ৰ বাবে সামৰিক সেৱাত যুক্ত কৰাৰ লক্ষ্য ৰখা হৈছে। এই পদৰ বাবে সাধাৰণতে বয়স ১৭.৫ বছৰৰ পৰা ২১ বছৰৰ ভিতৰত হ'ব লাগে (কিছুমান পদৰ বাবে বিশেষ শিথিলতা থাকে)। শিক্ষাগত অৰ্হতা পদ অনুসৰি বেলেগ বেলেগ, যেনে— দশম বা দ্বাদশ শ্ৰেণী উত্তীৰ্ণ। নিযুক্তি প্ৰক্ৰিয়াত শাৰীৰিক সক্ষমতা পৰীক্ষা, লিখিত পৰীক্ষা, মেডিকেল টেষ্ট আদি অন্তৰ্ভুক্ত থাকে।

কেৰিয়াৰ

...**অতীতৰ** ভুলে যদি দোষবোধ সৃষ্টি কৰে, তেন্তে সেইবোৰ **স্বীকাৰ কৰি পুনৰ নতুনকৈ জীৱন** আৰম্ভ কৰক। নিজৰ মূল্য মনত পেলালে আত্মবিশ্বাস **বাঢ়ে আৰু পৰিস্থিতিক** সঠিকভাৱে বিচাৰ **কৰিব পৰা যায়...**



মন-চৰ্চা

## দোষবোধৰ পৰা বাচি থাকক



▼ ডঃ শৈলেন দাস

নিজকে দোষী বুলি কিয় ভাবে? দোষবোধৰ পৰা আঁতৰি থাকক। যিবোৰ পৰিস্থিতি আৰু পৰিৱেশত মানুহে আনক দোষ দিব নোৱাৰে, তেনে অৱস্থাত মানুহে নিজে নিজক দোষ দি দুখ দিয়ে। এই দোষবোধ এদিন গৈ মানসিক কষ্টৰ কাৰণ হৈ উঠে। দোষবোধ অনুভৱ কৰাৰ ঠাইত আত্মসমালোচনা কৰা অধিক ভাল। কিন্তু আমি যেতিয়া অতীতৰ কথাবোৰক লৈ ভাবোঁ, তেতিয়া কেতিয়াবা নিজকে দোষ দিবলৈ আৰম্ভ কৰোঁ। জীৱনত আগবঢ়াৰ লগে লগে আমি বিভিন্ন মানুহৰ লগত যোগাযোগ কৰোঁ, সম্পৰ্ক কৰোঁ আৰু অজ্ঞাতে বা কেতিয়াবা জানি-বুজিও ভুল কৰোঁ। ভুলবোৰ শুধৰোৱাৰ চেষ্টা কৰিলে আমাৰ বহু সমস্যা শেষ হৈ যায়। কিন্তু তাৰ বাবে সময়ে সময়ে নিজকে সলনি কৰিব লাগিব। যদি আপুনি নিজৰ ভুলক ভুল হিচাপে স্বীকাৰ নকৰে আৰু অতিমাত্ৰা ভাবি তাক দোষবোধত পৰিণত কৰে, তেন্তে জীৱনত বহু কষ্ট পাব।

এই সমস্যা বিশেষকৈ যুৱ-প্ৰজন্মৰ মাজত বেছি দেখা যায়। আচলতে ভুল হৈছে একপ্ৰকাৰৰ শিক্ষা। ভুল কৰাৰ ফলত আমি সঠিক শিক্ষা লাভ কৰোঁ। সেই শিক্ষাক নিজৰ কামত প্ৰয়োগ কৰিলে ই আমাৰ বাবে উপকাৰী হয়। কিন্তু যদি আমি তেনে নকৰোঁ, তেন্তে জীৱনত হতাশা অনুভৱ কৰাটো স্বাভাৱিক। মানুহে ভুল কৰে, সেইটো স্বাভাৱিক। বুদ্ধিমান মানুহে ভুলক অভিজ্ঞতা আৰু শিক্ষালৈ ৰূপান্তৰ কৰে।

**আমি কেনেকৈ দোষবোধৰ পৰা বাচিব পাৰোঁ?**

■ অতীতৰ ভুলবোৰ বিশ্লেষণ কৰিবলৈ শিকক। যিবোৰ ভুলে আমাক কষ্ট দিয়ে, সেইবোৰৰ মূল কাৰণ বিচাৰি উলিয়াব লাগিব। কাৰণ চিনাক্ত নকৰাকৈ নিজকে দোষ দিলে বিপদত পৰিব পাৰে। কাগজত ভুলৰ কাৰণবোৰ লিখি সেই বিষয়ত চিন্তা কৰক। এই কামৰ বাবে নিজকে ভালদৰে জনাটো অতি প্ৰয়োজনীয়। যদি ভুলৰ কাৰণ নিজৰ আচৰণ বা পাৰিবাৰিক পৰিৱেশৰ সৈতে জড়িত হয়, তেন্তে তৎক্ষণাৎ শুধৰাব লাগে।

■ যদি জীৱনত অপ্ৰত্যাশিত ঘটনাবোৰ কোনো কাৰণত ঘটে, তেন্তে সেইবোৰ নিয়ন্ত্ৰণ কৰিব লাগিব। তাৰ বাবে দৈনিক জীৱনধাৰা বিশ্লেষণ কৰক, কামত পেছাদাৰী মনোভাব গঢ়ি তোলক, ব্যক্তিত্ব উন্নত কৰক, কোনটো কামে অগ্ৰাধিকাৰ দিব লাগে আৰু কিমান সময় দিব লাগে, সেইবোৰ নিৰ্ধাৰণ কৰক। সময়ে সময়ে নিজকে সলনি কৰাটো অতি গুৰুত্বপূৰ্ণ।

■ নিজকে ক্ষমা কৰক।

কেতিয়াবা আমি নিজৰ ডাঙৰ ভুলৰ বাবে অনুতাপ কৰোঁ। পাছত বুজি পাওঁ যে সেই ভুল সম্পূৰ্ণৰূপে আমাৰেই আছিল। এনে অৱস্থাত নিজকে ক্ষমা কৰাৰ বাহিৰে উপায় নাথাকে। বহু মানুহে নিজকে ক্ষমা কৰিব নোৱাৰে আৰু নিজকে স্বীকাৰ কৰিব নোৱাৰে। কিন্তু নিজকে ক্ষমা আৰু স্বীকাৰ কৰাৰ অভ্যাসে মানুহক নতুন জীৱন দিয়ে।

■ অতীতৰ ভুলে যদি দোষবোধ সৃষ্টি কৰে, তেন্তে সেইবোৰ স্বীকাৰ কৰি পুনৰ নতুনকৈ জীৱন আৰম্ভ কৰক। নিজৰ মূল্য মনত পেলালে আত্মবিশ্বাস বাঢ়ে আৰু পৰিস্থিতিক সঠিকভাৱে বিচাৰ কৰিব পৰা যায়।

■ দোষবোধ দূৰ কৰিবলৈ—

সদায় নিজৰ বিষয়ে ইতিবাচক হিচাপে ভাবক, সঠিক সংগীৰ লগত সময় কটাওক আৰু সৃজনশীল কাম কৰক। নেতিবাচক চিন্তাৰ ঠাইত ভাল চিন্তা ৰাখক। জানি-বুজি ভুল নকৰিব, কিন্তু এবাৰ ভুল হ'লে সেই ভুলৰ পৰা শিক্ষা লৈ আগবাঢ়ক, ভুলক ভাললৈ ৰূপান্তৰ কৰাৰ দায়িত্ব আপোনাৰ।

ফোন ঃ ৯৮৬৪৭৬৫৫৫২

**যুৱাৱস্থাত ভোগা মানসিক সমস্যাৰ সমাধান আৰু কাউন্সেলিঙৰ বাবে ডঃ শৈলেন দাসৰ সৈতে ৯৮৬৪৭৬৫৫৫২ এই নম্বৰত যোগাযোগ কৰিব পাৰে।**

### গুৱাহাটীত আই পি এলৰ ৩খন মেচৰ সফল আয়োজন

# গ্ৰাউণ্ড ষ্টাফলৈ এ চি এৰ ২৫ লাখ টকাৰ পুৰস্কাৰ



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটীৰ এ চি এ ষ্টেডিয়ামত ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ তিনিখন খেল সফলভাৱে আয়োজন কৰা বাবে অসম ক্ৰিকেট সন্থাই গ্ৰাউণ্ড ষ্টাফসকলৰ নীৰৱ অথচ গুৰুত্বপূৰ্ণ ভূমিকাক উপলব্ধি কৰি সন্থাই আজি সংশ্লিষ্টসকললৈ ২৫ লাখ টকাৰ নগদ ধনৰ পুৰস্কাৰৰ কথা ঘোষণা কৰিছে। উল্লেখ্য যে প্ৰত্যাহ্বানমূলক বতৰৰ পৰিস্থিতিত কাম কৰি কিউৰেটৰ আৰু গ্ৰাউণ্ডমেনে পিটচসমূহ নিখুঁতভাৱে সাজু কৰাৰ লগতে ৰক্ষণাবেক্ষণ নিশ্চিত কৰিছিল। মেচসমূহ সুকলমে সমাপনৰ ক্ষেত্ৰত তেওঁলোকৰ প্ৰচেষ্টা আছিল অন্যতম কেন্দ্ৰবিন্দু আৰু তেনেদৰেই ৰাষ্ট্ৰীয় মঞ্চত এই স্থানৰ ক্ৰমবৰ্দ্ধমান সুনাম বজাই ৰখাত ইয়ে সহায় কৰিছিল। তেওঁলোকৰ অৱদানৰ এক স্বীকৃতিস্বৰূপে সন্থাই কিউৰেটৰ আৰু গ্ৰাউণ্ড মেনৰ বাবে ২৫ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। সন্থাৰ সভাপতি তৰংগ গগৈ আৰু সম্পাদক সনাতন দাসে সমগ্ৰ দলটোৰ পেছাদাৰিত্ব আৰু দায়বদ্ধতাক প্ৰশংসা কৰি মেচসমূহৰ নিৰৱচ্ছিন্ন আয়োজনত তেওঁলোকৰ নিষ্ঠাৰ ভূয়সী প্ৰশংসা কৰে। তেওঁলোকে লগতে উল্লেখ কৰে যে গ্ৰাউণ্ড ষ্টাফসকলৰ কাম কেতিয়াবা বহুতৰ চকুত নপৰে যদিও তেওঁলোকৰ ভূমিকা হয় মেৰুদণ্ডৰ দৰে। উল্লেখ্য যে বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামক ৰাজস্থান ৰয়েল্‌ছে দ্বিতীয় হোম গ্ৰাউণ্ড হিচাপে ব্যৱহাৰ কৰি ৩খন মেচ খেলিছিল।

# এন অ' চি পালে পাথিৰানাই, শীঘ্ৰে যোগ দিব কলকাতা নাইট ৰাইডাৰ্চত




**কলকাতা, ১২ এপ্ৰিল ঃ** অৱশেষত চলিত আই পি এলত কলকাতা নাইট ৰাইডাৰ্চৰ হৈ খেলাৰ অনুমতি পালে শ্ৰীলংকাৰ পেচ বলাৰ মাথিশা পাথিৰানাই। উল্লেখ্য যে আঘাতজনিত সমস্যাৰ পৰা সম্পূৰ্ণ সুস্থ নোহোৱাৰ বাবে দলত যোগ দিব পৰা নাছিল পাথিৰানাই। শ্ৰীলংকান ক্ৰিকেট ব'ৰ্ডক বাধ্যতামূলক শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ পাছতেই ভাৰত ভ্ৰমণৰ বাবে এন অ' চি পালে খেলুৱৈজনে। পাথিৰানাই অহা ১৭ এপ্ৰিলত ভাৰত ভ্ৰমণ কৰিব আৰু কলকাতা নাইট ৰাইডাৰ্চত যোগ দিব। ইয়াৰ পাছতেই অহা ১৯ এপ্ৰিলত ৰাজস্থান ৰয়েল্‌ছৰ বিৰুদ্ধে পাথিৰানাই খেলাৰ সম্ভাৱনা আছে। অৱশ্যে তাৰ পূৰ্বে শ্ৰীলংকান খেলুৱৈগৰাকীয়ে কলকাতা নাইট ৰাইডাৰ্চৰ চিকিৎসকৰ সন্মুখত ফিটনেছ পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব।

### বাটলাৰ, গীলৰ বিস্ফোৰক অৰ্দ্ধশতক ■ প্ৰসিধ কৃষ্ণৰ চাৰি উইকেট

# লক্ষ্ণৌক ৭ উইকেটত হৰুৱালে গুজৰাটে

**লক্ষ্ণৌ, ১২ এপ্ৰিল ঃ** গুজৰাট টাইটানছে চলিত আই পি এলৰ আজিৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। ইয়াৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত মেচখনত লক্ষ্ণৌৱে বিজয়ৰ বাবে নিৰ্দ্ধাৰণ কৰি দিয়া ১৬৫ ৰানৰ লক্ষ্য গুজৰাটে ৮টা বল বাকী থকা অৱস্থাত তিনি উইকেটৰ বিনিময়ত অতিক্ৰম কৰে। গুজৰাটৰ হৈ ইনিংছ মুকলি কৰা সাই সুদৰ্শন আৰু অধিনায়ক শুভমন গীলে দলক দিয়ে সুন্দৰ আৰম্ভণি। দুয়োৱে মাজত প্ৰথম উইকেটত ৪৫ ৰান সংগৃহীত হয়। অৱশ্যে সুদৰ্শনে ব্যক্তিগত ১৫ ৰানত দিগ্বেশ ৰথিৰ বলত আৱেশ খানক কেচ দি বিদায় লয়। ক্ৰিজলৈ অহা জোছ বাটলাৰে গীলক দিয়ে সুন্দৰ সহযোগ। দুয়োৱে স্বাচ্ছন্দ্যে খেলিবলৈ লয় আৰু দ্বিতীয় উইকেটত ৮৪ ৰান যোগ দিয়ে। গীলে ৪০টা বলত ছটা চাৰি আৰু এটা ছয়েৰে ৫৬ ৰান কৰি প্ৰিন্স যাদৱৰ বলত আউট হয়। গীলৰ বিদায়ৰ পাছত বাটলাৰে ৱাশ্বিংটন সুন্দৰৰ সৈতে মিলি দলীয় ইনিংছ আগবঢ়াই নিয়ে। বাটলাৰে ৩৭ বলত ১১টা বাউণ্ডেৰীৰে ৬০ ৰান কৰি মহম্মদ ছামীৰ চিকাৰ হয়। শেষৰ ফালে ৱাশ্বিংটন সুন্দৰে অপৰাজিত ২১ আৰু ৰাহুল তেৱতিয়াই অপৰাজিত ১০ ৰান কৰি দলক জয়ী কৰায়। ইয়াৰ পূৰ্বে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বেট ধৰি নিৰ্দ্ধাৰিত অভাৰত ৮ উইকেটৰ বিনিময়ত ১৬৪ ৰান কৰে। দলটোৰ আৰম্ভণি মুঠেই সন্তোষজনক নাছিল। দলীয় ৭৪ ৰানতে লক্ষ্ণৌৱে চাৰিজনকৈ শীৰ্ষ বেটছমেনক হেৰুৱাই শ'লঠেকত পৰে। অ'পেনাৰ এইডেন মাৰক্ৰামে ২১ বলত ৫ চাৰি আৰু এটা ছয়েৰে সৰ্বাধিক ৩০ ৰান কৰাৰ বিপৰীতে অধিনায়ক ঋষভ পণ্টে ১৮, নিকোলাছ পুৰাণে ১৯, আব্দুল ছামাদে ১৮ আৰু মহেশ চৌধুৰীয়ে ১৮ ৰান যোগ দিয়ে। গুজৰাটৰ হৈ বলিঙত প্ৰসিধ কৃষ্ণই ২৮ ৰানত চাৰিটা, অশোক শৰ্মাই দুটা, মহম্মদ ছিৰাজ আৰু কাগিছো ৰাবাডাই একোটাকৈ উইকেট দখল কৰে। এই জয়েৰে গুজৰাটে চাৰিখন মেচৰ পৰা চাৰি পইণ্ট অৰ্জন কৰে।







# গাইকোৱাডক জৰিমনা, নীতিশ ৰাণাকো শাস্তি

**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে কালি অনুষ্ঠিত মেচত দিল্লী কেপিটেল্‌ছৰ খেলুৱৈ নীতিশ ৰাণাই আম্পায়াৰৰ সৈতে তৰ্কাতৰ্কিত লিপ্ত হোৱাৰ বাবে শাস্তিৰ সন্মুখীন হৈছে। আই পি এলৰ নিয়ম ৰক্ষা সমিতিয়ে আজি খেলুৱৈজনৰ ২৫ শতাংশ মেচ ফী কৰ্তনৰ সিদ্ধান্ত লয় আৰু খেলুৱৈজনৰ বিৰুদ্ধে এটা ডিমেৰিট পইণ্টো দিয়ে। উল্লেখ্য যে মেচখনৰ ১৯ সংখ্যক অভাৰত আম্পায়াৰৰ সৈতে বাক্-বিতণ্ডাত লিপ্ত হৈছিল নীতিশ ৰাণা। আনহাতে মেচখনত দলৰ শ্ল' অভাৰ ৰেটৰ বাবে চেন্নাই ছুপাৰ কিংছৰ অধিনায়ক ৰিতুৰাজ গাইকোৱাডক ১২ লাখ টকাৰ জৰিমনা বিহা হৈছে। চলিত আই পি এলত দলৰ শ্ল' অভাৰ ৰেটৰ বাবে জৰিমনাৰ সন্মুখীন হোৱা গাইকোৱাড তৃতীয়জন অধিনায়ক। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছৰ শুভমন গীল আৰু পঞ্জাব কিংছৰ শ্ৰেয়াছ আয়াৰ একেই ধৰণৰ শাস্তিৰ সন্মুখীন হৈছে।

### ছল্ট, কোহলী, পাটিদাৰৰ বেটিং পৰাক্ৰম

# মুম্বাইৰ বিৰুদ্ধে ১৮ ৰানত জয়ী আৰ চি বি



**মুম্বাই, ১২ এপ্ৰিল ঃ** ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ইয়াৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত আই পি এলৰ এখন মেচত আজি ঘৰুৱা দল মুম্বাইক ১৮ ৰানত পৰাস্ত কৰে। মেচখনত আৰ চি বিয়ে বিজয়ৰ বাবে বান্ধি দিয়া ২৪১ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ গৈ মুম্বাইৰ দলটোৱে ২০ অভাৰত ৫ উইকেট হেৰুৱাই ২২২ ৰান কৰে। দলৰ হৈ অধিনায়ক হাৰ্দিক পাণ্ডিয়াই ৪০, ৰায়ান ৰিকেল্টনে ৩৭, সূৰ্যকুমাৰে ৩৩ আৰু এছ ৰাডাৰফ'ৰ্ডে অপৰাজিত ৭১ ৰান কৰে। আৰ চি বিৰ হৈ সুযশ শৰ্মাই সৰ্বাধিক দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্দ্ধাৰিত অভাৰত ৪ উইকেট হেৰুৱাই ২৪০ ৰান কৰে। দলটোৰ এই বৃহৎ ৰান সংখ্যাৰ মূলতেই আছিল অ'পেনাৰ ফিল ছল্টৰ লগতে বিৰাট কোহলী আৰু ৰজত পাটিদাৰৰ বিস্ফোৰক বেটিং। ছল্টে ৭৮, কোহলীয়ে ৫০ আৰু পাটিদাৰে ৫৩ ৰান যোগ দিয়ে। মিডল অৰ্ডাৰত টিম ডেভিডে অপৰাজিত ৩৪ ৰান কৰে। মুম্বাইৰ হৈ ব'ল্ট, হাৰ্দিক, ছেণ্টনাৰ আৰু শাৰ্দুলে একোটাকৈ উইকেট দখল কৰে।

### লা লীগাত এস্পেনিয়লৰ বিৰুদ্ধে ৪-১ গ'লত জয়

# ৰিয়েল মাদ্ৰিডতকৈ ৯ পইণ্ট আগুৱালে বাৰ্চিলোনা



**বাৰ্চিলোনা, ১২ এপ্ৰিল ঃ** লা লীগাত খিতাপ জয়ৰ দৌৰত আৰু এঢাপ আগুৱালে বাৰ্চিলোনা। ঘৰৰ মাটিত কালি অনুষ্ঠিত লীগৰ এখন মেচত বাৰ্চিলোনাই এস্পেনিয়লক ৪-১ গ'লত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষস্থান আৰু অধিক মজবুত কৰি তোলে। এই জয়ৰ সুবাদত বাৰ্চিলোনাই দ্বিতীয় স্থানত থকা ৰিয়েল মাদ্ৰিডতকৈ ৯ পইণ্ট আগুৱাই থাকে। মেচখনত দুৰন্ত প্ৰদৰ্শন দাঙি ধৰে ফেৰান টৰেছে। প্ৰথমাৰ্দ্ধৰ ৯ মিনিটতে লামিনে য়ামালৰ কৰ্নাৰত দৰ্শনীয় হেডিঙেৰে গ'লটো দিয়ে টৰেছে। খেলৰ ২৫ মিনিটত য়ামালৰ পাছতে দ্বিতীয়টো গ'ল দিয়ে টৰেছে। হেট্‌ট্ৰিকৰ সুযোগ পাইছিল তাৰকা খেলুৱৈজনে। অৱশ্যে টৰেছে কৰা তৃতীয়টো গ'ল অফছাইডৰ বাবে ৰেফাৰীয়ে নাকচ কৰে। খেলৰ ৫৬ মিনিটত প'ল ল'জানোৱে এস্পেনিয়লৰ হৈ এটা গ'ল পৰিশোধ কৰে। খেলৰ ৮৭ মিনিটত লামিনে য়ামাল আৰু ৮৯ মিনিটত মাৰ্কুছ ৰাছফ'ৰ্ডে একোটাকৈ গ'ল দি ব্যৱধান ৪-১ কৰে। লীগত ৩১খন মেচ খেলি বাৰ্চিলোনাই ৭৯ পইণ্টেৰে শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিছে। দ্বিতীয় স্থানত থকা ৰিয়েল মাদ্ৰিডে সমসংখ্যক মেচ খেলি ৰিয়েল মাদ্ৰিডে ৭০ পইণ্ট লাভ কৰিছে।

### আই পি এলত আজিৰ খেল



**ৰাজস্থান ৰয়েলছ**
**বনাম**
**ছানৰাইজাৰ্ছ হায়দৰাবাদ**
**সন্ধিয়া ৭.৩০ বজাৰপৰা**
**স্থান ঃ হায়দৰাবাদ**

### নুৰুদ্দিন ট্ৰফী ক্ৰিকেট

## আজিৰপৰা গুৱাহাটীৰ শিবিৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটী ক্ৰীড়া সন্থাই নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট টুৰ্নামেণ্টৰ বাবে গুৱাহাটী জিলা দল গঠনৰ যো-জা চলাইছে। এই উদ্দেশ্যে সন্থাটোৱে কাইলৈ পুৱা ৭ বজাৰ পৰা জজ খেলপথাৰত এটা বাছনি শিবিৰৰ আয়োজন কৰিছে। শিবিৰলৈ আমন্ত্ৰিত খেলুৱৈসকল প্ৰদ্যুন শইকীয়া, ছাহিল জৈন, সুমিত চি ঘাড়িগাওকাৰ, কুনাল শৰ্মা, হৃষীকেশ তামুলী, আয়ুস্মান মালাকাৰ, ৰোহণ হাজৰিকা, ধ্ৰুৱৰাজ বৰা, দৰ্শন ৰাজবংশী, ঋষভ দাস, ৰোহিত সিং, আকাশ সেনগুপ্তা, ৰাহুল হাজৰিকা, দীপজ্যোতি শইকীয়া, আব্দুল আজিজ কুৰেইছি, অভিনৱ চৌধুৰী, ৰাজবীৰ সিং, আদিত্য ৰয় চৌধুৰী, সুমিত কাশ্যপ, হিয়ান কাশ্যপ, কংকণ তালুকদাৰ, ছৈয়দ জিছান, আৰমান জুফ্ৰি, মহম্মদ হাবিব উল্লাহ, ভিক্টৰ কাশ্যপ, দেৱজিৎ মহন্ত, মনীষ মাহাতো আৰু ৰোণিত আখতাৰ।

# বুণ্ডেছলীগাত প্ৰথম মহিলা প্ৰশিক্ষক মেৰী লুইছ এতা



**বাৰ্লিন, ১২ এপ্ৰিল ঃ** বুণ্ডেছলীগাৰ ইতিহাসত এইবাৰ পুৰুষৰ ফুটবল দলত দেখা যাব মহিলা প্ৰশিক্ষক। বুণ্ডেছলীগাৰ অন্যতম ক্লাব ইউনিয়ন বাৰ্লিনৰ অন্তৰ্বৰ্তীকালীন প্ৰধান প্ৰশিক্ষক হিচাপে নিযুক্ত হৈছে মেৰী লুইছ এতা। ৩৪ বছৰীয়া মেৰী লুইছে ২০২৩ চনত ইউনিয়ন বাৰ্লিনৰ সহকাৰী প্ৰশিক্ষক আছিল। শনিবাৰে ইউনিয়ন বাৰ্লিন এফ চি হেইডেনহেইমৰ হাতত ৩-১ গ'লত পৰাস্ত হোৱাত পইণ্ট তালিকাৰ শেষৰ ফালে স্থান লাভ কৰাৰ পাছতেই প্ৰশিক্ষক ষ্টিফেন বাউমগাৰ্টক বৰ্খাস্ত কৰা হৈছিল। ষ্টিফেনৰ স্থানত দায়িত্ব অৰ্পণ কৰা হৈছে মেৰী লুইছক। চলিত ছিজনৰ শেষ মেচ পৰ্যন্ত এই দায়িত্বত থাকিব মেৰী লুইছ এটা।

# ৰাজ্যিক ভিত্তিত মাৰাথন প্ৰতিযোগিতা

**দৈনিক অসমৰ প্ৰতিনিধি**

**পাটাছাৰকুছি, ১২ এপ্ৰিল ঃ** ৰঙালী বিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি আজি পশ্চিম কঁঠালমূৰী জোনাকী সংঘৰ উদ্যোগত ৰাজ্যিক ভিত্তিত এক মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। পাটাছাৰকুছিৰ পৰা নিত্যানন্দ, অকয়া, ৰিহাবাৰী হৈ পশ্চিম কঁঠালমূৰী জোনাকী সংঘলৈ এই দৌৰ অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে পাটাছাৰকুছি প্ৰাগজ্যোতি ক্লাবৰ সদস্য তথা বজালী জিলাৰ খাদ্য, অসামৰিক যোগান তথা গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিদৰ্শক নিতুল শৰ্মাই। প্ৰতিযোগিতাত টিখেশ্বৰ কুৰ্মী, সূৰ্য দাস, কুম্ভ দেউৰী, সমীৰ মণ্ডল, ৰাজু নাৰ্জাৰী, হিতেশ বড়ো আৰু যতীন টিমুৱে নিৰ্দিষ্ট সময়ত দৌৰ সম্পূৰ্ণ কৰি পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।



# গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাফিয়া ইয়াছমিনৰ স্বৰ্ণপদক অৰ্জন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১২ এপ্ৰিল ঃ** মণিপুৰ বিশ্ববিদ্যালয়ত অনুষ্ঠিত সৰ্বভাৰতীয় পৰ্যায়ৰ আন্তঃবিশ্ববিদ্যালয় থাং-টা প্ৰতিযোগিতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী ৰাফিয়া ইয়াছমিন শইকীয়াই স্বৰ্ণপদক জয় কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। মণিপুৰৰ পৰম্পৰাগত যুদ্ধকলা থাং-টাৰ প্ৰদৰ্শন হয়, য'ত ১০টা ওজন শাখাত অনুষ্ঠিত হয়। উক্ত খেলত তৰোৱাল আৰু বৰ্শা ব্যৱহাৰৰ কৌশল অন্তৰ্ভুক্ত হয়। মহিলা শাখাৰ ফুনাবা আনিচুবা (-৬৮ কেজি) শ্ৰেণীত ৰাফিয়াই এপেক্স ইউনিভাৰ্ছিটীৰ মিনাজ নাকভীক পৰাস্ত কৰি ৭ এপ্ৰিলত স্বৰ্ণপদক দখল কৰে। উপাচাৰ্য ডঃ ননীগোপাল মহন্ত, পঞ্জীয়ক ডঃ উৎপল শৰ্মা আৰু ছাত্ৰ কল্যাণ সঞ্চালক ডঃ ৰঞ্জন কুমাৰ কাকতিয়ে ৰাফিয়াই অসমৰ লগতে বিশ্ববিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে প্ৰশংসা কৰে।



# শাস্তিৰ সন্মুখীন হ'ব ৰাজস্থানৰ মেনেজাৰ ৰমি ভিন্দৰ!

### মেচৰ সময়ত ম'বাইল ব্যৱহাৰ



**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** ৰাজস্থান ৰয়েল্‌ছৰ মেনেজাৰ ৰমি ভিন্দৰৰ বিৰুদ্ধে আই পি এলৰ নিয়ম ভংগৰ অভিযোগ উত্থাপিত হৈছে। ঘাইকৈ গুৱাহাটীত ৰাজস্থান ৰয়েল্‌ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত শুকুৰবাৰে অনুষ্ঠিত মেচৰ সময়ত ডাগআউটত মোবাইল ফোন ব্যৱহাৰ কৰাৰ দৃশ্য টেলিভিছনৰ কেমেৰাত বন্দী হোৱাৰ পাছতেই বিষয়টোৱে ইতিমধ্যে ছ'চিয়েল মিডিয়াত চৰ্চা লাভ কৰিছে। মেচ চলি থকাৰ সময়ত ভিন্দৰে ডাগআউটত মোবাইল ব্যৱহাৰ কৰিছিল আৰু ভিন্দৰৰ কাষতে বহি আছিল বেটিং চাঞ্চল্য বৈভৱ সূৰ্যবংশী। মেচখনত ৰাজস্থান ৰয়েল্‌ছে ৬ উইকেটত জয়লাভ কৰিছিল। ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ এজন বিষয়ববীয়াই বিষয়টো সংক্ৰান্তত সংবাদ প্ৰতিষ্ঠান পি টি আইক দিয়া সাক্ষাৎকাৰ অনুসৰি ভিন্দৰে 'প্লেয়াৰ্ছ এণ্ড মেচ অফিচিয়েল এৰিয়া'ৰ নিয়ম ভংগ কৰিছে। এই নিয়ম অনুসৰি মেচ চলাৰ সময়ত ডাগআউটত মোবাইল ব্যৱহাৰ সম্পূৰ্ণ নিষিদ্ধ। বি চি চি আইৰ সূত্ৰটোৱে জনোৱা অনুসৰি দলৰ মেনেজাৰে মোবাইল ফোন ড্ৰেছিং ৰুমতহে ব্যৱহাৰ কৰিব পাৰে, ডাগআউটত নহয়। অৱশ্যে ঘটনাটো অনিচ্ছাকৃত হ'ব পাৰে বুলি সূত্ৰটোৱে জনায়। সেয়া হ'লেও আই পি এলৰ নিয়ম অনুসৰি মেনেজাৰজনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লোৱাৰ সম্ভাৱনা নথকা নহয়।

### বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপ

# ফাইনেলত থমকিল আয়ুস শেট্টী



**নতুন দিল্লী, ১২ এপ্ৰিল ঃ** বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপত খিতাপ জয়ৰ স্বপ্ন পূৰ্ণ নহ'ল ভাৰতীয় শ্বাটলাৰ আয়ুস শেট্টীৰ। দুৰ্দান্ত প্ৰদৰ্শনেৰে টুৰ্নামেণ্টখনৰ ফাইনেলত উপনীত হোৱা ২০ বছৰীয়া ভাৰতীয় খেলুৱৈগৰাকীৰ শেষ ৰক্ষা নহ'ল। চীনৰ নিংবো অলিম্পিক স্প'ৰ্টছ চেণ্টাৰত আজি অনুষ্ঠিত টুৰ্নামেণ্টৰ পুৰুষ ছিংগল্‌ছৰ ফাইনেলত আয়ুস শেট্টীয়ে প্ৰত্যাশা অনুযায়ী প্ৰদৰ্শন আগবঢ়োৱাত ব্যৰ্থ হয় আৰু চীনৰ চি ইউ কিৰ বিৰুদ্ধে ২১-৮, ২১-১০ পোনপটীয়া ছেটৰ ব্যৱধানত পৰাজয় বৰণ কৰে। উল্লেখ্য যে প্ৰতিযোগিতাখনৰ ছেমি ফাইনেলত বিশ্বৰ এক নম্বৰ তথা পেৰিছ অলিম্পিকৰ ৰূপ জয়ী থাইলেণ্ডৰ কুললাবাট ভিটিডাৰ্ছনক পৰাস্ত কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছিল। অৱশ্যে ফাইনেলত আজি চীনৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে মাথোঁ ৪০ মিনিটৰ যুঁজতে হাৰ মানিবলগীয়া হয় আয়ুসে। উল্লেখ্য যে মেচখনৰ দ্বিতীয়টো গেমত এটা সময়ত ৬-২ ব্যৱধানত অগ্ৰগতি লাভ কৰিও শেষ ৰক্ষাত ব্যৰ্থ হয় আয়ুস। চেম্পিয়নৰ খিতাপ জয় সম্ভৱ নহ'লেও বেডমিণ্টন এছিয়া চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশৰ সূত্ৰে আয়ুসে বিশ্বক্ৰম তালিকাত প্ৰথম ২০গৰাকীৰ মাজত স্থান পাবলৈ সক্ষম হৈছে। আয়ুসৰ জৰিয়তে ছয় দশকৰ পাছত এছিয়ান প্ৰতিযোগিতাখনত ভাৰতীয় খেলুৱৈয়ে ছিংগলছত পদক জয় কৰিবলৈ সক্ষম হয়। ১৯৬৫ চনতে পুৰুষৰ ছিংগল্‌ছত দীনেশ খান্নাই স্বৰ্ণপদক জয় কৰিছিল।

# শ্ৰীভূমি মহিলা ক্ৰিকেট দল চেম্পিয়ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাইলাকান্দি, ১২ এপ্ৰিল ঃ** শিলচৰৰ 'বৰাক বাৰ্তা'ৰ উদ্যোগত আয়োজিত প্ৰথম প্ৰাইজমানী মহিলা ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হয় শ্ৰীভূমি মহিলা ক্ৰিকেট দল। শনিবাৰে সতীন্দ্ৰ মোহন দেৱ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত হাইলাকান্দি মহিলা ক্ৰিকেট দলক শ্ৰীভূমিয়ে ২৮ ৰানত পৰাস্ত কৰে। দলৰ জয়ত গুৰুত্বপূৰ্ণ ভূমিকা লয় সমাদৃতা সাহাই। মেচখনত বেটিং কৰিবলৈ আমন্ত্ৰণ পাই শ্ৰীভূমি দলটোৱে নিৰ্ধাৰিত ১৫ অভাৰত তিনিটা উইকেট হেৰুৱাই ৮৯ ৰান সংগ্ৰহ কৰে। আৰম্ভণিতে অ'পেনাৰ দীপশিখা চন্দৰ উইকেট হেৰুৱাই দলটোৱে শ'লঠেকত পৰে। অৱশ্যে তনুশ্ৰী ছেত্ৰীৰ সৈতে ৰীতা শৰ্মাই দলৰ অগ্ৰগতি দিয়ে। দুয়োৱে মাজত ৬৬ ৰান সংগৃহীত হয়। ৰীতাই সৰ্বোচ্চ ২৭ ৰান কৰে। তনুশ্ৰীয়ে ২১ ৰান কৰে। হাইলাকান্দিৰ ৰাজমিনা বেগম লস্কৰে এটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত হাইলাকান্দি দলে ৯ উইকেটত ৬১ ৰান সংগ্ৰহ কৰি অল আউট হয়। ৰাজমিনা বেগম লস্কৰে ১৭ ৰান, সাহাই (৪-০৫), জেছমিন ডিং (২-১৫) আৰু কালানজয়ী দাসে (২-১১) ভাল বলিং কৰে। সাহাক ফাইনেলৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ, ঋতুপৰ্ণা মালাকাৰক শ্ৰেষ্ঠ ফিল্ডাৰ, সুপ্ৰীতা পুৰকায়স্থক শ্ৰেষ্ঠ কেচাৰ, ৰঞ্জিতা সিন্‌হাক শ্ৰেষ্ঠ উইকেটকীপাৰ, দীপিকা নাইডু প্ৰতিযোগিতাখনৰ সৰ্বোচ্চ উইকেট দখলকাৰী হিচাপে বিবেচিত হয়। শিলচৰ ডি এছ এৰ সভাপতি শিৱব্ৰত দত্ত, ভাৰপ্ৰাপ্ত সম্পাদক দেৱাশিস সোম, প্ৰাক্তন সভাপতি বাবুল হোৰ, সুধাংশু দাস, প্ৰাক্তন খেলুৱৈ যাদৱ পাল, সুজিত নন্দী, হিৰণময় দাস, সঞ্জীৱ সিং, ৰাধাৰাণী দাস আদিয়ে আয়োজকৰ হৈ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে।








# ৰাণীত ২৬ ব'হাগত বিষুৱা উৎসৱৰ আয়োজন



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰাণী, ১২ এপ্ৰিল ঃ** কামৰূপ জিলাৰ অন্তৰ্গত বৃহত্তৰ ৰাণী কোচ-ৰাজবংশী সুৰক্ষা সমিতিৰ উদ্যোগত এইবাৰ ৰাণীত 'বিষুৱা উৎসৱ' উদ্‌যাপনৰ দিহা কৰিছে। ২৬ ব'হাগত বিস্তৃত কাৰ্যসূচীৰে বিষুৱা উৎসৱ উদ্‌যাপন কৰা হ'ব। সেই অনুসৰি শিৱচৰণ দাসক সভাপতি, তাৰিণী কুমাৰ দাসক কাৰ্যকৰী সভাপতি, তৰুণ চন্দ্ৰ দাসক উপ-সভাপতি, জ্যোতিপ্ৰসাদ দাস আৰু ৰঞ্জন দাসক যুটীয়া সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰি উৎসৱ উদ্‌যাপন সমিতিখন গঠন কৰা হয়। বিষুৱা উৎসৱৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উৎসৱৰ কাৰ্যসূচীত কোচ জনগোষ্ঠীৰ বৰ্ণিল কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ লগতে ভাষা-সাহিত্যৰ প্ৰচাৰ-প্ৰসাৰৰ দিশত আলোকপাত কৰাৰ লগতে ৰাণী অঞ্চলৰ সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনাৰো দিহা কৰিছে।

# কাইলৈৰপৰা দুদিনীয়াকৈ বৃহত্তৰ দক্ষিণ গুৱাহাটী ৰঙালী বিহু সন্মিলন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** মিলি জুলি সংঘৰ উদ্যোগত বৃহত্তৰ দক্ষিণ গুৱাহাটী ৰঙালী বিহু সন্মিলন দুদিনীয়া কাৰ্যসূচীৰে ওদালবাক্ৰাৰ বিষ্ণুৰাভা উদ্যানত অনুষ্ঠিত হ'ব। তদুপলক্ষে নৰেন ডেকাক সভাপতি, ডাঃ নৰহৰি বৰ্মন, লক্ষীকান্ত দাস, মানস কলিতাক কাৰ্যকৰী সভাপতি, দীপক কুমাৰ দত্তক সম্পাদক প্ৰধান আৰু গণেশ শৰ্মাক সাধাৰণ সম্পাদক হিচাপে লৈ কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হৈছে। তদুপৰি বিভিন্ন উপসমিতিসমূহো গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি ১৪ এপ্ৰিলৰ পুৱা ৯ বজাত বিহুৰ তোৰণ উন্মোচন কৰিব বিশিষ্ট সমাজকৰ্মী জাকিৰ হুছেইনে। পুৱা ৯.৩০ বজাত সাংস্কৃতিক শোভাযাত্ৰা, পুৱা ১০ বজাত ৰঙালী বিহুৰ পতাকা উত্তোলন, পুৱা ১১ বজাত স্মৃতি তৰ্পণ, পুৱা ১১.১৫ বজাত বিষ্ণু ৰাভাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ আৰু ১১.৩০ বজাত স্মৃতিগ্ৰন্থ মিলি জুলি উন্মোচন কৰা হ'ব। দুপৰীয়া ১২.৩০ বজাত খেল-ধেমালি প্ৰতিযোগিতা, আবেলি ২.৩০ বজাত দুটা শাখাত একক বিহু নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৫.৩০ বজাত সাংস্কৃতিক সন্ধিয়াৰ বন্তি প্ৰজ্বলন আৰু ৬ বজাত মঞ্চ উদ্বোধন কৰিব কণ্ঠশিল্পী সন্ধ্যা মেননে। আনহাতে ১৫ এপ্ৰিলৰ পুৱা ৯.৩০ বজাত চিত্ৰাংকন প্ৰতিযোগিতা, পুৱা ১১.৩০ বজাত অন্তৰংগ আলাপ, আবেলি ৩ বজাত ভেশছন প্ৰতিযোগিতা আৰু সন্ধিয়া ৫ বজাত সাংস্কৃতিক সন্ধিয়াৰ বন্তি প্ৰজ্বলন, ৫.১৫ বজাত কণ কণ ছাত্ৰ-ছাত্ৰীৰ সমূহীয়া বিহু নৃত্য প্ৰদৰ্শন, ৫.৪৫ বজাত সাংস্কৃতিক সন্ধিয়া, মঞ্চ উদ্বোধন কৰিব জনপ্ৰিয় অভিনেত্ৰী ৰাজশ্ৰী ফুকনে। উল্লেখযোগ্য যে ১৪ এপ্ৰিলৰ সাংস্কৃতিক সন্ধিয়াত সংগীত পৰিৱেশন কৰিব কণ্ঠশিল্পী আলোক বৰুৱা আৰু প্ৰিয়দৰ্শন ডেকাই। আনহাতে ১৫ এপ্ৰিলৰ সাংস্কৃতিক সন্ধিয়াৰ বিশেষ আকৰ্ষণ ইন্দ্ৰানী তালুকদাৰৰ গীতৰ শৰাই।

# প্ৰাক্তন অতিৰিক্ত কৰ আয়ুক্ত উমেশ চন্দ্ৰ শৰ্মাৰ মৃত্যু



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটীৰ ৰুক্মিণী নগৰৰ বাসিন্দা, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অতিৰিক্ত কৰ আয়ুক্ত উমেশ চন্দ্ৰ শৰ্মাই (৮৩) যোৱা ৯ এপ্ৰিলৰ মাজনিশা গুৱাহাটীত শেষ নিশ্বাস ত্যাগ কৰে। বিশ্বনাথ চাৰিআলিৰ প্ৰয়াত ৰজনীকান্ত শৰ্মা আৰু ক্ষীৰদা দেৱীৰ ঘৰত জন্মগ্ৰহণ কৰা শৰ্মাই দৰং মহাবিদ্যালয়ৰ পৰা স্নাতক আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ভূগোল বিভাগত ৰেংক লাভ কৰা ছাত্ৰ হিচাপে সুখ্যাতি লাভ কৰা শৰ্মা ১৯৭৫ চনৰ অসম অসামৰিক সেৱাৰ পৰীক্ষাত দ্বিতীয় স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয়। কৰ বিভাগত দীৰ্ঘদিন সেৱা আগবঢ়োৱা শৰ্মাই ভাৰতবৰ্ষত মূল্য সংযোজিত কৰ (ভেট) ব্যৱস্থা প্ৰণয়ন আৰু ৰূপায়ণৰ বাবে গঠিত ৰাষ্ট্ৰীয় কমিটীত অসমৰ পৰা মনোনীত সদস্য হিচাপে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছিল। সমাজ আৰু সাংস্কৃতিক ক্ষেত্ৰতো তেওঁ সক্ৰিয় আছিল। তেওঁ ৰুক্মিণীগাঁও বিহু সমিতি আৰু ৰুক্মিণীগাঁও লক্ষ্মীমন্দিৰ সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰিছিল। তেওঁ পত্নী, দুজন পুত্ৰ, এগৰাকী কন্যা আৰু চাৰিজন নাতি-নাতিনীক এৰি গৈছে। শৰ্মাৰ মৃত্যুত তেওঁৰ বন্ধু-বান্ধৱ, শুভাকাংক্ষী আৰু সহকৰ্মীসহ বিভিন্নজনে গভীৰ শোক প্ৰকাশ কৰিছে।

# চানমাৰিত গ্ৰীন বাছে মহটিয়ালে স্কুটী আৰোহীক

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটী মহানগৰীৰ চানমাৰিত আজি সংঘটিত হয় এক পথ দুৰ্ঘটনা। জানিব পৰা মতে এখন গ্ৰীন বাছে মহটিয়াই নিয়ে স্কুটী আৰোহীক। এ এছ ২০ ২৫৭২ নম্বৰৰ গ্ৰীন বাছখনে সংঘটিত কৰা দুৰ্ঘটনাৰ ফলত এজন যুৱক আহত হয়। আহত স্কুটী আৰোহীজন মিজোৰামৰ জনম প্ৰিয় চখমা বুলি জানিব পৰা গৈছে। যুৱকজনে গুৱাহাটীত পঢ়া-শুনাৰ লগতে ডেলিভাৰী বয়ৰ কাম কৰি জীৱন নিৰ্বাহ কৰা যুৱকজনক দুৰ্ঘটনাৰ পাছতে হাস্পতাললৈ নিয়া হয়। বৰ্তমান গীতানগৰৰ কেজিএমটি হাস্পতালত চিকিৎসাধীন যুৱকজন বৰ্তমান সংকটমুক্ত বুলি চিকিৎসকে জনাইছে। ইফালে সুৰাপান কৰি বাহন চলোৱাৰ সন্দেহ কৰি চানমাৰি আৰক্ষীয়ে আটক কৰিছে বাছখনৰ চালকজনক। আৰক্ষীয়ে জনোৱা মতে গ্ৰীন বাছ চালকজনৰ নাম মফিজ আলী। আটকাধীন চালকজনক থানাতে সোধা-পোছা অব্যাহত ৰাখিছে।

# বজাৰত উভৈনদী পিঠা-পনা, দৈ-ক্ৰীম

## মহানগৰীত উপলব্ধ হৈছে গামোচা-পৰম্পৰাগত বস্ত্ৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুক আদৰিবলৈ গুৱাহাটী মহানগৰীত পৰম্পৰাগত বিহুৰ সাজ, গহনা, ঢোল-পেঁপা-গগনা, পিঠা-পনা আৰু কপৌফুলৰ বিপণীসমূহ সাজু হৈ উঠিছে। বিভিন্ন প্ৰান্তৰ বিপণীসমূহত পৰম্পৰাগত সামগ্ৰীসমূহ উপলব্ধ হৈছে যদিও আজিপৰ্যন্ত গুৱাহাটীৰ বজাৰত এনে বিপণীসমূহত গ্ৰাহকৰ বিশেষ ভিৰ পৰিলক্ষিত হোৱা নাই। অৱশ্যে পিঠা-পনাৰ বিপণীসমূহতকৈ গামোচা, অন্যান্য বস্ত্ৰ আৰু গহনা আদিৰ বিপণীসমূহত গ্ৰাহকৰ কিছু ভিৰ দেখা গৈছে। বিশেষকৈ ফাঁচীবজাৰ, গণেশগুৰি, মালিগাঁও, ফটাশিল আমবাৰী, পল্টন বজাৰ, শিলপুখুৰী, চানমাৰি, নুনমাটি, নাৰেংগী, ফৰেষ্টগেট, ছয়মাইল, বেলতলা, বশিষ্ঠ, হাতীগাঁও, বৰবাৰী আদি অঞ্চলত কাপোৰৰ উপৰি বিহুৰ পিঠা-পনা আদিৰ বিপণীত মহিলাৰ বিভিন্ন আত্মসহায়ক গোটে প্ৰস্তুত কৰা পিঠা-পনা উপলব্ধ হৈছে। কিন্তু পিঠা-পনাৰ বিপণীত পূৰ্বতকৈ গ্ৰাহকৰ উপস্থিতি হ্ৰাস পাইছে বুলি জনাইছে



বিপণীৰ একাংশ গৰাকীয়ে। এই সন্দৰ্ভত গুৱাহাটীৰ অংকুৰণ মাল্টিপাৰপাছ কো-অপাৰেটিভ ছ'চাইটী লিমিটেডৰ স্বত্বাধিকাৰী জয়ন্ত বায়নে জনোৱা অনুসৰি প্ৰাণৰ শিল্পী জুবিন গাৰ্গবিহীন প্ৰথমটো ৰঙালী বিহুত এইবেলি যেন অসমীয়া লোকৰ মাজত বিহুৰ মাদকতা যথেষ্ট হ্ৰাস পাইছে। ফলত বিপণীত পিঠা-পনাৰ বিক্ৰী পূৰ্বতকৈ কমিছে। বিহুৰ বজাৰ সন্দৰ্ভত তেওঁ 'দৈনিক অসম'ক কয় যে সমাগত ৰঙালী বিহুৰ বাবে এইবেলি পিঠা-পনাৰ বজাৰত ১০খনকৈ থকা তিলৰ পিঠাৰ পেকেটৰ ৭০ টকা দৰত বিক্ৰী কৰা হৈছে। তেনেদৰে ১০টাকৈ থকা নাৰিকলৰ লাৰুৰ পেকেট ৬০ টকা, ১০খনকৈ থকা তেলপিঠাৰ পেকেট ৬০ টকা, ১০টাকৈ থকা তিলৰ লাৰুৰ পেকেট ৪০ টকা, ৩৫০ গ্ৰামৰ গুড়া সান্দহৰ পেকেট ৫০ টকা, প্ৰতি লিটাৰ গৰুৰ গাখীৰ ১২০ টকাৰ পৰা আৰম্ভ কৰি ১৬০ টকা, ম'হৰ দৈ ১৮০ টকাৰ পৰা ২২০ টকা, পূৰৱী দৈ ৪০০ গ্ৰামত ৪৫ টকা, সৰু বাঁহৰ চুঙাৰ দৈ ১০০ টকা, মজলীয়া ১৫০ টকা আৰু ডাঙৰ চুঙাত ২০০ টকা দৰত বিক্ৰী কৰা হৈছে। তেনেদৰে ক্ৰীম প্ৰতি লিটাৰত ৫০০ টকাৰ পৰা ৬৫০ টকা পৰ্যন্ত বিক্ৰী হৈছে। বিপণীৰ গৰাকীৰ পৰা জানিব পৰা মতে এই দৈসমূহ সৰভোগ, বামদিয়া, মুকালমুৱা, বজালী, গোলাঘাট আদি অঞ্চলৰ পৰা আহিছে। ইপিনে গামোচা ১৫০ টকাৰ পৰা আৰম্ভ কৰি মুগা গামোচা ২৮০০ টকালৈ বজাৰত উপলব্ধ হৈছে। ব্যাপক মূল্যবৃদ্ধিৰ ফলত এইবেলি বিহুৰ বজাৰত খাদ্যসামগ্ৰীৰ পৰা বস্ত্ৰৰ বজাৰলৈ সকলো সমগ্ৰীতে পূৰ্বতকৈ অধিক দাম বৃদ্ধি পোৱা দেখা গৈছে।

# জিএমচিএইচৰ পেথ'লজী বিভাগত প্ৰাক্ ৰঙালী বিহু উদ্‌যাপন



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগতত্ত্ব (পেথ'লজী) বিভাগত আজি প্ৰাক্ ৰঙালী বিহুৰ আয়োজন কৰা হয়। বিভাগটোৰ প্ৰেক্ষাগৃহত 'শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছৱৰ মধু আলোড়ন' এই কালজয়ী আৰু জনপ্ৰিয় গীতটিৰে শুভাৰম্ভ কৰা প্ৰাক্ ৰঙালী বিহুৰ উদ্বোধন কৰে বিভাগীয় মুৰব্বী অধ্যাপিকা ডাঃ ইনা দুৱৰাই। অনুষ্ঠানত অধ্যাপিকা ডাঃ মঞ্জুলা চৌধুৰীয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সদৌ অসম চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় কৰ্মচাৰী সংস্থাৰ প্ৰাক্তন সভাপতি ৰমেন ভৰালীয়ে ৰোগতত্ত্ব বিভাগৰ অধ্যাপিকা তিনিগৰাকীক একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়। প্ৰাক্ ৰঙালী বিহু অনুষ্ঠানত ৰোগতত্ত্ব বিভাগৰ চিকিৎসক, পি জিৰ ডাক্তৰৰ ছাত্ৰ-ছাত্ৰীসকলে জাতীয় সাজপাৰ পিন্ধি আৰু পেৰামেডিকেল বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে একেলগে গীতে-মাতে, বিহুনৃত্যৰে মুখৰ কৰে। অনুষ্ঠানত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ ৰোগতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক ডাঃ দলজিৎ কোঁৱৰ, ডাঃ জেবিন, ডাঃ বিদ্যুৎ দত্ত, ডাঃ ৰাজীৱ দাস আদি উপস্থিত থাকি গীত-নৃত্য পৰিৱেশন কৰে।

# মালিগাঁৱত দুদিনীয়াকৈ আম্বেদকাৰ জয়ন্তীৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১২ এপ্ৰিল ঃ** সৰ্বভাৰতীয় ৰে'লৱে এছ চি আৰু এছ টি এমপ্লইজ এছ'চিয়েচনৰ এন এফ ৰে'লৱে মণ্ডলৰ উদ্যোগত ১৩ আৰু ১৪ এপ্ৰিলত মালিগাঁও গোশালাস্থিত ৰে'লৱে ছিনিয়ৰ ইনষ্টিটিউট 'কনকলতা ভৱন' চৌহদত ভাৰত ৰত্ন বাবাচাহেব ডঃ ভীমৰাও আম্বেদকাৰৰ ১৩৫ সংখ্যক জয়ন্তী উদ্‌যাপন কৰা হ'ব। মণ্ডল কমিটীৰ সভাপতি ৰিংকুমণি বৈশ্য, কাৰ্যকৰী সভাপতি পি মজুমদাৰ আৰু সাধাৰণ সম্পাদক তাৰিণী চৰণ দাসে জানিবলৈ দিয়া মতে ১৩ এপ্ৰিলত বিয়লি ১ বজাৰপৰা ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি একক আৰু দলীয় নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ১৪ এপ্ৰিলৰ দিনা পুৱা ৯ বজাত পতাকা উত্তোলনৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব মণ্ডল কমিটীৰ উপদেষ্টা বি বড়োৱে আৰু আম্বেদকাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব মণ্ডল কমিটীৰ সম্পাদক তাৰিণী চৰণ দাসে। দুপৰীয়া ১২ বজাৰপৰা সাংস্কৃতিক অনুষ্ঠান আৰু ১.৩০ বজাৰপৰা মুকলি সভা অনুষ্ঠিত হ'ব।

## জৰুৰী ফোন নম্বৰ

| | |
|---|---|
| আৰক্ষী | ঃ ১০০ |
| অগ্নি নিৰ্বাপণ | ঃ ১০১ |
| এম্বুলেন্স | ঃ ১০২ |
| মৃত্যুঞ্জয় | ঃ ১০৮ |
| চাইবাৰ | ঃ ১৯৩০ |

# প্ৰাক্ ৰঙালী বিহু উদ্‌যাপন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটীৰ ছয়মাইলৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ত ১১ এপ্ৰিলত প্ৰাক্ ৰঙালী বিহু উদ্‌যাপন কৰা হয়। আদৰণী ভাষণত অধ্যক্ষ ডঃ বোধেন কুমাৰ শইকীয়াই উপস্থিত সকলোকে বিহুৰ আদৰণি জনায়। আজি মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ প্ৰাচীৰ পত্ৰিকাসমূহ দৰ্শন কৰে বিচাৰক বি বৰুৱা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ডঃ ৰূপা বৰুৱা আৰু কবি-সাংবাদিক অংকুৰ ৰঞ্জন চাংমায়ে। এই প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ৰাজনীতি বিজ্ঞান বিভাগে, দ্বিতীয় স্থান লাভ কৰে হিন্দী বিভাগে আৰু তৃতীয় স্থান লাভ কৰে অসমীয়া বিভাগে। আজিৰ অনুষ্ঠানত ইউটিউবাৰ ৰাজীৱ দুৱৰী আৰু নীলাক্ষি আৰ শৰ্মাই অনুষ্ঠান পৰিৱেশন কৰে।

# কুমাৰ ভাস্কৰ বৰ্মা সেতুৰ পৰা পৰি শ্ৰমিকৰ মৃত্যু



**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুত আজি আবেলি এক শোকাৱহ ঘটনা সংঘটিত হয়। এজন শ্ৰমিক সেতুখনৰ পৰা তললৈ পৰি যোৱাত তেওঁৰ ঘটনাস্থলীতে মৃত্যু হয়। নিহত শ্ৰমিকজন কুমাৰ ভাস্কৰ বৰ্মা সেতুত নিয়োজিত এজন ঠিকাদাৰৰ শ্ৰমিক আছিল বুলি জানিব পৰা গৈছে। মৃত শ্ৰমিকজন বৰপেটাৰ কেওটকুছিৰ ৰাবিল আলী বুলি আৰক্ষীয়ে সদৰি কৰিছে। ঘটনাস্থলীত উত্তৰ গুৱাহাটী আৰক্ষী উপস্থিত হৈ মৃত শ্ৰমিকজনৰ কেইবাজনো সহযোগী শ্ৰমিকক আৰক্ষীয়ে সোধা-পোছা আৰম্ভ কৰিছে। সহযোগীসকলে সদৰি কৰা মতে নিহত শ্ৰমিকজন দলঙৰ পৰা দুৰ্ঘটনাবশতঃ তললৈ সৰি পৰি যায়। আৰক্ষীয়ে তদন্তৰ আওতালৈ অনা তিনি সহযোগী শ্ৰমিক ক্ৰমে ছয়দুল আলী, ৰবিউল আলী আৰু ফাৰুক আলী। শ্ৰমিককেইজন ড্ৰাগছ আসক্ত বুলি সন্দেহ কৰিছে স্থানীয় লোকে। আৰক্ষীয়ে ইতিমধ্যে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে। শ্ৰমিকজনে প্ৰকৃততে নিজেই পৰি মৃত্যু হৈছে নে লগৰ সহযোগীসকলে দলঙৰ পৰা পেলাই দিছে সেয়া আৰক্ষীৰ তদন্ততহে ওলাই পৰিব। ইফালে আৰক্ষীয়ে জানিবলৈ দিয়া মতে সেতুখনৰ ৰেলিঙৰ ওপৰত উঠি মোবাইল ফোনেৰে ৰীল বনাই থকাৰ ফলত শোকাৱহ দুৰ্ঘটনাটো সংঘটিত হোৱাৰ সম্ভাৱনা আছে।

# মৈদাম বৰসজাই লেখিকা সমাৰোহ সমিতিৰ অধিৱেশন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত মৈদাম বৰসজাই শাখাৰ ২১ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনখন যোৱা ১১ এপ্ৰিল শনিবাৰে ভেটাপাৰাৰ লালমাটিস্থিত দুৰ্গামন্দিৰ প্ৰাংগণত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱা শাখাৰ স্থায়ী সভানেত্ৰী অঞ্জনা ভাগৱতীয়ে পতাকা উত্তোলন কৰাৰ পাছত সমাজকৰ্মী কুলেন্দ্ৰ কুমাৰ ভাগৱতীয়ে বন্তি প্ৰজ্বলন কৰি অধিৱেশন উদ্বোধন কৰে। বিয়লি তিনি বজাৰ পৰা আৰম্ভ হোৱা মুকলি সভাৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে কামৰূপ মহানগৰ জিলাৰ সম্পাদিকা শেৱালি ভাগৱতীয়ে আৰু সভা উদ্বোধন কৰে সভানেত্ৰী দৰ্পণা বৰা নেওগে। সভাত নিৰ্দিষ্ট বক্তাৰূপে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী নিলীমা বৰাই সাৰুৱা ভাষণ প্ৰদান কৰে। শাখাৰ আলোচনী সম্পাদিকা মালৱিকা বুঢ়াগোহাঁই সম্পাদিত মুখপত্ৰ 'নীলাকাশ' নিৰলা দাস বৈশ্যই আৰু প্ৰবন্ধ সংকলন 'সাহিত্যৰ অন্বেষণ' মুখ্য অতিথি নন্দিতা চলিহাই উন্মোচন কৰে। উক্ত সভাত শাখাৰ সম্পাদিকা বিভা মহন্ত শৰ্মাৰ আন এখন দ্বি-ভাষিক গ্ৰন্থ 'ৰংগ ভৰা মৌচম' উন্মোচন কৰে দৰ্পণা বৰা নেওগে। অধিৱেশনত বিশেষভাৱে আমন্ত্ৰিত অনাতাঁৰ শিল্পী কণিকা ভট্টাচাৰ্যক শাখাই সম্বৰ্দ্ধনা জ্ঞাপন কৰে। অধিৱেশনৰ লগত সংগতি ৰাখি শাখাই মহানগৰ জিলা লেখিকা সমিতিৰ শাখাসমূহৰ সদস্যসকলৰ মাজত এক প্ৰবন্ধ প্ৰতিযোগিতা আৰু স্থানীয় শিশুসকলৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল আৰু বিজয়ী প্ৰতিযোগীসকলক উক্ত সভাতেই পুৰস্কাৰ প্ৰদান কৰা হয়।



# শিক্ষক তাৰিণীকান্ত নাথক বিদায় সম্ভাষণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰাণী, ১২ এপ্ৰিল ঃ** কাহিকুছি মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত গৰাখহনীয়া সৎসংগ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তাৰিণীকান্ত নাথে শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। এই উপলক্ষে বিদ্যালয় পৰিচালনা সমিতিয়ে আজি অঞ্চলটোৰ বিভিন্ন দল-সংগঠন, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, বৃহত্তৰ মাটিয়া পাহাৰবাসী ৰাইজৰ সহযোগত এখনি বিদায় সম্বৰ্দ্ধনা সভা অনুষ্ঠিত কৰে। এই সভাত শিক্ষকগৰাকীলৈ ফুলৰ থোপা, গামোচা, কিতাপ আদি উপহাৰ দি আনুষ্ঠানিকভাৱে বিদায় সম্ভাষণ জনায়। এই বিদায় সম্ভাষণ গ্ৰহণ কৰি শিক্ষক তাৰিণীকান্ত নাথ আৱেগিক হৈ পৰে। আজিৰ বিদায় সম্ভাষণ সভাত বিদ্যালয়খনৰ প্ৰাক্তন প্ৰধান শিক্ষক নিৰেন কুমাৰ দাস, কাহিকুছি মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক গোবিন্দ দলৈ, গোপাল ঝা, মাটিয়া কালীমন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ধনেশ্বৰ কলিতা, সদৌ অসম যুৱ সংঘৰ কেন্দ্ৰীয় সভাপতি বিজয় দাস, ভাৰতীয় জনতা পাৰ্টীৰ বিমানকোঠ মণ্ডলৰ অ'বিচি মৰ্চাৰ সভাপতি হিতেশ বৰগোহাঁই, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জুন দাসৰ লগতে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া, সদস্য উপস্থিত থাকে।

# এল গোপাল জুৱেলাৰ্ছলৈ খুচুৰা বিক্ৰেতাৰ সন্মান



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** গুৱাহাটীৰ ফেন্সি বজাৰৰ হেম বৰুৱা ৰোডৰ কুবেৰ এ চি মাৰ্কেটত অৱস্থিত এল গোপাল জুৱেলাৰ্ছ (শংকৰলাল ছোনীৰ ইউনিট)ক অলপতে মুম্বাইত ৰাষ্ট্ৰীয় বঁটাৰে সন্মানিত কৰা হয়। অসমৰ পৰা এল গোপাল জুৱেলাৰ্ছক ভাৰতৰ সৰ্বাধিক পছন্দৰ খুচুৰা বিক্ৰেতা হিচাপে সন্মানিত কৰা হয়। মুম্বাইৰ বি কে চিৰ জিঅ' কনভেনশ্যন চেণ্টাৰত অনুষ্ঠিত ইণ্ডিয়া জেমছ এণ্ড জুৱেলাৰী শ্ব'ত অল ইণ্ডিয়া জেম এণ্ড জুৱেলাৰী ডমেষ্টিক কাউন্সিলে এই বঁটা প্ৰদান কৰে। বঁটা প্ৰদান কৰে আইডিপি জেম'লজিকেল ৱৰ্ল্ডৱাইডৰ প্ৰতিষ্ঠাপক গৌৰৱ এছ ইছাৰে। এল গোপাল জুৱেলাৰ্ছৰ মুৰব্বী গকুল ছোনীৰ পুত্ৰ প্ৰতীক ছোনীয়ে এই সন্মানীয় বঁটা গ্ৰহণ কৰে। গোকুল ছোনীয়ে কয় যে কুবেৰ এ চি মাৰ্কেটত অৱস্থিত এল গোপাল জুৱেলাৰ্ছে বিগত পাঁচ দশক ধৰি গহনা ব্যৱসায়ত জড়িত হৈ আছে। গ্ৰাহকৰ প্ৰবল চাহিদাৰ বাবে শীঘ্ৰেই এল গোপাল জুৱেলাৰ্ছে ব্যৱসায় সম্প্ৰসাৰণ কৰিব। গোপাল জুৱেলাৰ্ছে ফেন্সি বজাৰৰ জে'ল ৰোডলৈ অতি শীঘ্ৰেই 'স্বৰ্ণবেদ জুৱেলছ' নামৰ এটা ডাঙৰ শ্ব'ৰূম মুকলি কৰিব, য'ত সোণ, হীৰা আৰু ৰূপৰ সকলোধৰণৰ গহনা-গাথৰি একেখন চালিৰ তলতে গ্ৰাহকে লাভ কৰিবলৈ সক্ষম হ'ব। বঁটা গ্ৰহণ কৰি তেওঁ এল গোপালৰ সমূহ গ্ৰাহকসকলক কৃতজ্ঞতা জ্ঞাপন কৰে।

# ৩৭ সংখ্যক জাপৰিগোগ ৰঙালী বিহুৰ আয়োজন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** ৩৭ সংখ্যক জাপৰিগোগ ৰঙালী বিহু ১৪ এপ্ৰিলত পুৱা ৮ বজাত বিহু পতাকা উত্তোলনেৰে জাপৰিগোগ জনজাতি যুৱক সংঘৰ খেলপথাৰত আৰম্ভ হ'ব। সমিতিৰ সভাপতি ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাই পতাকা উত্তোলন কৰিব। বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰিব শেৱালি তালুকদাৰ, ৰশ্মি ব্ৰহ্ম আৰু উদ্ধৱ চন্দ্ৰ কলিতাই। বৃক্ষৰোপণ উদ্বোধন কৰিব মৰিগাঁও লাহৰিঘাটৰ সমজিলা আয়ুক্ত শিল্পিকা কলিতাই। বৃক্ষৰোপণ কৰিব পৰেশ চন্দ্ৰ শৰ্মা, প্ৰসন্ন বৰ্মন, চক্ৰধৰ শৰ্মা, দেবেন্দ্ৰনাথ শইকীয়া, ৰত্নেশ্বৰ ঠাকুৰীয়া আৰু খগেন কলিতাই। সাংস্কৃতিক শোভাযাত্ৰা গুৱাহাটী পৌৰ নিগমৰ পাৰিষদ উৎপল মহন্তই উদ্বোধন কৰিব। গৰু বিহু অনুষ্ঠান উদ্বোধন কৰিব হৰমোহন কলিতাই। দিনৰ ১১.৩০ বজাত খেল-ধেমালি আৰু অক্সন ব্ৰিজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ২ বজাত সাহিত্য কলা-সংস্কৃতিবিষয়ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আবেলি ৪ বজাত মৌ কুঁৱৰী প্ৰতিযোগিতা, ৫ বজাত বিহু কুঁৱৰী প্ৰতিযোগিতা আৰম্ভ হ'ব। বিহু কুঁৱৰী প্ৰতিযোগিতাৰ বঁটাৰ ধন ক্ৰমে ১৫ হাজাৰ আৰু ৮ হাজাৰ টকা। সন্ধিয়া ৬.৩০ বজাত সাংস্কৃতিক মঞ্চ মুকলি কৰিব ডঃ উমাচৰণ শৰ্মাই। ১৫ এপ্ৰিলত সাংস্কৃতিক মঞ্চ মুকলি কৰিব ভোগালী জলপানৰ স্বত্বাধিকাৰী অজিত শৰ্মা বৰুৱাই। সাংস্কৃতিক অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী বন্দিতা বৰুৱা আৰু প্ৰাপ্তি বৰুৱাই গীত পৰিৱেশন কৰিব। ১৬ এপ্ৰিলত আবেলি ৪ বজাৰপৰা মুকলি সভা আৰু স্মৃতিগ্ৰন্থ 'নাচনী' উন্মোচনী সভাত সভাপতিত্ব কৰিব ভুপেন্দ্ৰ চন্দ্ৰ শৰ্মাই। সাংস্কৃতিক সন্ধিয়াত সা-ৰে-গা-মা-পা খ্যাত কণ্ঠশিল্পী প্ৰতীক্ষা ডেকাৰ গীতৰ শৰাই।

# উত্তৰ গুৱাহাটী জাতীয় বিদ্যালয়ত ৮ কৃতী শিক্ষাৰ্থীক সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১২ এপ্ৰিল ঃ** 'উন্নয়নৰ শিখৰত আৰোহণ কৰিবলৈ মাধ্যম কেতিয়াও বাধাৰ প্ৰাচীৰ হ'ব নোৱাৰে। একান্ত সাধনা আৰু লক্ষ্য স্থিৰ থাকিলে সকলোৱে জীৱনত সফলতা লাভ কৰিব পাৰে। পৃথিৱীৰ উন্নত দেশসমূহে মাতৃভাষাতে নিজৰ সন্তানক শিক্ষাৰ আদিপাঠ প্ৰদান কৰে। কিন্তু ইয়াৰ বিপৰীতে বৰ্তমান আমাৰ সমাজত একাংশ অভিভাৱকে মাতৃভাষাক চূড়ান্ত অৱমাননা কৰি ইংৰাজী ভাষাক গুৰুত্ব প্ৰদান কৰা পৰিলক্ষিত হয়।' এই ভাষ্য উত্তৰ গুৱাহাটী জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক অলকেশ গোস্বামীৰ। কালি উত্তৰ গুৱাহাটী জাতীয় বিদ্যালয় প্ৰাংগনত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত পৌৰোহিত্য কৰি গোস্বামীয়ে কয় যে অসমত জাতীয় বিদ্যালয়সমূহে মাতৃভাষাক প্ৰধান ভাষা হিচাপে লৈ শিক্ষা ব্যৱস্থাক আগুৱাই নিবলৈ সক্ষম হৈছে। জাতীয় বিদ্যালয়ে গঢ় দিয়া ছাত্ৰ-ছাত্ৰীয়ে সমাজত এক সুকীয়া স্থান দখল কৰিবলৈ সক্ষম হৈছে। উত্তৰ গুৱাহাটী জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক গংগাধৰ দাসে আঁত ধৰা আৰু সভাপতি অনুপ্ৰকাশ শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানত এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা আৰু উত্তৰ গুৱাহাটী জাতীয় বিদ্যালয়ৰ ৮ গৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়।



### দোকানে দোকানে উপলব্ধ বহিঃৰাজ্যৰ গামোচা

# যোৰহাটৰ বজাৰত উভৈনদী ভেজাল গুড়-ক্ৰীম

**দৈনিক অসমৰ প্ৰতিনিধি**
**পুলিবৰ (যোৰহাট), ১২ এপ্ৰিল ঃ** বাপতি-সাহোন ব'হাগ বিহুৰ গইনা লৈ যোৰহাটৰ বজাৰত উভৈনদী হৈ পৰিছে ভেজাল গুড় আৰু ক্ৰীম। একাংশ অসৎ ব্যৱসায়ীয়ে বক্ৰপথেৰে ধন ঘটিবৰ বাবেই ভেজাল সামগ্ৰীসমূহ বজাৰত মেলি দিছে। উল্লেখ্য যে সুস্বাদু আৰু বিশুদ্ধ গুড় আৰু ক্ৰীমৰ নামত গ্ৰাহকক খুৱাইছে বৰবিহ। এনে ভেজাল সামগ্ৰীৰ বাবে দৈনিক বহু লোক অসুস্থ হৈ চিকিৎসাধীন হ'ব লগা হৈছে। বহিঃৰাজ্যৰ পৰা অহা গুড় আৰু জীৱ-জন্তুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰা লালিগুড়ৰ লগত চৰকাৰী বিনামূলীয়া চাউলৰ গুড়ি, আটা, গেলা আলু, চেনি, ৰঙালাও আৰু নগাঁৰৰ বগাৰঙৰ টিনৰ গুড় আদি বিবিধ দ্ৰব্য মিহলাই একাংশ লোকে এক নতুন প্ৰকাৰৰ গুড় সৃষ্টি কৰিছে। ব্যক্তিগত লাভালাভৰ স্বাৰ্থত এচাম ব্যৱসায়ীয়ে মানুহৰ খাদ্যৰ বাবে অনুপযুক্ত এই গুড় তৈয়াৰকে জীৱিকা নিৰ্বাহৰ পথ হিচাপে লৈ বাৰ মাহে ব্যস্ত হৈ পৰিছে গুড় প্ৰস্তুত কৰ্মত। সৰু সৰু বাটি আৰু কলৰ খোলত তৈয়াৰ কৰা এই গুড় দেখাত অধিক আকৰ্ষণীয়। এই গুড় দেখিলে গ্ৰাহক ওচৰ চাপি অহাটো খুবেই স্বাভাৱিক। কিন্তু এয়া হৈছে ভেজাল। স্বাস্থ্যৰ বাবে উপযোগী নহ'লেও বজাৰত ভেজাল গুড়ে লাভ কৰিছে ব্যাপক সমাদৰ। তাৎপৰ্যপূৰ্ণ কথা যে এই ভেজাল গুড়ে প্ৰকৃত কুঁহিয়াৰ খেতিয়কসকলৰ মূৰত ৰামটাঙোন শোধাইছে। যিহেতু হাড়ভগা শ্ৰম কৰি উৎপাদন কৰা কুঁহিয়াৰ গুড়ৰ তুলনাত এই গুড়ৰ মূল্য কম। নিৰ্ভেজাল গুড় আৰু ভেজাল গুড়ৰ পাৰ্থক্য নজনাকৈয়ে ধুনীয়া দেখি গ্ৰাহকে ভেজাল গুড় সংগ্ৰহ কৰিবলৈহে আগ্ৰহ কৰে। এনে কাৰণত কুঁহিয়াৰ খেতিয়কসকলে অসাধু ব্যৱসায়ীৰ ওচৰত হাৰ মানি কুঁহিয়াৰ খেতি কৰিবলৈ ত্যাগ কৰিব লগা হৈছে। ইয়ে থলুৱা খেতিয়কৰ গুড়ৰ বজাৰখন সমূলঞ্চে ধ্বংস কৰা দেখা গৈছে। বিষয়টোত কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা আহি পৰিছে। এই অসাধু ব্যৱসায়ৰ কথা জানিও আৰক্ষী তথা স্থানীয় প্ৰশাসনে উৎকোচৰ অংকত কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ব্যৱসায়টো দিনকদিনে সম্প্ৰসাৰিত হৈ গৈ আছে। আনহাতে দৈৰ লগত চেনি মিহলাই এক বিশেষ পদ্ধতিৰে তৈয়াৰ কৰিছে ভেজাল ক্ৰীম। এই ভেজাল ক্ৰীম ৫০০ টকা কেজিত বিক্ৰী হৈ আছে যদিও কাণসাৰ নাই প্ৰশাসনৰ। ইফালে চহৰখনৰ দোকানে দোকানে এতিয়া উপলব্ধ বহিঃৰাজ্যৰ গামোচা। এনে গামোচা এক ডজনত মাত্ৰ ৪৮০ টকা যদিও বজাৰত এখনত ১০০ টকাকৈ বিক্ৰী হৈ আছে। চৰকাৰে এনে গামোচা বিক্ৰী কৰাত নিষেধাজ্ঞা আৰোপ কৰি থোৱা আছে যদিও ৰহস্যজনক কাৰণত চহৰখনত উভৈনদী হৈ পৰিছে এনে গামোচা। সচেতন মহলে জিলা প্ৰশাসনক এই ক্ষেত্ৰত উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।




### নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবত প্ৰতিবাদী সভা

# সাংবাদিকৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**
**লখিমপুৰ, ১২ এপ্ৰিল ঃ** 'অসমীয়া প্ৰতিদিন' কাকতৰ লখিমপুৰৰ সংস্কৰণৰ কাৰ্যালয়ত দুৰ্বৃত্তৰ আক্ৰমণক কেন্দ্ৰ কৰি লখিমপুৰত দল-সংগঠনৰ মাজত প্ৰতিক্ৰিয়া অব্যাহত আছে। এই আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দি শীঘ্ৰে দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰাৰ দাবীত কালি প্ৰেছ ক্লাব ভৱনত নৰ্থ লখিমপুৰ প্ৰেছ ক্লাবে প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। প্ৰেছ ক্লাবৰ সভাপতি কুমুদ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত সভাখনৰ আঁত ধৰে সম্পাদক কৰুণাকৃষ্ণ নাথে। প্ৰতিদিনৰ কাৰ্যালয়ত আক্ৰমণ কৰিবলৈ এখন বগা ৰঙৰ স্কৰপিও' বাহনত অহা চাৰিজন যুৱকৰ ভিডিঅ' চিচি টিভিত আবদ্ধ হৈছিল। সেই ভিডিঅ' আৰক্ষীক দিয়াৰ দুদিন পাছতো লখিমপুৰৰ আৰক্ষীয়ে দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নোহোৱাত প্ৰেছ ক্লাবে আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰে। আনহাতে 'অৰুণোদয় লাইভ' নামৰ প'ৰ্টেলটোৰ পৰিচালন সঞ্চালিকা, সাংবাদিক প্ৰশান্ত মোদকৰ সহধৰ্মিণী ডিপ্লমা বৰদলৈক দুৰ্বৃত্তই ভাবুকি দিয়া, নাওবৈচাৰ সাংবাদিক ৰবীন্দ্ৰ উপাধ্যায়ৰ বাসগৃহত আক্ৰমণৰ ঘটনাকো গৰিহণা দি সাংবাদিকৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ আইন প্ৰণয়ন কৰিবলৈ দাবী জনায়। আনহাতে জাফাৰ কেন্দ্ৰীয় সভাপতি অভিদীপ চৌধুৰী, কাৰ্যকৰী সভাপতি পংকজ ডেকা, সম্পাদকপ্ৰধান কুঞ্জমোহন ৰায়, মুখ্য সাংগঠনিক সম্পাদক কুশল শইকীয়া স্বাক্ষৰিত বিবৃতিটোত ঘটনাৰ লগত জড়িত দুৰ্বৃত্তক অতিশীঘ্ৰে আটক কৰি দৃষ্টান্তমূলক শাস্তি দিবলৈ প্ৰশাসনক দাবী জনায়। বিবৃতিটোত কোৱা হয় যে সংবাদ মাধ্যমৰ কণ্ঠ ৰুদ্ধ কৰাৰ অপচেষ্টাক কেতিয়াও সহ্য কৰা নহ'ব। দুষ্ট চক্ৰকো এনে কৰ্মৰ পৰা আঁতৰি থাকিবলৈ জাফাই সকীয়াই দিয়ে। অন্যথা জাফাই ইয়াৰ বিৰুদ্ধে প্ৰতিখন জিলাতে আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি বিবৃতিটোত উল্লেখ কৰে। ভাৰতৰ কমিউনিষ্ট পাৰ্টী (মাৰ্ক্সবাদী) লখিমপুৰ জিলা কমিটীয়ে সংবাদগোষ্ঠীৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। জিলা কমিটীৰ কাৰ্যালয়ত কালি এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়।

## হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত আঠখেলীয়াত উছাহ

**দৈনিক অসমৰ প্ৰতিনিধি**
**আঠখেলীয়া, ১২ এপ্ৰিল ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এইবাৰ গোলাঘাটৰ ফৰকাটিং আৰু আঠখেলীয়াৰ কেইবাখনো বিদ্যালয়ে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আঠখেলীয়া উচ্চতৰ মাধ্যমিকৰ এইবাৰ উত্তীৰ্ণৰ হাৰ ৯৩.১৯ শতাংশ। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৩৬৭গৰাকীৰ ভিতৰত এগৰাকীয়ে ডিষ্টিংচন, ১২গৰাকীয়ে ষ্টাৰ মাৰ্ক, ১৬৮গৰাকীয়ে প্ৰথম বিভাগ, ১৬৫গৰাকীয়ে দ্বিতীয়, ৮গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰে। আনহাতে উড়নপক্ষী ভৱন স্কুলৰ ফলাফল ১০০ শতাংশ উত্তীৰ্ণ। মুঠ পৰীক্ষাৰ্থী ৩৯গৰাকীৰ ৫গৰাকীয়ে ষ্টাৰ, প্ৰথম বিভাগত ৩০গৰাকী, ৯গৰাকীয়ে দ্বিতীয় বিভাগ আৰু অসমীয়াত ৯গৰাকীয়ে, গণিতত ৬গৰাকীয়ে, বিজ্ঞানত ২গৰাকীয়ে, সমাজবিজ্ঞানত ১০গৰাকীয়ে, হিন্দীত ৭, ভূগোলত ৫ গৰাকীসহ মুঠ ৩৯ গৰাকীয়ে লেটাৰ মাৰ্ক লাভ কৰে। 'জ্ঞানজ্যোতি জাতীয় বিদ্যালয়'ৰ ২১গৰাকীৰ ভিতৰত ২জনে ষ্টাৰ, ১৩গৰাকীয়ে লেটাৰসহ প্ৰথম বিভাগ, ৮গৰাকীয়ে লেটাৰসহ দ্বিতীয় বিভাগ লাভ কৰে। 'বালিজান উচ্চ মাধ্যমিক বিদ্যালয়'ৰ ৬৯গৰাকী অৱতীৰ্ণ হৈছিল। ইয়াৰে (৩গৰাকীয়ে ষ্টাৰমাৰ্ক)সহ প্ৰথম ২৫গৰাকীয়ে, দ্বিতীয় বিভাগ লাভ কৰে ৩৬গৰাকীয়ে, ৫০গৰাকীয়ে বিভিন্ন বিষয়ত লেটাৰ মাৰ্ক লাভ কৰে। ফৰকাটিং গজানন্দ জালান বালিকা বিদ্যালয়ৰ ৬০গৰাকী ছাত্ৰীৰ ভিতৰত এগৰাকীয়ে ডিষ্টিংচন, ৬গৰাকীয়ে ষ্টাৰ মাৰ্ক, ২৬গৰাকী প্ৰথম, এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯৮.১১ শতাংশ।

# লাকুৱাৰ কেইবাখনো বিদ্যালয়ে এশ শতাংশ উত্তীৰ্ণৰে দেখুৱালে নিদৰ্শন

**দৈনিক অসমৰ প্ৰতিনিধি**
**লাকুৱা, ১২ এপ্ৰিল ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত টেঙাপুখুৰী অঞ্চলৰ বেচৰকাৰী শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতন, টেঙাপুখুৰীয়ে এশ শতাংশ উত্তীৰ্ণৰ সফলতাৰে পূৰ্বৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। নিকেতনৰ পৰা এইবাৰ অৱতীৰ্ণ হোৱা ১৩গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত এগৰাকীয়ে ডিষ্টিংচনসহ প্ৰথম বিভাগত ৩জন, দ্বিতীয় বিভাগত ৯জন আৰু এজন তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উল্লেখ্য যে ২০১৭ চনৰ পৰাই উক্ত নিকেতনখনে প্ৰতিবছৰে উত্তীৰ্ণৰ হাৰ ১০০ শতাংশৰে নিজৰ ধাৰাবাহিকতা অব্যাহত আছে। আনহাতে শংকৰদেৱ শিশু-বিদ্যা নিকেতন, মথুৰাপুৰৰো এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণ হয়। শিক্ষানুষ্ঠানখনৰ পৰা অৱতীৰ্ণ হোৱা মুঠ ৬৪জন পৰীক্ষাৰ্থীৰ ভিতৰত প্ৰথম বিভাগত ২৯, দ্বিতীয় বিভাগত ৩৩ আৰু তৃতীয় বিভাগত ২জন উত্তীৰ্ণ হয়। ইয়াৰে এজনে ডিষ্টিংচন আৰু ৫জনে ষ্টাৰ নম্বৰ পাবলৈ সক্ষম হোৱাৰ লগতে শিক্ষানুষ্ঠানখনৰ পাৰিজাত টিপমীয়া নামৰ ছাত্ৰজনে সাধাৰণ গণিতত ১০০ নম্বৰ লাভ কৰে। ইফালে টেঙাপুখুৰী আৰু মথুৰাপুৰ অঞ্চলৰ চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ ফলাফলো সন্তোষজনক। টেঙাপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ৩২জন পৰীক্ষাৰ্থীৰ ভিতৰত ৩১জন উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯৬.৮৮ শতাংশ। ইয়াৰে ১৫জন প্ৰথম বিভাগ, ১৫জন দ্বিতীয় বিভাগ আৰু তৃতীয় বিভাগত এজন উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ পৰা পূজা বৰুৱা নামৰ ছাত্ৰীগৰাকীয়ে ৯১.৫ শতাংশ নম্বৰসহ ডিষ্টিংচন আৰু তিনিজনে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে দ'লবাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফল অনুসৰি ৮৮জনৰ ভিতৰত ৭৭জন পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৮৭.৫ শতাংশ। ইয়াৰে ২৭জনে প্ৰথম, ৪৫জনে দ্বিতীয় বিভাগ আৰু ৫জনে তৃতীয় বিভাগ লাভ কৰে। বিদ্যালয়খনৰ এজন পৰীক্ষাৰ্থীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এজনে ডিষ্টিংচন লাভ কৰাৰ লগতে ২জনে প্ৰথম বিভাগ, ৩২জনে দ্বিতীয় বিভাগ আৰু ১৩জনে তৃতীয় বিভাগ পাবলৈ সক্ষম হয়। বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ ৫৫.৪৬ শতাংশ। আনহাতে মথুৰাপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ২২গৰাকী ছাত্ৰীৰ ভিতৰত ১৮গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ শতকৰা হাৰ ৮১.৮১ শতাংশ। ইয়াৰ ভিতৰত শিক্ষানুষ্ঠানখনৰ এগৰাকী ছাত্ৰীয়ে ষ্টাৰ নম্বৰ লাভ কৰাৰ বিপৰীতে প্ৰথম বিভাগত ১, দ্বিতীয় বিভাগত ১২ আৰু তৃতীয় বিভাগত ৫গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। আনহাতে ব্যক্তিগত খণ্ডৰ ব্লুছম পাব্লিক স্কুলৰ উত্তীৰ্ণৰ হাৰ এশ শতাংশ। বিদ্যালয়খনৰ ১৯গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰৰে ১৬গৰাকী প্ৰথম আৰু ৩গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ৪গৰাকীয়ে ডিষ্টিংচন আৰু ৭গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। ইফালে চলা হাইস্কুলৰ ২৬গৰাকীৰ ভিতৰত ১০গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৩৮.৪৭ শতাংশ। ইয়াৰে ৩গৰাকী প্ৰথম, ৬গৰাকী দ্বিতীয় আৰু এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে এগৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্টিংচন নম্বৰ লাভ কৰে।



# হাৰমতীত বিহুনাচ-ঢোলবাদনৰ কৰ্মশালা

**দৈনিক অসমৰ প্ৰতিনিধি**
**বান্দৰদেৱা, ১২ এপ্ৰিল ঃ** ব'হাগৰ আগমনৰ লগে লগে গছে-বনে ন-কুঁহিপাত সলোৱাৰ লগতে প্ৰকৃতিয়ে নৱৰূপ ধাৰণ কৰিছে। অসমীয়া সংস্কৃতিৰ মেটমৰা সম্ভাৰেৰে অসমীয়া ডেকা-গাভৰুৰ পৰা কণ কণ শিশুসকলৰ গাতো লাগিছে ব'হাগৰ বা। লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমাৰ হাৰমতী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰঞ্জিত স্বৰ্গীয়াৰী, সম্পাদক পংকজ ভড়ালীৰ নেতৃত্বত কণ কণ শিশুসকলৰ লগতে কিশোৰ-কিশোৰীসকলৰ বাবে বিহুনাচৰ লগতে ঢোলবাদনৰ কৰ্মশালা অনুষ্ঠিত কৰে। যোৱা ১ এপ্ৰিলৰ পৰা হাৰমতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰ্মশালাত দুশৰো অধিক প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ প্ৰদান কৰে। কালি দহদিনীয়া বিহুনাচ, ঢোলবাদন কৰ্মশালাৰ সামৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক সীমান্ত নেওগ, শংকৰদেৱ মহাবিদ্যালয়ৰ প্ৰবক্তা ডঃ ভৈৰৱ কোঁচ, খেৰাজখাট মহাবিদ্যালয়ৰ প্ৰবক্তা দীপক বৰুৱা, শিলিখাগুৰি প্ৰাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী কৃষ্ণা চুতীয়া বৰা আদি কৰি কেইবাজনো গণ্যমান্য ব্যক্তি।

## নিতাইপুখুৰীত ৰঙালীৰ হাট-প্ৰাক্‌বিহু উদ্‌যাপন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ডিমৌ, ১২ এপ্ৰিল ঃ** ডিমৌৰ নিতাইপুখুৰী ৰাজহুৱা ভৱনৰ সন্মুখত উৎসৱমুখৰ পৰিৱেশত কালি অনুষ্ঠিত হয় এখন ৰঙালীৰ বজাৰ। নিতাইপুখুৰীস্থিত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে নিতাই-পানীদিহিঙৰ উদ্যমী যুৱক-যুৱতী, আত্মসহায়ক গোটৰ মহিলাই উৎপাদন কৰা বিহুত ব্যৱহাৰ্য সা-সামগ্ৰী, জা-জলপানৰ লগতে অন্যান্য সামগ্ৰীৰ বিপণন হয় ৰঙালীৰ বজাৰত। হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ নাৰী অধ্যয়ন আৰু উন্নয়ন কোষৰ লগতে আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত ব'হাগৰ বতৰত মহাবিদ্যালয় পৰিয়ালৰ সৈতে স্থানীয় ৰাইজৰ সৌহাৰ্দ্য আৰু সমন্বয়ৰ নিদৰ্শন দাঙি ধৰাৰ মানসেৰে আয়োজিত প্ৰাক্‌বিহু উদ্‌যাপনৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা হয় ৰঙালীৰ বজাৰখন। ছাত্ৰ-ছাত্ৰীসকলক 'কৰ্মৰ জৰিয়তে উপাৰ্জন' বাণীৰে উদ্বুদ্ধ কৰাৰ মানসেৰে প্ৰাক্‌বিহু পালনৰ লগতে অনুষ্ঠিত কৰা 'ৰঙালীৰ হাট' শীৰ্ষক বিপণনথলীত ছাত্ৰ-ছাত্ৰীসকলে তৈয়াৰ কৰা অসমীয়া গহনা, বিহুৰ উপহাৰ সামগ্ৰী, কাপোৰৰ বেগ, গৃহসজ্জাৰ সামগ্ৰী, তিল, গুড়ৰ লাডু, গগনা, কাকৈ, ঢেঁকীয়া, কচু আদি শাক, আত্মসহায়ক গোটৰ মহিলাসকলৰ দ্বাৰা প্ৰস্তুত কৰা চিৰা, হুৰুম, বোকা চাউল, তিলপিঠা, তেলপিঠা, বিহুৱান, মেখেলা-চাদৰ আদিয়ে সকলোকে আকৰ্ষণ কৰাৰ উপৰি সামগ্ৰীবোৰ ক্ৰয় কৰি নিয়ে বহুজনে। উল্লেখ্য যে ৰঙালী হাটত সা-সামগ্ৰীৰ ক্ৰয়-বিক্ৰীয়ে নহয়, বিনিময়ৰো ব্যৱস্থা হয়। ৰঙালী মেলাৰ পিছফালে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে একেলগে বিহু কৰি আনন্দ, উছাহেৰে প্ৰাক্‌বিহু উদ্‌যাপন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বিৰিঞ্চি কুমাৰ বৰাই কয় যে মহাবিদ্যালয় চৌহদৰ বাহিৰত অনুষ্ঠিত ৰঙালীৰ হাটৰ উদ্দেশ্য হৈছে মহাবিদ্যালয় পৰিয়ালটোৰ সৈতে ৰাইজক সংপৃক্ত কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলক শিকাৰ যোগেদি উপাৰ্জনমুখী পথ প্ৰদৰ্শন কৰা।




# শিৱসাগৰৰ টি আৰ বি ছিনিয়ৰ ছেকেণ্ডাৰীৰ সাফল্য

**দৈনিক অসমৰ প্ৰতিনিধি**
**দিচাংমুখ, ১২ এপ্ৰিল ঃ** সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত শিৱসাগৰৰ অন্যতম প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান টি আৰ বি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পূৰ্বৰ সফলতাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি এইবাৰো বিদ্যালয়খনৰ ১০০ শতাংশ উত্তীৰ্ণ হোৱাত বিদ্যালয়খনৰ কৰ্তৃপক্ষৰ লগতে ছাত্ৰ-ছাত্ৰীৰ আনন্দ-উল্লাহৰ পৰিৱেশ সৃষ্টি হয় । ব্যক্তিগত মাধ্যমৰ শিক্ষানুষ্ঠান টি আৰ বি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা এইবাৰো পৰীক্ষাত অৱতীৰ্ণ ৫৭গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ৫২গৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰে ডিষ্টিংচন লাভ কৰে ৫গৰাকীয়ে আৰু ষ্টাৰ মাৰ্ক লাভ কৰে ২০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে। ইয়াৰে ৩গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সকলো বিষয়তে লেটাৰ মাৰ্ক লাভ কৰে। দ্বিতীয় বিভাগত উত্তীৰ্ণ হয় ৫গৰাকী ছাত্ৰ-ছাত্ৰী। উল্লেখ্য যে টি আৰ বি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ সঞ্চালক গোবিন্দ ভূএগ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলে সুখ্যাতিৰে উত্তীৰ্ণ হৈ বিদ্যালয়খনৰ লগতে শিৱসাগৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীসকলক উৎসাহ যোগাবৰ বাবে একোখনকৈ ফুলাম গামোচাৰে অভিনন্দন জনায়।

## জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠা দিৱস

**দৈনিক অসমৰ প্ৰতিনিধি**
**জয়সাগৰ, ১২ এপ্ৰিল ঃ** সমগ্ৰ অসমৰ লগতে শিৱসাগৰ জ্যেষ্ঠ নাগৰিক সংস্থাই ১০ এপ্ৰিলত নিজৰ কাৰ্যালয়ত অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠা দিৱস পালন কৰে। পুৱা দহ বজাত সন্মিলনৰ পতাকা উত্তোলন কৰে সংস্থাৰ সভাপতি কাৰ্তিক চন্দ্ৰ দত্তই। সম্পাদক বিমান শেনচোৱা বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অসম জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰাক্তন সভাপতি শিক্ষাবিদ সুৰেশ শইকীয়াই প্ৰতিষ্ঠা কালৰ জন্মযন্ত্ৰণাৰ লগতে লক্ষ্য-উদ্দেশ্য বৰ্ণনা কৰে।

# নাজিৰাত ১০০ শতাংশ উত্তীৰ্ণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**শিমলুগুৰি, ১২ এপ্ৰিল ঃ** ১৯৯৭ চনত নাজিৰা অ'এনজিচি আৱাসিক এলেকাত স্থাপিত এখন অসমীয়া মাধ্যমৰ বিদ্যালয় আদৰ্শ বিদ্যা ভৱন নাজিৰা। বিগত বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ সৰ্বোচ্চ ১০টা স্থানৰ ভিতৰত চতুৰ্থ স্থান দখল কৰিবলৈ সক্ষম হোৱা নাজিৰা আদৰ্শ বিদ্যা ভৱনে পূৰ্বৰ ধাৰাবাহিকতা অব্যাহত ৰাখি ১০০ শতাংশ উত্তীৰ্ণৰ হাৰেৰে এই বৰ্ষতো নিজৰ নাম জিলিকাই ৰাখিছে। এই বৰ্ষত মুঠ পৰীক্ষাৰ্থী আছিল ১৫জন। ইয়াৰে ডিষ্টিংচনপ্ৰাপ্ত এজন, ষ্টাৰপ্ৰাপ্ত দুজন, প্ৰথম বিভাগত উত্তীৰ্ণ ৮জন আৰু দ্বিতীয় বিভাগত উত্তীৰ্ণ ৪জন। বিভিন্ন বিষয়ত মুঠ লেটাৰৰ সংখ্যা ১৭টা। সমান্তৰালকৈ ব্যক্তিগত খণ্ডৰ আন এখন বিদ্যালয় ১৯৯৬ চনত স্থাপিত নাজিৰাৰ ছেইন্ট পিটাৰ্ছৰ মুঠ পৰীক্ষাৰ্থী ১০৫জনৰ ১০০ শতাংশ উত্তীৰ্ণ হৈ ১৩জনে ডিষ্টিংচন আৰু ৩৪জনে ষ্টাৰসহ মুঠ ৯৫জনে প্ৰথম বিভাগ আৰু ১০জনে দ্বিতীয় বিভাগত উত্তীৰ্ণ হ'বলৈ সক্ষম হয়।




# নাৰায়ণপুৰত অৱসৰপ্ৰাপ্ত শিক্ষকক বিদায় সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**
**নাৰায়ণপুৰ, ১২ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ নাৰায়ণপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত বৰদেউৰীগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মালিক চন্দ্ৰ দেউৰী আৰু সহকাৰী শিক্ষক শিৱপ্ৰসাদ দেউৰীয়ে চৰকাৰী বিধি অনুসৰি কৰ্মজীৱনৰ পৰা যোৱা ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক দুগৰাকীক কালি আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনৰ সমীপৰ কুলি চুবা ৰঙ্গমঞ্চৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা হয় এখন বিশেষ সম্বৰ্ধনা সভা। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা দেউৰী সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ফিজু কুমাৰ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাখন উদ্বোধন কৰে নাৰায়ণপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত পূব নাৰায়ণপুৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পাপু দত্তই। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী অঞ্জুমণি লেখাৰুৱে আঁত ধৰা উক্ত সভাখনতে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক তথা সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মালিক চন্দ্ৰ দেউৰী আৰু অৱসৰপ্ৰাপ্ত সহকাৰী শিক্ষক শিৱপ্ৰসাদ দেউৰীক সম্বৰ্ধনা-পত্ৰ, চেলেং, গামোচা, শৰাই, সঁফুৰা, ফুলৰ থোপা, জাপিৰে শিক্ষক গোট, বিদ্যালয় পৰিচালনা সমিতি, স্থানীয় ৰাইজৰ লগতে শুভাকাংক্ষীসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাত উত্তৰ লখিমপুৰ জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি ৰঞ্জিত বৰুৱা, বৰ্তমানৰ সভাপতি বিপুল বৰুৱা, উপ-সভাপতি অম্বেশ্বৰ গগৈ, সম্পাদক শশাংক বৰা, নাৰায়ণপুৰ খণ্ড শিক্ষা আলোচনা-চক্ৰৰ প্ৰাক্তন সভাপতি লোহিত গগৈ, বৰ্তমানৰ সম্পাদক হৰেন গগৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জৰচিং দেউৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মণিমোহন দেউৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্গেশ্বৰ দেউৰী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সঞ্জীৱ দেউৰী, মাধৱদেৱ কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শৈলেন দেউৰী, অৱসৰপ্ৰাপ্ত শিক্ষক বুদ্ধ প্ৰসাদ দেউৰী, পূব নাৰায়ণপুৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰী বিজয়া দেউৰী, সমাজকৰ্মী মহেন দেউৰী, অধিবক্তা ৰাজু দেউৰী প্ৰমুখ্যে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। আনহাতে অৱসৰী দুয়োগৰাকী শিক্ষকে পৰৱৰ্তী সময়ছোৱা সমাজৰ উত্তৰণৰ বাবে নিজকে উৎসৰ্গা কৰিব বুলি মন্তব্য কৰে।

### ৰূপহীমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সফলতা

# ব্ৰহ্মপুত্ৰৰ খহনীয়াত জাহ যোৱাৰ আশংকা

**দৈনিক অসমৰ প্ৰতিনিধি**
**গৌৰীসাগৰ, ১২ এপ্ৰিল ঃ** চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৰাজ্যৰ ভিতৰত শিৱসাগৰ জিলাখনে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। একেৰাহে দ্বিতীয়বাৰৰ কাৰণে দ্বিতীয় স্থান লাভ কৰা জিলা শিক্ষা বিভাগৰ এনে সাফল্যই গৌৰৱান্বিত কৰি তুলিছে জিলাবাসীক। জিলা শিক্ষা বিভাগৰ এনে সাফল্যৰ মাজতে ফলাফলক লৈ এখন বিদ্যালয়ৰ নাম ব্যাপকভাৱে চৰ্চালৈ আহিছে। সেই বিদ্যালয়খন হ'ল ৰূপহীমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়। নতুন শিৱসাগৰ বিধানসভা সমষ্টিৰ পশ্চিম দিশৰ শেষ প্ৰান্তৰ দিখৌমুখৰ ব্ৰহ্মপুত্ৰ নদীৰ কাষত থকা বিদ্যালয়খনে এইবাৰৰ পৰীক্ষাত ৯০ শতাংশ উত্তীৰ্ণৰে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। ১৯৮১ চনত প্ৰতিষ্ঠা কৰা উক্ত বিদ্যালয়খনে প্ৰতিষ্ঠা কালৰে পৰা ব্ৰহ্মপুত্ৰ নদীখনৰ বান আৰু খহনীয়াৰ প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আহিছে। গুৰুত্বপূৰ্ণ বিষয় যে একমাত্ৰ বান আৰু গৰাখহনীয়াৰ বাবেই বিদ্যালয়খন প্ৰতিষ্ঠা কালৰে পৰা ইতিমধ্যে তিনিবাৰকৈ স্থানান্তৰ কৰিব লগা হৈছে। বৰ্তমান যি ঠাইত বিদ্যালয়খন অৱস্থিত সেই স্থানৰ পৰা নদীখনৰ দূৰত্ব প্ৰায় ২০/২৫ মিটাৰমান। সেই ঠাইত নদীখনৰ যি হাৰত খহনীয়া হ'বলৈ আৰম্ভ কৰিছে অচিৰে বিদ্যালয়খন নদীৰ বুকুত জাহ যোৱাৰ উপক্ৰম ঘটিছে। অত্যধিক বানাক্ৰান্ত অঞ্চলটোত যাতায়াতৰ বাবেও নাই কোনো ৰাস্তা-পদূলি। ইফালে নদীৰ জলস্তৰ বৃদ্ধি পোৱাৰ লগে লগে বানত তল যোৱা বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সকলো প্ৰত্যাহ্বান নেওচি অশেষ কষ্টৰ মাজেদি ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰি আহিছে। বিদ্যালয়খনত প্ৰধান শিক্ষকগৰাকীকে ধৰি মুঠ দহগৰাকীকৈ শিক্ষক-শিক্ষয়িত্ৰী আছে। দূৰ-দূৰণিৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীসকলে নিজৰ জীৱন তুচ্ছ কৰি বাৰিষা টুলুঙা নাৱৰে অহা-যোৱা কৰি হ'লেও ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰি আহিছে। ঘোষিত ফলাফল অনুসৰি ৫গৰাকীকৈ পৰীক্ষাৰ্থীয়ে ষ্টাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হয়। তাৰে অসমীয়া বিষয়ত ৬গৰাকী, ইংৰাজী বিষয়ত ৩গৰাকী, বিজ্ঞান বিষয়ত ৩গৰাকী, সমাজ বিজ্ঞানত এগৰাকী, বুৰঞ্জী বিষয়ত এগৰাকী আৰু ভূগোল বিষয়ত ৪গৰাকীকৈ পৰীক্ষাৰ্থীয়ে লেটাৰ মাৰ্ক পাবলৈ সক্ষম হয়।

### হিন্দুস্তান ইউনিলিভাৰ লিমিটেডে দুটাকৈ শ্ৰমিক ইউনিয়নৰ শীৰ্ষনেতাক দিলে অব্যাহতি

# ডুমডুমাত পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীৰ শ্ৰমিকৰ মাজত হাহাকাৰ



**দৈনিক অসমৰ প্ৰতিনিধি**
**ডুমডুমা, ১২ এপ্ৰিল ঃ** প্ৰসাধন সামগ্ৰী উৎপাদন কৰিবলৈ অসমৰ ভূগৰ্ভৰ পৰা লাখ লাখ কিউবিক পানী আহৰণৰ ঘটনাক কেন্দ্ৰ কৰি হিন্দুস্তান ইউনিলিভাৰ লিমিটেড আৰু অসম চৰকাৰৰ মাজত আৰম্ভ হোৱা শীতল যুদ্ধখন তুংগত উঠিছে। চৰকাৰৰ সৈতে চলি থকা ইউনিলিভাৰৰ ব্যৱসায়িক যুদ্ধই ডুমডুমাৰ পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীৰ শ্ৰমিকসকলক 'দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণ' কৰিছে। থলুৱা অসমীয়া যুৱক-যুৱতীক কৰ্মসংস্থাপন দিয়াৰ প্ৰতিশ্ৰুতিৰে অসম চৰকাৰৰ ৰাজহ ৰেহাইৰ সুবিধা আদায় কৰি অসমৰ মাটিত বায়ু, পানী আহৰণেৰে ২০০১ চনৰ পৰা ডুমডুমা ডিভিজন পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰী চলাই বছৰি লাখ লাখ টন প্ৰসাধন সামগ্ৰী উৎপাদন কৰি বিশ্বৰ বজাৰৰ পৰা কোটি কোটি টকা মুনাফা উপাৰ্জন কৰা হিন্দুস্তান ইউনিলিভাৰ লিমিটেডে এতিয়াৰে পৰা পানী নীতিৰ অধীনত অসম চৰকাৰক ৰাজহ আদায় নিদিয়াৰ প্ৰত্যাহ্বানেৰে ইউনিলিভাৰ কৰ্তৃপক্ষই কোম্পানীটোত কৰ্মৰত অসমৰ থলুৱা শ্ৰমিকক চাকৰিৰ পৰা বাধ্যতামূলক অব্যাহতি দিয়াৰ প্ৰতিযোগিতাত নামিছে। উজনি অসমৰ তিনিচুকীয়া জিলাৰ টিংৰাই মৌজাৰ অন্তৰ্গত ডুমডুমাৰ ৰাইডাং চাহ বাগিচাৰ ৩৫ হেক্টৰ মাটি অধিগ্ৰহণ কৰি ২০০০ চনত স্থাপন কৰা হিন্দুস্তান ইউনিলিভাৰ লিমিটেডৰ ডুমডুমা ডিভিজন পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীত ২০০১ চনৰ পৰা প্ৰসাধন সামগ্ৰী উৎপাদন কৰোঁতে ভূগৰ্ভৰ পৰা দৈনিক এক লাখ কিউবিক পানী আহৰণ কৰি আহিছে। ২০২৭ চনত ৰাজহ ৰেহাইৰ ম্যাদ উকলি যোৱাৰ আগে আগে যোৱা তিনি মাহ পূৰ্বে ইউনিলিভাৰৰ ডুমডুমা ডিভিজন পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীত অসম চৰকাৰে ভূগৰ্ভৰ পানী আহৰণৰ তথ্য সংগ্ৰহৰ অত্যাধুনিক যন্ত্ৰপাতি সংস্থাপন কৰাৰ পাছতে হিন্দুস্তান ইউনিলিভাৰ লিমিটেডৰ কৰ্তৃপক্ষই ভি এছ এছ নীতিক দোহাই দি পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীৰ ২০০ শ্ৰমিকক চাকৰিৰ পৰা বাধ্যতামূলক অব্যাহতি দিয়াৰ প্ৰক্ৰিয়া চলাই যোৱাৰ লগতে ফেক্টৰীটোত সংখ্যাগৰিষ্ঠতা লাভ কৰা চেণ্টাৰ অৱ ইণ্ডিয়ান ট্ৰেড ইউনিয়ন, চমুকৈ চিটুৰ অধীনস্থ ৰাৰ্কাৰ্ছ ইউনিয়ন আৰু হিন্দুস্তান ইউনিলিভাৰ শ্ৰমিক সংঘৰ নেতা-সদস্যকো চাকৰিৰ পৰা বাধ্যতামূলক অব্যাহতিৰে শ্ৰমিক ইউনিয়ন উৎখাতৰ কাম আৰম্ভ কৰিছে। ইউনিলিভাৰ কৰ্তৃপক্ষৰ হেঁচাত ফেক্টৰীটোৰ চিটুৰ অধীনস্থ ৰাৰ্কাৰ্ছ ইউনিয়নৰ সভাপতি কৃপানাথ সোণোৱালসহ কেইবাগৰাকীও নেতা-সদস্যই ভি এছ এছ নীতিৰ অধীনত চাকৰিৰ পৰা বাধ্যতামূলক অব্যাহতিৰ চুক্তিত স্বাক্ষৰ কৰে। একেদৰে পাৰ্ছনেল প্ৰডাক্ট ফেক্টৰীটোত সক্ৰিয় হৈ থকা আই এন টি চি ইউৰ অধীনস্থ হিন্দুস্তান ইউনিলিভাৰ শ্ৰমিক সংঘৰ সভাপতি সুৰেশ ভূমিজ, সম্পাদক আলস্ক দহোটীয়াসহ ৫গৰাকী শ্ৰমিক নেতাই কালি ইউনিলিভাৰ কৰ্তৃপক্ষৰ ওচৰত ভি এছ এছ নীতিৰ অধীনত চাকৰিৰ পৰা বাধ্যতামূলক অব্যাহতি গ্ৰহণৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ বাধ্য হয়।



### গৰু-ছাগলী ভক্ষণ কৰি দীৰ্ঘদিনে চলাইছিল সন্ত্ৰাস

## খোৰাঙত উদ্ধাৰ নাহৰফুটুকীৰ মৃতদেহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰাণ, ১২ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলাৰ মৰাণৰ সমীপৰ খোৰাং অঞ্চলত ৰহস্যজনক অৱস্থাত আজি এটা প্ৰাপ্তবয়স্ক প্ৰকাণ্ড নাহৰফুটুকী বাঘৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। খোৰাং আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত চমুৱা গাঁও আৰু চেনেমাৰী সংযোগী পথৰ কাষত পুৱা সময়ত মৃত বাঘটো দেখা পায় স্থানীয় লোকে। স্থানীয় ৰাইজে জনোৱা মতে, বাঘটোৱে দীৰ্ঘদিন ধৰি অঞ্চলটোত সন্ত্ৰাস চলাই আহিছিল। বহু লোকৰ গৰু, ছাগলী, হাঁহ-কুকুৰা আদি ভক্ষণ কৰি বাঘটোৱে আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছিল। ফলস্বৰূপে ৰাইজে সদায় ভয়-শংকাৰ মাজতে জীৱন যাপন কৰিবলগীয়া হৈছিল। আজি হঠাৎ পথৰ কাষত প্ৰকাণ্ড প্ৰাপ্তবয়স্ক মতা বাঘটো মৃত অৱস্থাত উদ্ধাৰ হোৱাত ঘটনাটোৱে ৰহস্যৰ সৃষ্টি কৰিছে। মৃত বাঘটো চাবলৈ ঘটনাস্থলীত অগণন লোকৰ ভিৰ হয়। বাঘটোৰ মৃত্যু কেনেকৈ সংঘটিত হ'ল, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। বহু পলমকৈ বন বিভাগৰ বিষয়া-কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। প্ৰাথমিকভাৱে বিষাক্ত খাদ্য গ্ৰহণ, ৰোগ অথবা অন্য কোনো কাৰণতো বাঘটোৰ মৃত্যু হ'ব পাৰে বুলি সন্দেহ কৰিছে খোৰাং আঞ্চলিক বন বিষয়া, বনকৰ্মীসকলে। বন বিভাগে মৃত নাহৰফুটুকীটো বন বিভাগৰ কাৰ্যালয়লৈ লৈ যায় যদিও আজি দেওবাৰ হোৱাত মৰণোত্তৰ পৰীক্ষাৰ কৰাব নোৱাৰিলে। মৰণোত্তৰ পৰীক্ষা সম্পূৰ্ণ হোৱাৰ পাছতহে বাঘটোৰ মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব। ঘটনাটোৱে খোৰাং অঞ্চলত জীৱ-জন্তুপ্ৰেমীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ লগতে বহু প্ৰশ্ন উত্থাপন কৰিছে।

# পৰিসীমা অতিক্ৰমি বিশ্বৰ বজাৰলৈ বাঁহজানীৰ ফুলাম জাপি



## বিভিন্ন আকাৰ-ৰঙৰ জাপিৰ প্ৰতি বাঢ়িছে আকৰ্ষণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাঁহজানী, ১২ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বাঁহজানীৰ মুগকুছি, তিলানা, কৰ্দৈতলা, সূতাৰকুছি আদি গাঁৱত নিতৌ পুৱা আৰম্ভণি হয় টকৌপাত সংগ্ৰহ, বাঁহ কটা, সূতা বোৱা আদিৰে। এই গাঁওসমূহত প্ৰস্তুত হোৱা ফুলাম জাপিয়ে আজি কেৱল অসমতেই নহয়, বিশ্ব বজাৰতো এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছে। ফুলাম জাপিৰ প্ৰস্তুত প্ৰক্ৰিয়া টকৌপাত কাটি আনি শুকুওৱাৰ পৰা আৰম্ভ হয়। একে সময়তে দক্ষ শিল্পীসকলে ওচৰৰ বাঁহনিৰ পৰা উপযুক্ত বাঁহ বাছি লয়, নতুনো নহয়, বুঢ়াও নহয়। তাৰ পাছত বাঁহ কাটি পাতল আৰু নমনীয় পাটি বনোৱা হয় আৰু ৰ'দত শুকুৱাই লোৱা হয়। তাৰ পাছত পৰিয়ালৰ সকলো সদস্য চোতালত বহি একেলগে জাপিৰ মূল গঠন প্ৰস্তুত কৰে। শুকাই লোৱা টকৌপাত আৰু বাঁহৰ গাঁথনিত ধীৰে ধীৰে পৰম্পৰাগত গম্বুজ আকৃতি গঢ় লৈ উঠে। তাৰ পাছতেই আৰম্ভ হয় সজোৱাৰ পৰ্যায়— ৰঙা আৰু নীলা কাপোৰেৰে তাৰকা-আকৃতিৰ আৰ্হি, লগতে সোণালী মণি, চেকুইন আৰু সূতাৰ অলংকাৰসমূহে ইয়াক অধিক মনোমোহা কৰি তোলে। প্ৰত্যেকটো ফুলাম জাপি সম্পূৰ্ণৰূপে হাতেৰে নিৰ্মাণ কৰা হয়। আৰ্হি অনুসৰি এটা জাপি প্ৰস্তুত কৰিবলৈ এটা দিন বা তাতোকৈ অধিক সময় লাগিব পাৰে। এই শিল্প কেৱল জীৱিকা নহয়, ই পুৰুষানুক্ৰমে আগবঢ়া এক সাংস্কৃতিক ঐতিহ্য। উক্ত গাঁওসমূহত প্ৰস্তুত কৰি উলিওৱা জাপিসমূহে স্থানীয় বজাৰৰ লগতে ৰাজ্য আৰু দেশৰ অন্যান্য প্ৰান্ততো ব্যাপক চাহিদা লাভ কৰিছে। বিশেষকৈ ব'হাগ বিহুৰ সময়ত ইয়াৰ চাহিদা অত্যন্ত বৃদ্ধি পায়। এইবেলিও সমাগত ৰঙালী বিহু উপলক্ষে উক্ত গাঁওসমূহৰ শিল্পীসকলে বজাৰ দখল কৰিব পৰাকৈ ইতিমধ্যে প্ৰস্তুত কৰি উলিয়াইছে বিভিন্ন প্ৰকাৰৰ ফুলাম জাপি। ব্যৱসায়ীসকলে জাপি শিল্পীসকলৰ পৰা জাপিসমূহ সংগ্ৰহ কৰি নগৰীয়া বজাৰ, হস্তশিল্প মেলা আৰু প্ৰদৰ্শনীত বিক্ৰী কৰে। বৰ্তমান নলবাৰীৰ বাঁহজানীৰ ফুলাম জাপি বিদেশলৈও ৰপ্তানি হোৱা দেখা গৈছে আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত ইয়াৰ চাহিদা দিনে দিনে বৃদ্ধি পাই আহিছে। আনহাতে এই জাপি শিল্পৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে যদিও ইয়াত জড়িত শিল্পীসকলে আজিও বহু সমস্যাৰ সন্মুখীন হৈ আছে। তেওঁলোকে প্ৰায়ে উচিত মূল্য নাপায়। মাজতে একাংশ মধ্যভোগী ব্যৱসায়ীৰ লাভ অধিক হয় আৰু যান্ত্ৰিকভাৱে প্ৰস্তুত কৰা অনুৰূপ সামগ্ৰীৰ সৈতে প্ৰতিযোগিতা কৰিবলগীয়া হয়। তথাপি হাতেৰে প্ৰস্তুত কৰা ফুলাম জাপিৰ স্বকীয়তা আৰু সাংস্কৃতিক মূল্য অক্ষুণ্ণ আছে। ফুলাম জাপি কেৱল এটা সজোৱা বস্তু নহয়— ই অসমীয়া সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ প্ৰতীক। ইয়াক বিহু নৃত্য, সাংস্কৃতিক অনুষ্ঠানত সন্মান জনোৱা কাৰ্যসূচী আৰু ঘৰৰ সজ্জাত ব্যৱহাৰ কৰা হয়। অসমত ফুলাম জাপি উপহাৰ দিয়াটো সন্মান আৰু মৰমৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। একে সময়তে এই শিল্প বহু গ্ৰাম্য পৰিয়ালৰ মুখ্য জীৱিকাৰ উৎস হিচাপে পৰিগণিত হৈছে। নলবাৰীৰ ফুলাম জাপি আজি কেৱল এখন হস্তশিল্প সামগ্ৰী নহয়, বৰঞ্চ এটা জীৱন্ত সাংস্কৃতিক ঐতিহ্য। প্ৰতিটো জাপিত লুকাই থাকে নিষ্ঠা, সংগ্ৰাম আৰু গৌৰৱৰ কাহিনী। যেতিয়ালৈকে পৰম্পৰাৰ প্ৰতি ভালপোৱা আৰু হাতেৰে সজা সামগ্ৰীৰ মূল্য থাকিব, তেতিয়ালৈকে নলবাৰীৰ বাঁহজানীৰ ফুলাম জাপি অসমৰ পৰিচয় হিচাপে বিশ্বমঞ্চত জিলিকি থাকিব।

# মাখিয়তী ঃ যাৰ অবিহনে অসম্পূৰ্ণ গৰু বিহুৰ লোকাচাৰ



## জামুগুৰিহাটৰ দুজন ব্যক্তিৰ সংৰক্ষণৰ প্ৰচেষ্টা

**দৈনিক অসমৰ প্ৰতিনিধি**

**জামুগুৰিহাট, ১২ এপ্ৰিল ঃ** 'মাখিয়তী মাখিপাত মাখি মৰে জাক জাক।' বছৰটোৰ ৩৬৫ দিনৰ ভিতৰত ৩৬৪ দিনেই অনাদৃত হৈ থকা এজোপা গছ। কিন্তু ৰঙালী বিহুৰ গৰু বিহুৰ দিনা গ্ৰামাঞ্চলত অতিকৈ প্ৰয়োজন হয় ইয়াৰ ডাল-পাত। দৰাচলতে গৰু বিহুৰ অতি গুৰুত্বপূৰ্ণ এবিধ অংগ মাখিয়তী। মাখিয়তী নহ'লে গৰু বিহু হৈ পৰে আধৰুৱা। পুৱা গৰু-গাই নোওৱাৰ পাছত সন্ধিয়া যেতিয়া গোহালিলৈ গৰুৰ প্ৰত্যাৱৰ্তন ঘটে তেতিয়া এই মাখিয়তী গছৰ পাতেৰে গৰুক কোবোৱা হয়। গৰু বিহুৰ দিনা গৰুক মাখিয়তী গছৰ ডাল-পাতেৰে কোবোৱা পৰম্পৰা অতীজৰেপৰা চলি আহিছে। দীঘলতি আৰু মাখিয়তী গছ বীজাণুনাশক হোৱা বাবে এই গছবোৰেৰে গৰুক কোবালে গাৰপৰা মাখি, মহ আদি আঁতৰি যায়। সন্ধিয়া গৰু অহাৰ আগমুহূৰ্তত গৰু অহা পদূলি, চোতাল আৰু গোহালিৰ মুখত বিহলঙনি, অগৰা আদি গছৰ লগত দীঘলতি, মাখিয়তী গছৰ ডাল-পাত সংমিশ্ৰণ কৰি জাগ দিয়াৰ নিয়ম। সেয়ে মাখিয়তী অবিহনে আধৰুৱা গৰু বিহু। আমাৰ মাজৰপৰা নোহোৱাৰ দৰে হৈ পৰিছে মাখিয়তী গছ। গৰু বিহু আহিলে গ্ৰামাঞ্চলত মাখিয়তী গছ বিচাৰি ফুৰা এতিয়া সহজলভ্য দৃশ্য। নগৰ অঞ্চলত মাখিয়তী জুইছাই দামত বিক্ৰী হয়। ক্ৰমাৎ নোহোৱা হোৱাৰ উপক্ৰম হ'লেও জামুগুৰিহাটৰ দুজন ব্যক্তিয়ে নিজাকে সংৰক্ষণ কৰি আহিছে মাখিয়তী। অঞ্চলটোৰ পাতলৰচুক গাঁৱৰ এগৰাকী ব্যক্তিয়ে নিজৰ বাৰীৰ চৌহদত বছৰ বছৰ ধৰি সংৰক্ষণ কৰি ৰাখিছে এই মাখিয়তী গছ। গাঁওখনৰ বুলেন ভূঞা নামৰ ব্যক্তিজনে তেওঁৰ বাৰীত অতি সযত্নে সংৰক্ষণ কৰি ৰাখিছে এশ জোপাৰো অধিক মাখিয়তী গছ। নৱপ্ৰজন্মক চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে সংৰক্ষণ কৰা ইয়াৰ গছৰ ডাল-পাত নিবলৈ এতিয়া গৰু বিহুৰ দিনা জামুগুৰিহাটৰ পাতলৰচুক গাঁৱৰ এই ব্যক্তিজনৰ ঘৰলৈ বহু লোকৰ সমাগম হয়। আনহাতে অঞ্চলটোৰে আগ্ৰীপামৰ এজন সচেতন লোকে এশতকৈয়ো অধিক জোপা মাখিয়তী গছ নিজৰ বাৰীত ৰুই সংৰক্ষণ কৰি আহিছে। হেম বাহাদুৰ কাৰ্কী নামৰ এই ৪৫ বছৰৰ উৰ্দ্ধৰ লোকজনে নিজৰ বাৰীচুকত ৭/৮ বছৰ ধৰি মাখিয়তী গছ সংৰক্ষণ কৰি আহিছে। জানিবপৰা মতে গৰু বিহুৰ দিনা প্ৰয়োজন হোৱা তথা ক্ৰমশঃ আমাৰ মাজৰপৰা হেৰাই যাব খোজা বিশেষ গছজোপা নৱপ্ৰজন্মক চিনাকি কৰাই দিয়াৰ উদ্দেশ্যে সংৰক্ষণ কৰিছে। তেওঁ জানিবলৈ দিয়া মতে প্ৰতি বছৰে গৰু বিহুৰ দিনা দূৰ-দূৰণিৰপৰা তেওঁৰ ঘৰলৈ মাখিয়তী গছ নিবলৈ আহে। বিনামূল্যে লোকসকলৰ হাতত এই মাখিয়তী তুলি দি তেওঁ অত্যন্ত সুখ অনুভৱ কৰে বুলিও মন্তব্য কৰে। তেওঁ প্ৰত্যেকজন অসমীয়াকে অন্ততঃ এজোপা মাখিয়তী গছ নিজৰ বাৰীত ৰুই থ'বলৈ আহ্বান জনায়। যান্ত্ৰিকতাৰ প্ৰভাৱেই হওক বা অন্য কাৰণতেই হওক, আমাৰ গ্ৰাম্য সমাজৰপৰা ক্ৰমশঃ হেৰাই যোৱা তথা অচিনাকি হ'বলৈ ধৰা মাখিয়তী গছ এনেদৰে সংৰক্ষণ কৰি ৰখাটো ইতিবাচক হিচাপে বিবেচিত হৈছে।

### গোৰেশ্বৰত চড়ক পূজাৰ চান্দা সংগ্ৰহকাৰীক আক্ৰমণ-অভিযুক্তৰ ঘৰত অগ্নিসংযোগৰ ঘটনা

## ঐক্যবদ্ধ হৈ থকাৰ আহ্বান এ বি এমছু-বাঙালী যুৱ-ছাত্ৰৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৰেশ্বৰ, ১২ এপ্ৰিল ঃ** নৱগঠিত তামুলপুৰ জিলাৰ গোৰেশ্বৰ থানাৰ অন্তৰ্গত ২ নং ৰৌমাৰী গাঁৱত কালি চড়ক পূজাৰ চান্দা সংগ্ৰহ কৰি ঘৰলৈ উভতি অহাৰ পথত স্থানীয় বংগমূলীয় মুছলমান সম্প্ৰদায়ৰ এটা পৰিয়ালৰ পিতা-পুত্ৰই আক্ৰমণ কৰাৰ ঘটনাৰ পাছতেই অচিনাক্ত দুৰ্বৃত্তই অভিযুক্ত চানমাহমুদ আলী আৰু আজিম আলীৰ ঘৰত অগ্নিসংযোগ কৰাৰ ঘটনাক লৈ এলেকাটোত উত্তেজনাৰ সৃষ্টি হয়। অৱশ্যে এই ঘটনাই যাতে অন্য ৰূপ ল'ব নোৱাৰে, তাৰ বাবেই জিলা আৰক্ষী প্ৰশাসনে ১৪৪ ধাৰা বলৱৎ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিছে। ইতিমধ্যে নিশাৰেপৰা ঘটনাস্থলীত আৰক্ষী-প্ৰশাসনে ৰেপিড একচন ফ'ৰ্চ আৰু কমাণ্ডো বাহিনী নিয়োগ কৰি এলেকাটো নজৰত ৰাখিছে। উক্ত অগ্নিসংযোগৰ ঘটনাৰে জড়িত থকাৰ অভিযোগত গোৰেশ্বৰ আৰক্ষীয়ে কালি নিশাই ওদালগুৰি জিলাৰ ৩ জন আৰু গোৰেশ্বৰ থানা এলেকাৰ দুজনক সোধা-পোছাৰ বাবে আটক কৰা বুলি জানিব পৰা গৈছে। চি পি আই (এম)ৰ তামুলপুৰ জিলা কমিটীৰ ভাৰপ্ৰাপ্ত সম্পাদক প্ৰবীণ দাস আৰু ডি ৱাই এফ আইৰ তামুলপুৰ জিলা কমিটীৰ সভাপতি দ্বিজেন ৰয় আৰু সম্পাদক বিৰাজ কুমাৰ ডেকাই এক বিবৃতিত কালিৰ ঘটনাটোক গৰিহণা দিয়াৰ লগতে পৰৱৰ্তীকালত যাতে কোনো দুষ্কৃতিকাৰীয়ে উক্ত ঘটনাটোক সাম্প্ৰদায়িক ৰূপ দিব নোৱাৰে, তাৰ বাবে সকলোকে সজাগ-সচেতন হৈ থাকিবলৈ আহ্বান জনায়। একেটা বিবৃতিত ডি ৱাই এফ আইৰ নেতাদ্বয়ে দুয়োটা ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক আৰু গোৰেশ্বৰৰ দৰে শান্তিপ্ৰিয় অঞ্চল এটাত সাম্প্ৰদায়িক বীজ সিঁচিবলৈ বিচৰা কাৰ্য কোনোপধ্যেই সমৰ্থনযোগ্য নহয় বুলি উল্লেখ কৰি দোষীক কঠোৰ শাস্তি বিহিবলৈ দাবী উত্থাপন কৰে। ইফালে, উক্ত ঘটনাটোক লৈ আজি দুপৰীয়া গোৰেশ্বৰৰ কলাগুৰু বিষ্ণু ৰাভা ভৱন প্ৰাংগনত এ বি এমছু আৰু সদৌ বি টি চি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনে যৌথ সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত এ বি এমছুৰ কেন্দ্ৰীয় সভাপতি টাইছন হুছেইনে দুয়োটা ঘটনাৰ লগত জড়িত থকা দুষ্কৃতিকাৰীক গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি বিহাৰ দাবী জনায়। সংবাদমেলত সদৌ বি টি চি বাঙালী যুৱ-ছাত্ৰ ফেডাৰেচনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি হৰেন্দ্ৰ দাসে কালিৰ ঘটনাটোক যাতে কোনোৱে হিন্দু-মুছলমানৰ ৰূপ দিয়াৰ চেষ্টা কৰিব নোৱাৰে, তাৰ বাবেই সকলোকে সজাগ-সচেতন হ'বলৈ আহ্বান জনায়। যুৱ-ছাত্ৰৰ নেতা দাসে ৰৌমাৰী এলেকাবাসীক আতংকিত নহৈ শান্তি-সম্প্ৰীতিৰে ঐক্যবদ্ধ হৈ থাকিবলৈ আহ্বান জনায়। এলেকাটোৰ উঠি অহা প্ৰজন্মক শিক্ষা-দীক্ষাৰে আগবঢ়াই নি তামুলপুৰ জিলাখনৰ লগতে ৰৌমাৰী গাঁওখনো যাতে অসমৰ ভিতৰত এখন আদৰ্শ গাঁও হিচাপে গঢ়ি তুলিব পাৰি, তাৰ বাবে সকলোকে আহ্বান জনায়। সংগঠন দুটাৰ দয়োজন নেতাই সকলোকে শান্তি-শৃংখলা বৰ্তাই ৰখাৰ আহ্বান জনাই চড়ক পূজাৰ চান্দা সংগ্ৰহকাৰীক আক্ৰমণ কৰা ঘটনাত জড়িত অভিযুক্তৰ লগতে বাসগৃহত অগ্নিসংযোগৰে জড়িতক আটক কৰি উচিত শাস্তি বিহিবলৈ দাবী জনায়।

■ আমবাৰীত অগপৰ প্ৰথমখন পৰ্যালোচনা বৈঠক ■

# এইবাৰ বৃদ্ধি পাব আসনৰ সংখ্যা ঃ অতুল বৰা




### সংখ্যালঘু অধ্যুষিত বহুকেইখন আসন পাব আঞ্চলিক দলটোৱে

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** '২০২১ৰ তুলনাত এইবাৰ বৃদ্ধি পাব অগপৰ আসনৰ সংখ্যা। অন্যতো বাদেই সংখ্যালঘু অধ্যুষিত বিধানসভা সমষ্টিতো আশাপ্ৰদ হ'ব অগপৰ ফলাফল।'— এই মন্তব্য অগপ সভাপতি অতুল বৰাৰ। ষষ্ঠদশ অসম বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনৰ পাছত দলৰ মুখ্য কাৰ্যালয়ত আজি অনুষ্ঠিত পৰ্যালোচনা বৈঠকৰ অন্তত এই মন্তব্য কৰি অগপ সভাপতি অতুল বৰাই কয় যে এনডিএৰ নেতৃত্বতে ৰাজ্যত গঠন হ'ব পৰৱৰ্তী চৰকাৰ। শেহতীয়া নিৰ্বাচনৰ ভোটদানৰ হাৰেই এই কথা স্পষ্ট কৰাই নহয়, সামগ্ৰিকভাৱে এইবাৰ বৃদ্ধি পাব এনডিএৰ আসনৰ সংখ্যাও। কমেও ৯০খন আসন এনডিএই দখল কৰাটো নিশ্চিত বুলি দাবী কৰি তেওঁ কয় যে বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত বিৰোধী শিবিৰৰ পৰা অগপকে ধৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে কোনো প্ৰত্যাহ্বানৰ মুখামুখি হোৱা নাই। মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ সন্মুখত প্ৰত্যাহ্বান সৃষ্টি কৰিব পৰাকৈ বিৰোধীৰ হাতত কোনো ইছ্যু নাছিল। সেইবাবেই এইবাৰ এনডিএৰ আসনৰ সংখ্যাই অতিক্ৰম কৰিব ৯০। এককভাৱে অগপৰ আসনৰ সংখ্যা বৃদ্ধি পাব বুলি দাবী কৰি তেওঁ কয় যে ২০২১ত অগপৰ বিধায়ক-বিধায়িকা আছিল ৯ গৰাকী। কিন্তু এইবাৰ অগপৰ বিধাক-বিধায়িকাৰ সংখ্যা নিশ্চিতভাৱে 'ডাবল ডিজিট' হ'ব। সমান্তৰালকৈ বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত মিত্ৰ দলৰ সঁহাৰি আশাব্যঞ্জক বুলি দাবী কৰি তেওঁ পুনৰ কয় যে দলীয় প্ৰাৰ্থী প্ৰক্ষেপ কৰা প্ৰতিটো বিধানসভা সমষ্টিতে মিত্ৰ দলৰ সহায়-সহযোগ অত্যন্ত ধনাত্মক। অনুৰূপ ধৰণে মিত্ৰ দলৰ প্ৰাৰ্থীৰ ক্ষেত্ৰতো অগপৰ নেতা-কৰ্মীয়ে সৰ্বতোপ্ৰকাৰে আগবঢ়াইছে সহায়-সহযোগিতা। অনুৰূপ মন্তব্য অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তৰো। তেওঁ কয় যে শেহতীয়া নিৰ্বাচনত মিত্ৰ দলৰ সঁহাৰি সামগ্ৰিকভাৱে অতি আশাপ্ৰদ। অৱশ্যে দুই-এটা সমষ্টিত ব্যক্তিগত পৰ্যায়ত অলপ-অচৰপ অসহযোগিতা থকা বুলি পৰ্যালোচনা বৈঠকত কেইবাগৰাকীও প্ৰাৰ্থীয়ে উল্লেখ কৰিছে। অৱশ্যে ইয়াৰ পাছতো এইবাৰ অগপৰ আসনৰ সংখ্যাই নিশ্চিতভাৱে ১৬ অতিক্ৰম কৰিব। ভাগ্য সুপ্ৰসন্ন থাকিলে সংখ্যালঘু অধ্যুষিত কেইবাটাও বিধানসভা সমষ্টি অগপৰ দখললৈ আহিলেও আচৰিত হ'বলগীয়া নাথাকিব। লগতে এনডিএৰ নেতৃত্বতে ৰাজ্যত পৰৱৰ্তী চৰকাৰ গঠন হোৱাটো নিশ্চিত বুলি মহন্তয়ো দাবী কৰে। অগপ সভাপতি অতুল বৰাৰ অধ্যক্ষতাত দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত প্ৰথমখন পৰ্যালোচনা বৈঠকত অগপৰ ২৬ প্ৰাৰ্থীৰ ভিতৰত ২৪গৰাকী দলীয় প্ৰাৰ্থীয়েই উপস্থিত থাকে। শিৱসাগৰৰ অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকা আৰু সোণাই সমষ্টিৰ অগপ প্ৰাৰ্থী কৰিম উদ্দিন বৰভূঞাই ব্যক্তিগত অসুবিধাৰ বাবে বৈঠকত উপস্থিত থকাৰ পৰা বিৰত থাকে। প্ৰায় তিনি ঘণ্টা ধৰি চলা পৰ্যালোচনা বৈঠকত প্ৰতিগৰাকী দলীয় প্ৰাৰ্থীয়ে সমষ্টিত সন্মুখীন হোৱা সমস্যাৰ পৰা আৰম্ভ কৰি মিত্ৰদল তথা ভোটাৰ ৰাইজলৈকে লাভ কৰা সঁহাৰিৰ বিষয়ে বিতংভাৱে দাঙি ধৰে। আজিৰ বৈঠকত দলৰ কেন্দ্ৰীয় উপ-সভাপতি ডঃ জয়নাথ শৰ্মা, সাধাৰণ সম্পাদক ডাঃ কমলাকান্ত কলিতাকে ধৰি ভালেসংখ্যক বিষয়ববীয়াও উপস্থিত থাকে।

### ফাঁচীবজাৰ-ফটাশিলত অসমীয়া যুৱতীক আক্ৰমণ

## প্ৰশাসনক তীক্ষ্ণ নজৰ দিয়াৰ দাবী খিলঞ্জীয়া সুৰক্ষা বাহিনীৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১২ এপ্ৰিল ঃ** ফাঁচীবজাৰত কালি এগৰাকী অসমীয়া যুৱতীক অনা-অসমীয়া একাংশ লোকে আক্ৰমণ কৰাৰ পাছত সেইদিনাই নিশাৰ ভাগত ফটাশিল আমবাৰী অঞ্চলত আন এগৰাকী অসমীয়া যুৱতী এদল উদণ্ড অনা-অসমীয়া লোকৰ আক্ৰমণৰ বলি হ'বলগীয়া কাৰ্যত খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমে উদ্বেগ প্ৰকাশ কৰিছে। খিলঞ্জীয়া সুৰক্ষা বাহিনী, অসমৰ প্ৰচাৰ সচিব যুগান্ত বায়নে আক্ৰমণকাৰীয়ে মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী বিজয় গুপ্তাৰ নাম লৈ খিলঞ্জীয়াবিৰোধী স্থিতি গ্ৰহণ কৰাতেই ক্ষান্ত নাথাকি এগৰাকী অসমীয়া যুৱতীক শাৰীৰিকভাৱে আক্ৰমণ কৰা কাৰ্যই খিলঞ্জীয়া লোকৰ সুৰক্ষাৰ প্ৰতি এটা বিশেষ শক্তিশালী চক্ৰৰ সাহসত এটা খিলঞ্জীয়াবিৰোধী মহলে তীব্ৰ ভাবুকি নমাই আনিছে বুলি উল্লেখ কৰে। এই ক্ষেত্ৰত সকলো পক্ষক সংযমী হোৱাৰ লগতে এনে অসমীয়াবিৰোধী কাৰ্য যাতে পুনৰ সংঘটিত কৰিব নোৱাৰে, তাৰ বাবে প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনোৱা হৈছে।

কুংকি চৌধুৰীক প্ৰায় দুঘণ্টা সোধা-পোছা আৰক্ষীৰ

# 'মোৰ বিৰুদ্ধে অনা সকলো অভিযোগ মিছা'



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১২ এপ্ৰিল ঃ** মধ্য গুৱাহাটী সমষ্টিৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী কুংকি চৌধুৰীক আজি প্ৰায় দুঘণ্টা সময় জেৰা কৰে পাণবজাৰ আৰক্ষীয়ে। উল্লেখ্য যে নিৰ্বাচনী বিধি উলংঘনৰ অভিযোগত আৰক্ষীয়ে চমন জাৰি কৰিছিল কুংকি চৌধুৰীক। ২ ঘণ্টাৰ সোধা-পোছাৰ অন্তত পাণবজাৰ থানাৰ পৰা ওলাই চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয়— মোৰ বিৰুদ্ধে অনা সকলো অভিযোগ মিছা। ষড়যন্ত্ৰ কৰি মোৰ বিৰুদ্ধে গোচৰ তৰিছে। নিৰ্বাচনী বিধি উলংঘা হোৱা কোনো কামেই মই কৰা নাই। বৰঞ্চ শান্তিপূৰ্ণ নিৰ্বাচনৰ স্বাৰ্থত আমি সহায়হে কৰিছোঁ। কুংকিয়ে লগতে কয়— মই ভাল পাইছোঁ মোক মাতিছে, আৰক্ষীৰ আগত মোৰ মন্তব্যখিনি দিলোঁ। এতিয়া তদন্তত যি হয় হ'ব। আৰক্ষীয়ে ভালেই কৰিব বুলি আশাবাদী। ইফালে কুংকি চৌধুৰীক জেৰাৰ বাবে মতা সন্দৰ্ভত জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে কয়— অসমীয়া ছোৱালী এজনীক হাৰাশাস্তি কৰাটো ভাল কথা হোৱা নাই।

### অজাপৰ প্ৰাৰ্থী-কৰ্মী-সমৰ্থকক আৰক্ষীৰ হাৰাশাস্তিৰ অভিযোগ, মুখ্য নিৰ্বাচন বিষয়ালৈ পত্ৰ

কুংকি চৌধুৰীক মাতি আনি জেৰা কৰা আৰক্ষীয়ে বিদ্যালয়ত নিৰ্বাচনী সভা পতা বিজয় গুপ্তাক জেৰা কৰিলেনে? সকলো অসমীয়া মানুহে কুংকিৰ পক্ষত থিয় হ'ব লাগে বুলিও তেওঁ কয়। অসম জাতীয় পৰিষদৰ মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী কুংকি চৌধুৰীক আৰক্ষীয়ে অনাহকত হাৰাশাস্তি কৰা বুলি গৰিহণা দিছে অসম জাতীয় পৰিষদে। দলটোৱে অন্য সমষ্টিতো দলটোৰ কৰ্মী-সমৰ্থকক আৰক্ষীয়ে হাৰাশাস্তি কৰি থকাৰ প্ৰতিবাদ কৰিছে। আজি অসমৰ মুখ্য নিৰ্বাচন বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰে দলটোৱে। এক বিবৃতিত দলটোৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে কুংকি চৌধুৰী আৰু দলৰ অন্য কৰ্মী-সমৰ্থকৰ ওপৰত এইকেইদিন আৰক্ষীয়ে চলাই অহা নিৰ্যাতন ৰাজনৈতিক প্ৰতিহিংসাৰ বাহিৰে আন একো নহয়। কিন্তু নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকা অৱস্থাত, যি সময়ত আৰক্ষী বিভাগ নিৰ্বাচন আয়োগৰ নিয়ন্ত্ৰণত, তেনে সময়ত আৰক্ষীয়ে চৰকাৰ তথা শাসক দলৰ স্বাৰ্থত কাম কৰাটো দুৰ্ভাগ্যজনক। জাতীয় পৰিষদৰ সভাপতি আৰু সাধাৰণ সম্পাদকে বিবৃতিটোত কয় যে নিৰ্বাচনী বিধি অনুসৰি ভোট কেন্দ্ৰত প্ৰৱেশৰ অধিকাৰ আৰু স্বাধীনতা এগৰাকী প্ৰাৰ্থীৰ আছে। গতিকে কুংকি চৌধুৰীৰ বিৰুদ্ধে ভোট কেন্দ্ৰত প্ৰৱেশ কৰি নিৰ্বাচনী আচৰণবিধি উলংঘা কৰাৰ অভিযোগ অবান্তৰ। খোৱাঙকে ধৰি আন কেইবাটাও সমষ্টিত আৰক্ষীয়ে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী তথা দলীয় কৰ্মী-সমৰ্থকক চৰকাৰে আৰক্ষীৰ জৰিয়তে হাৰাশাস্তিৰ প্ৰচেষ্টা চলোৱা বুলি উল্লেখ কৰি জাতীয় পৰিষদে কয় যে তেওঁলোকে এই বিষয়ে মুখ্য নিৰ্বাচন বিষয়াক অৱগত কৰি প্ৰতিবাদ জনাইছে আৰু চৰকাৰৰ ইচাৰাত উঠা-বহা কৰা আৰক্ষীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।


## মুকলি বিহু



## সদৌ গুৱাহাটী ছাত্ৰ সন্থা

**স্থান ঃ জজ খেলপথাৰ**
**মঙলবাৰ, ইং ১৪ এপ্ৰিল**

### কাৰ্যসূচী

| | |
|---|---|
| পুৱা ১০.৩০ বজাত | ঃ বিহুৰ পতাকা উত্তোলন |
| উত্তোলক | ঃ শ্ৰীযুত কীৰ্তিকমল ভূঞা, বিশিষ্ট গীতিকাৰ |
| | ঃ সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন |
| উত্তোলক | ঃ শ্ৰীযুত উৎপল শৰ্মা, সভাপতি সদৌ অসম ছাত্ৰ সন্থা |
| | সমৱেত সংগীত ঃ 'শ্ৰীময়ী অসমীৰ...' |
| পৰিৱেশনত | ঃ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীবৃন্দ |
| পুৱা ১০.৪৫ বজাত | ঃ শ্বহীদ তৰ্পণ |
| তৰ্পক | ঃ শ্ৰীযুত সমীৰণ ফুকন, সাধাৰণ সম্পাদক সদৌ অসম ছাত্ৰ সন্থা |
| সমৱেত সংগীত | ঃ পৰিৱেশনত সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰীবৃন্দ |
| পুৱা ১১.১৫ বজাত | ঃ মুকলি বিহু আৰু সম্বৰ্দ্ধনা অনুষ্ঠান |
| সম্বৰ্দ্ধনা আগবঢ়াব | ঃ ড° সমুজ্জ্বল ভট্টাচাৰ্য, মুখ্য উপদেষ্টা, আছু |
| সম্বৰ্দ্ধিত ব্যক্তিসকল | ঃ |

পদ্মশ্ৰী বঁটাপ্ৰাপক— হৰিচৰণ শইকীয়া, পখিলা লেকথেপী, ড° যোগেশ দেউৰী, কবীন্দ্ৰ পুৰকায়স্থ, নুৰুদ্দিন আহমেদ; সাহিত্য অকাডেমি বঁটাপ্ৰাপক— দেৱব্ৰত দাস, ছাহায়ছুলি ব্ৰহ্ম, সাহিত্য অকাডেমি যুৱ বঁটাপ্ৰাপক সুপ্ৰকাশ ভূঞা, অমৰ খুংগুৰ বড়ো; সাহিত্য অকাডেমি শিশু সাহিত্য বঁটাপ্ৰাপক — সুৰেন্দ্ৰ মোহন দাস, বিনয় কুমাৰ ব্ৰহ্ম; ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাপ্ৰাপক— উৎপল দত্ত, প্ৰবাল খাউণ্ড, আদিত্যম শইকীয়া, শিল্পীকা বৰদলৈ, কামাখ্যা নাৰায়ণ সিং, নৱ কুমাৰ ভূঞা, সঞ্জীৱ পৰাশৰ, নীলাক্ষি মেধি ; বিশেষ সম্বৰ্দ্ধিত ব্যক্তিসকল— বিশিষ্ট সংগীত শিল্পী জে পি দাস, আন্তঃৰাষ্ট্ৰীয় ভলীবল খেলুৱৈ অভিজিৎ ভট্টাচাৰ্য, মহিলা ক্ৰিকেট খেলুৱৈ উমা চেত্ৰী।

- মুকলি বিহুত তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ শৰণীয়া কছাৰী জনগোষ্ঠীৰ **১০০ গৰাকী যুৱক-যুৱতীৰ 'মাছমৰীয়া (জাকৈ) নৃত্য'**, কোকৰাঝাৰ জিলাৰ **১০০গৰাকী কোচ ৰাজবংশী জনগোষ্ঠীৰ যুৱক-যুৱতীৰ 'গোৱালিনী নৃত্য'ৰ** লগতে কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশ ল'ব।
- জন্ম শতবৰ্ষ উপলক্ষে ড° ভূপেন হাজৰিকালৈ বিশেষ শ্ৰদ্ধাঞ্জলি।
- **'একাঁজলি শ্ৰদ্ধাৰ্ঘ্য...'** শীৰ্ষক এটি সংগীতৰ বিশেষ অনুষ্ঠান।
- অনুষ্ঠানত অসমৰ শিল্পী, সাহিত্যিক, খেলুৱৈ আৰু বিশিষ্ট নাগৰিকসকলে অংশগ্ৰহণ কৰিব।

সকলোৰে উপস্থিতি কামনা কৰা হ'ল।

ৰঞ্জিত ডেকা
নাৰ্চিমা বেগম
**সাংস্কৃতিক সম্পাদক**

কমল মহন্ত
**সভাপতি**
প্ৰাঞ্জল ডেকা
**সাধাৰণ সম্পাদক**

সদৌ গুৱাহাটী ছাত্ৰ সন্থা

সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক কৌশিক কলিতাৰ দ্বাৰা প্ৰচাৰিত।


দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ